# ক’ৰোনা

জীৱন ■ জীৱিকা ■ ৰাজনীতি

খালী পৃষ্ঠা

# ক'ৰোনা

## জীৱন ■ জীৱিকা ■ ৰাজনীতি

গোপাল জালান

**বিশাল প্ৰকাশন**
গুৱাহাটী- ৭৮১০০৩

# CORONA

**JEEVAN ■ JEEVIKA ■ RAJNEETI**

A collection of Assamese of articles
written by Gopal Jalan and published by
Brajendra Nath Deka on behalf of Bishal Prakashan,
Upasana Bhawan, Rajgarh Link Road, Chandmari, Guwahati-3.
First Edition : August, 2020, Price : Rs. 180/- only

ISBN : 978-93-82587-30-9

# ক'ৰোনা

**জীৱন ■ জীৱিকা ■ ৰাজনীতি**

গ্ৰন্থস্বত্ব ঃ **লেখক**
প্ৰকাশক ঃ **বিশাল প্ৰকাশন**
গুৱাহাটী- ১
দূৰভাষ ঃ ৯৮৬৪০-৩৮৮১৪
প্ৰথম প্ৰকাশ ঃ **আগষ্ট, ২০২০ চন**
মূল্য ঃ **১৮০.০০ টকা**
বেটুপাত ঃ **মনজিৎ মালাকৰ**
আৰ্হিপাঠ ঃ **দুৰ্গাপ্ৰসাদ হাজৰিকা**
বৰ্ণ সংস্থাপন/অংগসজ্জা ঃ **নিবিড় ডি টি পি চেণ্টাৰ**
নয়নপুৰ, গুৱাহাটী
দূৰভাষ ঃ ৬০০৩৫ ৯১৭৯০
মুদ্ৰণ ঃ **বিশাল অফছেট**
গুৱাহাটী- ৩
দূৰভাষ- ৭০০২২ ৫২৩৯১

# উৎসৰ্গা

নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি অহোৰাত্রি মানৱ সেৱাত ব্ৰতী হোৱা প্ৰতিগৰাকী ক'ৰোনা-যোদ্ধাৰ হাতত এইখন গ্ৰন্থ উৎসৰ্গা কৰিলোঁ।

—**লেখক**

খালী পৃষ্ঠা

# মনৰ কথা

২০১৯ চনৰ ডিচেম্বৰ মাহৰপৰা আজিপৰ্যন্ত বিশ্ববাসীক সন্ত্ৰস্ত কৰি ৰাখিছে ক'ভিড- ১৯ অৰ্থাৎ ক'ৰোনা ভাইৰাছে। এই ভাইৰাছ মানুহৰপৰা মানুহলৈ সংক্ৰমণ হৈছে। ইয়াৰ পৰা পৰিত্ৰাণৰ বাবে কোনোধৰণৰ ঔষধ বা প্ৰতিষেধক আজিপৰ্যন্ত আৱিষ্কাৰ হোৱা নাই। বৰ্তমান পৰিস্থিতিত গণসংক্ৰমণ ৰোধ কৰিবলৈ চৰকাৰে যি নীতি-নিৰ্দেশনা দিছে— সেয়া মানি চলাটো এগৰাকী দায়বদ্ধ নাগৰিকৰ কৰ্তব্য হোৱা উচিত। উন্নত, উন্নয়নশীল, অনুন্নত আদি অভিধাৰে বিভূষিত কৰা কোনো এখন দেশ এই মহামাৰীৰ ভয়াৱহতাৰপৰা পৰিত্ৰাণ পোৱা নাই।

আমাৰ দেশত এই বৰ্ষৰ ২৫ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লকডাউন ঘোষণা কৰে। ইয়াৰ পাছত পৰ্যায়ক্ৰমে সমগ্ৰ দেশৰ প্ৰতিখন ৰাজ্যতে 'লক্‌ডাউন' আৰু 'আনলক্' চলি আছে। লক্‌ডাউনৰ জৰিয়তে গণসংক্ৰমণ ৰোধ কৰাত সুবিধা হয়। উদাহৰণ স্বৰূপে আমি দ্বীপ ৰাষ্ট্ৰ নিউজিলেণ্ডৰ নাম ল'ব পাৰো। পাঁচ মিলিয়ন জনবসতিপূৰ্ণ দেশ নিউজিলেণ্ড আজিৰ তাৰিখত সম্পূৰ্ণৰূপে ক'ৰোনামুক্ত। প্ৰধানমন্ত্ৰী জেকিণ্ডা আৰ্ডাৰ্নে এই কথা বিশ্ববাসীক অৱগত কৰি 'এপাক নাচিবলৈ মন যোৱা' বুলি সদৰী কৰে। গতিকে আমি সজাগ আৰু সচেতন হ'লে নিশ্চয় ক'ৰোনামুক্ত হ'ব পাৰিম। অৱশ্যে জনসংখ্যা বৃদ্ধিৰে বিশ্বত দ্বিতীয় স্থানত থকা ভাৰতত বৰ্তমান সময়ত ক'ৰোনা ভাইৰাছৰ দ্ৰুতগতিত গণসংক্ৰমণ হৈছে। ক'ৰোনা আক্ৰান্তৰ সংখ্যাৰে আমেৰিকা আৰু ব্ৰাজিলৰ পিছত আমাৰ দেশ তৃতীয় স্থানত আছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ইতিমধ্যে আমেৰিকাক পিছ পেলাব বুলি উল্লেখ কৰিছে। চুবুৰীয়া

দেশ চীন, পাকিস্তান আৰু নেপালৰ মাজত বাদ-বিবাদ সৃষ্টি হোৱাত বৰ্তমান সময়ত সীমা সুৰক্ষাত প্ৰতি মুহূৰ্ততে দৃষ্টি ৰখাৰ লগতে ক'ৰোনা প্ৰতিৰোধতো আমাৰ দেশ ব্ৰতী হ'ব লগা হৈছে। আনহাতে বৰ্তমান সময়ত দেশৰ কে'বাখনো ৰাজ্যৰ জনতাই বানপানীত কক্‌বকাই আছে। দেশৰ প্ৰশাসনে সীমা সুৰক্ষা, ক'ৰোনা আৰু বানপানীৰ লগত সংগ্ৰাম চলাই থকাৰ সময়ত সাধাৰণ জনতাই ক'ৰোনা আৰু বানপানীৰ লগত সহাৱস্থান কৰিব লগা হৈছে।

লক্‌ডাউনৰ সময়ছোৱাতে এই গ্ৰন্থৰ প্ৰতিটো লেখা লিখা হৈছে। ক'ৰোনাত আক্ৰান্ত ৰোগীয়ে ছট্‌ফটাই থকা দেখিছো, ক'ৰোনা যোদ্ধাৰ সংগ্ৰাম দেখিছো, পুলিচ-প্ৰশাসনৰ জনসেৱা দেখিছো, ঘৰমুখী যুৱক-যুৱতীসকলৰ হা-হুমুনিয়াহ দেখিছোঁ, কন্যা সন্তানে পিতৃক চাইকেলত উঠাই ভাবিব নোৱাৰা দূৰৰপৰা ঘৰলৈ অনা দেখিছো, ৰে'লৰ আলিত শুই থকা ভাগৰুৱা ঘৰমুখী শ্ৰমিকৰ ৰে'লে মহটিয়াই নিয়া টুকুৰা-টুকুৰ মৃতদেহৰ লগতে তেজলগা শুকান ৰুটী পৰি থকা দেখিছো, বৃত্তি সলনি কৰি হা-হুমুনিয়াহ কাঢ়ি শাক-পাচলি তথা মাছ-মাংস বিক্ৰী কৰা লোক দেখিছো, চকাযুক্ত বেগত ধৰি টোপনি যোৱা সন্তানক তেনে অৱস্থাৰেই টানি নিয়া অভিভাৱকক দেখিছো, এসাঁজ ভাতৰ বাবে টাকুৰি ঘূৰাৰ দৰে ঘূৰি ফুৰা লোক দেখিছো, ঘৰ ভাৰা দিব নোৱাৰি মালিকৰ অমানৱীয় আচৰণত ৰাস্তাত ৰ'দে-বৰষুণে সন্তানক বুকুত সাবটি ৰাতি কটোৱা পিতৃ-মাতৃক দেখিছো, হতাশগ্ৰস্ত হৈ আত্মহত্যা কৰা লোক দেখিছো...। আৰু কিমান উদাহৰণ দিম। বহুতে কৰ্মসংস্থান হেৰুৱালে। বহুতৰে ব্যৱসায়-বাণিজ্যত মন্দাৱস্থা। এইবোৰ কথাকে 'ক'ৰোনা ঃ জীৱন-জীৱিকা-ৰাজনীতি'ত লিপিবদ্ধ কৰিছো (Corona নামটো অসমীয়াত লিখোতে বিভিন্নজনে বিভিন্ন ধৰণে লিখিছে যদিও আমি এই গ্ৰন্থত 'ক'ৰোনা' বুলিয়েই ব্যৱহাৰ কৰিছো)। আটাইকেইটা লেখা বাতৰি কাকতত প্ৰকাশ হৈছে। ক'ৰোনাৰ ত্ৰাসৰ সময়ত ৰচনা কৰা লেখাকেইটাক একেলগে থূপাই থ'লো এই সংকলনত। পূৰ্বৰ গ্ৰন্থকেইখনৰ দৰে এইখন গ্ৰন্থও 'বিশাল প্ৰকাশ'ৰ স্বত্বাধিকাৰী ব্ৰজেন্দ্ৰনাথ ডেকাই প্ৰকাশ কৰাৰ বাবে তেওঁৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো। আমাৰ পূৰ্বৰ গ্ৰন্থকেইখনৰ দৰে এইখনকো আপোনালোকে আদৰি ল'ব বুলি আশা ৰাখিছো।

**গোপাল জালান**

# সূচী-পত্ৰ


- উৰা বাতৰি প্ৰচাৰ কৰা ব্যক্তিসকলক কঠোৰ শাস্তি দিয়ক ১৩
- ক'ৰোনাৰ বিৰুদ্ধে যুঁজ দিয়াসকলৰ কথাও ভাবক ১৬
- ক'ভিড- ১৯ ভাইৰাছেও যিসকলক সতৰ্ক কৰিব পৰা নাই ১৯
- ভুৱা বাতৰি, একাংশ ভোকাতুৰ আৰু প্ৰৰোচিত কৰা লোক ২২
- কঠোৰ আৰক্ষীৰ মানৱীয় ৰূপ ২৫
- সামাজিক দূৰত্ব বজাই ৰাখিবলৈ সহযোগিতা আগ বঢ়াওক ২৮
- চিকিৎসক-স্বাস্থ্যকৰ্মীক ৰাইজে সহযোগ কৰক ৩১
- সন্মুখৰপৰা নেতৃত্ব দিব পৰাজনহে প্ৰকৃত জনপ্ৰতিনিধি ৩৪
- ৰাইজে নখ জোকাৰিলে নৈ বয় ৩৭
- ক'ৰোনাৰ বাবে কিয় হৈছে মানসিক সমস্যা ৪০
- ঔষধ ৰপ্তানিৰে ভাৰতৰ মানৱতাৰ নিদৰ্শন আৰু ভৱিষ্যতৰ লাভালাভ ৪৪

■ ক'ভিড-১৯ প্ৰতিৰোধৰ যুঁজত চীনতকৈ আগত বজৰংগবলী ভাৰত ৪৭
■ ৰাইজ আৰু আৰক্ষীৰ ব্যৱধান নোহোৱা কৰিলে ক'ৰোনা ভাইৰাছে ৫০
■ ক'ৰোনা ভাইৰাছে মানুহক বহু কথা শিকালে ৫৩
■ ছুইজাৰলেণ্ডৰ পৰ্বতত ভাৰতীয় জাতীয় পতাকা প্ৰতিফলিত হ'ল কিয়? ৫৬
■ জনসাধাৰণৰ ঊৰ্ধ্বত নহয় জনপ্ৰতিনিধি ৫৯
■ ক'ৰোনাৰ বিৰুদ্ধে যুঁজৰ সমান্তৰালকৈ হ'ব লাগিব কৃষিখণ্ডৰ উন্নয়ন ৬১
■ ঘৰমুখী যুৱক-যুৱতীসকলৰ সংস্থাপনেৰে সমৃদ্ধি কৰক অসম ৬৪
■ আবদ্ধক ঘৰলৈ যাবলৈ দি চৰকাৰে গ্ৰহণ কৰিলে ইতিবাচক পদক্ষেপ ৬৭
■ ক'ৰোনাৰ গণসংক্ৰমণ ৰোধৰ সমান্তৰালৈ কামতো আগ বাঢ়ক ৬৯
■ ভ্ৰাম্যমাণৰ কলাকুশলীৰ কথাও চিন্তা কৰক ৭২
■ ক'ৰোনাৰ সংক্ৰমণ প্ৰতিৰোধী যুঁজ আৰু ভৱিষ্যৎ কৰ্মসংস্থাপনৰ চিন্তা ৭৬
■ আমি কৰ্মহীন নে কৰ্মবিমুখ? ৭৯
■ সুস্থ পৰিৱেশৰ বাবে মুক্ত মনে ঘূৰিছে বন্যপ্ৰাণীয়ে ৮২
■ স্বাৱলম্বিতাৰ পথ দেখুৱাওক জনপ্ৰতিনিধিয়ে ৮৫
■ ৰাজ্যফেৰৎসকলক জনপ্ৰতিনিধিসকলে সংস্থাপিত কৰক ৮৮
■ সময়ৰ স'তে খোজ মিলাই নিজক পৰিৱৰ্তন কৰিবই লাগিব ৯১
■ অসমৰ স্বাস্থ্য বিভাগৰ ইতিবাচক পদক্ষেপ আৰু কিছু প্ৰাসংগিক চিন্তা ৯৪
■ নৱপ্ৰজন্মক স্বাৱলম্বী হ'বলৈ চৰকাৰে ব্যৱস্থা কৰক ছিংগল উইন্ড' ৯৭

■ ক'ৰোনাৰ কালগ্ৰাসৰ ফলতো পৰিৱৰ্তন নহ'ল বহু অভ্যাসৰ ১০০
■ সীমান্তত উত্তেজনা সৃষ্টিৰে ভাৰতক উদ্বিগ্ন কৰিব খোজে চীনে ১০৩
■ চীনে ভাৰতৰ বিৰুদ্ধে যুদ্ধ নকৰাৰ আঁৰত ১০৬
■ থলুৱা সামগ্ৰীৰ প্ৰতি আগ্ৰহী হওক ১১০
■ ক'ৰোনা প্ৰতিৰোধী যুঁজৰ অক্লান্ত সৈনিকসকলৰ কথা কোনে ভাবিব ১১৩
■ বাতৰি কাকত, আলোচনী আৰু তলাবন্ধ ১১৫
■ খাদ্য সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিৰ বাবে কেৱল ফাঁচীবজাৰেই দায়ীনে? ১১৮
■ চীন-পাকিস্তান-নেপাল আৰু ভাৰতৰ প্ৰত্যাহ্বান ১২০
■ তৃতীয় বিশ্বযুদ্ধৰ সংকেত নেকি? ১২৩
■ আৰক্ষীৰ বিশাল হৃদয় ঃ পথত আইন ভংগকাৰীক প্ৰহাৰ ১২৭
■ মানুহ নাখাই মৰাতকৈ খাইহে মৰে ১৩০
■ ক'ৰোনা প্ৰতিৰোধী যোদ্ধাৰ স্নেপশ্বট্ ১৩৩
■ ভ্ৰাম্যমাণ থিয়েটাৰ-চিনেমা-অপেছাদাৰী নাট্যদলৰ ডুখৰীয়া ছবি ১৩৬
■ ক'ৰোনাতকৈ ভয়াৱহ ক্ষুধাৰ্ত লোকৰ আৰ্তনাদ ১৩৯
■ অনলাইন প্ৰতিযোগিতা-অনুষ্ঠানেও দিছে ইতিবাচক পথৰ সন্ধান ১৪১
■ নিৰাশাত ডুবন্ত জীৱন ডিঙা ১৪৪
■ আতংক মানৱ জাতিৰ অভিশাপ ১৪৮
■ বিশ্ববাসীক সন্ত্ৰস্ত কৰি ৰখা কেইবিধমান মহামাৰী ১৫১

খালী পৃষ্ঠা

# উৰা বাতৰি প্ৰচাৰ কৰা ব্যক্তিসকলক কঠোৰ শাস্তি দিয়ক

সমাজত এনে কিছু লোক থাকে— যিসকলে অনবৰতে আনৰ অপকাৰ বা অনিষ্ট কৰিবলৈ চেষ্টা কৰি থাকে। দুৰ্বল মুহূৰ্তবোৰত এই লোকসকল অধিক সক্ৰিয় হৈ পৰে। এতিয়া সমগ্ৰ বিশ্বতে জনসাধাৰণ ক'ৰোনা (ক'ভিড-১৯) ভাইৰাছক লৈ ত্ৰাসিত হৈ থকাৰ সময়তে একাংশ দুষ্ট ব্যক্তিয়ে বিভিন্ন ধৰণে উৰা বাতৰি প্ৰচাৰ কৰিবলৈ ধৰিছে। এইসকলে সামাজিক মাধ্যম— বিশেষকৈ ফেচবুক, ৱাটছএপৰ জৰিয়তে অপপ্ৰচাৰ চলাই মানুহক শংকিত কৰিবলৈ লৈছে। এনে অপপ্ৰচাৰ বা উৰা বাতৰিৰ জৰিয়তে এইসকল লোকৰ কি লাভ হ'ব— সেয়া জনা সম্ভৱ নহয় যদিও অপপ্ৰচাৰ চলাইছে দ্ৰুতগতিত।

বিপদৰ সময়ত ধৈৰ্যই একমাত্ৰ সম্পদ। এতিয়া বিশ্ববাসী মহাসংকটৰ মাজত সোমাই পৰিছে। কোন দিশে গতি কৰিছে আৰু অহা এমাহ-দুমাহৰ পাছত কেনে গতি

ল'ব তাক লৈ বিশ্ববাসী চিন্তান্বিত। স্তব্ধ হৈ পৰিছে কাম-কাজ। মন্থৰ হৈ পৰিছে বিশ্ব-অৰ্থনীতি। উপায়ান্তৰবিহীন হৈ আনকি সকলো আন্তৰ্জাতিক ব্যৱসায়-বাণিজ্য বন্ধ কৰিবলৈ বাধ্য হৈছে। ইচ্ছা থাকিলেও এফালৰপৰা সকলোবোৰ বন্ধ কৰিছে। মাথোঁ জৰুৰী সেৱাসমূহহে বৰ্তি আছে।

জীৱনৰ প্ৰতিটো মুহূৰ্ততে মৃত্যুৰ ভাবুকি থকাৰ পাছতো চিকিৎসক-চিকিৎসাকৰ্মী তথা জৰুৰীকালীন সেৱাত ব্ৰতী লোকসকল অহৰ্নিশে ব্যস্ত হৈ আছে ৰোগীৰ লগতে সাধাৰণ লোকৰ সেৱাত। ৰোগ প্ৰতিৰোধৰ বাবে সকলোৰে চেষ্টা অব্যাহত ৰাখিছে। জনসাধাৰণক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে। কাৰণ এই ৰোগ প্ৰতিৰোধৰ বাবে আটাইতকৈ সহজ উপায়টোৱেই হ'ল সতৰ্কতা। কাৰণ ক'ৰোনা ভাইৰাছ আগৰেপৰাই আছে। তথাপি ক'ভিড-১৯ নামৰ ভাইৰাছবিধ সকলোৰে বাবে নতুনকৈ পৰিচিত হৈছে। ইয়াৰ ঔষধ বা চিকিৎসা বৰ্তমানলৈকে সম্ভৱ হোৱা নাই। শংকা তাতেই। চিকিৎসা সম্ভৱ হ'লে মানুহৰ মাজৰপৰা আশংকা আঁতৰি যাব। তেতিয়া পূৰ্বৰ দৰেই মানুহে কাম-কাজ স্বাভাৱিকভাৱে কৰিব পাৰিব। জীয়াই থাকিলে বছৰ বছৰ ধৰি মানুহে কাম-কাজ কৰিব পাৰিব। উন্নতিৰ জখলাত উপনীত হ'বলৈ সুযোগ পাব। জীয়াই থাকিবলৈ এয়াই শেষ সুযোগ। এজনৰপৰা আন এজনলৈ যাতে ৰোগবিধ বা ক'ভিড-১৯ ভাইৰাছ বিয়পিব নোৱাৰে তাৰ বাবেই সতৰ্কতা হিচাপে মানুহে ঘৰৰ ভিতৰত আবদ্ধ হৈ থকাটো জৰুৰী হৈ পৰিছে। প্ৰত্যেকে ঘৰৰ ভিতৰত থাকিয়েই নিজৰ নিজৰ বহুতো কাম সম্পাদন কৰিব পাৰে। এনে কৰিলে কামৰ গতি সম্পূৰ্ণৰূপে হ্ৰাস নাপাব। মাথোঁ কেইদিনমানৰ বাবে মন্থৰ হৈহে পৰিব। সকলোৰে মনত ৰখা উচিত যে মন্থৰ গতিক এটা পৰ্যায়ত পূৰ্ণ বা দ্ৰুত গতি দিয়াটো সম্ভৱ। জীয়াই থাকিবলৈ সকলোৰে সকলোকে সহায় কৰিব লাগিব। কোনোবা এজন আক্ৰান্ত হ'লে যে সেই ভাইৰাছ আনলৈ তেওঁৰদ্বাৰা বিয়পিব পাৰে— সেই কথা উপলব্ধি কৰাৰ সময় আহি পৰিছে। জীৱনক বচোৱাটো ল'ৰা-ধেমালি বুলি কোনোৰে ভাবিব নালাগে। কাৰণ কাৰোবাৰ ভুলৰ বাবে এটা অঞ্চল বা এখন ৰাজ্য উছন হ'ব পাৰে। তেনে ভুল যাতে কোনোৱে নকৰে তাৰ বাবে সকলোকে সতৰ্ক হ'বলৈ বিভিন্ন পক্ষই আহ্বান জনাই আছে। এনে

আহ্বানক আকৌ একাংশ দুষ্ট লোকে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে বা আনৰ অপকাৰ চিন্তা কৰাৰ মানসিকতাৰ বাবেই অপব্যাখ্যাৰে সাধাৰণ জনসাধাৰণক বিপথে পৰিচালিত কৰিবলৈ ভিন্ন পন্থা গ্ৰহণ কৰিছে।

অপপ্ৰচাৰত কোনো ভোল যাব নালাগে। মানুহে পানীত পৰিলে বাচিবলৈ দূবৰি বন এডালকো বিপদৰ সংগী বুলি ভাবে। তদুপৰি অসহায় লোকক আক্ৰমণ কৰি একাংশই মুনাফা লুটাৰ বাবেও চেষ্টা চলায়। আজিকালি এনে লোকৰ অপপ্ৰচাৰ চাবলৈ বেছি সুবিধা হৈছে সামাজিক মাধ্যমসমূহ। এতিয়া সামাজিক মাধ্যম ব্যৱহাৰকাৰীৰ সংখ্যা অধিক। তদুপৰি অতি কম সময়ৰ ভিতৰতে এনে উৰা বাতৰি-অপপ্ৰচাৰ চাৰিওফালে বিয়পি পৰে। এতিয়া যিসকল লোকে ক'ভিড-১৯ক লৈ অপপ্ৰচাৰ চলাই আছে সেইসকলৰ বাবেই ৰাইজ আতংকিত হৈছে। বহু লোক মানসিকভাৱে অস্থিৰ হৈ পৰিছে—উৰা বাতৰিয়ে সৃষ্টি কৰা বিভ্ৰান্তৰ বাবে। এনে অপপ্ৰচাৰ চলোৱা লোকসকলৰ বিৰুদ্ধে চৰকাৰ-প্ৰশাসনে কঠোৰ পদক্ষেপ লোৱা উচিত। এনে লোকক গ্ৰেপ্তাৰ কৰি এনে কঠোৰ শাস্তি বিহক— যাতে দ্বিতীয়জনে এইবোৰ কৰিবলৈ কেতিয়াও সাহস নকৰে।

এতিয়া শংকিত নহয়— সতৰ্ক হোৱাৰহে সময়। শংকিত হ'লে শাৰীৰিক-মানসিক সমস্যাই জুৰুলা কৰিব পাৰে। ইয়াৰ বিপৰীতে সকলোৱে যদি মাৰ বান্ধি থিয় হৈ সজাগ-সতৰ্কতাৰে ঘৰৰ চৌহদতে আবদ্ধ থাকি নিজ কৰ্ম (যিখিনি সম্ভৱ) সম্পাদন কৰে— তেন্তে নিজৰ লগতে সকলোৰে ভৱিষ্যৎ সুৰক্ষিত হ'ব। শংকা নহয়— সতৰ্কতাৰে ক'ৰোনাৰ বিৰুদ্ধে যুঁজ দিয়ক।

# ক'ৰোনাৰ বিৰুদ্ধে যুঁজ দিয়াসকলৰ কথাও ভাবক

বিশ্ববাসী আজি মহাসংকটত। মহামাৰী ক'ৰোনা (ক'ভিড-১৯)ৰ সংক্ৰমণৰপৰা পৰিত্ৰাণ বিচাৰি আজি বিশ্ববাসীয়ে একগোট হৈ যুঁজিছে। মানে একেলগে যুঁজিবলৈ বাধ্য হৈছে। কাৰণ একেলগে যুঁজ দিয়াৰ বাহিৰে গত্যন্তৰ নাই। এইবিধ ভাইৰাছ ধ্বংস কৰিবলৈ ঔষধ বা প্ৰতিষেধক এতিয়াও ওলোৱা নাই। বৰ্তমান বিশ্বৰ উন্নত দেশসমূহত গৱেষণাৰ স্তৰতে আছে ঔষধৰ প্ৰয়োগ। সেইবাবে এইবিধ ভাইৰাছক লৈ শংকিত হৈছে বিশ্ববাসী। এই ভাইৰাছৰ আক্ৰমণৰপৰা বিশ্ববাসীক ৰক্ষা কৰিবলৈ প্ৰতিখন দেশৰ চৰকাৰে গ্ৰহণ কৰিছে বিভিন্ন ব্যৱস্থা।

ক'ৰবাত যদি চৰকাৰী কাৰ্যালয়ত কৰ্মচাৰীৰ সংখ্যা হ্ৰাস কৰিছে— আন ক'ৰবাত আকৌ দেশজুৰি আৰম্ভ

হৈছে তলাবন্ধ। আমাৰ দেশত তলাবন্ধ ২১ দিনলৈকে দিছে। এনে এক ভয়াৱহ পৰিস্থিতিৰ মাজতো একাংশ লোকে আক্ৰান্ত লোকসকলক সেৱা আগ বঢ়াবলৈ নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি আগ বাঢ়ি আহিছে। এওঁলোকে ভয়াৱহ ক'ভিড-১৯ৰ মাজতে ৰোগীক দিনে-নিশাই সেৱা আগ বঢ়াই আছে। পৰিয়ালৰ লগতে নিজৰ কথাও নাভাবি এওঁলোক ব্যস্ত হৈ আছে চিকিৎসালয়ৰ লগতে বিভিন্ন চিকিৎসা কেন্দ্ৰত। গাঁৱে-গাঁৱে ৰ'দ-বৰষুণৰ মাজতো লঘোনে থাকিয়ে জনসাধাৰণক সেৱা আগ বঢ়াইছে। এনেদৰে আক্ৰান্ত লোকক সেৱা আগ বঢ়োৱা লোকসকল ২০-২২ ঘণ্টাপৰ্যন্ত অনাহাৰে-নিদ্ৰাহীনভাৱে আছে। চিকিৎসকৰ লগতে নাৰ্ছ, চিকিৎসাকৰ্মী আৰু আন বহুতো লোকো এই অভিযানত নামি পৰিছে। এওঁলোকৰ কিছুমান আনকি আক্ৰান্ত হৈছে। বহুতে মৃত্যুৰ সৈতে যুঁজি আছে। পিছে এইসকল লোকৰ কথা কোনোৱে ভাবি চোৱা নাই। সমগ্ৰ বিশ্বতে এই ছবিখন ফুটি উঠিছে।

ক'ৰোনাৰ আতংকৰ বাবে এতিয়া বহু লোকে চিকিৎসক, নাৰ্ছ, চিকিৎসাকৰ্মী আদিক ওচৰলৈ আহিবলৈ নিদিয়া হৈছে। পিছে এই লোকসকলে যে অতি সাৱধানতাৰে আনক বচাবলৈ সতৰ্ক হৈ আছে— সেই কথা ভাবি চাবলৈ আজি কাৰোৰে আহৰি নাই। সকলোৱে মনত ৰখা উচিত— চিকিৎসক-নাৰ্ছ, চিকিৎসাকৰ্মীসকলো মানুহ। তেওঁলোকো সমাজৰে অংগ। তেওঁলোকৰো দুখ-ভাগৰ, ল'ৰা-ছোৱালী, পত্নীৰ উপৰি পৰিয়ালৰ আপোনজন আছে। বহুতে নিজৰ আপোন ঘৰখন এৰি বহু দূৰত চিকিৎসা সেৱা আগ বঢ়াই আছে। ভাৰাঘৰ বা চৰকাৰী আৱাসত আছে।

এতিয়া পিছে কিছুমান ঠাইত চিকিৎসক, নাৰ্ছ, চিকিৎসাকৰ্মীৰ লগতে এই অভিযানত ব্যস্ত লোকক ভাৰাঘৰ খালী কৰিবলৈ গৰাকীয়ে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে হেঁচা প্ৰয়োগ কৰি আছে। বহুতৰ হাতত নাই পৰ্যাপ্ত ধন। গতিকে এনে এক জটিল পৰিস্থিতিত এইসকল লোকে কৰিব কি? তেওঁলোকে নতুন ভাৰাঘৰ বিচাৰি যাব ক'লৈ? এফালে কৰ্তব্য পালন আৰু আনফালে ঘৰ খালী কৰিবলগীয়া হোৱাৰ হেঁচা। নিজ কৰ্তব্য পালন কৰাটো এনে জৰুৰী অৱস্থাত প্ৰথম আৰু প্ৰধান কাৰ্য। এওঁলোকক নিজৰ নিজৰ কাম সুকলমে সম্পন্ন কৰিবলৈ উৎসাহ যোগাব লাগে। মানৱতাৰ নিদৰ্শন

দাঙি ধৰিবলৈ এয়াই সকলোৰে সন্মুখত সুযোগ। এই লোকসকলক কোনোধৰণৰ হাৰাশাস্তি নকৰি নিজ নিজ কৰ্তব্য পালন কৰিবলৈ উৎসাহ যোগোৱা উচিত। কাৰণ এনে উৎসাহে চিকিৎসক, নাৰ্ছ, চিকিৎসাকৰ্মীসকলক লাখ লাখ লোকৰ প্ৰাণ ৰক্ষাৰ বাবে প্ৰেৰণা যোগাব। কোনো লোকে এই সময়ছোৱাত আমাৰ হকে কাম কৰা লোকসকলৰ ওপৰত হেঁচা প্ৰয়োগ কৰিব নালাগে।

সকলোৱে মনত ৰখা উচিত— জীয়াই থাকিলেহে সা-সম্পত্তিৰ প্ৰয়োজন। যদি পৃথিৱীত মানুহেই নাথাকে— তেনেহ'লে ধন-দৌলত, ঐশ্বৰ্য-বিভূতিৰ প্ৰয়োজন থাকিব জানো? সেয়েহে এই বিপদৰ সময়ত সকলোৱে হাতে হাত ধৰি আগ বাঢ়িব লাগিব। প্ৰত্যক্ষভাৱে নোৱাৰিলেও— পৰোক্ষভাৱে ক'ৰোনা মহামাৰী প্ৰতিৰোধত সহায়ৰ হাত আগ বঢ়াওক। কোনো লোকক হেঁচা প্ৰয়োগ কৰি ভাৰাঘৰৰপৰা উলিয়াই দি অমানৱীয় কাম নকৰিব।

# ক'ভিড- ১৯ ভাইৰাছেও যিসকলক সতৰ্ক কৰিব পৰা নাই

সমগ্ৰ বিশ্বৰ জনতাক ক'ভিড- ১৯ ভাইৰাছৰ আতংকই শংকিত কৰি তুলিছে। আজিলৈকে ইয়াৰ বিৰুদ্ধে যুঁজ দিব পৰা ঔষধ বা প্ৰতিৰোধ কৰিবলৈ প্ৰতিযেধকো ওলোৱা নাই। যিহেতু ক'ৰোনা (ক'ভিড- ১৯) ভাইৰাছবিধ অতি শক্তিশালী আৰু মানৱ শৰীৰত প্ৰৱেশ কৰি 'নীৰৱ ঘাতক'ৰ ৰূপত অৱতীৰ্ণ হয়। এইবিধ ঘাতকৰূপী ভাইৰাছে ইতিমধ্যে প্ৰায় সাত লাখ লোকৰ প্ৰাণ কাঢ়ি নিছে। প্ৰায় দুই কোটি লোক এই ভাইৰাছৰদ্বাৰা আক্ৰান্ত হৈ আছে। বিশ্বৰ বিভিন্ন প্ৰান্তলৈ ভাইৰাছৰ সংক্ৰমণ দ্ৰুতগতিত হৈ আছে।

কোনেও নাজানে— এইবিধ শক্তিশালী ভাইৰাছে আৰু কিমান দিনলৈ সংহাৰী ৰূপ ধাৰণ কৰি থাকিব। ভাইৰাছবিধ ধ্বংস কৰিবলৈ অথবা প্ৰতিৰোধ কৰাৰ ঔষধ উদ্ভাৱনৰ বাবে ইতিমধ্যে বিশ্বৰ বিভিন্ন ঠাইত গৱেষণা

আৰম্ভ কৰিছে। ইয়াৰ পৰা শীঘ্ৰে ফলাফল লাভ কৰিব বুলি সকলোৰেই আশাবাদী। এনে এক জটিল সন্ধিক্ষণত ৰাইজক সজাগ হৈ থাকিবলৈ চৰকাৰ তথা বিভিন্ন পক্ষই আহ্বান জনাইছে। সঘনাই হাত ধোৱাৰ লগতে য'ত হাত ধোৱাৰ ব্যৱস্থা নাই— তাত ছেনিটাইজাৰ ব্যৱহাৰ কৰিবলৈ বিশ্ব স্বাস্থ্য সংস্থাই বিশ্ববাসীক আহ্বান জনাইছে। তদুপৰি এজন ব্যক্তিয়ে আন এজনৰ স'তে এক নিৰ্দিষ্ট দূৰত্ব বা ব্যৱধান ৰক্ষা কৰি চলিবলৈকো বিশ্ব স্বাস্থ্য সংস্থাই আহ্বান জনাইছে।

এই সকলোবোৰ নিৰ্দেশনা জাৰি কৰা হৈছে যদিও এইবোৰ সম্পূৰ্ণৰূপে মানি চলা লোক সমাজত কিমানজন আছে? প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথমে দেশবাসীক 'জনতাৰ সান্ধ্য আইন'ৰ বাবে আহ্বান জনাইছিল। দেশবাসীয়ে এনে আহ্বানৰ প্ৰতি সঁহাৰি জনাই ঘৰৰ ভিতৰতে আবদ্ধ হৈ আছিল। যেতিয়া ক'ৰোনা (ক'ভিড- ১৯) ভাইৰাছে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ আশংকা প্ৰকট হ'ল তেতিয়া জনসাধাৰণক বিভিন্ন উপায়েৰে সতৰ্ক কৰিবলৈ চৰকাৰে আহ্বান জনায়। যিহেতু দেশৰ জনগণে চৰকাৰৰ ওপৰত বিশ্বাস ৰাখে, সেয়েহে চৰকাৰে জনোৱা আহ্বান বা পৰামৰ্শ সকলোৱে আখৰে আখৰে পালন কৰা উচিত। বিশেষকৈ দেশৰ সংকটৰ সময়ত সকলোৱে দল-মত নিৰ্বিশেষে সহায়ৰ হাত তথা সহযোগিতা আগ বঢ়াব লাগে। এয়া সকলোৰে কৰ্তব্য তথা দায়িত্ব। পিছে ইয়াকে নকৰি যদি ৰাজনীতি কৰিব খোজে তেন্তে সেয়া চৰম লজ্জাজনক বিষয়ৰ বাহিৰে আন একো নহ'ব।

কেন্দ্ৰীয় চৰকাৰে দেশবাসীৰ সুৰক্ষাৰ স্বাৰ্থত দেশজুৰি তলাবন্ধ ঘোষণা কৰিছে। একৈছ দিন তলাবন্ধ কৰি জনসাধাৰণৰ মাজত যাতে ভাইৰাছবিধে দ্ৰুতগতিত সংক্ৰমিত হ'ব নোৱাৰে সেই উদ্দেশ্য আগত ৰাখিয়ে এনেধৰণৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। অৱশ্যে তলাবন্ধৰ সময়তো কিছুমান অঞ্চলত বজাৰ, দোকান আদিত জনসমাগম হৈ আছে। এই বিশেষ অঞ্চলসমূহত একাংশ দুষ্ট প্ৰবৃত্তিৰ লোকে এয়া চৰকাৰৰ কৌশল বুলি অপপ্ৰচাৰ চলাইছে। বিভিন্ন শ্ৰেণীৰ লোকক প্ৰৰোচিত কৰি চৰকাৰৰ বিৰুদ্ধে উচটনি দি জনসমাগম কৰাইছে। প্ৰশাসনে বিভিন্ন ঠাইত নিৰ্দিষ্ট সময়ৰ ভিতৰত নিৰ্দিষ্ট দূৰত্ব বা ব্যৱধান ৰক্ষা কৰি অত্যাৱশ্যকীয় সামগ্ৰী সংগ্ৰহ কৰিবলৈ ৰাইজক

সুযোগ প্ৰদান কৰিছে। বিভিন্ন ঠাইত আনকি শাক-পাচলি, মাছ-মাংস আদি নিৰ্দিষ্ট নিয়মৰ মাজেৰে প্ৰশাসনে যোগান ধৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। কাৰণ বহুতো লোকৰ বাবে একৈছ দিনৰ খাদ্য সামগ্ৰী ঘৰত মজুত কৰা সম্ভৱ নহয়।

জনসাধাৰণৰ যাতে তলাবন্ধৰ সময়তো খাদ্য গ্ৰহণ আদিত অসুবিধা নহয়— তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এনে ব্যৱস্থা কৰিছে। অথচ কিছুমান লোকে চৰকাৰে দিয়া সুবিধাসমূহক চৰকাৰ-প্ৰশাসনৰ দুৰ্বলতা বুলি প্ৰচাৰ চলাইছে। একাংশ ব্যক্তিয়ে আকৌ অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী সংগ্ৰহৰ নামতো অপ্ৰয়োজনীয়ভাৱে দোকান-বজাৰত ভিৰ কৰিছে। বাৰে বাৰে সকীয়াই দিয়াৰ পাছতো নিৰ্দিষ্ট দূৰত্ব বা ব্যৱধান নাৰাখি এজনে আনজনৰ গাতে গা লগাই খাদ্য সামগ্ৰী সংগ্ৰহৰ বাবে অযথা ভিৰ কৰিছে। কিছুমান লোকে কোনো কাৰণ নোহোৱাকৈ পথত ঘূৰি ফুৰিছে। এনে লোকৰ বিৰুদ্ধে আৰক্ষীয়ে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবই লাগিব। কাৰোবাৰ পিঠিত কোব দিলে যদি লাখ লাখ লোকৰ প্ৰাণ ৰক্ষা হয়— তেন্তে তেনে কাৰ্যৰ বাবে সমালোচনা কৰাটো অপ্ৰাসংগিক বুলি ক'ব লাগিব। তদুপৰি যদি চৰকাৰৰ আহ্বান তথা নিৰ্দেশ অমান্য কৰি চৰকাৰৰ বিৰুদ্ধে আক্ৰমণাত্মক মনোভাব গ্ৰহণ কৰে— তেনেহ'লে তেনে লোকক কোবাই বা মৃত্যুভয়েৰে হ'লেও ঘৰৰ ভিতৰত আবদ্ধ কৰিবই লাগিব। প্ৰয়োজনীয় কামত পথলৈ ওলোৱাৰ বাবে নিয়মো বান্ধি দিছে চৰকাৰে। অপ্ৰয়োজনত আনৰ অনিষ্ট কৰিবলৈ ওলালে লাঠীৰ কোব নাখাই গোলাপ ফুল পাব বুলি আশা কৰাটো মূৰ্খামিৰ বাহিৰে আন একো নহয়।

# ভুৱা বাতৰি, একাংশ ভোকাতুৰ আৰু প্ৰৰোচিত কৰা লোক

এই পৃথিৱীত পৰিস্থিতিৰ সুযোগ লোৱা লোকৰ সংখ্যাই অধিক। যিকোনো পৰিস্থিতিতে কিছুমান দুৰ্বল মুহূৰ্ত থাকে। এনে মুহূৰ্তৰ সুযোগ গ্ৰহণ কৰিবলৈ বহুতেই অপেক্ষা কৰি থাকে। আজি সমগ্ৰ বিশ্বতেই ক'ৰোনা ভাইৰাছক লৈ ভয়াৱহ পৰিস্থিতি চলি থকাৰ মাজতেই একাংশ লোকে সুযোগ গ্ৰহণ কৰিবলৈ উঠি-পৰি লাগিছে। উৰা বাতৰি প্ৰচাৰ আৰু পৰিৱেশনৰদ্বাৰা একাংশ লোকে আন বহুতো লোকক প্ৰৰোচিত কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। যিকোনো বিপদৰ সময়ত কোনোবাই কিবা উপদেশ দিলেই বহু লোকে সেয়া গ্ৰহণ কৰে। লগতে সাময়িকভাৱে সকাহ পাবলৈ সকলোৰে চেষ্টা কৰে। এয়া পৰিস্থিতিৰ সুযোগৰ বাহিৰে আন একো নহয়।

জীৱনৰ যুঁজখন দীঘলীয়া। মানুহে যিমান দিনলৈ জীয়াই থাকে সিমান দিনলৈ 'জীৱন যুঁজ'খন চলাই নিব

পাৰে। যদি কোনো লোক জীয়াই নাথাকে তেনেহ’লে কোনে যুঁজ দিব? আজি বিশ্ববাসীৰ সন্মুখত এই প্ৰশ্নটোৱেই উত্থাপিত হৈছে। জীউটো ৰক্ষা কৰিবলৈ কিছুমান নিয়ম-নিৰ্দেশনা সকলোকে মানি চলিবলৈ চৰকাৰ তথা বিশ্ব স্বাস্থ্য সংস্থাই নিৰ্দেশ বা পৰামৰ্শ দিছে। মৰণব্যাধি স্বৰূপ ক’ৰোনা ভাইৰাছক প্ৰতিৰোধ কৰিবলৈ কিছুমান কঠোৰ নিৰ্দেশনা বান্ধি দিছে— দেশৰ জনগণৰ জীৱন সুৰক্ষাৰ বাবে। কাৰণ প্ৰতিখন দেশৰ চৰকাৰৰ প্ৰথম আৰু প্ৰধান কামটো হ’ল— ইয়াৰ ভূখণ্ডত থকা জনগণৰ জীৱন সুৰক্ষিত কৰা। বহিঃৰাজ্য বা ৰাষ্ট্ৰৰ আক্ৰমণৰপৰা ৰক্ষা কৰিব লাগিব। তদুপৰি প্ৰাকৃতিক দুৰ্যোগৰ সময়ত জনসাধাৰণ যাতে সুৰক্ষিত হৈ থাকিব পাৰে তাৰো ব্যৱস্থা চৰকাৰেই ল’ব লাগিব। সেইবাবে ইয়াৰ কাৰণে আছুতীয়াকৈ পুঁজি নিৰ্ধাৰণ কৰা থাকে। অৱশ্যে এইবোৰ কাৰ্যকৰী হ’বলৈ কিছুসময়ৰ প্ৰয়োজন। এতিয়া বিশ্ববাসীয়ে এনে এটা অচিন শক্তিশালী ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে; যাৰ শক্তি প্ৰতিহত বা ধ্বংস কৰিবলৈ কোনো অস্ত্ৰ-শস্ত্ৰ সম্ভৱ হোৱা নাই। অৱশ্যে এটা কথা ঠিক যে যদিহে জনসাধাৰণে উপযুক্তভাৱে সাৱধানতা বা সতৰ্কতা অৱলম্বন কৰে তেনেহ’লে জীৱন ৰক্ষা পৰিব।

সৰু সৰু দেশবোৰত, বিশেষকৈ যিবোৰ দেশত জনসংখ্যা অতি কম— সেইবোৰত ‘লকডাউন’ বা তলাবন্ধ আদি দিবলগীয়া হোৱা নাই। কিন্তু ভাৰতত তলাবন্ধৰ গত্যন্তৰ নাই। এশ তেত্ৰিছ কোটি জনগণৰ জীৱন সুৰক্ষিত কৰিবলৈ চৰকাৰে এনে কঠোৰ সিদ্ধান্ত গ্ৰহণ নকৰিলে হয়তো কোটিৰ হিচাপত মানুহে প্ৰাণ হেৰুৱাবলগীয়া হ’লহেঁতেন। গতিকে প্ৰতিগৰাকী ভাৰতীয়ই এই কথা উপলব্ধি কৰা উচিত।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ জনগণক ঘৰৰ ভিতৰত থাকি জীৱন ৰক্ষাৰ লগতে ক’ভিড- ১৯ ভাইৰাছবিধৰ বিৰুদ্ধে জয়ী হ’বলৈ আহ্বান জনাইছে। এই আহ্বানক আকৌ একাংশ স্বাৰ্থান্বেষী লোকে ৰাজনীতি কৰিব খুজিছে। এনে লোকৰ প্ৰৰোচনাতে আজি একাংশই পৰিস্থিতিৰ সুযোগ ল’বলৈ আহিছে। আজিৰ যুগত কাম কৰা লোক (তেওঁ শ্ৰমিক হ’লেও)ৰ হাতত পৰ্যাপ্ত ধন নাথাকিলেও এসপ্তাহ চলিব পৰাকৈ অলপ হ’লেও ধন নোহোৱাকৈ নাথাকে। দিন হাজিৰা কৰাসকলৰ হাতত ধন জমা নাই ঠিকেই— তেওঁলোকৰ একাউণ্টত

ধন জমা দিব বুলি চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছেই। জীয়াই থকাৰ বাবে প্ৰয়োজনীয় চাউল, আটা আদি খাদ্য সমাগ্ৰীও যোগান ধৰিব বুলি চৰকাৰে ঘোষণা কৰিছে। মাত্ৰ কেইদিনমান ধৈৰ্য ধৰিব লাগিব। একৈছ দিন বন্ধ দিয়াৰ লগে লগে এনে হৈছে যেন সকলোৰে তলি উদং হৈ গ'ল। দুৰ্ভিক্ষইহে যেন দেখা দিছে। সকলোৰে যেন ভঁৰাল উদং হৈছে।

এইকেইদিন কাম নকৰা বাবে ইয়াৰ প্ৰভাৱ এমাহ পাছত পৰিব। অৰ্থাৎ শ্ৰমিকসকলে অলপ-অচৰপ যি ধন জমা আছিল সেয়া ব্যয় কৰিলেও কেইদিনমান নিশ্চয় চলিব পাৰিব। তদুপৰি বহিঃৰাজ্যত থকা লোকসকল ইমান দিনে যিহেতু তাত আছিলেই— গতিকে একৈছ দিন সেই ঠাইত কিয় থাকিব নোৱাৰা হৈছে। একৈছ দিন ঘৰৰ ভিতৰত থাকিলে কোনেও খাবলৈ নাপাই নমৰে। কাৰণ চৰকাৰে ইতিমধ্যে আঁচনি গ্ৰহণ কৰিছেই। ভৱিষ্যতে এইসকলৰ বাবে চৰকাৰে কি কৰে কেইদিনমান জনসাধাৰণে ধৈৰ্য ধৰি চাব নোৱাৰে কিয়?

খাবলৈ নাপাই যিমান মৰিব, তাতকৈ হাজাৰ গুণ বেছি লোকে প্ৰাণ হেৰুৱাব— যদিহে কাৰোবাৰদ্বাৰা প্ৰৰোচিত হৈ শ শ কিলোমিটাৰ পথ অতিক্ৰমি নিজ গৃহলৈ যাবলৈ এঠাইত একগোট হয়। কাৰণ এইবিধ ভাইৰাছে কোনোবা খালী পেটে আছে নে নাই সুধি আক্ৰমণ নকৰে। সামাজিক দূৰত্ব বজাই ৰাখিবলৈ কেৱল প্ৰধানমন্ত্ৰীয়ে কোৱা নাই, বিশ্ব স্বাস্থ্য সংস্থায়ো ইতিমধ্যে বিশ্ববাসীক সতৰ্ক কৰি দিছে। উৰা বাতৰিত ভোল নগৈ জীয়াই থাকিলেহে ভৱিষ্যতে খাবলৈ পাব। সকলোৱে বৰ্তমানৰ কথা ভাবক। এজনৰ ভুলৰ বাবে যাতে কোটি কোটি লোকে প্ৰাণ হেৰুৱাবলগীয়া নহয় তাৰ বাবে সকলো সতৰ্ক হওক।

# কঠোৰ আৰক্ষীৰ মানৱীয় ৰূপ

আৰক্ষীৰ বিৰুদ্ধে সততে দুৰ্ব্যৱহাৰ, প্ৰহাৰ কৰা, ধনৰ বিনিময়ত অভিযুক্তক মোকলাই দিয়া, অপৰাধীৰ স'তে গোপন সম্পৰ্ক ৰক্ষা কৰা, সত্যাসত্য নিৰূপণ কৰাতকৈ ৰাজনীতিবিদৰ প্ৰৰোচনাত কৰা আদি অভিযোগ শুনিবলৈ পোৱা যায়। বহুতৰ বাবে আৰক্ষী মানে আতংক। পিছে এইসকল আৰক্ষীয়ে যে দিন-ৰাতি, বতাহ-বৰষুণ, ধুমুহা-প্ৰাকৃতিক দুৰ্যোগ আদি একাকাৰ কৰি জনসাধাৰণৰ সেৱাত ব্ৰতী হৈ থাকে সেই বিষয়টো সততে জনচক্ষুৰপৰা আঁতৰত থাকে। কৰ্তব্য সম্পাদন কৰিবলৈ গৈ বহু আৰক্ষীয়ে অকালতে প্ৰাণ হেৰুৱাবলগীয়াও হয়। লগতে জীৱনৰ বাবে ঘুণীয়াও হয়।

নিজৰ ঘৰ-সংসাৰ, সতি-সন্ততি থাকিলেও পৰিয়ালৰ দুখ-বেদনা, সুখ-দুখৰ সমভাগী হোৱা আদি দৈনন্দিন কাৰ্য-তালিকাৰপৰা আঁতৰি থাকি বহুযোজন দূৰত কৰ্তব্য পালন

কৰি থাকে। তেওঁলোকো মানুহ। তেওঁলোকৰো পৰিয়ালৰ কথা প্ৰতি ক্ষণতে মনত পৰে। পত্নী-সন্তান তথা আত্মীয়-স্বজন আদি জটিল ৰোগত আক্ৰান্ত হ'লেও, বিপদ-আপদত পৰিলেও যাওঁ বুলি যাব নোৱাৰে তেওঁলোকৰ ওচৰলৈ। আনকি কেতিয়াবা কৰ্তব্যৰ খাতিৰত ইমানেই ব্যস্ত হৈ পৰে যে ঘৰলৈকো ফোন কৰি খবৰ ল'বলৈ এক মিনিট সময় নাথাকে। জনসেৱাত ব্ৰতী হোৱাৰ বাবে তেওঁলোকৰ বাবে ৰাইজৰ স্বাৰ্থ আগত, ব্যক্তিগত স্বাৰ্থ গৌণ। ইয়াৰ পাছতো আৰক্ষীৰ বিৰুদ্ধে প্ৰায়সংখ্যক লোকেই বিৰূপ মন্তব্য কৰি যায়।

আৰক্ষীৰো এশটা মানৱীয় গুণ আছে। সততে ৰাইজে এই গুণবোৰ দেখা নাপায় বা বিশ্লেষণ কৰিব নোখোজে। কোনোবাই দৃষ্টিগোচৰ কৰিলেও বেয়া পায়, অথবা ভেকাহি মাৰি উঠে। আৰক্ষীয়ে কৰা জনহিতকৰ কামবোৰ জনসাধাৰণে একাষৰীয়া কৰি থয়। আৰক্ষী বিভাগৰ একাংশই নিজ কৰ্তব্য পালন কৰাৰ উপৰি বহুতো সামাজিক কাম-কাজত জড়িত থাকে। কিছুমানে সন্মুখত ভোকাতুৰ কোনো লোকক দেখিলে খোৱা বস্তু অলপ হ'লেও হাতত তুলি দিয়ে। আনকি পকেটৰ ধন খৰচ কৰি চিকিৎসালয়লৈ নিয়া আৰক্ষীও আমাৰ সমাজতেই আছে। কিছুমানে আকৌ পকেটৰ ধন ব্যয় কৰি কোনোবা দুখীয়া ছাত্ৰ-ছাত্ৰীক পঢ়াত সহায় কৰে। নিজৰ জীৱন তুচ্ছ কৰিও আমাৰ জীৱন ৰক্ষা কৰা আৰক্ষীৰ সংখ্যাও কম নহ'ব। এনেধৰণৰ কামক কমসংখ্যক লোকেহে স্বীকৃতি দিয়ে। জনহিতকৰ কামসমূহক স্বীকৃতি দিয়াতো সকলোৰে কৰ্তব্য। তাকে নকৰি আমি আৰক্ষীৰ দোষ-ত্ৰুটিৰ কথাবোৰহে কৈ থাকো।

শেহতীয়াভাৱে ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ উদ্দেশ্যে চৰকাৰে কৰা তলাবন্ধৰ ফলত সকলো লোকেই ঘৰতে আবদ্ধ হৈ আছে। ইয়াৰ মাজতো ৰাজ্যখনৰ প্ৰায়সংখ্যক অঞ্চলতে আৰক্ষীয়ে যি কৰ্তব্য পালন কৰিছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। আৰক্ষী বিভাগৰ শীৰ্ষ বিষয়াৰ নিৰ্দেশমৰ্মে প্ৰায়সংখ্যক থানাৰ আৰক্ষীয়ে এতিয়া নিজ কৰ্তব্য পালন কৰাৰ উপৰি জনসেৱাতো ব্ৰতী হৈছে। কিছুমান আৰক্ষীয়ে দুখীয়া পৰিয়ালক নিজৰ পকেটৰ ধন ব্যয় কৰি প্ৰয়োজনীয় খাদ্য সামগ্ৰী যোগান ধৰিছে। কিছুমানে আকৌ প্ৰয়োজনীয় ঔষধ আনি দিছে। প্ৰতিটো অঞ্চলতে

জনসাধাৰণক বিভিন্ন উপায়েৰে বুজনি দিছে ঘৰৰপৰা বাহিৰলৈ ওলাই নাহিবলৈ। পিছে এনে অনুৰোধ বা আহ্বানৰ প্ৰতি আওকাণ কৰি যিসকলে অপ্ৰয়োজনীয়ভাৱে বাহিৰলৈ ওলাই আহিছে সেইসকলৰ পিঠিত ঔকিল নিদিয়াকৈ থকা নাই। তলাবন্ধ ভংগকাৰীসকল ঔকিলৰেই যোগ্য। আৰক্ষীয়ে এইসকলক ৰামপিটন দিছে কোটি কোটি জনতাৰ জীৱন ৰক্ষাৰ বাবে। এইক্ষেত্ৰত আৰক্ষী অধিক কঠোৰ হ'লেও জনসাধাৰণে বেয়া নাপায়। বৰং প্ৰশংসাৰেহে ওপচাই দিছে।

অতিসম্প্ৰতি আৰক্ষীয়ে যি পদক্ষেপ গ্ৰহণ কৰিছে— তাৰদ্বাৰা ইমান দিনে বিভাগটোৰ বিৰুদ্ধে থকা মানুহৰ ধাৰণাৰেই সলনি হ'বলৈ ধৰিছে। লাহে লাহে আৰক্ষী আৰু জনসাধাৰণৰ মাজত থকা বৃহৎ ব্যৱধান হ্ৰাস পাইছে। এয়া দুয়োপক্ষৰ বাবে ইতিবাচক দিশ। এইখিনিতে এটা কথা উল্লেখ কৰিব খুজিছো যে যিসকল আৰক্ষী জনসাধাৰণৰ দৃষ্টিত সন্দেহজনক আছিল— তেওঁলোকে নিজকে শুধৰণি কৰক। নিশ্চয় ৰাইজে আঁকোৱালি ল'ব। শেহতীয়াভাৱে আৰক্ষীয়ে যি ভূমিকা গ্ৰহণ কৰিছে সেয়া ভৱিষ্যতেও অব্যাহত থাকক। প্ৰয়োজনত আৰক্ষী কঠোৰ হওক। কিন্তু নিৰপেক্ষভাৱেহে। কাৰোবাৰ প্ৰৰোচনাত বা কাৰোবাৰ ওপৰত পোতক তোলাৰ কাৰণে কঠোৰ নহ'ব। কঠোৰ হ'ব লাগিবই। কাৰণ সমাজৰ কিছুমান লোকে মৰমৰ ভাষা বুজি নাপায়। যিসকলে মৰমৰ ভাষা বুজে— তেনে লোকৰ বাবে গোলাপ ফুল বা ফুলাম গামোচা আৰু নুবুজাসকলক ঔকিল দিয়ক।

# সামাজিক দূৰত্ব বজাই ৰাখিবলৈ সহযোগিতা আগ বঢ়াওক

বিপদৰ সময়ত সহায়ৰ হাত আগ বঢ়োৱাটো মানৱতাৰ পৰিচায়ক। সমাজত এজনে আন এজনক সহায় কৰাটো কৰ্তব্য। কাৰণ সহায়-সহযোগিতা অবিহনে সমাজ বৰ্তি থাকিব নোৱাৰে। অতীজৰেপৰা এই প্ৰক্ৰিয়া চলি আহিছে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত এখন দেশে আন এখন দেশক সহযোগিতা আগ বঢ়ায়। প্ৰয়োজনত এটা অঞ্চলৰ লোকে আন এটা অঞ্চলৰ লোককো সহযোগ কৰে— সহায়ৰ বাবে আগ বাঢ়ি আহে। বিশেষকৈ, সমাজৰ দুখীয়া শ্ৰেণীৰ লোকসকলক সহায় কৰিবলৈ বহু লোক আগ বাঢ়ি অহাটো মানৱীয় দৃষ্টিকোণৰপৰা এক ইতিবাচক দিশ।

আজি সমগ্ৰ বিশ্বতেই ক'ৰোনা ভাইৰাছৰ সংক্ৰমণক লৈ জনতা শংকিত। সন্মুখত মৃত্যুৰ বিভীষিকা দেখি সকলো শংকিত। ইতিমধ্যে কেবা লাখ লোক

ক’ৰোনাৰদ্বাৰা আক্ৰান্ত হৈ মৃত্যু মুখত পৰিছে। প্ৰায় দুই কোটি লোক ভাইৰাছৰ সংক্ৰমণৰ ফলত চিকিৎসাধীন হৈ আছে। এনে ভয়াৱহ সংক্ৰমণৰপৰা ৰক্ষা পাবলৈ বিভিন্ন দেশত তলাবন্ধ দিয়া হৈছে। এই তলাবন্ধ কোনো আন্দোলনৰ বাবে দিয়া কাৰ্ফিউ নহয়। প্ৰাণৰক্ষাৰ বাবে জনোৱা আহ্বানৰ প্ৰতি যেতিয়া জনগণে কোনো গুৰুত্ব নিদিয়ে তেতিয়া চৰকাৰৰ হাতত এনে ধৰণৰ পদক্ষেপৰ বিকল্প নাথাকে।

তলাবন্ধত ঘৰৰ বাহিৰলৈ ওলোৱাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে যদিও ঘৰত থাকিয়েই কৰ্ম সম্পাদনত বাধা দিয়া হোৱা নাই। প্ৰতিগৰাকী ব্যক্তিয়ে ঘৰত থাকিয়ে কাম কৰিব পাৰে। অৱশ্যে সমাজত এনে কিছু লোক আছে— যিসকলে দিনটো কাম নকৰিলে চৌকা নজ্বলে। খাবলৈ নাপায়। এইসকল লোকৰ হাতত জমা ধনো নাথাকে। তদুপৰি প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰো মজুত বেছি নাথাকে। ‘দিন-ভিক্ষা প্ৰাণ ৰক্ষা’ কৰা লোকসকলৰ ক্ষেত্ৰত তলাবন্ধৰ সময়ত বিভিন্ন সমস্যাই গা কৰি উঠিছে। তেওঁলোকে বাহিৰলৈ ওলাই যাব নোৱাৰা বাবে আনকি লঘোনেও থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। এই লোকসকলৰ দুৰ্দশাৰ ছবিখন দেখিয়েই বহুতেই প্ৰয়োজনীয় খাদ্য সামগ্ৰী যোগান ধৰিবলৈ আগ বাঢ়ি আহিছে। কিছুমানে ব্যক্তিগতভাৱে আৰু আন কিছুমান দল-সংগঠন আদিয়ে কিছুমান ঠাইত নতুবা ঘৰে ঘৰে গৈ খাদ্য সামগ্ৰী বিতৰণ কৰিছে। এই পদক্ষেপ নিঃসন্দেহে প্ৰশংসনীয়। পিছে এনেদৰে সহায়ৰ হাত আগ বঢ়োৱাৰ ক্ষেত্ৰত দেখিবলৈ পোৱা কিছুমান দৃশ্যই সচেতন ৰাইজক শংকিত নকৰাকৈও থকা নাই। নিজে ধনী বুলি প্ৰতিপন্ন কৰিবলৈ গৈ বা নিজকে দানবীৰ বা দাতা কৰ্ণ বুজাবলৈ গৈ বহুতৰে ফটো তোলাৰ জোৱাৰ উঠিছে। ফেচবুককে ধৰি বিভিন্ন সামাজিক মাধ্যমত তেওঁলোকে খাদ্য সামগ্ৰী দুৰ্দশাগ্ৰস্তসকলৰ হাতত তুলি দি নিজকে মহান বুজাবলৈ যোৱা ফটো ভৰি পৰিছে। তেওঁলোকে সহায় কৰিবলৈ গৈ দুৰ্দশাগ্ৰস্তসকলক পুতৌৰ পাত্ৰ কৰা যেনহে অনুভৱ হয়।

কোনোবাই যদি সহায়ৰ হাত আগ বঢ়াবলৈ আগ বাঢ়ি আহে তেতিয়াহ’লে প্ৰত্যক্ষভাৱে বিতৰণৰ পৰিৱৰ্তে প্ৰশাসনৰ জৰিয়তে বিতৰণ কৰক। কাৰণ যেতিয়া ক’ৰবাত কোনোবা ব্যক্তি বা অনুষ্ঠান-প্ৰতিষ্ঠানে মুকলি ঠাইত খাদ্য

সামগ্ৰী বিতৰণ কৰে, তেতিয়া বহুতো লোক একগোট হৈ সামাজিক দূৰত্ব নামানি হেতা-ওপৰা লগায়। এপ্ৰিল মাহ (২০২০ বৰ্ষ)ৰ আৰম্ভণিতে গুৱাহাটী মহানগৰীৰ কিছুমান ঠাইত খাদ্য বিতৰণ কৰা হ'ব বুলি প্ৰচাৰ হোৱাত দুৰ্দশাগ্ৰস্ত লোকসকলৰ মাজত যি হেঁচা-ঠেলাৰ সৃষ্টি হৈছিল সেয়া কল্পনাতীত। যি সময়ত ক'ৰোনা ভাইৰাছ প্ৰতিৰোধৰ বাবে চৰকাৰ তথা বিশ্ব স্বাস্থ্য সংস্থাই সামাজিক দূৰত্ব বৰ্তাই ৰাখিবলৈ আহ্বান জনাইছে তেনে সময়তো একাংশ লোকে এই বিষয়টোক লঘু কৰিবলৈ উঠি-পৰি লাগিছে।

ক্ষুধাৰ্ত জনতাই যেতিয়া ক'ৰবাত এমুঠি চাউল বা আটা পাব বুলি বতৰা লাভ কৰে তেতিয়া সেই ঠাইলৈ গৈ হেঁচা-ঠেলা লগোৱাটো স্বাভাৱিক বিষয়। কাৰণ নিজৰ লগতে সতি-সন্ততিৰ জীৱনৰ কথা আছে। অন্ন-বস্ত্ৰ-বাসস্থান মানুহৰ জীৱনৰ সহচৰ। গতিকে এনে ধৰণৰ পৰিস্থিতিৰ সৃষ্টি নহ'বলৈ সকলোৰে প্ৰশাসনৰ জৰিয়তে খাদ্য সামগ্ৰী বিতৰণৰ বাবে সিদ্ধান্ত লওক। আৰক্ষীয়ে ঘৰে ঘৰে গৈ বহুতো লোকক সহায়ৰ হাত আগ বঢ়াইছে। সামাজিক দূৰত্ব বজাই ৰাখিয়ে ঘৰে ঘৰে খাদ্য সামগ্ৰীৰ যোগান ধৰিছে। নিঃসন্দেহে এয়া সতৰ্কতাৰে আগ বঢ়া এক প্ৰশংসনীয় পদক্ষেপ। যদি কোনো ব্যক্তি বা অনুষ্ঠান-প্ৰতিষ্ঠান তথা দল-সংগঠনে এই সময়ত সহায়ৰ হাত আগ বঢ়াবলৈ আগ বাঢ়ি আহে তেওঁলোকে প্ৰশাসনৰ জৰিয়তে বিতৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰক। সহায়ৰ হাত আগ বঢ়োৱাৰ নাম-ঠিকনা বা দল-সংগঠনৰ বেনাৰতেই এনে খাদ্য সামগ্ৰী যোগান ধৰক। তেতিয়া মানৱীয় গুণ প্ৰদৰ্শনৰ লগতে সামাজিক দূৰত্বও বজাই ৰখাটো সম্ভৱ হ'ব। ক'ৰোনা ভাইৰাছৰ সংক্ৰমণৰো আশংকা নাথাকে। সহায় আৰু ভাইৰাছ প্ৰতিৰোধ দুয়োটাই সম্পাদন হ'ব। গতিকে এতিয়া সকলোৰে এনেবোৰ বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। কাৰণ কেতিয়াবা নভবাকৈয়ে কৰা কামৰ ফলত লাখ লাখ লোকৰ জীৱনলৈ শংকা নামি আহিব পাৰে। সকলোৰে প্ৰতিটো ক্ষেত্ৰতেই সজাগ হওক আৰু সতৰ্ক থাকক। মনত ৰাখিব— জীয়াই থাকিবলৈ খাদ্যৰ প্ৰয়োজন। পিছে যদি সতৰ্কতা অৱলম্বন কৰা নহয়— তেন্তে খাবলৈ কোনো জীয়াই নাথাকিব।

# চিকিৎসক-স্বাস্থ্যকৰ্মীক ৰাইজে সহযোগ কৰক

চিকিৎসক, চিকিৎসাকৰ্মী, স্বাস্থ্যকৰ্মী অবিহনে যিকোনো ৰোগৰ চিকিৎসা অসম্ভৱ। ক'ৰবাত এখন খুব দামী চিকিৎসালয়ৰ অট্টালিকা, উন্নত যন্ত্ৰপাতি থাকিলেও যদি অভিজ্ঞতাসম্পন্ন চিকিৎসক নাথাকে তেন্তে তেনেধৰণৰ চিকিৎসালয়ত উন্নত চিকিৎসা অসম্ভৱ। কাৰণ অট্টালিকা আৰু যন্ত্ৰপাতিয়ে নিজে নিজে ৰোগীৰ বেমাৰ ভাল কৰিব নোৱাৰে। আনহাতে, এইবোৰৰ লগতে অভিজ্ঞতাসম্পন্ন চিকিৎসক থাকিলেও ভাল চিকিৎসা সম্ভৱ নহয়— যদিহে তাত সেৱাৰ বাবে আগ বাঢ়ি অহা স্বাস্থ্যকৰ্মী বা চিকিৎসাকৰ্মীকে ধৰি স্বেচ্ছাসেৱী লোকসকল প্ৰয়োজন অনুযায়ী নাথাকে। সহজ অৰ্থত ক'বলৈ হ'লে যদি এই সকলোবোৰ একেলগে পোৱা যায় তেতিয়াহে উপযুক্ত চিকিৎসা সম্ভৱ। যিকোনো সময়ত যিকোনো পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ সাজু থাকিব পাৰে। তাৰে

এখন সুন্দৰ ছবি প্ৰতিফলিত হৈছে ক'ৰোনা ভাইৰাছৰ বিৰুদ্ধে চলা অভিযানৰ কালছোৱাত।

সমগ্ৰ বিশ্বৰ লগতে ভাৰতবৰ্ষতো আজি হেজাৰ হেজাৰ চিকিৎসক-স্বাস্থ্যকৰ্মীয়ে দিন-ৰাতি একাকাৰ কৰি ক'ৰোনাৰ বিৰুদ্ধে যুঁজ দি আছে। নিজৰ জীৱন তুচ্ছ কৰিও ৰোগীৰ চিকিৎসাত আত্মনিয়োগ কৰিছে। বহুতৰে পৰিয়ালৰ স'তে দেখাদেখিয়েই হোৱা নাই। দেখা নাই সন্তানৰ মুখ। কি খাইছে, কি কৰিছে, কেনেদৰে আছে সেইবোৰ এতিয়া গৌণ হৈ পৰিছে। বহুতো চিকিৎসক, আশাকৰ্মী, স্বাস্থ্যকৰ্মীয়ে গাঁৱে গাঁৱে ক'ৰোনাত আক্ৰান্তৰ সন্দেহজনক লোকৰ সন্ধান কৰিবলগীয়া হৈছে। ভিতৰুৱা অঞ্চলবোৰলৈ গৈ ৰাইজক বুজাবলগীয়া হৈছে। ৰ'দ, বতাহ, বৰষুণ একাকাৰ কৰি ভোক-পিয়াহত ক্লান্ত হৈও নিজ নিজ কৰ্তব্য পালন কৰিছে। অথচ এইসকল চিকিৎসক-স্বাস্থ্যকৰ্মীক দেশৰ বিভিন্ন ঠাইত উন্মাদ লোকে শিলগুটি নিক্ষেপ কৰিছে। খেদি পঠিয়াইছে ভয়-ভাবুকিৰে। বহুতো চিকিৎসক-স্বাস্থ্যকৰ্মীয়ে আনকি প্ৰাণ লৈ পলাবলগীয়া পৰিস্থিতিৰো সৃষ্টি কৰিছে। এয়া কেৱল ভাৰতবাসীৰ বাবেই নহয়— মানৱ জাতিৰ বাবেই লজ্জাজনক বিষয় হৈ পৰিছে। কিয়নো একাংশ ধৰ্মান্ধ, কু-সংস্কাৰসম্পন্ন আৰু চৰকাৰবিৰোধী লোকৰ উচটনিমূলক বক্তব্য আৰু ষড়যন্ত্ৰৰ বাবে আজি এনে পৰিস্থিতিৰ সৃষ্টি হৈছে। পিছে তেওঁলোকে ভবা নাই যে এদিন এই ভাইৰাছে তেওঁলোকৰো প্ৰাণ কাঢ়ি নিব পাৰে।

কাৰণ ক'ৰোনা ভাইৰাছে নাজানে প্ৰাণ কাঢ়ি নিবলৈ সাজু হোৱা লোকজনৰ ধৰ্ম, চৰকাৰ সমৰ্থক নে বিৰোধী, কোনটো অঞ্চলৰ বাসিন্দা আদি কথা। ভাইৰাছৰ ধৰ্ম শৰীৰটো অসুস্থ কৰি জটিল ৰূপ ধাৰণ কৰাৰ বাবে এখন উপযুক্ত ক্ষেত্ৰ ৰচনা কৰাহে। এতিয়া কথাটো এনে হৈছে যে জিৰণি লোৱা গছডালেই গছৰ তলত বহি জিৰণি লওঁতাই কাটিবলৈ চেষ্টা কৰিছে। যিসময়ত চিকিৎসক, চিকিৎসাকৰ্মী তথা স্বাস্থ্যকৰ্মীসকলক মানুহে ভগৱানৰ দৰে মানিবলৈ ধৰিছে সেই সময়ত একাংশ লোকে তেওঁলোকক আক্ৰমণ কৰাটো নিশ্চয় গৰ্হিত কাৰ্য। এই সময়ত চিকিৎসক-স্বাস্থ্যকৰ্মীসকলৰ মনোবল বৃদ্ধিৰ বাবে সকলোৱে কাম কৰিব লাগে, তেনে সময়ত তেওঁলোকৰ ওপৰত শিলগুটি নিক্ষেপ কৰা, খেদি পঠিওৱাটো কোনো সভ্য সমাজে সমৰ্থন

কৰিব নোৱাৰে। সভ্য সমাজত বৰ্বৰতাৰ স্থান নাই। আদিম মানৱ আৰু সভ্য সমাজৰ মাজত পাৰ্থক্য আছে। এতিয়া যদি আমি জীৱশ্ৰেষ্ঠ মানৱে আদিম মানৱৰ দৰে আচৰণ কৰো— তেনেহ’লে সভ্য বুলি ক’ব নে অসভ্য বুলি বিশ্বই হাঁহিব?

ৰাইজে এই বিপদৰ সময়ত একগোট হৈ যুঁজিব লাগিব। অচিন শত্ৰু ক’ৰোনা ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিব পৰা একমাত্ৰ উপায় হ’ল সচেতনতা। এতিয়া ভেদাভেদ, ৰাজনীতি তথা ধৰ্মীয় বিষয়ক লৈ বাক্‌যুদ্ধত অৱতীৰ্ণ হোৱাৰ সময় নহয়। মানৱ জাতি মহাসংকটত। এই ভাইৰাছবিধ প্ৰতিৰোধৰ যুঁজত সকলোৱে সহযোগ কৰিব লাগিব। সহযোগিতা অবিহনে ক’ৰোনাৰ আক্ৰমণৰ পৰা নিজকে ৰক্ষা কৰাটো অসম্ভৱ। তদুপৰি যিসকলে এই অভিযানত সহযোগ কৰা নাই— তেওঁলোকে মনত ৰখা উচিত যে এয়া কোনো ব্যক্তিয়ে আন এজন ব্যক্তিৰ বিৰুদ্ধে যুঁজ দিয়া নাই। কোনো লোকক গৃহবন্দী কৰি ৰং চাব খোজাও নাই। মানৱ জাতিক বিপদত পেলাবলৈ ষড়যন্ত্ৰত লিপ্ত হোৱা নাই। মাথোঁ সকলোৰে সুৰক্ষাৰ বাবেহে কাম কৰিছে। তলাবন্ধৰ আহ্বান জনাইছে। দেশ-জাতিৰ ৰক্ষাৰ বাবে দিনে-নিশাই চলাইছে এনে আহ্বান। এই আহ্বানৰ প্ৰতি সকলোৱে সমৰ্থন জনোৱাটো কৰ্তব্য। তেতিয়াহে সকলোৱে নিজ পৰিয়ালৰ স’তে ভৱিষ্যতে একেলগে সুখেৰে থাকিবলৈ সক্ষম হ’ব।

মহামাৰীৰ ওচৰত ধৰ্ম অথবা ৰাজনীতি গৌণ। গতিকে এই মহামাৰীৰ পৰা পৰিত্ৰাণৰ বাবেই ধৰ্মীয় নীতি-নিয়ম প্ৰয়োজনবোধে পৰিহাৰো কৰিব লাগিব। মহামাৰীৰ পৰা বাচি থাকিলেহে সমাজ, ধৰ্ম আদি থাকিব। ৰাজনীতিৰ ৰহণ পৰিহাৰ কৰি জীৱন ৰক্ষাৰ বাবে আগ বঢ়াওক সহযোগিতা। এতিয়া আক্ৰমণ-প্ৰত্যাক্ৰমণৰ সময় নহয়— ক’ৰোনা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধেৰে মানৱ জাতি জীয়াই থকাৰহে সংগ্ৰাম।

# সন্মুখৰপৰা নেতৃত্ব দিব পৰাজনহে প্ৰকৃত জনপ্ৰতিনিধি

ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে আজি সমগ্ৰ বিশ্বতে চলিছে অভিযান। শত্ৰুতা পৰিহাৰ কৰি বিভিন্ন দেশে ক'ৰোনাৰ বিৰুদ্ধে যুঁজ দিবলৈ সংকল্পবদ্ধ হৈছে। কাৰণ এয়া মানৱ জাতিৰ বাবে মহাসংকটৰ সময়। মানৱ জাতি জীয়াই থকাৰ সংগ্ৰামত নামি পৰিছে। সকলোৰে লক্ষ্য এটাই— মহামাৰী ক'ৰোনাৰপৰা মুক্তি পাবলৈ প্ৰতিষেধক আৰু ঔষধ উদ্ভাৱন কৰাটো। এই অভিযানত সকলোৰে হাত উজান দিছে। ভাৰততো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বতে চলিছে এই অভিযান। দেশৰ বিভিন্ন ৰাজ্যত ক'ৰোনা প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে যদিও সবাতোকৈ চৰ্চিত হৈছে অসম। অসমত এসপ্তাহৰ আগলৈকে ক'ভিড-১৯ত আক্ৰান্ত কোনো ব্যক্তি নাছিল যদিও পৰৱৰ্তী সময়ত একাংশ ধৰ্মান্ধ লোকৰ অদূৰদৰ্শিতাৰ ফলত অসমতো আক্ৰান্তৰ সংখ্যা দুটা সংখ্যালৈ উন্নীত

হ'ল। অৰ্থাৎ ২৬জন হ'ল। অৱশ্যে ইয়াৰ মাজতো অসমৰ স্বাস্থ্য বিভাগৰ পদক্ষেপ তথা সতৰ্কতাক লৈ আজি দেশত চৰ্চা হৈছে।

এইবিধ ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈ স্বাস্থ্য বিভাগে যি অভূতপূৰ্ব পদক্ষেপ গ্ৰহণ কৰিছে, সেয়া নিঃসন্দেহে প্ৰশংসাৰ পাত্ৰ। এইক্ষেত্ৰত স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী পীযুষ হাজৰিকাৰ তৎপৰতাৰ শলাগ ল'বই লাগিব। স্বাস্থ্যমন্ত্ৰী হিচাপে ড° শৰ্মাই যি তৎপৰতা প্ৰদৰ্শন কৰিছে তাৰপৰা তেওঁৰ কৰ্মোদ্যম স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে। সততে বাক্‌পটু বুলি চৰ্চা লাভ কৰা মন্ত্ৰী ড° শৰ্মাই বিগত এমাহত ক'ৰোনা প্ৰতিৰোধৰ ক্ষেত্ৰত যিদৰে আত্মনিয়োগ কৰিছে, তাৰ পৰাই তেওঁৰ মনোবল, দুৰন্ত সাহস আৰু পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব পৰা দিশসমূহ ফুটি উঠিছে। বিপদৰ সময়ত নিজৰ জীৱন তুচ্ছ কৰিও অহৰ্নিশে কাম কৰিছে। তেওঁৰ এই পদক্ষেপৰ বাবে ৰাইজে মনোবল পাইছে। ৰাইজে ক'ৰোনা ভাইৰাছক লৈ শংকিত হোৱাৰ সময়তে স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাই ৰাইজৰ মনৰপৰা শংকা আঁতৰাবলৈ সকলো প্ৰকাৰৰ চেষ্টা অব্যাহত ৰাখিছে। এইক্ষেত্ৰত তেওঁ বিষয়া-কৰ্মচাৰীৰ ওপৰত দায়িত্ব অৰ্পণ কৰিয়েই ক্ষান্ত থকা নাই— প্ৰতিটো মুহূৰ্ততে নিজেই প্ৰতিটো বিষয়ৰ তদাৰক কৰিছে। আক্ৰান্তজনৰ স্বাস্থ্যৰ বুজ লোৱাৰপৰা আৰম্ভ কৰি খাদ্য সঠিকভাৱে দিছে নে নাই সিমান পৰ্যন্ত তদাৰক কৰিছে। যিসময়ত দিল্লীৰ নিজামুদ্দিনৰ ধৰ্মীয় অনুষ্ঠানৰপৰা বিভিন্ন ৰাজ্যলৈ ঘূৰি অহা লোকসকলে ক'ৰোনা ভাইৰাছ সংক্ৰমণত বিশেষ অৰিহণা যোগোৱা বুলি চৰ্চা হৈছে, তেনে সময়তো বিষয়টো সুন্দৰভাৱে নিয়ন্ত্ৰণ কৰি ৰাইজক বুজনি দি আত্মগোপন কৰি থকা তগলিকীসকলক ওলাই আহি চিকিৎসা গ্ৰহণ কৰিবলৈ বাৰে বাৰে আহ্বান জনাইছে। ধৰ্মীয় উন্মাদনা পৰিহাৰ কৰি সুস্থ হ'বলৈ— তিনি কোটি জনগণৰ সুৰক্ষাৰ বাবে সকলোকে সহযোগ কৰিবলৈ আহ্বান জনাইছে স্বাস্থ্যমন্ত্ৰীয়ে। বাৰে বাৰে অভয় দি আঁকোৰগোজ মনোভাব পৰিহাৰ কৰি চিকিৎসা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱাৰ পাছত কিছুমানে সঁহাৰি দিছে যদিও আন একাংশই এতিয়াও আত্মগোপন কৰিয়েই আছে।

এতিয়া পৰিস্থিতি আৰু তৎপৰতা অৱলম্বন কৰি ৰাইজে ভাবিবলৈ বাধ্য হৈছে স্বাস্থ্যমন্ত্ৰী ড° শৰ্মা আৰু হাজৰিকাৰ ওপৰতেই চৰকাৰৰ দায়িত্বৰ

সমস্ত ভাৰ পৰিছে। বিপদৰ সময়ত সাহসিক সিদ্ধান্ত, যুদ্ধক্ষেত্ৰত সন্মুখৰপৰা নেতৃত্ব দিয়া আৰু জনগণক সাহস গোটোৱাত উদগনি দিব পৰাটোৱেই হ'ল প্ৰকৃত নেতা। কথা আৰু কামৰ মাজত পাৰ্থক্য নাৰাখি দিন-ৰাতি একাকাৰ কৰি ৰাজ্যৰ ইমূৰৰপৰা সিমূৰলৈ ঘূৰি ফুৰি পুনৰ আবেলি পৰিস্থিতি সম্পৰ্কে অৱগত কৰা আদি কেৱল স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাৰ বাবেহে সম্ভৱ হৈছে। দুৰন্ত গতি, নাই ক্লান্তি তথা শংকা। কেতিয়াবা যদি চিকিৎসকৰ স'তে কথা পাতিছে, আন সময়ত আকৌ নাৰ্ছৰ মনোবল বৃদ্ধিৰ বাবে কথোপকথন হৈছে। স্বাস্থ্যকৰ্মীৰো সমানেই খবৰ লৈছে। ইয়াৰ লগতে ৰাইজৰ অভাৱ-অভিযোগো মনোযোগেৰে শুনিছে। ৰাইজক তৎকালে খবৰ দিছে। তেওঁৰ সাহস, দুৰন্ত গতি আৰু মনোবল দেখি ৰাইজৰো মনোবল বৃদ্ধি পাইছে। সাহসেৰে জীয়াই থকাৰ পথৰ সন্ধান পাইছে। এসময়ত মন্ত্ৰীগৰাকীৰ বিৰুদ্ধে কিছুসময়ৰ অভিযোগ তথা ক্ষোভ থাকিলেও এতিয়া যেন সেইবোৰ প্ৰশমিত হ'বলৈ ধৰিছে। তেওঁক সমালোচনা কৰা লোকসকলেও এতিয়া প্ৰশংসা কৰিবলৈ বাধ্য হৈছে। কিছুমানে আকৌ প্ৰকাশ্যে প্ৰশংসা কৰা নাই যদিও পৰোক্ষভাৱে শলাগিছে।

এনে নেতাকেই ৰাইজে বিচাৰে। ৰাইজৰ বাবেও এনে যুঁজাৰু মানসিকতাৰ নেতাৰ প্ৰয়োজন। প্ৰতিটো বিপদৰ সময়ত জনসাধাৰণৰ জীৱন-জীৱিকাৰ বাবে থিয় দিব পৰাটো প্ৰকৃত নেতাৰ গুণ। কেৱল জনপ্ৰতিনিধিৰ ষ্টাম্প মাৰি গৰ্ব অনুভৱ কৰাতকৈ ৰাইজৰ বিপদৰ সময়ত প্ৰতিটো মুহূৰ্ততে একেলগে থকা, সাহস যোগোৱা আৰু সন্মুখৰপৰাই নেতৃত্ব দিয়াজনহে প্ৰকৃত নেতা। তেওঁ যি দলৰেই নহওক কিয়— সামৰ্থ্যৰ কথা সকলোৱে স্বীকাৰ কৰা উচিত।

# ৰাইজে নখ জোকাৰিলে নৈ বয়

ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে একৈছ দিন চলা তলাবন্ধৰ সময়ত যাতে ৰাইজে খাদ্য সংকটৰ সন্মুখীন হ'বলগীয়া নহয়— তাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। কেৱল চৰকাৰৰ পক্ষে সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ সম্ভৱ নহয় বাবে চৰকাৰে জনসাধাৰণক এইক্ষেত্ৰত সহযোগিতা আগ বঢ়াবলৈ আহ্বান জনাইছে। দেশৰ জটিল পৰিস্থিতিৰ সময়ত আৰ্থিক ব্যয়ৰ পৰিমাণ বৃদ্ধি পোৱাৰ বিপৰীতে আয়ৰ উৎসসমূহ সীমিত হৈছে। এতিয়া তেনে এক পৰিস্থিতিৰে মোকাবিলা কৰিবলৈ চৰকাৰে চৰকাৰী চাকৰিয়াল আৰু স্বেচ্ছাসেৱী সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আদিক বিভিন্ন ধৰণে আহ্বান জনাইছে।

প্ৰথমতে চাকৰিয়ালৰ দৰমহাৰপৰা এটা অংশ কৰ্তন কৰাৰ পৰিকল্পনা কৰিছিল যদিও পাছত এই সিদ্ধান্ত সলনি কৰি স্বাস্থ্য তথা বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী চাকৰিয়ালসকলক এটি বিশেষ আহ্বান জনালে। তেওঁলোকৰ দৰমহা কৰ্তন কৰাৰ পৰিৱৰ্তে প্ৰতিগৰাকী চাকৰিয়ালে পাঁচটা দুখীয়া পৰিয়ালক খাদ্য সামগ্ৰী বিতৰণৰ বাবে আহ্বান জনায়। নিঃসন্দেহে এয়া এক প্ৰশংসনীয় পদক্ষেপ। ইতিমধ্যে স্বাস্থ্যমন্ত্ৰীৰ এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই বহুতেই সহায়ৰ হাত আগ বঢ়াইছে। চৰকাৰৰ উপৰি এনেদৰে সহায় কৰাৰ ফলত দুখীয়া পৰিয়ালসমূহৰ এতিয়া কিছু পৰিমাণে হ'লেও ক্ষুধা নিবাৰণ হৈছে।

চৰকাৰৰ পৰা ধন লাভৰ উপৰি চাউল, সা-সুবিধা আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, চৰকাৰী চাকৰিয়ালে সাহায্য আগ বঢ়োৱাৰ বাবে তলাবন্ধৰ সময়ছোৱাত দুৰ্দশাগ্ৰস্ত লোকসকলে এতিয়া আৰু অনাহাৰে থাকিবলগীয়া হোৱা নাই। বহুতে ক্ষুধাৰে দিন অতিবাহিত কৰা বুলি অপপ্ৰচাৰহে চলাই আছে। বিশেষকৈ স্বাস্থ্যমন্ত্ৰীয়ে ৰাইজক যিদৰে সহায়ৰ ক্ষেত্ৰত অন্তৰ্ভুক্ত কৰিছে তাৰদ্বাৰা ৰাইজেও গৌৰৱবোধহে কৰিছে।

চৰকাৰী কৰ্মচাৰীয়ে নিজ ইচ্ছামতে আনক সহায়ৰ হাত আগ বঢ়াইছে আৰু এইক্ষেত্ৰত প্ৰায়ভাগেই কৃপণালি কৰা নাই। সহায়ৰ বাবে চৰকাৰে ৰাইজক সাঙুৰি লোৱাত এতিয়া, আনকি কিছুমান লোকে বিয়াৰ বাবে সাঁচি ৰখা ধনো আগ বঢ়াইছে। সহায়ৰ হাত আগ বঢ়োৱা লোকৰ সংখ্যা দেখি মনে মনে বহি থকা লোকসকলেও দুগুণ উৎসাহেৰে দুখীয়া লোকসকলক সহায় কৰিবলৈ আগ বাঢ়িছে। চৰকাৰী চাকৰিয়ালসকলৰ দৰমহাৰ ধন কৰ্তন কৰিলে কিছুমানৰ মনত হয়তো বিভিন্ন প্ৰশ্নৰ সৃষ্টি হ'লহেঁতেন।

চৰকাৰে নিৰ্দেশ নিদি আহ্বান জনোৱাত চাকৰিয়াল ব্যক্তিসকলো দুগুণ উৎসাহিত হৈছে। এতিয়া যেন সহায়ৰ প্ৰতিযোগিতা চলিছে। কোনোবাই যদি কান্ধত ভাৰ বান্ধি নিছে, তেনেদৰে আন কোনোবাই আকৌ দুই-তিনি কিলোমিটাৰ খোজ কাঢ়ি গৈও দুখীয়া লোকক খাদ্য সামগ্ৰী যোগান ধৰিছে। এয়া সহায়ৰ ক্ষেত্ৰত নিশ্চয় ইতিবাচক দিশ।

কোনো চৰকাৰ, ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানে এজনো মানুহ বাদ নপৰাকৈ এশ শতাংশ সহায় কৰিব কেতিয়াও নোৱাৰে। সম্ভৱো নহয়। কিন্তু ৰাইজে নখ জোকাৰিলে নৈ বোৱাৰ দৰে আৰ্থিকভাৱে স্বচ্ছল লোকসকলে যদি অলপ অলপ হ'লেও সহায় কৰে তেনেহ'লে অনাহাৰে থকা লোকসকলৰ পেটৰ ক্ষুধা নিবাৰণ হ'ব। দিন হাজিৰা কৰি পেট প্ৰৱৰ্তন কৰা লোকসকলে উপলব্ধি কৰিব যে বিপদৰ সময়ত সহায়ৰ হাত আগ বঢ়োৱা লোকৰ সংখ্যাও কম নহয়।

সমাজত এনে কিছু লোক আছে— যিসকল প্ৰথমতে কোনো কামতে আগ বাঢ়ি নাহে। আনে যেতিয়া প্ৰথমতে আগ বাঢ়ি আহে তেতিয়া এইসকলেও এই ধাৰাটোৰ স'তে মিলি যাবলৈ চেষ্টা কৰে। স্বাস্থ্য তথা বিত্তমন্ত্ৰী ড° শৰ্মাৰ আহ্বানে এই লোকসকলক আগ বাঢ়ি অহাতো মনোবল বৃদ্ধি কৰিছে। এয়া সমাজৰ বাবে ইতিবাচক দিশ। তলাবন্ধৰ সময়ত মানুহৰ অলপ সমস্যা হ'লেও ৰাইজে সহায়-সহযোগিতা কৰিলে এনে সমস্যাই কেতিয়াও জটিল ৰূপ ধাৰণ নকৰে। যিহেতু এয়া সমগ্ৰ বিশ্বতে হোৱা সমস্যা। সেয়েহে সকলোৱে সকলোকে সহায়ৰ হাত আগ বঢ়োৱাটো কৰ্তব্য আৰু মানৱীয় গুণ প্ৰদৰ্শনৰ সময়। মানৱতা অবিহনে মানৱ জাতি কেতিয়াও জীয়াই থাকিব নোৱাৰে।

# ক'ৰোনাৰ বাবে
# কিয় হৈছে মানসিক সমস্যা

সন্মুখত মৃত্যুৰ বিভীষিকা দেখি আজি বিশ্ববাসী কম্পিত। বিজ্ঞানৰ চৰম অগ্ৰগতি হোৱা বুলি বিজ্ঞানীসকলে গৌৰৱেৰে ঘোষণা কৰাৰ সময়তে আজি মাত্ৰ এটা ভাইৰাছৰ বাবে লাখ লাখ লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে— যিবিধ ভাইৰাছ প্ৰতিৰোধ বা ধ্বংস কৰিবলৈ ঔষধ আজিও উপলব্ধ হোৱা নাই। মানৱ জাতিয়ে আজি চৰাইৰ দৰে ইচ্ছামতে আকাশত উৰিব পাৰিছে। সাগৰৰ তলিত মুকুতা বিচাৰি অভিযান চলাইছে। সুগভীৰ সাগৰৰ ওপৰত দলং নিৰ্মাণ আৰু পাহাৰ নাইবা বৃহৎ নদীৰ তলেৰে সুৰংগ কৰি সগৌৰৱেৰে ঘোষণা কৰিছে— আজি বিজ্ঞানে কৰিব নোৱাৰা একো কাম নাই।

বিশ্বখনক এখন গাঁৱলৈ পৰ্যবসিত কৰা

বিজ্ঞানীসকলে পিছে উন্নতিৰ চৰম শিখৰত উপনীত হোৱাৰ সময়তো ক'ৰোনা ভাইৰাছ (ক'ভিড- ১৯)ৰ বিৰুদ্ধে এখোজ আগুৱাই গৈ দুখোজ পিছুৱাই আহিব লগা হৈছে। তথাপি চিকিৎসাবিজ্ঞানীসকল হতাশ হোৱা নাই। দুগুণ উদ্যমেৰে পুনৰ ঔষধ আৱিষ্কাৰত লাগিছে। আমেৰিকা, ইংলেণ্ড, ৰাছিয়াকে ধৰি ধনী দেশসমূহৰ লগতে আমাৰ দেশতো বিজ্ঞানীসকলে নিৰৱচ্ছিন্নভাৱে লাগিছে। এয়া ভাল লক্ষণ।

সকলো ৰাষ্ট্ৰই শত্ৰুতা পাহৰি একেলগে যুঁজ দিবলগীয়া হৈছে। চৌদিশে কেৱল মৃত্যুৰ কিৰীলি। এইবিধ ভাইৰাছৰ সংক্ৰমণৰপৰা পৰিত্ৰাণ পাবলৈ আজি প্ৰায়সংখ্যক দেশৰে নাগৰিকসকল গৃহবন্দী হ'বলগীয়া হৈছে। স্তব্ধ হৈছে বিশ্ব অৰ্থনীতিৰ গতিপথ। সকলোৰে এতিয়া এইবিধ ভাইৰাছৰপৰা আঁতৰি থাকিব পৰাটোহে প্ৰত্যাহ্বান হৈ পৰিছে। সেই কাৰণে চঞ্চলমনা পৃথিৱীখনৰ নাগৰিকসকলে ঘৰৰ চাৰি বেৰাৰ মাজত আবদ্ধ হৈ এখন নতুন পৃথিৱীৰ স'তে চিনাকি হৈছে। পিছে এই নতুন পৃথিৱীখনৰ বাসিন্দাসকলৰ বেছিভাগেই মানসিক সমস্যাৰদ্বাৰা আক্ৰান্ত হোৱাত এতিয়া হৈছে মানসিক ৰোগী।

যিকোনো গতিময় জীৱন যেতিয়া হঠাতে বিভীষিকাময় পৰিস্থিতিৰ বাবে স্তব্ধ হৈ পৰে— তেতিয়া কিছুমান প্ৰতিক্ৰিয়া হোৱাতো স্বাভাৱিক কথা। কেতিয়াবা দ্ৰুতগতিত যোৱা গাড়ী এখনে হঠাতে ব্ৰেক মাৰিলে পথৰপৰা দ খাবৈ অথবা পথৰ ওপৰতে দুৰ্ঘটনাত পতিত হোৱাৰ আশংকাই অধিক। একেদৰে সদায় কামত ব্যস্ত থকা ব্যক্তি এগৰাকীয়ে যেতিয়া বহিঃজগতৰ স'তে প্ৰায় সম্পৰ্ক ত্যাগ কৰিবলগীয়া হয়— তেতিয়া মানসিকভাৱে ভাগি পৰাটো একো অস্বাভাৱিক কথা নহয়।

দিন-ৰাতি একাকাৰ কৰি কাম কৰা লাখ লাখ লোকে আজি ঘৰৰ ভিতৰতে থাকিবলগীয়া হৈছে। কিমান সময় টিভি অথবা ম'বাইল চাব? কিমান সময়নো ইণ্টাৰনেটত ব্যস্ত থাকিব? যিমানেই ব্যস্ত থাকে— সিমানেই ক'ভিড- ১৯ ভাইৰাছৰদ্বাৰা আক্ৰান্ত, মৃত্যুৰ মুখত পৰাৰ সংখ্যাৰ উপৰি উৰা বাতৰি আদিয়ে মনটো ভাৰাক্ৰান্ত কৰিহে ৰাখে। কিছুমান ব্যক্তি আন কথা বাদ দি কেৱল ক'ৰোনা ভাইৰাছক লৈয়েই ব্যস্ত হৈছে।

তেওঁলোক প্ৰতিটো মুহূৰ্ততে এই ভাইৰাছৰ বাতৰিক লৈয়েই ব্যস্ত হৈ পৰে। কিছুমান লোক আকৌ প্ৰয়োজনতকৈ বেছি সতৰ্ক হৈছে— যেন ভাইৰাছবিধে উৰি আহিহে গাত পৰিব। বহুতে খোৱা-বোৱাৰ ক্ষেত্ৰত ইমানেই সতৰ্ক হৈছে যে পাৰিলে পানীখিনিও ছেনিটাইজড কৰিব খোজে। টোপনিতো ভাইৰাছবিধে খেদি ফুৰে। এইসকল লোকৰ ক'ৰোনা ভাইৰাছে যেন কাৰোবাক খেদি খেদি আহিহে আক্ৰমণ কৰিব তেনে মনোভাৱ লৈছে। এনেদৰে ব্যস্ত থকা বাবে বহুতৰ মানসিক সমস্যাই গা কৰি উঠিবলৈ ধৰিছে।

এই 'লক্‌ডাউন'ৰ একৈছ দিনেই যেন জীৱনটোৰপৰা সকলোখিনি কাঢ়ি নিব তেনে মনোভাৱে গা কৰি উঠা বাবে বহুতৰ বাবে ই হৈ পৰিছে প্ৰত্যাহ্বান। আজি ক'ৰোনাত আক্ৰান্ততকৈও বেছি মানসিক ৰোগৰ চিকাৰ হৈছে। এই মানসিক ৰোগৰপৰা পৰিত্ৰাণ পোৱাটোহে এতিয়া সকলোৰে বাবে প্ৰত্যাহ্বান হৈ পৰিব।

তলাবন্ধৰ সময়তো যে মানুহে ঘৰুৱা কাম-কাজত ব্যস্ত থাকি শাৰীৰিক-মানসিকভাৱে সুস্থ হৈ থাকিব পাৰে সেইবোৰ একাষৰীয়া কৰি থৈছে। নিজৰ পৰিয়ালটোক ইমান দিনে সময় দিব নোৱাৰা লোকসকলে আপোন ঘৰখনত থাকিবলৈ পাই শান্তি লাভ কৰিব পাৰে। পৰিয়ালৰ ইতিবাচক কথাবোৰ ইজনে সিজনৰ স'তে বিনিময় কৰিব পাৰে— যদিও এইবোৰ কথা বহুতেই তুচ্ছ বুলি ভাবে।

এই বন্ধৰ দিনকেইটাও যে ভৱিষ্যৎ জীৱনৰ জীয়াই থকাৰ সম্বল হ'ব পাৰে সেয়া কোনোবাই এবাৰ ভাবি চাইছেনে? চহৰৰ অট্টালিকা বা ফ্লেটৰ কথা বাদ দিলো। তলাবন্ধৰ সময়ছোৱাত বাৰু নিজৰ বাৰীখন, পথাৰতো কাম কৰা বন্ধ কৰিছে জানো? জিকা, ভেন্দি, তিয়ঁহ, জলকীয়া ৰুবলৈও কোনোবাই বাধা দিছে জানো? যিসকলে এনে কামত ব্যস্ত হৈ আছে তেওঁলোকক ক'ৰোনাৰ আতংকই গ্ৰাস কৰিব পৰা নাই।

ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰে সকলোকে সতৰ্ক হ'বলৈ আহ্বান জনাইছে। সামাজিক ব্যৱধান বা দূৰত্ব বজাই ৰখাৰ লগতে সঘনাই চাবোনেৰে হাত ধোৱা আৰু ৰাজহুৱা স্থান আদিৰপৰা নিজকে আঁতৰাই

ৰাখিও ঘৰুৱা কামবোৰ আমি সুকলমে কৰিব পাৰো। ইয়াৰ বাবে প্ৰয়োজন মাথোঁ মানসিকতাৰ।

পৰিয়ালৰ সদস্যসকলৰ স'তে একেলগে থাকি জীৱনটো উপভোগ কৰাৰ আনন্দই বেলেগ। অতি ব্যস্ত জীৱনটোত আজিকালি প্ৰায়সংখ্যক লোকেই পত্নী তথা সতি-সন্ততিক সময় দিব নোৱাৰে। কিছুমানে পাৰিলেও সময় নাই বুলি কৈ পৰিয়ালৰপৰা আঁতৰি থাকিব বিচাৰে। পলায়নবাদী মানসিকতাই গা কৰি উঠিছে।

তলাবন্ধৰ সময়ত অন্ততঃ বহুতো পৰিয়ালৰ সদস্যসকলে একগোট হৈ সময় অতিবাহিত কৰিব পাৰিছে। সময় যিহেতু সকলোৰে বাবে স্তব্ধ হৈছে— সেয়েহে নিজৰ কামখিনি শেষ নহ'ল বা ভৱিষ্যতে জীৱনটো আগ বাঢ়ি যোৱাত ব্যাঘাত জন্মিব বুলি ভাবিব নালাগে। ইয়াৰ পৰিৱৰ্তে ঘৰুৱা কামসমূহ সমাপ্ত কৰাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা উচিত।

গ্ৰামাঞ্চলৰ লোকসকলে যদি নিজৰ বাৰীখনতে শাক-পাচলিৰ উপৰি ফলমূলৰ পুলি আদি ৰোপণ কৰে তেনেহ'লে ভৱিষ্যতে এইবোৰ সম্পদ হৈ পৰিব। ই হ'ব বিপদৰ বন্ধু। ঘৰতে উৎপাদিত শাক-পাচলিৰ উপৰি ফলমূল খালে স্বাস্থ্যৰো উন্নতি হ'ব। তেতিয়া শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা শক্তিশালী হ'ব। শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা শক্তিশালী মানেই ভাইৰাছ আদিয়ে সহজে আক্ৰমণ কৰিব নোৱাৰিব। তেতিয়া ক'ৰোনাৰ বিৰুদ্ধেও শৰীৰটো সতৰ্ক আৰু শক্তিশালী হৈ থাকিব। যিসকলৰ ৰোগ প্ৰতিৰোধ ক্ষমতা কম— সেইসকলক ক'ভিড-১৯ ভাইৰাছে বেছিকৈ আক্ৰমণ কৰিছে। গতিকে মানসিকভাৱে দুৰ্বল হৈ শৰীৰটো অধিক দুৰ্বল কৰাতকৈ এতিয়াৰেপৰাই সকলোৱে সংকল্প লওক— মানসিকভাৱে শক্তিশালী হৈ ক'ৰোনাৰ বিৰুদ্ধে যুঁজ দিম।

# ঔষধ ৰপ্তানিৰে ভাৰতৰ মানৱতাৰ নিদৰ্শন আৰু ভৱিষ্যতৰ লাভালাভ

ক'ৰোনা ভাইৰাছ (ক'ভিড- ১৯)ৰ বিৰুদ্ধে যুঁজ দিবলৈ আজি বিশ্ববাসী একত্ৰিত হৈছে। শত্ৰু-মিত্ৰৰ কথা নাই। সকলো একাকাৰ। এইবিধ ভাইৰাছৰ নিৰ্দিষ্ট ঔষধ আৰু প্ৰতিষেধক বৰ্তমানলৈকে নোলোৱাত চিকিৎসকসকলে আৰম্ভ কৰিছে পৰীক্ষা-নিৰীক্ষা। প্ৰায়ভাগ দেশতে এতিয়া হাইড্ৰ'ক্সিক্ল'ৰোকুইন ভাইৰাছবিধ নিৰাময়ৰ ক্ষেত্ৰত ফলদায়ক হিচাপে বিবেচিত হৈছে। সেয়েহে এতিয়া বিশ্বৰ বহুতো দেশে ভাৰতৰ মুখলৈ চাবলগীয়া হৈছে। কাৰণ পেৰাচিতামল আৰু হাইড্ৰ'ক্সিক্ল'ৰোকুইন অত্যধিক প্ৰস্তুত কৰা হয় ভাৰতত।

ভাৰতত ক'ৰোনা ভাইৰাছত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে চৰকাৰে এনেধৰণৰ ঔষধ ৰপ্তানিৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছিল। ইয়াৰ উদ্দেশ্য এটাই— যাতে ভাৰতত ঔষধৰ অভাৱ নহয়। পিছে সমগ্ৰ বিশ্বতে এতিয়া এই দুবিধ ঔষধৰ সৰ্বাধিক প্ৰয়োজন হোৱাত সকলোৱে ভাৰতৰপৰা সহায় বিচাৰিছে। আনকি আমেৰিকা,

অষ্ট্ৰেলিয়া, স্পেইন, ইৰান, ছৌদি আৰবৰ উপৰি আন কেবাখনো দেশে ভাৰতৰ ওচৰত সহায় বিচাৰিছে। মানৱ জাতিৰ বিপৰ্যয়ৰ মাজতো এয়া ভাৰতবাসীৰ বাবে গৌৰৱৰ কাৰণ।

ভাৰতৰ দৰে উন্নয়নশীল দেশ এখনে বিশ্বৰ শক্তিশালী ৰাষ্ট্ৰসমূহক একে সময়তে একেলগে সহায়ৰ সুযোগ লাভ কৰিছে। এই সহায়ৰ কথা হয়তো কোনো এখন দেশেই ভৱিষ্যতে পাহৰি নাযাব। যিবোৰ দেশলৈ ভাৰতে ঔষধ ৰপ্তানি কৰিছে সেই দেশসমূহে ভৱিষ্যতে ভাৰতক বিপদৰ সময়ত সহায় কৰিব। কাৰণ এটা কথা সকলোৰে জ্ঞাত যে বিপদৰ বন্ধুৱেই প্ৰকৃত বন্ধু। এই কথা আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে উপলব্ধি কৰিয়েই ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে ভাৰতবাসীক প্ৰশংসাৰে ওপচাই দিছে।

ভাৰতক প্ৰথমতে আমেৰিকাই ধমকিৰ সুৰত কৈছিল যে যদি হাইড্ৰ'ক্সিক্ল'ৰোকুইন ঔষধ যোগান নধৰে তেনেহ'লে পৰিণাম ভয়াৱহ হ'ব। ভাৰতে আমেৰিকালৈ ২.৯০ কোটি ঔষধ ৰপ্তানি কৰাৰ পাছতে ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে টুইট কৰিছে যে দুয়োখন দেশক বন্ধুত্বৰ ক্ষেত্ৰত আৰু অধিক ওচৰলৈ আনিব। তদুপৰি অষ্ট্ৰেলিয়া, স্পেইন আদি দেশেও এই সংকটৰ সময়ত ঔষধ লাভ কৰি সঞ্জীৱনী শক্তি পোৱাৰ দৰে হৈছে। যিসময়ত এইবিধ ভাইৰাছত বিশ্বৰ প্ৰায় আঠ লাখ লোকে প্ৰাণ হেৰুওৱাৰ লগতে প্ৰায় দুই কোটি লোক আক্ৰান্ত হৈছে— সেই সময়ত ভাৰতে আন দেশৰ তুলনাত মৃতকৰ সংখ্যা কিছু নিয়ন্ত্ৰণত ৰাখিবলৈ সক্ষম হৈছে একমাত্ৰ সঠিক সময়ত গ্ৰহণ কৰা কিছুমান সঠিক সিদ্ধান্তৰ বাবে। হয়তো কিছুমান লোকে এই সিদ্ধান্তকো সমালোচনা কৰিছে। একাংশৰ মতে ভাৰতত আগতীয়াকৈ তলাবন্ধ কৰিলে। কিছুমান সৰৱ হৈছে তলাবন্ধৰ বাবে শ্ৰমিকৰ পানীত হাঁহ নচৰাৰ দৰে অৱস্থা হৈছে।

বিপদৰ সময়ত যিকোনো সমস্যাৰ মুখামুখি হ'বই লাগিব। কিছুমানৰ জীয়াই থকাৰ সংগ্ৰামখন জটিল হ'বই। পিছে যুদ্ধত সৈনিকৰ মৃত্যু হ'ব বুলি ভাবি কোনোবাই সমৰক্ষেত্ৰত জঁপিয়াই নপৰিব জানো? সৈন্যৰ মৃত্যু হ'লেও অৱশেষত যুদ্ধজয়ৰ বতৰা লাভ কৰিলে প্ৰজাগণে দুখৰ মাজতো আনন্দ

তথা আশাৰ বতৰা বিচাৰি পায়। এতিয়া ভাৰতে প্ৰয়োজনীয় ঔষধ মজুত ৰাখি বিভিন্ন দেশলৈ ৰপ্তানি কৰিছে। স্বাস্থ্যৰ ক্ষেত্ৰত আমেৰিকা, ইটালি, ইংলেণ্ড আদি দেশলৈ বিভিন্ন দেশৰ লোকে চিকিৎসা কৰিবলৈ যায়। বিশ্বৰ সবাতোকৈ আধুনিক যন্ত্ৰ, সা-সুবিধাযুক্ত বিলাসী হোটেলসদৃশ চিকিৎসালয় থকা বুলি গৌৰৱ কৰা দেশবোৰে আজি ভাৰতৰ মুখলৈ চাই চিকিৎসাৰ বাবে অপেক্ষা কৰিবলগীয়া হোৱাতো কম গৌৰৱৰ কথা নহয়। এটা দশক আগলৈকে ভাৰতে বিভিন্ন ক্ষেত্ৰত আমেৰিকাৰ লগতে আন দেশসমূহৰ সংকেতলৈ অপেক্ষা কৰিবলগীয়া হৈছিল। খাদ্যৰপৰা স্বাস্থ্যলৈকে সকলোতে কেৱল আনৰ মুখলৈ চাবলগীয়া হৈছিল যদিও এতিয়া পিছে বিপৰীত ছবিহে ফুটি উঠিছে। ভাৰত আজি এনে এক স্থিতিত আছে যে আন দেশেহে কিছুক্ষেত্ৰত ভাৰতৰ সিদ্ধান্তলৈ অপেক্ষা কৰিবলগীয়া হয়। কূটনৈতিক ক্ষেত্ৰতো একেই ছবি ফুটি উঠে।

ভাৰতে বিভিন্ন দেশলৈ চিকিৎসক, ঔষধৰ লগতে যন্ত্ৰ-পাতি প্ৰেৰণ কৰি নিজৰ সামৰ্থ্যৰ লগতে মানৱতা আৰু বিপদৰ সময়ত সহায়ৰ হাত আগ বঢ়োৱা ভাৰতীয় পৰম্পৰাও প্ৰদৰ্শন কৰিছে। অস্ত্ৰবিহীন যোদ্ধাক আঘাতৰ পৰিৱৰ্তে নিজকে প্ৰস্তুত কৰিবলৈ সুযোগ দিয়া ভাৰতে এই সন্ধিক্ষণত বিশ্ববাসীৰ স'তে একেলগ হৈ ক'ভিড- ১৯ৰ বিৰুদ্ধে যুঁজ দিবলৈ প্ৰস্তুত হৈছে। ভাৰতে আমেৰিকাৰ ধমকিত নহয়— মানৱতাৰ বাবেহে আন দেশৰ সহায়ৰ বাবে আগ বাঢ়িছে। এইক্ষেত্ৰত কোনোৱে অপব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। ভাৰতৰ সহনশীল নীতি দুৰ্বলতাৰ পৰিচায়ক নহয়— বৰং মহান দেশ হিচাপে পৰিচয় দিয়াৰহে সঞ্জীৱনী শক্তি। এতিয়াৰেপৰা ভাৰতে আন্তৰ্জাতিক সহযোগিতা আৰু সমৰ্থন লাভৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু সমৰ্থন লাভৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত আৰু অধিক শক্তিশালী হ'ল। আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰতৰ এই স্থিতিত এতিয়া শত্ৰু ৰাষ্ট্ৰয়ো ভাৰতৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা কৰিবলৈ ভবাৰ ক্ষেত্ৰত হাজাৰবাৰ চিন্তা কৰিব লাগিব। ইতিমধ্যে আমেৰিকাৰ লগতে স্পেইন, ইৰান, ছৌদি আৰব আদিৰ ৰাষ্ট্ৰপ্ৰধানসকলে ভাৰতৰ পদক্ষেপক প্ৰশংসাৰে ওপচাই দিছে। এয়া নিঃসন্দেহে ভাৰতৰ বাবে ইতিবাচক দিশ।

# ক'ভিড-১৯ প্ৰতিৰোধৰ যুঁজত চীনতকৈ আগত বজৰংগবলী ভাৰত

ভাৰতৰ দৰে উন্নয়নশীল দেশ এখনে অতি সম্প্ৰতি উন্নত তথা শক্তিধৰ ৰাষ্ট্ৰৰ স'তে একেটা শাৰীতে খোজ মিলাব পৰাটো ১৩০ কোটি ভাৰতীয়ৰ বাবে পৰম গৌৰৱৰ বিষয়। বিগত এটা দশকত ভাৰতে বিশ্বদৰবাৰত এখন সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। জল, স্থল, বায়ু আদি সকলোতে এতিয়া ভাৰতৰেই আধিপত্য। তদুপৰি ভাৰত যে চাণক্য-নীতিৰে পৰিচালিত দেশ— সেয়া আকৌ এবাৰ প্ৰমাণিত হ'ল বিশ্বত্ৰাস ক'ভিড- ১৯ ভাইৰাছৰ বিৰুদ্ধে চলা দীঘলীয়া যুঁজখনত। এই সময়ত ভাৰতে গ্ৰহণ কৰা পদক্ষেপ তথা স্থিতিক বিশ্বৰ প্ৰায়সংখ্যক দেশেই প্ৰশংসা কৰিছে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বুদ্ধি আৰু সাহসৰ বাবে আজি প্ৰায়সংখ্যক দেশেই ভাৰতক বন্ধু-ৰাষ্ট্ৰ হিচাপে গ্ৰহণ কৰিছে। ভাৰতেও পাৰ্যমানে বিভিন্ন দেশক সহায়ৰ হাত আগ বঢ়াইছে।

বিপদৰ সময়ত সহায় কৰা মানে সহায় লোৱা দেশসমূহ ভাৰতৰ প্ৰতি চিৰকৃতজ্ঞ হৈ থাকিব। যিসময়ত বিশ্ববাসীয়ে ক’ৰোনা ভাইৰাছৰপৰা পৰিত্ৰাণ বিচাৰি বিভিন্ন কৌশল অৱলম্বন কৰিছে— সেই সময়ত ভাৰতে বিশ্ববাসীৰ লগত একগোট হৈ যুঁজ দিবলৈ সকলোৰে স’তে সহাৱস্থান কৰিছে। এইবিধ ভাইৰাছৰ উৎপত্তি কোনখন দেশত হৈছে আৰু কোনে কেনেকৈ বিয়পাইছে তাক লৈ বোকা খেলাৰ ৰাজনীতি কৰিবলৈ বিভিন্ন দেশে ধৰাৰ সময়ত ভাৰতে কমেও সত্তৰখন দেশক বিভিন্ন ধৰণে সহায় কৰিছে। চীনে বন্ধু ৰাষ্ট্ৰসমূহক বিপদৰ সময়ত প্ৰতাৰণা কৰা বুলি অভিযোগ উত্থাপিত হোৱাৰ সময়ত ভাৰতে শীতল মস্তিষ্কৰে পেলাইছে জাল। চীনে কে’বাখনো দেশলৈ নিম্নমানৰ ‘টেষ্টিং কিট’ প্ৰেৰণ কৰা বুলি চৰ্চা হৈছে। আনকি ইমান দিনে বন্ধু ৰাষ্ট্ৰ বুলি জাহিৰ কৰি থকা পাকিস্তানলৈ প্ৰেৰণ কৰিছে অন্তৰ্বাসৰ বাবে ব্যৱহাৰ কৰা কাপোৰেৰে প্ৰস্তুত কৰা মাস্ক। কেৱল সেয়াই নহয়— পাকিস্তানক এই বিপদৰ সময়ত কেৰাহিকৈয়ো চোৱা নাই বেইজিঙে। পাকিস্তানেও চীনৰ বেপাৰখন নুবুজাকৈ থকা নাই।

স্পেইনে চীনৰপৰা ‘টেষ্টিং কিট’ ক্ৰয় কৰিছিল তিনি লাখ চল্লিছ হাজাৰ। ইয়াৰে মাত্ৰ ত্ৰিশ শতাংশহে কাৰ্যকৰী হোৱা বুলি স্পেইন চৰকাৰে অভিযোগ কৰিছে। আনহাতে নেডাৰলেণ্ডে যোৱা মাৰ্চতেই চীনৰপৰা ছয় লাখ এনে ‘টেষ্টিং কিট’ ক্ৰয় কৰিছিল। পিছে দেশখনে আশা কৰা মতে সুফল নাপালে। ইতিমধ্যে টৰেণ্ট’লৈ চীনে পঠিওৱা বাষষ্ঠি হাজাৰ মাস্ক ইমানেই নিম্নমানৰ আছিল যে সেয়া পুনৰ চীনলৈকে ঘূৰাই পঠিয়াইছে। এই মাস্কখিনিৰ মূল্য হ’ল বিছ লাখ ডলাৰ। ফিনলেণ্ডৰো একেই অভিযোগ। চীনৰপৰা ফিনলেণ্ডে বিছ লাখ ছাৰ্জিকেল মাস্ক আৰু দুই লাখ ত্ৰিছ হাজাৰ ৰেছপিৰেটৰ মাস্ক আমদানি কৰে যদিও ইয়াৰ বেছিভাগেই অতি নিম্নমানৰ। আনকি এইবোৰ ব্যৱহাৰৰো অনুপযোগী। যি সময়ত চীনে বিশ্বৰ ভিতৰতে আটাইতকৈ উন্নত সামগ্ৰী প্ৰস্তুত কৰা বুলি দাবী কৰি আছে তেনে সময়ত এনে ধৰণৰ অভিযোগ উত্থাপিত হোৱাতো চীনৰ বাবে শুভ সংকেত বুলি ক’ব নোৱাৰি। ক’ৰোনা ভাইৰাছৰ উৎপত্তি বা সৃষ্টিৰ আঁৰত চীনৰ প্ৰভাৱ থকা বুলি ৱাশ্বিংটন আৰু বৃটেইনে দাবী কৰাৰ পাছত সৰৱ হৈ পৰে দেশখন। এনে চৰ্চাৰ মাজতে

আকৌ নিম্নমানৰ ‘টেষ্টিং কিট’ আৰু মাস্কৰ যোগান ধৰা বুলি উত্থাপিত অভিযোগে কিছু পৰিমাণে হ’লেও চীনা বস্তুৰ ওপৰত থকা বিশ্বাসৰ ক্ষেত্ৰত প্ৰভাৱ পেলাব।

এতিয়া বিশ্বৰ কে’বাখনো দেশৰ ক’ৰোনাৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত বিকল্প পথ বা উপায় নোহোৱাৰ বাবে চীনৰদ্বাৰা প্ৰেৰিত নিম্নমানৰ সামগ্ৰীও গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। ইয়াৰ বিপৰীতে কেইখনমান ৰাষ্ট্ৰই আকৌ ওভোতাই পঠিয়াইছে। তদুপৰি পাকিস্তানলৈ পঠিওৱা অন্তৰ্বাসৰ কাপোৰেৰে প্ৰস্তুত কৰা মাস্কক লৈ বিতৰ্কও হৈছে। গতিকে সুস্থিৰ অৱস্থালৈ অহাৰ পাছত এই দেশসমূহ যে চীনৰ বিৰুদ্ধে সৰৱ নহ’ব সেয়া নিশ্চয়কৈ ক’ব নোৱাৰি।

আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰতৰ প্ৰতিটো বিষয়তে চীনে ভেটো প্ৰয়োগ কৰি আহিছে। চীনে ভাৰতৰ বিৰোধ কৰাৰ আঁৰত দুটা বিষয় জড়িত আছে। প্ৰথমটো হ’ল— চীনৰ সংলগ্ন অৰুণাচল প্ৰদেশ নিজৰ ভূখণ্ডত অন্তৰ্ভুক্ত কৰাৰ কৌশল। দ্বিতীয়তে, ভাৰতৰ চিৰ বৈৰী পাকিস্তানৰ সৰ্বতোপ্ৰকাৰে সহায়ৰ নামত এখন শক্তিশালী বজাৰ গঢ়ি তোলা। কিছুমান দেশে চীনৰ হেঁচাত ভাৰতৰ বিৰোধ কৰি আহিছে। পিছে এই বিপদৰ সময়ত ভাৰতে এইবোৰ দেশক সহায় কৰা বাবে পৰৱৰ্তী সময়ত আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰত চীনতকৈ অলপ হ’লেও আগত থাকিব। ভাৰতে বিশ্বৰ কে’বাখনো দেশলৈ হাইড্ৰ’ক্সিক্ল’ৰোকুইন ঔষধৰ যোগান ধৰিছে। কে’বাখনো দেশলৈ চিকিৎসা সামগ্ৰীৰ সাহায্য আগ বঢ়াইছে। আনকি ব্ৰাজিলৰ ৰাষ্ট্ৰপতি জাইৰ ব’লছ’নাৰে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বজৰংগবলী হনুমানৰ স’তে তুলনা কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰী মোদীৰ পদক্ষেপত পঞ্চমুখ হৈছে। গতিকে পৰৱৰ্তী সময়ত যদি আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰতক এইবোৰ ৰাষ্ট্ৰৰ সমৰ্থনৰ প্ৰয়োজন হয় তেনেহ’লে নিশ্চয় সম্পূৰ্ণ সমৰ্থন আদায় কৰিবলৈ সক্ষম হ’ব।

# ৰাইজ আৰু আৰক্ষীৰ ব্যৱধান নোহোৱা কৰিলে ক'ৰোনা ভাইৰাছে

ক'ৰোনা ভাইৰাছ (ক'ভিড- ১৯)ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশজুৰি চলা তলাবন্ধ (লক্‌ডাউন)ৰ সময়ত ৰাইজ ঘৰতে আবদ্ধ হৈ থাকিবলগীয়া হৈছে। ২৪ মাৰ্চৰ পৰা অহা ৩ মে' (২০২০ চন)লৈকে চলে তলাবন্ধ। স্তব্ধ হৈ পৰিছে কাম-কাজ। ঘৰৰ ভিতৰতে সকলোৰে আবদ্ধ হ'বলগীয়া হোৱাত সমস্যা নোহোৱাকৈ থকা নাই। বজাৰৰপৰা খাদ্যবস্তু সংগ্ৰহ কৰিব পৰা নাই বহুতো লোকে। আনকি কিছুমান ঠাইত প্ৰয়োজনীয় ঔষধ নথকাৰ বাবে বহুতৰ জীৱন-মৰণৰ সমস্যাই দেখা দিছে। গাড়ী-মটৰ আদি চলাচল নোহোৱাৰ বাবে ঔষধ আদি ক্ৰয় কৰিবলৈও ৰোগীৰ আত্মীয়সকল যাব পৰা নাই।

প্ৰাণৰ মমতাৰ বাবে ক'ভিড- ১৯ ভাইৰাছৰ আক্ৰমণৰপৰা ৰক্ষা পাবলৈ ঘৰতে আবদ্ধ হৈছে অসমৰ তিনি কোটি জনতা। এনে এক বিভীষিকাময় পৰিস্থিতিৰ

সময়ত ৰাইজক সম্পূৰ্ণ সহযাগিতাৰ হাত আগ বঢ়াইছে আৰক্ষীয়ে। ইমান দিনে আৰক্ষী আৰু ৰাইজৰ মাজত ব্যৱধান থকাৰ বাবে বহুতেই আৰক্ষীৰ ওচৰ চাপিবলৈ ভয় কৰিছিল। পিছে বিগত এমাহত আৰক্ষীয়ে ৰাইজৰ মাজত এনেদৰে সোমাই পৰিছে যে প্ৰতিটো পৰিয়ালৰ সদস্যই এতিয়া তেওঁলোকক সমাজৰ অবিচ্ছেদ্য অংগ হিচাপে ভাবিবলৈ লৈছে। বিপদৰ সময়ত ঘৰে ঘৰে খাদ্যবস্তু যোগান ধৰিছে। কাৰোবাৰ প্ৰয়োজনত কে'বা কিলোমিটাৰ পথ খোজ কাঢ়ি অথবা মটৰ চাইকেলেৰে গৈ হ'লেও ঔষধ যোগান ধৰিছে। ক'ৰোনাত আনকি সত্তৰ কিলোমিটাৰ পথ অতিক্ৰমিও কৰ্কট ৰোগত আক্ৰান্ত শিশুৰ বাবে ঔষধ যোগান ধৰি মানৱতাৰ পৰিচয় দিয়া কাৰ্যই আৰক্ষীৰ কঠোৰ অনুশাসন আৰু মানৱতা ভৰা হৃদয়ৰ কথাকে প্ৰমাণ কৰিছে।

যিসময়ত সকলোৱে ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ঘৰৰ ভিতৰতে আবদ্ধ হৈ থাকিবলগীয়া হৈছে সেই সময়ত সামাজিক দূৰত্ব মানি চলি দিন-ৰাতি একাকাৰ কৰি প্ৰচণ্ড ধুমুহা, প্ৰখৰ ৰ'দকো নেওচি কাৰ্য সম্পাদন কৰি দায়িত্ববোধৰ প্ৰতি কিমান সচেতন সেই কথা প্ৰমাণ কৰিছে। আনকি ৰাইজৰ মাজৰপৰা শংকা দূৰ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। নিজৰ পকেটৰ ধন ব্যয় কৰি ওচৰ-চুবুৰীয়া দুখীয়া লোকসকলকে নহয়— প্ৰয়োজনসাপেক্ষে আনকো সহায়-সহযোগিতা আগ বঢ়াইছে খাদ্য-সামগ্ৰী আৰু ঔষধ যোগানেৰে। আনকি প্ৰচণ্ড ধুমুহাৰ মাজতো কৰ্তব্য সম্পাদন কৰি প্ৰাণ হেৰুৱাবলগীয়া হৈছে। নিশাও কাৰ্য সম্পাদন কৰিছে একমাত্ৰ ৰাইজক সহযোগ তথা সুৰক্ষিত কৰিবলৈ।

আৰক্ষীৰো পৰিয়াল আছে। তেওঁলোকো একো একোখন কোমল হৃদয়ৰ ব্যক্তি। পোছাকযোৰ পৰিধান কৰিলে তেওঁলোক কৰ্তব্যৰ প্ৰতি অধিক সতৰ্ক আৰু দায়বদ্ধ হৈ পৰে। আপোনজনৰ বিপদৰ সময়তো, আনকি মাত এষাৰ লগাবলৈ আহৰি নাপায়। কেতিয়াবা কেতিয়াবা কৰ্তব্য সম্পাদন কৰোতে খাবলৈকো কোনোধৰণৰ খাদ্য নাপায়। লঘোনে থাকিও কৰ্তব্য সম্পাদন কৰা লোকসকলৰ খবৰ ল'বলৈ কাৰোৰে আহৰি নাই। কিছুমানে জানিলেও 'আৰক্ষীয়ে কৰ্তব্য সম্পাদন কৰিছে, পইচা পাব, তাতে কি আহে বা যায়' ইত্যাদি মন্তব্য কৰে। এতিয়া বহুতে আৰক্ষীকো কৰ্তব্য সম্পাদন

কৰি থকা মুহূৰ্তত সহায়ৰ হাত আগ বঢ়াইছে, ৰ'দ-বতাহ-বৰষুণৰ মাজত নিষ্ঠাৰে কৰ্তব্য সম্পাদন কৰা দেখি বহুতো লোকে এসাঁজ খাদ্য দিছে। কেতিয়াবা আনকি চাহ তথা এটুপি খোৱা পানীও সম্ভৱ হ'লে যোগান ধৰি আনন্দ পাইছে।

কেতিয়াবা আকৌ ৰাইজৰ দুখ দেখি কৰ্তব্যৰত আৰক্ষীয়ে খাবলৈ দিছে, ক'ৰবালৈ যোৱাৰ ক্ষেত্ৰত মটৰ চাইকেল, স্কুটাৰ আদিত তুলি আগ বঢ়াই দিছে। মুঠতে আৰক্ষীয়ে যে কেৱল কৰ্তব্য সম্পাদন কৰোতে কঠোৰ হৈ পৰে, তেনে মনোভাব থাকিলেও সেয়া যে তেওঁলোকৰ কৰ্তব্য— সেই কথা এতিয়া ৰাইজে উপলব্ধি কৰিছে। সমাজৰ গুৰুত্বপূৰ্ণ লোক হিচাপে গণ্য কৰাৰ ফলত আৰক্ষী আৰু ৰাইজৰ মাজত থকা ব্যৱধান এতিয়া নোহোৱা হৈছে। অৰ্থাৎ শূন্য হৈছে ব্যৱধান।

অসমৰ বাপতি সাহোন ৰঙালী বিহুৰ উদ্যম অসমীয়াৰ মনৰপৰা এইবাৰ ক'ৰোনা ভাইৰাছৰ ত্ৰাসে নোহোৱা কৰিলে। অৱশ্যে ৰঙালী বিহুৰ সময়ত কৰ্তব্য পালন কৰা আৰক্ষীৰ ভূমিকাত এইবাৰ ৰাইজ আৰু অধিক মুগ্ধ হৈছে। বিহুৰ বতৰত পৰম্পৰা ৰক্ষা কৰি পথতে ৰাইজক বিহুৱান দিছে সামাজিক দূৰত্ব মানি চলি। মুখত এমোকোৰা হাঁহি। ৰঙালী বিহুটি পালনৰ ক্ষেত্ৰত সামাজিক দূৰত্ব অন্তৰায় হোৱা বাবে এইবাৰ সকলোৱে ঘৰতেই সাধ্যানুসৰি পালন কৰিছে। কৰ্তব্যৰ মাজত থকা আৰক্ষীসকলৰ মনোবল দেখি ৰাইজৰো তেওঁলোকৰ প্ৰতি মৰম, সহযোগ কৰাৰ সাহসিকতা গঢ় লৈ উঠিছে।

চিকিৎসাৰ ক্ষেত্ৰত চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মীসকল এতিয়া যিদৰে ভগৱানসদৃশ হৈ পৰিছে, তেনেদৰে এই বিপদৰ সময়ত সহায়-সহযোগিতা আৰু সুৰক্ষা প্ৰদানৰ ক্ষেত্ৰত আৰক্ষীও হৈছে ত্ৰাণকৰ্তা। ৰাইজ আৰু আৰক্ষীৰ মাজত গঢ়ি উঠা সহায়-সহযোগিতাৰ দলংখন আৰু অধিক সুদৃঢ় হওক। কেৱল ক'ৰোনা ভাইৰাছে সৃষ্টি কৰা বিপদৰ সময়তে নহয়— ভৱিষ্যতেও ই অধিক শক্তিশালী হৈ থাকক।

# ক'ৰোনা ভাইৰাছে মানুহক বহু কথা শিকালে

পৰিস্থিতি আৰু পৰিৱেশত পৰি মানুহে বহু কথা শিকে। সেয়েহে কোৱা হয়— মানুহ পৰিস্থিতিৰ দাস। পৰিস্থিতিৰ দাস হোৱা বাবে বহুতে কেতিয়াবা নকৰিবলগীয়া কাম কৰে আৰু কেতিয়াবা নাখাবলগীয়া খাদ্যও গ্ৰহণ কৰে। দম্ভ মৰা লোকেও আনৰ শৰণ ল'বলৈ বাধ্য হয়। আঁকোৰগোজ স্থিতিত থাকিও অৱশেষত হাৰ মানি আনৰ ওচৰত লেউ-সেউ হৈ পৰে। বিজ্ঞানৰ চৰম অগ্ৰগতিৰ বাবে মানুহে নিজকে সুৰক্ষিত বুলি দাবী কৰিলেও আজিলৈকে প্ৰকৃতিৰ ধ্বংসলীলা তথা প্ৰকৃতিয়ে ধৰা কালৰূপ প্ৰতিহত কৰিব পৰা নাই। ঠিক এনে এক পৰিস্থিতিৰে মানুহ মুখামুখি হৈছে।

সমগ্ৰ বিশ্বতে আজি মানৱ জাতিয়ে মাত্ৰ এটা ভাইৰাছৰ বাবে শংকিত হৈ গৃহবন্দী হ'বলগীয়া হৈছে। অথচ মানৱ জাতিয়ে বিজ্ঞানৰ চমৎকাৰৰ বাবে সাগৰৰ তলি, ভূগৰ্ভত মাণিক বিচাৰি উলিয়াবলৈ সক্ষম হৈছে। বিজুলী গতিত উৰা জাহাজ উৰিছে বায়ুমণ্ডলৰ হেজাৰ হেজাৰ মাইল ওপৰত। প্ৰয়োজন হোৱা বাবে দ্ৰুতবেগী ৰে'ল উদ্ভাৱন কৰিছে। বৃহদাকাৰৰ আকাশীযান নিৰ্মাণ কৰিছে। ক'ভিড-১৯ ভাইৰাছবিধৰ বিৰুদ্ধে যুঁজ দিবলৈ আৰম্ভ কৰিছে গৱেষণা। গৱেষণাৰ ফলাফলৰ বাবে মানৱ জাতিয়ে কিমান দিন অপেক্ষা কৰিব লাগিব সেয়া কোনোৱে নিশ্চয়কৈ ক'ব নোৱাৰে। সেইবাবে আজি বিশ্ববাসী সতৰ্ক হ'বলৈ বাধ্য হৈছে। এইবিধ ভাইৰাছৰ সংক্ৰমণৰপৰা ৰক্ষা

পাবলৈ বিশ্ব স্বাস্থ্য সংস্থাৰ লগতে চিকিৎসকসকলে আগ বঢ়োৱা পৰামৰ্শ আখৰে আখৰে পালন কৰিবলৈ বাধ্য হৈছে।

নিয়ম নমনা মানুহেও প্ৰাণ ৰক্ষাৰ বাবে প্ৰতিটো ক্ষণতে সতৰ্কতাৰে নিয়ম পালন কৰিছে। আনকি বহু লোক প্ৰয়োজনতকৈও বেছি সতৰ্ক হৈছে। কাৰণ এতিয়া সকলোৱে উপলব্ধি কৰিছে যে সতৰ্কতাৰ বিকল্প নাই। এনে ভয়াৱহ ভাইৰাছৰপৰা পৰিত্ৰাণ পাবলৈ হ'লে সামাজিক দূৰত্ব বজাই ৰাখিবই লাগিব। কিয়নো, ক'ভিড- ১৯ ভাইৰাছবিধে আপোনা-আপুনি গৈ মানুহক আক্ৰমণ নকৰে। সামাজিক দূৰত্ব বজাই নাৰাখিলে সহজে এজনৰপৰা আন এজনলৈ এই ভাইৰাছবিধ সংক্ৰমিত হয়।

আমাৰ সমাজত পূৰ্বে কিছুমান নীতি-নিয়ম আছিল। এইবোৰ নীতি-নিয়মৰ আঁৰত পিছে বৈজ্ঞানিক দৃষ্টিভংগী আছিল। নাম-প্ৰসংগ, ভাত খাবলৈ বহা আদিত ইজনে সিজনৰ গাত স্পৰ্শ কৰাকৈ বহা নাছিল। ভাত খাবৰ সময়ত এজনে আনজনক স্পৰ্শ নকৰিছিল। এখন থালৰপৰা আন এজনে খাদ্য আনিবলগীয়া হ'লে ভালদৰে হাত-মুখ ধুই লৈছিল। সামাজিকভাৱে খাদ্য খোৱাৰ সময়ত যিসকলে খাদ্য সম্ভাৰ বিতৰণ কৰিছিল তেওঁলোকে মুখত কাপোৰ এখন মেৰিয়াই লৈছিল। আনহাতে নাম-প্ৰসংগই হওক বা আন কোনো অনুষ্ঠানতেই ঢাৰি-পাটী বা আন আসন গ্ৰহণ কৰাৰ পূৰ্বে ভালদৰে হাত-ভৰি ধুই লৈছিল। হাত-ভৰি ধোৱাৰ বাবে নিৰ্দিষ্ট ঠাই আছিল। এইবোৰ ধৰ্মীয় বা সামাজিক নীতি-নিয়ম হ'লেও পৰিষ্কাৰ-পৰিচ্ছন্নতাই যে বহু ৰোগ-ব্যাধি প্ৰতিৰোধ কৰিব পাৰে সেই কথা বহু বছৰ আগৰ পৰাই মানুহে উপলব্ধি কৰিছিল। ঘৰৰ বাহিৰলৈ ফুৰিবলৈ গ'লে উভতি অহাৰ পাছত ঘৰত প্ৰৱেশ কৰোতে চোতালৰ এচুকত ৰখা পানীৰে হাত-ভৰি ভালদৰে ধুইহে প্ৰৱেশ কৰিছিল। ভৰি-হাত নোধোৱাকৈ ৰান্ধনী ঘৰত প্ৰৱেশ কৰা নাছিল। তদুপৰি কিছুমান মহিলাই ভাত ৰন্ধাৰ সময়ত ব্যৱহাৰ কৰা কাপোৰযোৰ পাকঘৰতে পৃথকে ৰাখি থৈছিল। পুৱা চোতাল সাৰি গোবৰ পানী ছটিয়াইছিল। পুৱাই ঘৰৰ কামবোৰ কৰি বাহিৰে বাহিৰে গা-পা ধুইহে পাকঘৰ, মন্দিৰ আৰু ঘৰত প্ৰৱেশ কৰিছিল। গধূলি ধূপ-ধূনা আদি দিছিল। এনে নিয়মে পিছে বহু ৰোগৰ বীজাণুক সক্ৰিয় হ'বলৈ সুযোগ দিয়া নাছিল।

আজি বহুতো পৰিয়ালৰ ঘৰৰ সন্মুখত এবাল্টি পানী আৰু চাবোন থৈ দিছে হাত-ভৰি ধুবলৈ। কাৰণ ভালদৰে হাত দুখন চাবোন আদিৰে ধুলে ক'ভিড-১৯ ভাইৰাছে শৰীৰত প্ৰৱেশ কৰিব নোৱাৰে। মুখ, নাক আৰু চকু স্পৰ্শ কৰাৰ আগতে হাত দুখন ভালদৰে চাবোনেৰে ধুলে এইবিধ ভাইৰাছে প্ৰৱেশ কৰিব নোৱাৰে বুলি প্ৰচাৰ হোৱাৰ লগে লগে সকলোৱে হাত ধোৱাত গুৰুত্ব প্ৰদান কৰিছে। অথচ আমাৰ সমাজখনত শ শ বছৰ আগৰেপৰাই মানুহে ঘৰৰ সন্মুখত এটা চুকত এটা পাত্ৰত পানী থৈ দিছিল আলহী-অতিথি আহিলে ভৰি-হাত ধুবলৈ। তেতিয়াই মানুহবোৰ কিমান দূৰদৰ্শী আছিল এবাৰ ভাবকচোন।

অতীজত ৰাজহুৱা অনুষ্ঠানত বিতৰণ কৰাৰ সময়ত খাদ্যবস্তুৰ ওপৰত যাতে বিলনীয়াগৰাকীৰ থু-খেকাৰ, শ্বাস-প্ৰশ্বাস আদি নপৰে তাৰ বাবে মুখত কাপোৰ মেৰিয়াই লৈছিল। কোনো কোনো সমাজত এই নিয়ম আজিও প্ৰচলিত হৈ থকা দেখা যায়। বাৰীৰ পাছফালে আগতে চুৱাপাতনি আছিল। বিশেষকৈ গ্ৰামাঞ্চলত চুৱাপাতনি বুলি বিশেষ ঠাই এটুকুৰা প্ৰতিটো পৰিয়ালৰ বাৰীত আছিল। কিছুমান ঠাইত এতিয়াও আছে। অৱশিষ্ট খাদ্য অথবা পেলনীয়া খাদ্য আদি সেই বিশেষ ঠাইটুকুৰাত পেলায়। এনে ঠাইত কোনো লোকে প্ৰৱেশ কৰিবলগীয়া হ'লে বা পৰিষ্কাৰ কৰিলে সেই লোকজনে ভালদৰে গা-পা ধুইহে ঘৰত প্ৰৱেশ কৰিছিল। কাৰণ এইবোৰৰপৰা বিভিন্ন বীজাণু যিকোনো লোকৰ শৰীৰত প্ৰৱেশ কৰি ৰোগ সৃষ্টি কৰাৰ আশংকা থাকে।

সামাজিক দূৰত্ব কিমান গুৰুত্বপূৰ্ণ— সেই কথা আজি সকলোৱে মৰ্মে মৰ্মে উপলব্ধি কৰিছে। এজন ব্যক্তিৰপৰা আন এজন ব্যক্তিলৈ সংস্পৰ্শৰদ্বাৰা কাহ, হাচি মাৰিলে বিয়পিব পাৰে বুলি জানিও ওচৰা-উচৰিকৈ বহাৰ প্ৰৱণতা বহুতৰে থাকে। ক'ৰোনা ভাইৰাছে পিছে এতিয়া সকলোকে শিকাইছে— কিয় এজনে আন এজনৰ পৰা ব্যৱধান ৰাখি বহিব লাগে, হাত নুধুলে কেনে বিপদ হ'ব পাৰে আদি। সামাজিক নীতি-নিয়মক উপলুঙা কৰা লোকসকলে এনে নিয়মৰ প্ৰয়োজন কিমান সেয়া উপলব্ধি কৰিছে। মানুহে ঠেকিহে শিকে। নিয়ম ভাঙিব খোজা লোকসকলে যেতিয়া নিয়ম কি উপলব্ধি কৰে— তেতিয়া নিজৰ লগতে সমাজৰো উপকাৰ সাধন হয়। প্ৰতিৰোধ হয় বিভিন্ন ৰোগৰ সৃষ্টিকাৰী বেক্টেৰিয়া, ভাইৰাছ আদি।

# ছুইজাৰলেণ্ডৰ পৰ্বতত ভাৰতীয় জাতীয় পতাকা প্ৰতিফলিত হ'ল কিয় ?

সমগ্ৰ বিশ্বতে আজি ভাৰতবৰ্ষ চৰ্চিত হৈছে। যিসময়ত ইউৰোপ, আমেৰিকা আদিৰ দেশসমূহে নিজকে শ্ৰেষ্ঠ বুলি দাবী কৰি আহিছিল সেই সময়ত ভাৰতে বিশ্বদৰবাৰত খোপনি পুতিবলৈ চেষ্টা অব্যাহত ৰাখিছে। এনে সময়তে লাভ কৰা সোণালী সুযোগৰ সদ্ব্যৱহাৰ কৰিবলৈ ভাৰতে চেষ্টাৰ ত্ৰুটি কৰা নাই। বিশ্বত্ৰাস ক'ৰোনা ভাইৰাছ (ক'ভিড-১৯)ৰ গণসংক্ৰমণক লৈ চৰ্চা তথা গৱেষণা চলাৰ সময়তে ভাৰতে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া আজি সৰ্বত্ৰে বন্দিত হৈছে।

ভাৰতে এইবিধ মহামাৰীৰ বিৰুদ্ধে যুঁজ দিবলৈ গ্ৰহণ কৰা ভূমিকাক অতিসম্প্ৰতি বিশ্বৰ প্ৰায়ভাগ দেশে

প্ৰশংসা কৰিছে। আনকি বিশ্ব স্বাস্থ্য সংস্থায়ো ভাৰতক প্ৰশংসাৰে উপচাই দিছে। বিশেষকৈ ভাৰতে প্ৰথম অৱস্থাত ৰপ্তানিৰ ক্ষেত্ৰত নিষেধাজ্ঞা থকা মেলেৰিয়া ৰোগৰ চিকিৎসাৰ হাইড্ৰ'ক্সিক্ল'ৰোকুইন টেবলেট বিশ্বৰ কে'বাখনো দেশলৈ প্ৰেৰণ কৰি যি উদাৰ মনোভাৱ প্ৰদৰ্শন কৰিলে তাকে লৈ আজি বন্দিত ভাৰত তথা দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। চাণক্য-নীতিৰেই যেন আগ বাঢ়িছে এইগৰাকী যোদ্ধা। ভাৰতে ক'ভিড- ১৯ৰ বিৰুদ্ধে যি যুঁজ চলাইছে সেই ক্ষেত্ৰত প্ৰশংসা তথা উৎসাহ আৰু প্ৰচাৰৰ বাবে এইবাৰ ছুইজাৰলেণ্ডৰ সুউচ্চ পৰ্বতৰ শৃংগত উজলিল ভাৰতৰ এহেজাৰ মিটাৰ দীঘল তিনি বৰণীয়া জাতীয় পতাকা। ছুইজাৰলেণ্ডৰ মনোমুগ্ধকৰ চহৰ জাৰমাটৰপৰা বিশ্ববাসীয়ে দৰ্শন কৰাৰ সুযোগ লাভ কৰা মেটাৰহৰ্ন পৰ্বতৰ চাৰি হাজাৰ চাৰিশ আঠানব্বৈ মিটাৰ উচ্চতাত জিলিকি উঠিল ভাৰতৰ জাতীয় পতাকা। ছুইছ লাইট আৰ্টিষ্ট গেলাৰীয়ে শেহতীয়াভাৱে ক'ৰোনাৰ বিৰুদ্ধে যুঁজ দিয়া দেশসমূহক উৎসাহ তথা কৃতজ্ঞতা জ্ঞাপনৰ বাবে এনে এক পদক্ষেপ গ্ৰহণ কৰিছে। লাইটৰ ফ'কাছ এই পৰ্বতটোৰ শৃংগত প্ৰতিফলিত কৰি বিশ্ববাসীক আকৰ্ষিত কৰিছে। আল্পছ আৰু ষ্ট্ৰেডেলছৰ পৰ্বতত আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান, স্পেইন আৰু ফ্ৰান্সৰ সমানেই উজলি উঠিল ভাৰতীয় ত্ৰিৰংগা। ছুইজাৰলেণ্ড আৰু ইটালিৰ মাজত থকা পৰ্বতটোৰ সুউচ্চ শৃংগত এনে ফ'কাছ প্ৰতিফলিত কৰি আজি বিশ্বত চৰ্চা লাভ কৰিছে এনে পদক্ষেপে। ছ'চিয়েল মিডিয়াত ইয়াৰ ফটো ভাইৰেল হোৱাত এশ ত্ৰিছ কোটি ভাৰতীয়ৰ ত্যাগৰ কথা উজলি উঠিল। ইতিমধ্যে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ক'ৰোনাৰ বিৰুদ্ধে সদায় ঐক্যবদ্ধভাৱে যুঁজ দিয়াৰ কথা টুইট কৰিছে। ইপিনে, বলীউডৰ জনপ্ৰিয় অভিনেতা তথা ছুইজাৰলেণ্ডৰ পৰ্যটন বিভাগৰ এম্বেচাদৰ ৰণবীৰ সিঙেও এইক্ষেত্ৰত টুইট কৰিছে। ভাৰতীয়ক লৈ বিশ্ববাসীৰ আশা আৰু ভাৰতৰ শক্তি আকৌ এবাৰ প্ৰমাণিত হ'ল।

ভাৰতে ইতিমধ্যে ক'ৰোনা মহামাৰীৰ বিৰুদ্ধে যুঁজিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ উপৰি ব্ৰাজিল, স্পেইন, আৰবীয় দেশৰ লগতে কে'বাখনো সৰু-বৰ দেশলৈ সহায়ৰ হাত আগ বঢ়াইছে। ইয়াৰদ্বাৰা ভাৰতে ক'ৰোনাবিৰোধী

যুঁজখনত আৰু এখোপ আগুৱাই যাবলৈ সহায়ক হ'ব। লগতে বিশ্বৰ আন দেশৰপৰা প্ৰয়োজনীয় মাস্ক, কিট আদি আমদানি কৰাৰ ক্ষেত্ৰতো সহায়ক হ'ব। কাৰণ এতিয়া ভাৰতে কৰা সহায়ৰ কথা কোনো এখন দেশে পাহৰি নাযাব। বৰং ভাৰতক সহায় কৰিব পাৰিলে আন্তৰ্জাতিক ক্ষেত্ৰত সহযোগিতা আগ বঢ়োৱাৰ ক্ষেত্ৰত আৰু এখোজ আগুৱাই যোৱাত সহায়ক হ'ব। ইতিমধ্যে চিৰবৈৰী পাকিস্তানৰ দৰে দেশ এখনে ভাৰতৰপৰা সহায় বিচাৰিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হৈছে।

বিপদৰ সময়ত শত্ৰুতাৰ কথা পাহৰি এতিয়া সকলো দেশে একগোট হৈ ক'ৰোনা মহামাৰীৰ বিৰুদ্ধে যুঁজ দিবলৈ সংকল্প গ্ৰহণ কৰিছে। এই যুঁজত সফল হ'বলৈ বিশ্ববাসীয়ে কিমান দিন হাতে হাত ধৰি আগুৱাব লাগিব তাৰ ভৱিষ্যদ্বাণী কৰাটো এতিয়া কাৰোৰে বাবে সম্ভৱ নহয়। গতিকে ভাৰতে ভৱিষ্যতৰ কথা সন্মুখত ৰাখিয়েই এতিয়া বিশ্বৰ আন দেশসমূহৰ স'তে সহযোগিতাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাটোৱে এশ ত্ৰিছ কোটি জনগণ তথা ভাৰতৰ পৰম্পৰাত মানৱীয় গুণ সকলোৰে ঊৰ্ধ্বত বুলি প্ৰমাণ কৰিলে। সেইবাবে আজি সকলোৱে ভাৰতক প্ৰশংসাৰে ওপচাই দিছে। তাৰেই প্ৰতিফলন ঘটিল ছুইজাৰলেণ্ডৰ সুউচ্চ পৰ্বতত। বিশ্ব স্বাস্থ্য সংস্থাৰো মুখ্য কাৰ্যালয় ছুইজাৰলেণ্ডত অৱস্থিত। গতিকে ভাৰতে আৰু এখোজ আগুৱাই যোৱাৰ পথ এনে কাৰ্যৰদ্বাৰাই সম্ভৱ হ'ব।

# জনসাধাৰণৰ ঊৰ্ধ্বত নহয় জনপ্ৰতিনিধি

জনপ্ৰতিনিধিৰ দায়িত্ব হৈছে— ৰাইজৰ উন্নতি আৰু সুৰক্ষাৰ বাবে প্ৰতিটো ক্ষণতে কাম কৰা। বিপদৰ সময়ত ৰাইজৰ লগত থকা আৰু জনগণক সহায়-সহযোগিতাৰ লগতে মনোবল বৃদ্ধি কৰা জনপ্ৰতিনিধিজনকহে প্ৰকৃত সেৱক আখ্যা দিয়া হয়। তদুপৰি এনে কাৰ্যই জনগণৰো মনোবল বৃদ্ধি কৰে। এতিয়া বিশ্ববাসী চৰম সংকটত। ব্যতিক্ৰম নহয় ভাৰতো। ভাৰতৰ প্ৰতিখন ৰাজ্য আজি ক'ৰোনা মহামাৰীৰ গ্ৰাসত পৰিছে।

ইতিমধ্যে ভাৰতৰ সকলোবোৰ ৰাজ্যত মহামাৰী ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ হৈছে। ৰাজ্যসমূহৰ ভিতৰত মহাৰাষ্ট্ৰ, দিল্লী, গুজৰাট, উত্তৰ প্ৰদেশ আদিত ক'ভিড- ১৯ৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ইয়াৰ মাজতেই যোৱা ২০ এপ্ৰিলত মৃত্যু হ'ল উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ পিতৃ আনন্দ সিং বিষ্টৰ। দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত আদিত্যনাথৰ পিতৃৰ মৃত্যু হয়। ভাৰতীয় পৰম্পৰা অনুসৰি পিতৃ-মাতৃৰ শেষকৃত্য পুত্ৰই সম্পাদন কৰে। পিছে পুত্ৰ হিচাপে পিতৃৰ শেষকৃত্য সম্পন্ন কৰাতকৈও তেওঁৰ সন্মুখত উত্তৰ প্ৰদেশৰ ২৩ কোটি জনগণক ক'ভিড- ১৯ৰ সংক্ৰমণৰপৰা ৰক্ষা কৰাটো প্ৰত্যাহ্বান হৈ পৰিছে। সেয়েহে তেওঁ পিতৃৰ শেষকৃত্যত উপস্থিত নাথাকে বুলি মৃত্যু-সংবাদ শুনাৰ পাছতে ঘোষণা কৰে। আনকি তেওঁ তলাবন্ধৰ নিময় মানি চলি মাতৃ আৰু তেওঁৰ পৰিয়ালৰ আন সদস্যক শেষকৃত্য সম্পন্নৰ বাবে আহ্বান জনায়।

উত্তৰাখণ্ডৰ পৌৰী জিলাত আদিত্যনাথৰ পিতৃৰ শেষকৃত্য

সম্পন্ন কৰাত তলাবন্ধৰ নিয়ম অনুসৰিয়েই পৰিয়ালক অনুৰোধ জনোৱা আৰু সামাজিক দূৰত্ব বজাই ৰখা আৰু কৰ্তব্যবোধৰ কথাকেই প্ৰতিপন্ন কৰিছে। মুখ্যমন্ত্ৰী হিচাপে যোগী আদিত্যনাথৰ পৰিয়ালৰ ঊৰ্ধ্বত ৰাজ্যৰ জনগণ। ২৩ কোটি জনগণৰ স্বাৰ্থতকৈ পিতৃৰ শেষকৃত্য কোনোগুণেই ঊৰ্ধ্বত নহয় বুলি উপলব্ধি কৰাই নহয়— সেই কাৰ্যৰদ্বাৰা ৰাইজকো অনুপ্ৰাণিত কৰিছে। জনপ্ৰতিনিধিয়ে সন্মুখৰপৰা নেতৃত্ব দিব পাৰিলেহে ৰাইজৰ মনোবল বৃদ্ধি পায় আৰু সংকটকালত মাৰবান্ধি থিয় দিব পাৰে।

ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক তথা ক্ৰিকেটৰ ভগৱানৰূপে খ্যাতি অৰ্জন কৰা শচীন তেণ্ডুলকাৰে বিশ্বকাপত অংশগ্ৰহণ কৰাৰ সময়ত পিতৃৰ বিয়োগ ঘটাত তেওঁ স্বদেশলৈ উভতিবলৈ খুজিছিল যদিও এশ কোটি (বৰ্তমান ভাৰতৰ জনসংখ্যা এশ ত্ৰিশ কোটি) ভাৰতীয়ৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি তেওঁ খেলত অংশগ্ৰহণ কৰি যি মহান খেলুৱৈৰ পৰিচয় দাঙি ধৰিছিল সেই কথা আজিও ক্ৰিকেট অনুৰাগীৰ মনত সজীৱ হৈ আছে। একেদৰে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীয়েও যি আদৰ্শ দেখুৱালে সেয়াই বহু লোকক ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে কাম কৰাৰ ক্ষেত্ৰত আৰু এখোপ উদগনি দিয়া কৰ্তব্যৰ প্ৰতি অৱহেলা কৰা লোকসকলকো এশিকনি নিশ্চয় দিব। তদুপৰি ব্যক্তিস্বাৰ্থক আগস্থান দিয়া আৰু ঘৰুৱা সমস্যাক লৈ যিসকল কৰ্মচাৰীয়ে সদায় পলায়নবাদী মানসিকতা গ্ৰহণ কৰি আহিছে তেওঁলোকৰ বাবে এতিয়া ক'ভিড-১৯ৰ যুঁজত পলায়ন কৰাৰ সুৰুঙা নোলাব। যেতিয়া কোনো এগৰাকী ব্যক্তিয়ে সমাজ-ৰাজ্য-দেশ এখনক নেতৃত্ব দিয়ে তেতিয়া তেওঁৰ বাবে জনসাধাৰণেই হ'ল সকলো। কাৰোবাৰ বিপদ-আপদ, আনন্দ-উৎসৱত তেওঁ সমানেই সমভাগী হ'ব লাগিব। তদুপৰি এওঁ সমাজৰ ঊৰ্ধ্বত নাথাকি আন দহগৰাকী লোকৰ দৰে জীৱন যাপন কৰিলে সকলোৱে সেই বিষয়টো গ্ৰহণ কৰে। জনপ্ৰতিনিধি হ'লেও তেওঁ আইনৰ ঊৰ্ধ্বত নহয়। এগৰাকী সাধাৰণ লোকৰ বাবে যিখন আইন প্ৰযোজ্য দেশ বা ৰাজ্যৰ মুৰব্বীৰ বাবেও একেই ধৰণৰ আইন প্ৰয়োগ কৰা হয়। দেশৰ জনগণে বিপদৰ সময়ত যিবোৰ নীতি-নিয়ম মানিব লাগিব— জনপ্ৰতিনিধিয়েও সেয়াই আখৰে আখৰে পালন কৰিব লাগিব। জনপ্ৰতিনিধিয়ে যদি চৰকাৰে বান্ধি দিয়া নীতি-নিয়ম পালন কৰে তেনেহ'লে সাধাৰণ ৰাইজেও তাকেই মানিবলৈ বাধ্য। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী আদিত্যনাথেও সেই কথাকে প্ৰমাণ কৰিলে পিতৃৰ অন্ত্যেষ্টিক্ৰিয়াত অংশগ্ৰহণৰপৰা বিৰত থাকি।

# ক'ৰোনাৰ বিৰুদ্ধে যুঁজৰ সমান্তৰালকৈ হ'ব লাগিব কৃষিখণ্ডৰ উন্নয়ন

ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে সমগ্ৰ দেশত চলা তলাবন্ধৰ ফলত প্ৰায়ভাগ কাম-কাজ স্তব্ধ হৈ পৰিছে। কল-কাৰখানাৰপৰা আৰম্ভ কৰি কৃষিভূমিলৈকে সকলোতে কেৱল নীৰৱতা। কোনোবা এজন-দুজন লোক যদি অকলে অকলে খেতিপথাৰত ব্যস্ত হৈ আছে— সেয়া খেতি কৰা বা ফচল উৎপাদনৰ বাবে যথেষ্ট নহয়। কোম্পানী, কল-কাৰখানা, দোকান-পোহাৰ, ৰেস্তোৰাঁ, হোটেল আদি সকলো বন্ধ হৈ পৰাত এতিয়া সকলোৰে চিন্তা অনাগত ভৱিষ্যতক লৈ। ভৱিষ্যতে কি কৰিব? বহুতে আকৌ তলাবন্ধৰ সময়ছোৱা ইতিবাচক দৃষ্টিভংগীৰে বিশ্লেষণ কৰাতকৈ নেতিবাচক মনোভাবেৰে প্ৰত্যক্ষ কৰিছে। বেছিকৈ নেতিবাচক মনোভাব গ্ৰহণ কৰাৰ বাবে ভৱিষ্যতৰ সপোনবোৰো নিঃশেষ হোৱা বুলি ভবাৰ ফলত হ'ব লগা কামবোৰো নকৰা হৈছে।

তলাবন্ধ মানে ঘৰৰ কাম-কাজো স্তব্ধ কৰিবলৈ কোৱা নাই। ঘৰৰ বাৰীৰ চাৰিওফালে শাক-পাচলি, ফল-মূলৰ খেতি কৰিব পাৰে। এমাহ বা দুমাহমান সকলো কাম-কাজ বন্ধ হ'লেও ইয়াৰ পাছতো যে মুকলি নহ'ব তেনে নহয়।

অসম এখন কৃষিপ্ৰধান ৰাজ্য। প্ৰায়সংখ্যক লোক আজিও প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে কৃষিকৰ্মৰে জড়িত হৈ আছে। কৃষিভূমিত উৎপন্ন হোৱা ফচলবোৰ বিক্ৰীৰ বাবে এখন উপযুক্ত বজাৰৰ প্ৰয়োজন। পিছে তলাবন্ধৰ ফলত বজাৰ নাইকিয়া হোৱাৰ বাবে কৃষকসকলে সমস্যাৰ সন্মুখীন হৈছে। যিসকল কৃষকে ঋণ লৈ খেতি কৰিছিল— তেওঁলোকে উৎপাদিত ফচল বজাৰত বিক্ৰী কৰিব নোৱাৰা বাবে হতাশ হৈছে। আনকি কেঁচা সোণৰ উদ্যোগৰ প্ৰতি ভাবুকি আহিছে। যিসময়ত এইবোৰ বিক্ৰীৰ বাবে উপযুক্ত সময় বুলি বিবেচনা কৰা হয়— সেই সময়ত তলাবন্ধ হোৱাৰ বাবে সকলোৰে হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। হোৱাতো স্বাভাৱিক কথা।

এয়া কেৱল অসমৰে সমস্যা হৈ থকা নাই। সমগ্ৰ বিশ্বৰে জটিল সমস্যা হিচাপে থিয় দিছে। গতিকে সকলোৰে অৰ্থনৈতিক বৃদ্ধিৰ হাৰ হ্ৰাস পোৱাটো স্বাভাৱিক কথা। সেই দৃষ্টিকোণৰপৰা বিশ্লেষণ কৰিলে এটা কথা ক'ব লাগিব যে ভৱিষ্যতৰ অৰ্থনীতিৰ গতি বৃদ্ধি কৰিবলৈ হ'লে সকলোৱে সহযোগিতাৰে কাম কৰিব লাগিব। অৰ্থনীতি যাতে সম্পূৰ্ণৰূপে ভাগি নপৰে তাৰ বাবে প্ৰয়োজন হ'ব নতুন কৌশল তথা পদ্ধতিৰ। সদায় তলাবন্ধ হৈ নাথাকে। ক'ৰোনা মহামাৰীৰ গণসংক্ৰমণৰ শৃংখল ভংগৰ বাবেহে এই তলাবন্ধ দিয়া হৈছে। দেখাত ক'ৰোনাত আক্ৰান্তৰ সংখ্যা হ্ৰাস পোৱাৰ লগে লগে পৰ্যায়ক্ৰমে সকলোবোৰ কাম-কাজেই আৰম্ভ হ'ব। এসময়ত সকলো স্বাভাৱিক হৈ পৰিব। গতিকে পৰৱৰ্তী পৰ্যায়ত কেনেদৰে আগ বাঢ়িব লাগিব— তাৰ বাবে সকলোৱে চিন্তা-চৰ্চা কৰাৰ সময় আহি পৰিছে। নতুন চিন্তা-চৰ্চাৰে আগ বাঢ়ি নগ'লে খেতিয়কসকলো দুৰ্দশাৰ সন্মুখীন হৈয়েই থাকিব লাগিব।

চৰকাৰে কৃষিখণ্ডৰ ওপৰত সমানে গুৰুত্ব প্ৰদান কৰি কৃষকসকলক উৎসাহিত কৰিবই লাগিব। এটা কথা ঠিক যে কোনো এখন ৰাজ্য বা ৰাষ্ট্ৰ ঔদ্যোগিক ক্ষেত্ৰত যিমানেই উন্নত নহওক কিয়— যদিহে সেই ৰাজ্য বা ৰাষ্ট্ৰখনে ঔদ্যোগিক ক্ষেত্ৰৰ সমান্তৰালভাৱে কৃষিখণ্ডত আগ বঢ়া নহয়—

তেতিয়াহ'লে সময়ে সময়ে ইয়াৰ অৰ্থনৈতিক ভেটি খহি পৰাৰ আশংকা থাকে। অষ্ট্ৰেলিয়া, ইংলেণ্ড, আমেৰিকা, ইটালি, ফ্ৰান্স, চীন আদি দেশে ঔদ্যোগিক ক্ষেত্ৰৰ সমান্তৰালভাৱে কৃষিখণ্ডত গুৰুত্ব দিয়াৰ বাবে কেতিয়াবা যদি এটা খণ্ডত কোনো কাৰণত প্ৰভাৱ পৰি গতি নিম্নগামী হয় তেতিয়া আনটো খণ্ডই সেয়া আগুৰাই নিব পাৰে। এনে হ'লে যিকোনো পৰিস্থিতিতে দেশৰ অৰ্থনীতি ভাগি পৰাৰ আশংকা নাথাকে।

আজি সমগ্ৰ বিশ্বই ভাৰতে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰশংসা কৰিছে। দেশৰ এনে বিপৰ্যয়ৰ সময়ত অৰ্থনৈতিক গতি হ্ৰাস পালেও অতি সহজে ধ্বংস নহয় বুলি ইতিমধ্যে অৰ্থনীতিবিদসকলে মতপোষণ কৰিছে। সেই দৃষ্টিকোণৰপৰা অসমতো যাতে উন্নয়নৰ গতি স্বাভাৱিক কৰি ৰাখিবলৈ কৃষিখণ্ডৰ ওপৰত গুৰুত্ব প্ৰদান কৰে তাৰ ওপৰত দৃষ্টি ৰাখি চৰকাৰে নতুন নতুন পৰিকল্পনা গ্ৰহণ কৰা উচিত। কাৰণ ক'ৰোনাৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে চলা তলাবন্ধই বহুতৰে কামৰ স্পৃহা হ্ৰাস কৰিছে। এইসকল কৃষকে যাতে দুগুণ উৎসাহেৰে পৰৱৰ্তী সময়ত কাম-কাজত আত্মনিয়োগ কৰিব পাৰে তাৰ বাবে উপযুক্ত দীৰ্ঘম্যাদী পৰিকল্পনাৰ প্ৰয়োজন। সাধাৰণতে যিবোৰ ৰাজ্য বা দেশে কৃষিখণ্ডৰ উন্নয়নৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰে— সেইবোৰ ৰাজ্য বা ৰাষ্ট্ৰই ইয়াৰ পৰা সুফলো লাভ কৰিবলৈ সক্ষম হয়। ৰাজ্য হিচাপে ভাৰতৰ পাঞ্জাব আৰু দেশ হিচাপে অষ্ট্ৰেলিয়াৰ কথাকে উনুকিয়াব পাৰো। ক'ৰোনাৰ বিৰুদ্ধে যুঁজ দিয়াৰ সমান্তৰালভাৱে কৃষিকাৰ্যত কৃষকসকল নিয়োজিত হৈ থাকিলেহে সমস্যাৰ সৃষ্টি নহ'ব। চৰকাৰে কৃষকৰ উৎপাদিত ফচল বিক্ৰী আৰু সংৰক্ষণৰ বাবে এখন উপযুক্ত বজাৰ সৃষ্টি কৰিব লাগিব। যেতিয়া বিক্ৰী আৰু সংৰক্ষণৰ বাবে চৰকাৰে ব্যৱস্থা ল'ব তেতিয়া কৃষকসকলো নিশ্চয় উপকৃত হ'ব। শাক-পাচলি তথা আন উৎপাদিত সামগ্ৰী বিক্ৰী কৰি লাভান্বিত হৈ পৰিয়ালক পোহপাল দিব। ক'ৰোনা যুঁজৰ সমান্তৰালভাৱে দেশৰ অৰ্থনীতিয়েও সমানেই গতি কৰিব। উপকৃত হ'ব দেশবাসী। স্তব্ধ নহ'ব দেশৰ অৰ্থনৈতিক উন্নয়নৰ গতি।

# ঘৰমুখী যুৱক-যুৱতীসকলৰ সংস্থাপনেৰে সমৃদ্ধি কৰক অসম

অসম এখন প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ ৰাজ্য। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই অসম তথা উত্তৰ-পূৰ্বৰ শোভা বৰ্ধন কৰিছে। জনসংখ্যাৰ দিশৰপৰাও কম নহয়। ভূখণ্ডও কম বুলি ক'ব নোৱাৰি। ইংলেণ্ড, ছিংগাপুৰ আদি দেশৰ সমান অসমৰ ভূখণ্ড। সকলোবোৰ থকাৰ পাছতো অসমত নিবনুৱাৰ সংখ্যা দিনক দিনে অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। লাখ লাখ শিক্ষিত নিবনুৱা কামৰ সন্ধানত আছে। অসমত কৰ্মসংস্থাপনৰ আশা নেদেখি বহিঃৰাজ্য আৰু দেশৰ বাহিৰলৈ হেজাৰ হেজাৰ নিবনুৱা কামৰ সন্ধানৰ বাবে গৈছে। তেনেবোৰ ঠাইত কিছুমান যুৱক-যুৱতীয়ে উপযুক্ত বা মনে বিচৰা কাম পাইছে যদিও আন কিছুমানে আকৌ দিন হাজিৰা কৰিয়েই জীৱন নিৰ্বাহ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। এই ভয়াৱহ ছবিখন ক'ৰোনা

ভাইৰাছৰ সংক্ৰমণৰ বাবে দেশজুৰি চলি থকা তলাবন্ধৰ সময়ছোৱাত স্পষ্ট হৈ পৰিছে।

ক'ভিড- ১৯ৰ সংক্ৰমণৰপৰা ৰক্ষা পাবলৈ যেতিয়া বহিঃৰাজ্য আৰু বহিঃৰাষ্ট্ৰৰপৰা অসমলৈ হাজাৰ হাজাৰ যুৱক-যুৱতী উভতি আহিছে তেতিয়াই প্ৰকট হৈ উঠিছে ৰাজ্যৰ বাহিৰলৈ কামৰ সন্ধানত যোৱা লোকৰ সংখ্যা। বহুতো যুৱক-যুৱতী ইতিমধ্যে উভতি আহিছে আৰু কিছুমানে আহিবলৈ চেষ্টা অব্যাহত ৰাখিছে। গতিকে এইসকলৰ সময় আহি পৰিছে। এই মানৱ সম্পদসমূহে যাতে নিজ ৰাজ্যখনতে আত্মনিৰ্ভৰশীল হৈ ৰাজ্যৰ লগতে দেশৰ অৰ্থনীতিলৈ অৱদান আগ বঢ়াব পাৰে তাৰ বাবে উপযুক্ত আঁচনি প্ৰস্তুত কৰাৰ এয়াই সোণোৱালী সুযোগ।

প্ৰতিখন ৰাজ্য বা দেশৰ সৰ্বাংগীণ উন্নয়ন তেতিয়াহে সম্ভৱ হয়— যেতিয়া মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰ কৰে। প্ৰাকৃতিক সম্পদত চহকী হ'লেও যদিহে মানৱ সম্পদ ব্যৱহাৰ উপযুক্তভাৱে নহয় তেনেহ'লে প্ৰগতিৰ গতি হৈ পৰে মন্থৰ। অসমৰ মানৱ সম্পদ— বিশেষকৈ বহিঃৰাজ্য বা দেশৰ বাহিৰত কাম কৰি থকা যুৱক-যুৱতীসকলক কৰ্মসংস্থাপন দিয়াৰ বাবে চৰকাৰে এতিয়া পৰিকল্পনা গ্ৰহণ কৰা উচিত। কৰ্মসংস্থাপন মানে কেৱল চৰকাৰী চাকৰিৰ কথা কোৱা হোৱা নাই। খেতি-বাতিৰ লগতে আন ক্ষেত্ৰতো সুযোগ সৃষ্টি কৰিব পাৰে। বহিঃৰাজ্যত ৮০০০-৯০০০ টকাত কাম কৰি থকাতকৈ নিজ ৰাজ্যতে ঘৰত থাকি বিভিন্ন কামৰ জৰিয়তে বছৰি লাখ লাখ টকা উপাৰ্জনৰ পথ আছে। মাথোঁ এই পথসমূহ চৰকাৰে মুকলি কৰি দিব লাগিব।

মৎস্য পালনৰপৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ কৃষিকৰ্ম, ব্ৰইলাৰ ফাৰ্ম, কল খেতি, শাক-পাচলিৰ খেতি, ষ্ট্ৰবেৰিৰ খেতি, তৰমুজৰ খেতি, গাহৰি ফাৰ্ম, জাৰ্ছী গৰু পালন, কুটীৰ শিল্প আদিত নিয়োজিত হ'ব পৰাৰ আঁচনি গ্ৰহণ কৰিব লাগিব। চৰকাৰে উপযুক্ত পৰিকল্পনা আৰু আঁচনি ৰূপায়ণৰ জৰিয়তে ৰাজ্যখনলৈ ঘূৰি অহা যুৱক-যুৱতীসকলক উৎসাহিত কৰিলে নিশ্চয় এনে এখন ক্ষেত্ৰৰ সৃষ্টি হ'ব— য'ত অসমখন স্বাৱলম্বী ৰাজ্য হিচাপে সোণোৱালী আখৰেৰে জিলিকি উঠিব। অৰ্থনৈতিক দিশত নিজৰ লগতে আনকো সবল কৰি তুলিব পাৰিব।

ক’ৰোনাৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশজুৰি চলি থকা তলাবন্ধৰ ফলত কৃষকসকল আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। কাৰণ খেতিপথাৰত উৎপাদিত শাক-পাচলি, ফল-মূল আদি বিক্ৰী কৰাৰ উপযুক্ত সময়তে তলাবন্ধ চলাত এইবোৰ বিক্ৰীৰ সুযোগ নাপালে। যদিহে ৰাজ্যৰ বিভিন্ন ঠাইত অত্যাধুনিক শীতলীকৃত ভঁৰাল থাকিলেহেঁতেন— তেতিয়াহ’লে এইবোৰ এতিয়া কৃষি বিভাগে ক্ৰয় কৰি ভৱিষ্যতৰ বাবে সাঁচি থৈ অথবা প্ৰয়োজনত আন ৰাজ্যলৈ ৰপ্তানি কৰিব পাৰিলেহেঁতেন। প্ৰাকৃতিক দুৰ্যোগ অথবা এনেধৰণৰ বিপৰ্যয়ৰ সময়তো কৃষকসকল মানসিকভাৱে ভাগি নপৰি দুগুণ উৎসাহেৰে কৃষিকৰ্মত নিয়োজিত হ’লহেঁতেন। উৎপাদন বেছি হ’লে সেইবোৰ বহিঃৰাজ্যই নহয়— ওচৰ-চুবুৰীয়া দেশলৈকো ৰপ্তানি কৰি প্ৰচুৰ ধন উপাৰ্জন কৰাৰ সুযোগ পালেহেঁতেন চৰকাৰে। আনহাতে, কুটীৰ শিল্পৰ লগত জড়িত লোকসকলে তলাবন্ধত বিক্ৰী কৰিব নোৱাৰিলেও পৰৱৰ্তী সময়ত যাতে সেইবোৰ বজাৰত মুকলি কৰি দিব পাৰে— তাৰ বাবেও সুপৰিকল্পনাৰ প্ৰয়োজন। যদিহে উপযুক্ত আঁচনিৰ জৰিয়তে নিবনুৱা যুৱক-যুৱতীসকলে নিজৰ ঘৰত থাকিয়েই কৰ্মসংস্থাপনৰ জৰিয়তে আত্মনিৰ্ভৰশীল হোৱাৰ সুযোগ লাভ কৰে তেনেহ’লে নিশ্চয় পুনৰ বহিঃৰাজ্যলৈ কামৰ সন্ধানত ওলাই নাযাব। তদুপৰি যিসকলে ন্যূনতম মজুৰিৰে কাম কৰি আছে তেওঁলোকেও নিজ ৰাজ্যত থাকিয়েই আত্মনিৰ্ভৰশীল হোৱাৰ সুযোগ পাব। ভৱিষ্যতে এইসকলে আত্মসংস্থাপন তথা আত্মনিৰ্ভৰশীল হোৱাৰ বাবে এখন উপযুক্ত আঁচনি আৰু পৰিকল্পনা ৰচনাত চৰকাৰে সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিব লাগিব।

# আবদ্ধক ঘৰলৈ আনি চৰকাৰে গ্ৰহণ কৰিলে ইতিবাচক পদক্ষেপ

এমাহতকৈ বেছিদিন বিভিন্ন ঠাইত আবদ্ধ হৈ থকা লোকসকলে নিজৰ ঘৰখনলৈ আহিবলৈ উদ্‌বাউল হৈ থকাৰ সময়তে চৰকাৰে বিশেষ ব্যৱস্থাৰে লোকসকলক এই সুযোগ দিয়াত বহুতে স্বস্তিৰ নিশ্বাস পেলাইছে। বহিঃৰাজ্যত আবদ্ধ হৈ থকা ছাত্ৰ-ছাত্ৰীসকলক ৰাজ্যলৈ অনাৰো ব্যৱস্থা কৰিলে চৰকাৰে। ফলত দুশ্চিন্তামুক্ত হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ পিতৃ-মাতৃ আৰু পৰিয়ালৰ লোকসকল। সন্তান বাহিৰত থাকিলে পিতৃ-মাতৃ তথা আত্মীয়ক বিভিন্ন চিন্তাই আগুৰি ধৰে। তাতে আকৌ চৌদিশে ক'ৰোনা ভাইৰাছৰ সংক্ৰমণৰ ত্ৰাস। কে'বাখনো ৰাজ্যত এইবিধ ভাইৰাছৰ গণসংক্ৰমণ ভয়াৱহ হোৱাৰ সময়ত অৱশ্যে অসমত এই ছবিখন এতিয়াও তেনে হোৱা নাই। কে'বাজনো আক্ৰান্ত হৈছে যদিও ইতিমধ্যে প্ৰায়কেইজনেই সুস্থ হৈ ঘৰলৈ উভতিছে। মাত্ৰ এজন লোকৰ মৃত্যু ঘটিছে। অসমত ক'ভিড- ১৯

ভয়াৱহ হৈ নুঠাৰ বাবে মানুহেও চৰকাৰ তথা স্বাস্থ্য বিভাগৰ প্ৰতি আস্থা থকাৰ কথা প্ৰকট কৰিছে। চৰকাৰ তথা স্বাস্থ্য বিভাগে বিগত সময়ছোৱাত এই ভাইৰাছবিধৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিছে তাকে লৈ অসমবাসীয়ে গৰ্বও অনুভৱ নকৰাকৈ থকা নাই। এই বিপদৰ সময়ত ঘৰৰ প্ৰতিজন সদস্য একেলগে থকাটো সকলোৱে বিচাৰে। কিছুমানে বাধ্যত পৰি বা কৰ্মসূত্ৰে বাহিৰত থাকিলেও এই সময়ত দুয়োফালে চিন্তা হৈ থাকে।

আতংকময় পৰিৱেশৰ মাজত কাম কৰিলে স্বাভাৱিকতে কিছুমান দুশ্চিন্তাই আগুৰি ধৰে। এই দুশ্চিন্তাবোৰে জুমুৰি ধৰিলে এসময়ত বিভিন্ন সমস্যাই গা কৰি উঠে। ইপিনে দেশজুৰি চলি থকা তলাবন্ধৰ বাবে বহিঃৰাজ্যত অধ্যয়নৰত শিক্ষাৰ্থীসকল ঘৰলৈ উভতি আহিব পৰা নাই। আহিবলৈ মন যদিও চৰকাৰী নীতি-নিৰ্দেশনা মানিবই লাগিব। অৱশ্যে অসমৰ পৰিস্থিতি লাহে লাহে নিয়ন্ত্ৰণলৈ অহাত চৰকাৰে পৰ্যায়ক্ৰমে বহিঃৰাজ্যত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী তথা ৰাজ্যৰ ভিতৰত এখন জিলাৰপৰা আন এখন জিলালৈ যাবলৈ অনুমতি দিয়াত এতিয়া বহুতে স্বস্তিৰ নিশ্বাস পেলাইছে। ঘৰৰ বাহিৰত ক'ৰবাত তলাবন্ধত আবদ্ধ হৈ থকাটো কিমান ভয়াৱহ সেয়া ভুক্তভোগীৰ বাহিৰে আনে বুজি নাপাব। চৰকাৰে এই লোকসকলৰ সমস্যা অনুধাৱন কৰিয়েই পৰিবহণ নিগমৰ বাছৰ জৰিয়তে নিজ নিজ গন্তব্যস্থানলৈ প্ৰেৰণ কৰিলে। এনে এক জটিল সন্ধিক্ষণত চৰকাৰৰ এইটো ইতিবাচক পদক্ষেপ বুলিয়েই ক'ব লাগিব। এই সময়ত স্বাস্থ্য বিভাগ, পৰিবহণ বিভাগ, খাদ্য যোগান, কৃষি বিভাগ আদিয়েই জনসাধাৰণক যথেষ্ট সহায় কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেও ৰাজ্যৰ ইমূৰৰপৰা সিমূৰলৈ সজাগতা সৃষ্টি তথা পদক্ষেপ গ্ৰহণৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। এই সময়ত জনসাধাৰণেও চৰকাৰক সহায়-সহযোগিতা আগ বঢ়োৱা উচিত। কাৰণ বিপদৰ সময়ত হাতে হাত ধৰি আগ বাঢ়ি নগ'লে সকলোৱেই বিপদত পৰিব।

# ক'ৰোনাৰ গণসংক্ৰমণ ৰোধৰ সমান্তৰাললৈ কামতো আগ বাঢ়ক

বহুতৰে মনত এনে এটি ধাৰণাই গা কৰি উঠিছে যে তলাবন্ধ প্ৰত্যাহাৰৰ পাছত মুক্তমনে বিচৰণ কৰিব পাৰিব। পিছে তলাবন্ধ শিথিল বা প্ৰত্যাহাৰ কৰা মানেই যে সকলোৱে মুক্তমনে মুকলিভাৱে সকলো কাম কৰিব পাৰিব তেনে নহয়। কাৰণ ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ আজিয়েই শেষ হোৱা নাই আৰু তলাবন্ধৰ পাছতো যে শেষ হ'ব সেয়া কোনেও নিশ্চয়কৈ ক'ব নোৱাৰে। এইবিধ ভাইৰাছৰ গণসংক্ৰমণৰ কেতিয়া অন্ত পৰিব সেয়া জানিবলৈও উপায় নাই। দীঘলীয়া তলাবন্ধৰ ফলত সকলোৰে কামৰ গতি স্তব্ধ হৈছে। আৰ্থিক অৱস্থা বিধ্বস্ত হ'বলৈ ধৰিছে, কেৱল ভাৰত বা অসমতেই হোৱা নাই, সমগ্ৰ বিশ্বৰে ছবি একেই। পিছে আমি যদি সদায় এনেদৰে থাকো তেনেহ'লে এসময়ত জীয়াই থকাটো প্ৰত্যাহ্বান হৈ পৰিব।

বেছিসংখ্যক লোকে ক'ৰোনা মহামাৰীত নমৰি দুৰ্ভিক্ষৰ চিকাৰ হৈহে এই পৃথিৱীৰপৰা বিদায় ল'ব লাগিব। এনেকৈ থাকিলেও নহ'ব। আমি এতিয়া ক'ৰোনাৰ বিৰুদ্ধে যুঁজ দিয়াৰ সমান্তৰালভাৱে কামো কৰিব লাগিব। সমগ্ৰ বিশ্বই যেতিয়া ক'ৰোনা মহামাৰীৰ বিৰুদ্ধে যুঁজ দিয়াৰ লগতে নিজৰ নিজৰ কামসমূহো সম্পাদন কৰি আছে সেই সময়ত আমিও একেটা পথকেই অনুসৰণ কৰিব লাগিব। ইতিমধ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে সকলোৱে নিজৰ কৰ্মপদ্ধতি বা ধৰণ সলনি কৰিব লাগিব। অধিক জনসমাগম হোৱা ঠাইসমূহত সম্পাদন কৰিবলগীয়া কামসমূহো প্ৰয়োজনত ঘৰৰপৰাই কৰিব লাগিব। কাৰণ ক'ৰোনা ভাইৰাছৰ গণসংক্ৰমণলৈ ভয় কৰি যদি আমি কাম নকৰাকৈ বহি থাকো— তেনেহ'লে কেইমাহমানৰ পিছত সকলোৰে অৱস্থা পানীত হাঁহ নচৰাৰ দৰেই হ'ব। ক'ভিড- ১৯ৰ বিৰুদ্ধে যুঁজ দিবলৈ যিসকলে দিনে-নিশাই কাম কৰি আছে তেওঁলোকক আমি প্ৰতিটো ক্ষণতে পূৰ্ণ সহায়-সহযোগিতা আগ বঢ়াব লাগিব। কাৰণ ইয়াৰ বিকল্প নাই। এই যুঁজখন দীঘলীয়া হ'ব। দীঘলীয়া যুঁজৰ বাবে ধৈৰ্য আৰু অৰ্থৰ সমানেই প্ৰয়োজন। কোনোৱে অকলশৰে ক'ৰোনাবিৰোধী যুঁজখনত জয়ী হোৱাতো সম্ভৱ নহয়।

সময়ে কাৰোৰে বাবে অপেক্ষা নকৰে। গতিকে সময়ে মানুহক যি পথেৰে খোজ দিবলৈ শিকায়, সেই পথেৰেই সকলোৱে আগুৱাই যাব লাগিব। কাৰণ সময়ৰ আহ্বানৰ বিপৰীতে খোজ দি আজিলৈকে কোনো লোকেই উন্নতি বা সাফল্যৰ জখলা বগাব পৰা নাই। ক'ভিড- ১৯ৰ বাবে সময়ে প্ৰতিগৰাকী ব্যক্তিকে নিজৰ কৰ্মপদ্ধতি সলনি কৰিবলৈ বাধ্য কৰিছে। আনন্দ-উৎসৱ আদিৰ পৰিৱৰ্তে এতিয়া সকলোৱে নতুন কৌশলেৰে কাম কৰাৰ সময় আহি পৰিছে। সময়ৰ স'তে সলনি হ'বলৈ আজি সকলোৱেই বাধ্য। তদুপৰি এনে এক জটিল সন্ধিক্ষণত সকলোৱে সহযোগিতাৰে কাম কৰিবই লাগিব।

সময়ৰ আহ্বান। এতিয়া সময় হৈছে সকলোৱে সামাজিক দূৰত্ব বৰ্তাই ৰাখি কাম কৰা উচিত। কাম নাথাকিলে ঘৰৰ বাহিৰলৈ ওলাই যোৱাটো এতিয়া নিজেই বাৰণ কৰিব লাগিব। আনন্দত মতলীয়া হৈ ৰঙীন জীৱন যাপন কৰাৰ মানসিকতাও এৰিব লাগিব। এজনৰপৰা আন এজনে সামাজিক

দূৰত্ব বজাই ৰাখি কাম কৰিব লাগিব। জাপানত তলাবন্ধ নিদিয়াকৈয়ে সকলোৱে সামাজিক দূৰত্ব বৰ্তাই ৰাখি কাম সম্পাদন কৰি আছে। ভাৰতত এনে এখন ছবি কোনোৱে কল্পনা কৰিব নোৱাৰে। কাৰণ তলাবন্ধৰ দৰে কঠোৰ নিয়ম-নিৰ্দেশনা বলৱৎ হোৱাৰ সময়তে একাংশ লোকে খাই-বৈ ঘূৰি ফুৰি সময় অতিবাহিত কৰাটোৱেই জীৱন। পিছে এইখন সমাজত আমাৰো যে জীয়াই থকাৰ অধিকাৰ আছে সেই বিষয়ে কোনোৱে ভাবি নাচায়। কাৰোবাৰ বেমাৰে আন কাৰোবাৰ ৰোগ সৃষ্টি যে কৰিব পাৰে সেই কথা যেতিয়ালৈকে সকলোৱে উপলব্ধি নকৰে তেতিয়ালৈকে বিপদ ঘণীভূত হৈয়েই থাকিব। ক'ভিড- ১৯ৰ দৰে ভয়াৱহ ভাইৰাছৰ সংক্ৰমণো প্ৰতিৰোধ কৰাটো তেতিয়ালৈ সম্ভৱ নহ'ব— যেতিয়ালৈকে প্ৰতিগৰাকী ব্যক্তিয়ে উপলব্ধি নকৰে যে এজনৰ সংক্ৰমণে আনৰ বাবে মৃত্যু কঢ়িয়াই আনিব পাৰে।

সকলোৱে বুজক। দূৰৈত থাকিও আপোন হ'ব পাৰে। আপোন জয়ৰ বাবে একেবাৰে ওচৰতে থাকিব লাগিব তেনে কোনো কথা নাই। আপোন ভাব দেখুৱাবলৈ এজনে আনজনৰ ওচৰ চাপি অহাতকৈ দূৰতে থাকি সুৰক্ষিত হৈ মৰম-ভালপোৱাবোৰ বিলাই থাকক। সকলোৱে মনত ৰখা উচিত— জীৱন থাকিলেহে মৰম-ভালপোৱা থাকিব। জীৱন থাকিলেহে ঐশ্বৰ্য-বিভূতিৰ গৰাকী হ'ব পাৰিব। দেশৰ নাগৰিকসকল জীয়াই থাকিলে অৰ্থনৈতিক অৱস্থা পৰৱৰ্তী সময়ত নিশ্চয় সুস্থিৰ হ'ব।

# ভ্ৰাম্যমাণৰ কলাকুশলীৰ কথাও চিন্তা কৰক

ক'ৰোনা ভাইৰাছৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশজুৰি চলি থকা তলাবন্ধ আৰু চৰকাৰী নীতি-নিৰ্দেশনা আদিৰ বাবে বিভিন্ন ক্ষেত্ৰত আহি পৰিছে স্থবিৰতা। এই স্থবিৰতা আৰু কঠোৰ নীতি-নিৰ্দেশনাৰ মাজেৰে আগ বাঢ়ি যোৱাত সকলোৱে সমস্যাৰ সন্মুখীন হৈছে। হোৱাটোও স্বাভাৱিক কথা। চৰকাৰেও জনসাধাৰণৰ জীৱন ৰক্ষাৰ বাবে এনেধৰণৰ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলেও সকলোৱে আজি প্ৰতিটো ক্ষেত্ৰতে নিৰাপত্তাহীনতাত ভুগিছে। বিশেষকৈ যিসকল লোকে সাংস্কৃতিক জগতখনৰ সৈতে জড়িত হৈ পৰিয়ালক পোহপাল দি আছে তেওঁলোক শংকিত হৈছে। সাধাৰণতে সাংস্কৃতিক জগতখনৰ কথা উল্লেখ কৰিলে গায়ক-গায়িকা, অভিনেতা-অভিনেত্ৰী, সংগীত পৰিচালক, নাট পৰিচালক,

প্ৰযোজক আদিৰ ছবিখন মনলৈ আহে। পিছে এইসকল লোকৰ সাফল্য বা এই লোকসকলৰ সৃষ্টিৰ আঁৰত যিবোৰ ব্যক্তি জড়িত হৈ আছে তেওঁলোকৰ কথা কোনোবাই এবাৰ ভাবি চাইছেনে? এনেধৰণৰ হেজাৰ-বিজাৰ লোকৰ জীৱনলৈ নামি আহিছে অমানিশা। কাৰণ এইসকল ব্যক্তিয়ে দিনৰ দিনটো কাম কৰে যদিও খুব এটা আশাব্যঞ্জক মজুৰি নাপায়। 'দীন ভিক্ষা প্ৰাণ ৰক্ষা'ৰ দৰে এওঁলোকৰ জীৱন যাত্ৰাৰ গতি। ক'ৰবাত কেনেবাকৈ এই গতিত বাধা জন্মিলে পৰিয়ালক পোহপাল দিয়াটো অসম্ভৱ হৈ পৰে। আনকি ল'ৰা-ছোৱালীক স্কুললৈ পঠিয়াব নোৱাৰা অৱস্থা এটিৰো সৃষ্টি হয়। নিজৰ লগতে পৰিয়ালৰ উন্নত চিকিৎসাৰ ক্ষেত্ৰতো অৰ্থৰ বাবেই বাধাৰ সন্মুখীন হ'ব লাগে

অসমৰ এটি উল্লেখযোগ্য কৰ্মসংস্থাপনৰ উৎস হ'ল ভ্ৰাম্যমাণ থিয়েটাৰ। বছৰটোৰ আঠ-ন মাহ ৰাজ্যখনৰ বিভিন্ন ঠাইত বহুতো ভ্ৰাম্যমাণ থিয়েটাৰৰ লগতে যাত্ৰাপাৰ্টী, নাট্যদল আদিয়ে নাট প্ৰদৰ্শন কৰে। ভ্ৰাম্যমাণ থিয়েটাৰক বাদ দি অসমৰ সাংস্কৃতিক জগতখনৰ ছবিখন অংকন কৰাটো অসম্ভৱ। সৰু-বৰ বহুতো ভ্ৰাম্যমাণ থিয়েটাৰে অসমৰ ইমূৰৰপৰা সিমূৰলৈ আগষ্ট মাহৰপৰা মাৰ্চ মাহৰ শেষলৈকে নাট প্ৰদৰ্শন কৰে। ভ্ৰাম্যমাণ থিয়েটাৰ এখনত যদিও অভিনেতা-অভিনেত্ৰীসকলক লৈ সকলোৱে চৰ্চা কৰে, তথাপি এটা নাট্যদলে সাফল্য লাভৰ ক্ষেত্ৰত আঁৰত থাকে বহুতো কৰ্মী, নাট্যকৰ্মী, কলাকুশলী আদিৰ অশেষ কষ্ট। এই কষ্টবোৰ পিছে কোনোৱে দেখা নাপায়। এইবোৰক লৈ চৰ্চা নহয়। কাৰণ এওঁলোকৰ নাই গ্লেমাৰ।

নাট্যদল এটাত খুঁটা পোতা শ্ৰমিকজনৰপৰা আৰম্ভ কৰি কাপোৰ চিলোৱা দৰ্জীজনলৈকে সকলো ক্ষেত্ৰৰ কৰ্মী থাকে। এই লোকসকলে কোনোমতে পেটে-ভাতে চলি আছে। এওঁলোকৰ নাথাকে সঞ্চয়। নাথাকে মানে সঞ্চয় কৰিবলৈ ধনো ৰাহি নহয়। ক'ৰোনা ভাইৰাছৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰে দিয়া তলাবন্ধৰ ফলত এইসকল লোকৰ অৱস্থা কেনে হৈছে সেয়া কোনোবাই ভাবিছেনে? ভৱিষ্যতে যদি ভ্ৰাম্যমাণ থিয়েটাৰ এখনে জীয়াই থাকিব বিচাৰে তেনেহ'লে এইসকল কলাকুশলী, কৰ্মীৰ প্ৰয়োজন হ'বই। গতিকে এওঁলোকক জীয়াই ৰাখিবলৈ হ'লে এটা বা দুটা খাদ্য সামগ্ৰীৰ টোপোলাৰে সহায় কৰিলে নহ'ব। এনে লোকৰ বাবে এতিয়া প্ৰয়োজন

মাথোঁ স্থায়ীভাৱে কিবা এটা পদক্ষেপ গ্ৰহণ কৰাৰ। কাৰণ থিয়েটাৰ দলৰ বাবে আনে আগভাগ ল'লেও সুফল পোৱা নাযাব।

ভ্ৰাম্যমাণ থিয়েটাৰ এইবাৰ কেতিয়া আৰম্ভ হ'ব? হয়তো এই প্ৰশ্নৰ উত্তৰ কাৰো হাততেই নাই। কাৰণ ক'ৰোনা সংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰে গ্ৰহণ কৰা নীতি-নিয়ম তথা তলাবন্ধ আদিৰ বাবে কোনোৱে নিশ্চয়কৈ ক'ব নোৱাৰে ভ্ৰাম্যমাণ থিয়েটাৰৰ নাট্যাৰম্ভ কেতিয়া হ'ব। সাধাৰণতে আগষ্ট মাহৰপৰা প্ৰতিটো নাট্যদলেই ৰাইজৰ মাজত নাট প্ৰদৰ্শন আৰম্ভ কৰে। জুন-জুলাই মাহৰপৰা আখৰা আৰম্ভ হয়। এইবাৰ পিছে জুনত বা জুলাইত এতিয়াও আখৰা আৰম্ভ কৰিব পৰা নাই। কাৰণ নাটকত সামাজিক দূৰত্ব বজাই ৰাখি আখৰা চলোৱাতো সম্ভৱ নহয়। চৰকাৰে যিহেতু ৰাইজক ক'ৰোনা ভাইৰাছৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে সামাজিক দূৰত্ব বৰ্তাই ৰাখিবলৈ পৰামৰ্শ দিছে।

ৰাজহুৱাভাৱে নাট্যদলৰ প্ৰতিগৰাকী অভিনেতা-অভিনেত্ৰী, কলাকুশলীয়ে সামাজিক দূৰত্বৰ নিৰ্দেশনা ভংগ কৰিবও নোৱাৰিব। সামাজিক দূৰত্ব ভংগ কৰিলে অপৰাধ হিচাপে গণ্য কৰা হয়। তেনেস্থলত আখৰা অতি সোনকালে আৰম্ভ কৰাটো সম্ভৱ হ'ব জানো? তদুপৰি নাট প্ৰদৰ্শন আৰম্ভ কৰিলেও হেজাৰ হেজাৰ দৰ্শকক নিয়ন্ত্ৰণ কেনেকৈ কৰিব? এয়া হ'ল লাখটকীয়া প্ৰশ্ন। কাৰণ ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰেক্ষাগৃহত কমেও হেজাৰৰ ওপৰত আসনৰ সংখ্যা থাকে। তদুপৰি দৰ্শকক নিয়ন্ত্ৰণৰ বাবে এশ-দুশ স্বেচ্ছাসেৱকৰ প্ৰয়োজন হয়। গতিকে ইমানসংখ্যক মানুহে সামাজিক দূৰত্ব বৰ্তাই ৰাখিব পাৰিব জানো? সেইবাবে প্ৰযোজক সন্থাই বিষয়টো গুৰুত্বসহকাৰে লৈ চৰকাৰৰ সৈতে আলোচনাত মিলিত হওক ভৱিষ্যৎ কাৰ্যপন্থাৰ বাবে।

চলিত বৰ্ষত কেতিয়াৰপৰা কেনেদৰে সকলোৱে নাট প্ৰদৰ্শন কৰিব পাৰিব সেই বিষয়ে সন্থাই চৰকাৰৰ সৈতে আলোচনাত মিলিত হৈ কিছুমান সিদ্ধান্ত গ্ৰহণ কৰা উচিত। কেনেদৰে ভ্ৰাম্যমাণ থিয়েটাৰৰ নাট প্ৰদৰ্শনত সহায় কৰিব পাৰে সেই বিষয়ে চৰকাৰৰ ওচৰত সন্থাই আবেদন জনাওক। শ শ লোকৰ মতামত ল'লে নিশ্চয় সমাধান সূত্ৰ ওলাব। তদুপৰি প্ৰযোজক সন্থাই অসমৰ বিভিন্ন জিলাত থকা উদ্যোক্তা বা আয়োজক কমিটীৰ সৈতেও

বিষয়টো ভালদৰে আলোচনা কৰাৰ সময় সমাগত। কম বাজেটত কেনেদৰে নাট প্ৰদৰ্শন কৰিব পাৰি সেই বিষয়েও চিন্তা কৰিবৰ সময় হৈছে। এটা পেণ্ডেলত কিমান দৰ্শকে একেলগে নাট উপভোগ কৰিব পাৰিব, এনিশাৰ বাবে কমিটীয়ে থিয়েটাৰক কিমান টকা দিব লাগিব আৰু সামাজিক দূৰত্ব বৰ্তাই ৰাখি কেনেদৰে অগ্ৰসৰ হ'ব পাৰিব ইত্যাদি কথা চিন্তা-চৰ্চা কৰাৰ সময় আহি পৰিছে। কাৰণ ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ কেতিয়া শেষ হ'ব সেই বিষয়ে কোনোৱে ক'ব নোৱাৰে। এই নাট্যগোষ্ঠীসমূহৰ সৈতে জড়িত লোকসকলে কেতিয়ালৈ অপেক্ষা কৰিব লগিব তাৰো হিচাপ নাই। বিগত বৰ্ষৰ শেষৰ ফালে নাগৰিকত্ব (সংশোধনী) আইনক কেন্দ্ৰ কৰি সৃষ্টি হোৱা আন্দোলন, প্ৰতিবাদে ভ্ৰাম্যমাণ থিয়েটাৰৰ বহু ক্ষতি সাধন কৰিছিল। আনহাতে অন্তিম মুহূৰ্ততো ক'ৰোনাৰ সংক্ৰমণৰ বাবে হোৱা আতংকময় পৰিৱেশৰ বাবে লোকচানৰ সন্মুখীন হ'বলগীয়া হ'ল সেয়া সকলোৰে জ্ঞাত। এইবাৰো নতুন বৰ্ষতেই লাগিছে কেণা। জীৱন নিৰ্বাহৰ বাবে নতুন চিন্তা-ভাবনাৰ প্ৰয়োজন হৈছে। ক'ৰোনা ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিয়াৰ সমান্তৰালভাৱে আমি সকলোখিনি আগুৱাই নিব লাগিব। কাৰণ জীৱন সংগ্ৰামত যদি প্ৰত্যাহ্বান গ্ৰহণ নকৰো— তেনেহ'লে যৱনিকা পৰিব বহু লোকৰ জীৱন নাটঘৰৰ। নতুন চিন্তা, নতুন পদক্ষেপ, সঠিক সিদ্ধান্ত আৰু ঐক্যবদ্ধভাৱে যুঁজ দি আগুৱাই যোৱাৰ বাবে পৰিকল্পনা গ্ৰহণ কৰক ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজক সন্থাই।

# ক'ৰোনাৰ সংক্ৰমণ প্ৰতিৰোধী যুঁজ আৰু ভৱিষ্যৎ কৰ্মসংস্থাপনৰ চিন্তা

ক'ৰোনাৰ ভয়াৱহ গণসংক্ৰমণত আতংকিত হৈ বহু লোক বহিঃৰাজ্য তথা বিদেশৰপৰা নিজ গৃহলৈ উভতি আহিছে। ইয়াৰে বহুতেই পুনৰ সেইবোৰ ঠাইলৈ কামৰ বাবে যোৱাৰ আশা ক্ষীণ। কাৰণ কিছুমান লোকে ইতিমধ্যে কৰ্মসংস্থাপন হেৰুৱাইছে। আন একাংশই আকৌ কোম্পানী আদি বন্ধ বা লোকচান হোৱা বাবে অনিশ্চিত ভৱিষ্যতৰ দিশে গতি কৰিছে। অসমলৈ উভতি অহা লোকসকলৰ ভিতৰত প্ৰায়সংখ্যক লোকেই উচ্চ শিক্ষিত। তেওঁলোকে বিগত দিনবোৰত ৰাজ্যত কৰ্মসংস্থান বিচাৰি নাপাই বাহিৰত কাম কৰিবলৈ গৈছিল। কিছুমানে আকৌ বহিঃৰাজ্য বা বিদেশত নিগাজিকৈ থাকিবলৈ লৈছে। তথাপি সকলোকে ঘৰলৈ ওভোতাই আনিছে ক'ৰোনাৰ আতংকই। এইসকল লোকক যদি এই সুযোগত ৰাজ্যখনত কৰ্মসংস্থাপন দিয়া হয় তেনেহ'লে ভৱিষ্যতে অসম এখন উন্নত ৰাজ্য হিচাপে পৰিগণিত হ'ব।

অসম এখন কৃষিপ্ৰধান ৰাজ্য। ই হ'ল নদীমাতৃকা ৰাজ্য। বিশাল ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বহুতো নৈ-বিল, জান-জুৰি-জলাশয় আছে। সেই দৃষ্টিকোণৰপৰা বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰিছে যে যদিহে এইবোৰৰ পানী ভালদৰে ব্যৱহাৰ কৰা হয় তেনেহ'লে জলসিঞ্চনৰ সমস্যা আঁতৰ হ'ব। হেজাৰ হেজাৰ কৃষক উপকৃত হ'ব পাৰিব। এই কৃষকসকলে যেতিয়া কৃষিভূমিত

উৎপাদিত ফচল বিক্ৰীৰ বাবে এখন উপযুক্ত বজাৰ লাভ কৰিব— তেতিয়া কৃষিখণ্ডৰ উন্নতিৰ লগতে কৃষকসকলৰ মুখতো হাঁহি বিৰিঙিব। কৃষকৰ আৰ্থিক অৱস্থাও সমান্তৰালভাৱে স্বচ্ছল হ’ব। যিকোনো দেশ বা ৰাজ্যৰ উন্নতি নিৰ্ভৰ কৰে কৃষি খণ্ডত হোৱা অভূতপূৰ্ব সাফল্যৰ ওপৰত।

বহুতো লোকে কৃষিত জড়িত হ’ব খোজে যদিও উপযুক্ত বজাৰ আৰু শীতলীকৰণ ভঁৰালৰ অভাৱত ইয়াৰ পৰা আঁতৰি থাকে। কিছুমান উচ্চ শিক্ষিত লোক কৃষিখণ্ডৰপৰা আঁতৰি থকাৰ মূলতে হ’ল— উপযুক্তভাৱে লাভ নকৰা সা-সুবিধা। কেৱল ধান খেতি কৰিলেই কৃষক নহয়, ফল-মূলৰপৰা আৰম্ভ কৰি শাক-পাচলিৰ খেতিলৈকে সকলো সামৰি লয়। আজিকালি বিভিন্ন ধৰণৰ উন্নতমানৰ খেতিৰে বহুতো খেতিয়ক স্বাৱলম্বী হোৱাৰ উদাহৰণো দাঙি ধৰিছে। গতিকে চৰকাৰে যদি এই সুযোগতে ৰাজ্যখনলৈ বহিঃৰাজ্যৰপৰা উভতি অহা শ্ৰমিকসকলক উপযুক্তভাৱে কৃষিখণ্ডত সংস্থাপিত কৰে— তেনেহ’লে নিশ্চয় সুফল লাভ কৰিব।

মহামানৱ মহাত্মা গান্ধীয়ে কে’বাদশক পূৰ্বেই কুটীৰ শিল্পৰ উন্নয়নৰ জৰিয়তে কেনেদৰে এখন ৰাজ্যই উন্নতিৰ জখলাৰে বগাব পাৰে সেই সম্পৰ্কে সুন্দৰ ব্যাখ্যা আগ বঢ়াই গৈছে। মহাত্মা গান্ধীয়ে তেতিয়াই কুটীৰ শিল্পৰ গুৰুত্ব উপলব্ধি কৰিছিল। অসমতো কুটীৰ শিল্পৰ অভাৱ নাই। বৃহৎ উদ্যোগ আজি আধুনিকতাৰ ধামখুমীয়াত হেৰাই যোৱাৰ উপক্ৰম ঘটিছে। আজি যেন কুটীৰ উদ্যোগত প্ৰস্তুত কৰা সামগ্ৰীৰ মূল্য নোহোৱা হৈছে। ৰাজ্যখনত মৰো জীওঁ শোওঁ আধিকৈ যিকেইটা কুটীৰ উদ্যোগ বৰ্তি আছে তাৰ পৰা প্ৰস্তুত হোৱা সামগ্ৰীবোৰ উদ্যোগীসকলৰ ঘৰ অথবা দোকানত দ’ম হৈ পৰি আছে। ক’ৰোনা ভাইৰাছৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশজুৰি চলি থকা তলাবন্ধৰ ফলত এইসকল শিল্পীৰ অৱস্থা পানীত হাঁহ নচৰাৰ দৰে হৈছে। তেওঁলোকৰ ভৱিষ্যৎ আজি অন্ধকাৰ হৈ পৰিছে। যদিহে এনেদৰে পৰিস্থিতি আৰু কে’বামাহ চলি থাকে তেনেহ’লে কেনেধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হ’ব সেয়া কোনোৱে কল্পনা কৰিব নোৱাৰে। গতিকে এনেধৰণৰ উদ্যোগৰ সামগ্ৰিক উন্নয়নৰ বাবে চৰকাৰে যদি উপযুক্তভাৱে বিজ্ঞানসন্মত পদক্ষেপ গ্ৰহণ কৰে তেনেহ’লে এই লোকসকলৰ উন্নতি হোৱাৰ লগতে প্ৰসাৰো বৃদ্ধি পাব। তদুপৰি আত্মসংস্থাপন

বৃদ্ধিৰ সমান্তৰালভাৱে অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰতো বিশেষ গুৰুত্বপূৰ্ণ অৱদান আগ বঢ়াবলৈ সক্ষম হ'ব।

আজি অসমীয়া গহনাৰ সৈতে জড়িত হেজাৰ হেজাৰ পৰিয়ালৰ অৱস্থা কেনে হৈছে সেয়া সহজেই অনুমেয়। যিসময়ত অসমীয়া গহনা প্ৰস্তুত কৰা মাত্ৰ কেইখনমান গাঁওহে আছে— তেনে সময়ত ক'ভিড- ১৯ৰ গণসংক্ৰমণৰ বাবে দেশজুৰি তলাবন্ধ চলি থকাত সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। কেঁচা সোণৰ গহনা প্ৰস্তুত কৰা হৈছে যদিও সেইবোৰ বিক্ৰী কৰিব পৰা নাই। নোৱাৰাৰ কাৰণ এই সময়ত বিয়া-সবাহ আদি অনুষ্ঠিত কৰাত বাধা। ক'ৰোনা-ভীতিৰ বাবে বিয়া-সবাহ আদি মাংগলিক অনুষ্ঠান স্থগিত ৰখা হৈছে। বিয়াৰ বাবে উপযুক্ত হিচাপে গণ্য কৰা সময়তে এনে এক বিপৰ্যয়ৰ পৰিৱেশ সৃষ্টি হোৱাত শিল্পীসকলৰ অৱস্থাও তথৈবচ হৈছে। আজি বজাৰৰ অভাৱত শিল্পীসকলে ত্ৰাহি মধুসূদন দেখিবলগীয়া হৈছে। এইসকল শিল্পীৰ লগতে শিল্পটো যাতে ক'ৰোনা মহামাৰীৰ প্ৰভাৱত বন্ধ হৈ নাযায় তাৰ বাবে চৰকাৰে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা উচিত। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে বহুতো দীৰ্ঘম্যাদী ঔদ্যোগিক আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিসমূহৰ জৰিয়তে যাতে ৰাজ্যসমূহে অধিক উপকৃত হ'ব পাৰে তাৰ ব্যৱস্থা লৈছে। নিঃসন্দেহে এয়া এক এক আদৰণীয় পদক্ষেপ। এই আঁচনিসমূহত যাতে অসমৰ কুটীৰ শিল্পীৰ লগতে আন শিল্পীসকলে স্থান লাভ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগে গুৰুত্ব প্ৰদান কৰক।

ইতিমধ্যে ভাৰত চৰকাৰৰ আমেৰিকান কোম্পানীসমূহক বিভিন্ন ধৰণে ভাৰতত ব্যৱসায় চলাব পৰাকৈ এখন ক্ষেত্ৰৰ সৃষ্টি কৰিছে। চীনৰ স'তে শেহতীয়াভাৱে ক'ৰোনা গণসংক্ৰমণক লৈ আমেৰিকাৰে হোৱা সংঘাতৰ সুযোগ গ্ৰহণৰ বাবে কেন্দ্ৰীয় চৰকাৰ তৎপৰ হৈছে। চীনত আমেৰিকাৰ যিবোৰ কোম্পানীয়ে ব্যৱসায় চলাই আছে সেইবোৰ কোম্পানীয়ে এতিয়া আন দেশসমূহত ব্যৱসায় কৰিবলৈ মন মেলিছে। যদিহে ভাৰতে এই সুযোগ গ্ৰহণ কৰিব পাৰে তেনেহ'লে লাখ লাখ নিবনুৱাই কৰ্মসংস্থাপন লাভ কৰিব পাৰিব। ইয়াৰ সমান্তৰালভাৱে দেশৰ উন্নতিও সম্ভৱ হ'ব। অসমেও যদি এনে বৃহৎ উদ্যোগ স্থাপনৰ সুযোগ পায়— তেনেহ'লে নিশ্চয় বহিঃৰাজ্যৰপৰা ঘূৰি অহা শিক্ষিত যুৱক-যুৱতীৰ লগতে শ্ৰমিকসকলেও সুযোগ লাভ কৰিব।

# আমি কৰ্মহীন নে কৰ্মবিমুখ ?

'কৰ্মহীন' আৰু 'কৰ্মবিমুখ' দুটা পৃথক শব্দ। বহুতো লোকে পিছে দুয়োটা শব্দৰ অৰ্থ একে বুলি ভাবে। দুয়োটাকে একেটা অৰ্থতেই ব্যৱহাৰ কৰে। কৰ্মহীন মানে কৰ্মবিমুখ নহয়। কেতিয়াবা কিছুমান পৰিস্থিতি আৰু সমস্যাৰ বাবে এগৰাকী ব্যক্তি কৰ্মহীন হ'ব পাৰে। পিচে কৰ্মহীন হ'লেও তেওঁক কৰ্মবিমুখ বুলি ক'ব নোৱাৰো। কাৰণ তেওঁ সাময়িকভাৱে কাম নকৰিলেও তেওঁৰ মনত কাম কৰাৰ অদম্য শক্তি থাকিব পাৰে। তেওঁ কৰ্মহীন বুলি নাভাবি যিকোনো কামত আত্মনিয়োগ কৰিবলৈ কুণ্ঠাবোধ নকৰে। পিছে কৰ্মবিমুখ লোকসকলে কিছুমান পৰিস্থিতিক দোহাই দি সদায় পলায়নবাদী মানসিকতা গ্ৰহণ কৰে। কাম কৰাৰ ইচ্ছা নাথাকে। কাম দেখিলে যিকোনো 'বাহানা' কৰি তাৰ পৰা আঁতৰি থাকিব খোজে। কাম নকৰাকৈ

খোৱা আৰু শোৱাৰ মানসিকতাই গা কৰি উঠে। এই লোকসকলে কাম দেখিলেই পলায়ন কৰে। মূৰ পোলোকা দিয়াটো সাময়িকভাৱে কৰ্মহীন হৈছে। হোৱাতো স্বাভাৱিক। কাৰণ গতিশীল পৃথিৱীখন যদি চৌদিশে স্তব্ধ হৈ পৰে তেন্তে কোনো এঠাইত চাৰি বেৰৰ মাজত ইয়াক গতিময় কৰাটো উজু নহয়। এনে পৰিস্থিতিৰ বাবে বহু লোক কৰ্মহীন হৈছে। কাৰণ কাম কৰা অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ যদি আয় নহয়, তেনেহ'লে দীঘলীয়া সময়ৰ বাবে কৰ্মচাৰীক মাহিলি বেতন দিয়াটো সম্ভৱ নহয়। সেইবাবে ইয়াক এক বিশেষ পৰিস্থিতি বুলিয়ে গণ্য কৰি লৈ সকলোৱে কামত আগ বঢ়া উচিত।

বাস্তৱ জীৱনত কৰিবলগীয়া কাম বহুত আছে। কেৱল কোম্পানী বা অনুষ্ঠান-প্ৰতিষ্ঠানতে কাম কৰিলে নিবনুৱা সমস্যাৰ সমাধান নহয়। এনে সমস্যাৰ তেতিয়াহে সমাধান হ'ব— যেতিয়া সকলোৱে শ্ৰমৰ মৰ্যাদা বুজি হাতে-কামে লাগিব পাৰিব। কৰ্মবিমুখতাই জীৱনৰ গতিপথ স্তব্ধ কৰে— কিন্তু কৰ্মহীনতাই নকৰে। এগৰাকী ব্যক্তিয়ে কৰ্মহীন হ'লে তেওঁৰ পৰৱৰ্তী সময়ত কৰ্মপদ্ধতি অথবা কৰ্মস্থান বা কৌশলৰ পৰিৱৰ্তন হ'ব পাৰে। এই পৃথিৱীত কোনো বস্তুৱেই স্থায়ী নহয়। কেতিয়াবা কৰি থকা কাম এটাৰ পৰিৱৰ্তন হ'ব পাৰে। তাৰ অৰ্থ এইটো নহয় যে তেওঁ কৰ্মবিমুখ। ইয়াৰ বিপৰীতে কোনো কাম বাদ দি আন কাম কৰিবলৈ মন নকৰা বা ইচ্ছা নকৰি পলায়নবাদী মানসিকতা গ্ৰহণ কৰাটোহে কৰ্মবিমুখ।

দেশ এখনত কৰ্মহীন লোকতকৈ যদি কৰ্মবিমুখ লোকৰ সংখ্যা বেছি হয় তেনেহ'লে প্ৰগতিৰ পথ কেতিয়াও মসৃণ নহয়। সেইবাবে কৰ্মবিমুখসকলক কৰ্ম কৰিবলৈ কেনেদৰে প্ৰেৰণা যোগাব পাৰি অথবা উৎসাহিত কৰিব পাৰি সেইবোৰ কথাহে চিন্তা কৰা উচিত। কাৰণ কৰ্মহীন হোৱা লোকে যেতিয়াই কামৰ সুযোগ পাব তেতিয়াই তেওঁ সেই সুযোগ গ্ৰহণ কৰিব। পিছে কৰ্মবিমুখসকলক কৰ্মমুখী কৰাটোহে সকলোৰে বাবে প্ৰত্যাহ্বান। কাৰণ আমাৰ সমাজত এনে বহু লোক আছে— যিসকলৰ খেতিৰ মাটি বেছি থাকিলেও খেতি কৰাৰ পৰিৱৰ্তে কম পইচাতে কোম্পানী আদিতহে চাকৰি কৰিবলৈ মন মেলে। এনে ব্যক্তি এজনে মাহিলি যিখিনি দৰমহা পাই তাতকৈ দহগুণ

বেছি লাভ কৰিব পাৰে— যদিহে তেওঁ নিজৰ মাটিখিনিতে ভালদৰে খতি কৰে।

এতিয়া ক'ৰোনা ভাইৰাছৰ বাবে বহুতো লোকেই কৰ্মহীন হৈছে। নিজ নিজ নিজ ঘৰলৈ উভতি আহিছে। যদিহে কাম এৰি বা কাম হেৰুৱাই ঘৰলৈ উভতি অহা লোকসকলে যিসকলৰ মাটি-বাৰীত খেতি কৰাৰ সুবিধা আছে— তেওঁলোকে বিভিন্ন ধৰণৰ খেতি কৰিলে নিজৰ লগতে দেশৰো উন্নতি হোৱাত অৰিহণা যোগাবলৈ সক্ষম হ'ব। তাকে নকৰি যদি কেৱল কৰ্মহীন হোৱা বুলি ভাবি ঘৰতে বহি-শুই থাকে তেনেহ'লে সমস্যাই লাহে লাহে জটিল ৰূপ ধাৰণ কৰিব। যি যেনেদৰে পাৰে ব্যস্ত থাকক। কাৰণ ক'ৰোনাৰ গণসংক্ৰমণক দোহাই দি এতিয়া যদি কৰ্মহীন হোৱা লোকসকলে বিকল্প পথৰ সন্ধান নকৰি কেৱল চৰকাৰৰ মুখলৈ চাই থাকে নতুবা সমালোচনাত ব্যস্ত হৈ থাকে তেনেহ'লে ভৱিষ্যতে দেশত কৰ্মবিমুখ লোকৰ সংখ্যা বৃদ্ধি পাব। এই সংখ্যা কৰ্মহীন লোকতকৈ বেছি হ'ব। তেতিয়া সকলোৰে বাবে বিপদ ঘনীভূত হ'ব। সকলোৱে নতুন চিন্তা-চৰ্চা কৰাৰ সময় আহি পৰিছে। কাৰণ সময়ৰ পৰিৱৰ্তন আৰু সৃষ্টি হোৱা সাম্প্ৰতিক পৰিস্থিতিৰপৰা মুক্তি পাবলৈ হ'লে সকলোৱে চিন্তা-চৰ্চা কৰিবই লাগিব। কাম কৰাৰ কৌশল, ধৰণ আদি সলনি কৰি হ'লেও জীৱন যুঁজত আগুৱাই যাব লাগিব। নহ'লে নিজৰ লগতে দেশৰ আৰ্থিক অৱস্থা তেনেই দুৰ্বল হৈ পৰিব। চৰকাৰক অনবৰতে দোষাৰোপ নকৰি কৰ্মবিমুখ লোকৰ সংখ্যা যাতে ক'ৰোনাৰ আশংকাৰ গইনা লৈ বৃদ্ধি পাব নোৱাৰে তাৰ ওপৰতহে সকলোৱে গুৰুত্ব প্ৰদান কৰা উচিত।

# সুস্থ পৰিৱেশৰ বাবে মুক্ত মনে ঘূৰিছে বন্যপ্ৰাণীয়ে

পৰিস্থিতিয়ে মানুহক জ্ঞান দিয়ে। বহুতো কথা শিকায়। পূৰ্বে নকৰা কাম কৰিবলৈ বাধ্য কৰে। আনহাতে সদায় কৰি থকা কামৰ প্ৰকৃতিও সলনি কৰিবলৈ ধৰে। এসময়ত প্ৰকৃতি আছিল উত্তপ্ত। লাখ লাখ বছৰৰ পাছত ক্ষান্ত হ'ল ধৰিত্ৰী। সেউজীয়া হৈ উঠিল ধৰিত্ৰী। এই শ্যামলী বৰণেৰে সুশোভিত ধৰিত্ৰীকে আলম কৰি জ্ঞানৰ সভ্যতা উন্নতিৰ চূড়ান্ত শিখৰত উপনীত হোৱা মানৱ জাতি আজি প্ৰকৃতিৰ ওচৰত শিৰনত। ক'ৰোনা ভাইৰাছৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে আজি মানৱ জাতিয়ে যিধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে সেয়া চিন্তনীয় বিষয়। অৱশ্যে ইয়াৰ মাজে মাজে প্ৰকৃতিলৈ কঢ়িয়াই আনিছে সুখবৰ। কাৰণ এতিয়া পৃথিৱীখন কিমান প্ৰদূষণমুক্ত হৈছে সেয়া সহজেই অনুমেয়। ক'ৰোনা ভাইৰাছৰ বাবে কিছু পৰিমাণে হ'লেও প্ৰদূষণ হ্ৰাস পাইছে। কাৰণ আগৰ দৰে মানুহে এতিয়া আৰু নিজ

ইচ্ছামতে গাড়ী আদি চলাব পৰা নাই। কল-কাৰখানা আদিৰপৰা বিষাক্ত পদাৰ্থ কম পৰিমাণে নিৰ্গত হৈছে। তদুপৰি প্ৰায়সংখ্যক লোকে বুজিবলৈ ধৰিছে যে প্ৰকৃতিৰ ওপৰত অত্যাচাৰ চলালে ইয়াৰ পৰিণাম কিমান ভয়াৱহ হ'ব পাৰে।

প্ৰদূষণ আৰু কোলাহল কম হোৱা বাবে আজি পশু-পক্ষী আদিয়েও মুক্তমনে বিচৰণ কৰিব পাৰিছে। আনকি বিলুপ্তপ্ৰায় পশু-পক্ষীও মুকলি ঠাইলৈ ওলাই আহিছে। সুৰক্ষিত হোৱা বুলি অনুভৱ হোৱা বাবে হয়তো এইবোৰে মুকলি ঠাইলৈ ওলাই আহিছে। মৌ-মাখি আদিয়ে উৰিছে। সেউজীয়া গছ-গছনিয়েও যেন এক নতুন পৰিৱেশৰ সৃষ্টি কৰিছে। ধৰিত্ৰীয়ে যেন নতুন ৰূপত সাজি-কাচি ভৰযৌৱনা হৈছে। নিৰ্মল বায়ু, প্ৰদূষণহীন পানী শংকাহীন পৰিৱেশে বন্যপ্ৰাণীকো দিছে এক নতুন পৰিৱেশ।

হয়তো সেইবাবে কাজিৰঙা, মানাহ, পবিতৰা, ওৰাং, ডিব্ৰু-চৈখোৱা আদিৰপৰা পথত মুক্ত বিচৰণ কৰিছে বন্যপ্ৰাণীয়ে। কাৰ্বি পাহাৰৰ জংঘলৰপৰা ওলাই আহি মৌ-মাখিয়ে গুণ গুণ শব্দ কৰি মানুহৰ মনবোৰো পুলকিত কৰিছে। ধনেশ পক্ষী আকাশত জাকে জাকে উৰিছে। কেৱল সেয়াই নহয়— আন বহুতো ইতিমধ্যে বিলুপ্তপ্ৰায় অথবা দুষ্প্ৰাপ্য হিচাপে চিহ্নিত প্ৰাণীসমূহেও ভুমুকি মাৰিছে। অসমৰ বিভিন্ন ঠাইত এইবোৰ দেখিবলৈ পোৱা গৈছে। লাজুকী বান্দৰেও দেখা দিছে। দৰাচলতে এইবোৰ প্ৰাণীয়ে সদায় নিৰৱ-নিস্তব্ধ তথা প্ৰদূষণমুক্ত পৃথিৱী এখনত ঘূৰি ফুৰিব খোজে। বিগত কে'বাটাও শতিকাত বিজ্ঞানৰ চমকপ্ৰদ উন্নতিৰ লগে লগে প্ৰদূষণৰ প্ৰকোপো বৃদ্ধি পাইছে। মানুহৰ জিঘাংসাৰ বলি হৈ বহুতো প্ৰাণীয়ে ইতিমধ্যে অস্তিত্বৰ সংকটত ভুগিছে। আনকি মানুহৰ ভয়তেই বহুতো বন্যপ্ৰাণীয়ে বনৰপৰা ওলাই নাহে। বিগত এক-ডেৰ মাহমানত মুকলি ঠাইলৈ ওলাই আহিছে। এয়া শুভ লক্ষণ বুলিয়েই ক'ব লাগিব। যদিহে এইবোৰ প্ৰাণীৰ বংশ বৃদ্ধি হয় তেনেহ'লে নিশ্চয় প্ৰকৃতিৰ বাবে হ'ব শুভ লক্ষণ। দৰাচলতে প্ৰকৃতিৰ বুকুত গছ-গছনি সৃষ্টি হোৱা, জীৱ-জন্তু আদিৰ বৃদ্ধিৰো প্ৰয়োজন। প্ৰাকৃতিক ভাৰসাম্য তেতিয়াহে ৰক্ষা হ'ব— যেতিয়ালৈকে মানুহে উপলব্ধি কৰি থাকিব যে প্ৰকৃতি নাথাকিলে মানুহো জীয়াই নাথাকে।

লক্‌ডাউনৰ সময়ত গুৱাহাটীৰ মাজমজিয়াৰ দীপৰ বিল, দীঘলীপুখুৰী আদিত বিভিন্ন প্ৰজাতিৰ বনৰীয়া হাঁহ তথা পৰিভ্ৰমী চৰায়ে জলকেলি কৰি থকা দৃশ্য বৈদ্যুতিন মাধ্যমৰ জৰিয়তে সকলোৱে দেখিবলৈ পাইছিল। সদাব্যস্ত গুৱাহাটী উচ্চ ন্যায়ালয়, সন্দিকৈ কলেজ, কাছাৰী বাছ আস্থান, লতাশিল খেলপথাৰ, জিলা পুথিভঁৰাল, কটন কলেজ, গুৱাহাটী ৰে'ল ষ্টেচন আদিয়ে আগুৰি থকা দীঘলপুখুৰীত জাক জাক বনৰীয়া হাঁহে পোন্ধৰ-বিশ বছৰৰ মূৰত জলকেলি কৰি থকা দৃষ্টিনন্দন দৃশ্যই সকলোৰে মন পুলকিত কৰি তুলিছিল।

সম্পূৰ্ণ প্ৰদূষণমুক্ত পৃথিৱী এখন কল্পনা কৰাটো সহজ যদিও বাস্তৱ ক্ষেত্ৰত এনে এখন পৃথিৱী পোৱাটো কঠিন। তথাপি মানুহে এতিয়া নিশ্চয় উপলব্ধি কৰিছে যে ধৰিত্ৰী আজি শান্ত হৈছে— মানুহৰ অত্যাচাৰ কম হোৱা বাবে। এনেদৰে যদি ভৱিষ্যতেও প্ৰকৃতিৰ ওপৰত অত্যাচাৰ কৰিবলৈ মানুহে বন্ধ কৰে তেনেহ'লে নিশ্চয় দুৰ্যোগৰ পৰিমাণো হ্ৰাস পাব। সেউজীয়া ধৰণী পুনৰ শ্যামলী হৈ উঠিব। বিলুপ্তপ্ৰায় প্ৰজাতিৰ জীৱ-জন্তু, গছ-গছনি আদিয়ে এই পৃথিৱীত জীয়াই থকাৰ বাবে এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰিব। কাজিৰঙা, মানাহ, ওৰাং অভয়াৰণ্য আদিয়েও পুনৰ প্ৰাণ পাই উঠিব। এতিয়া নিৰ্ভয়ে ঘূৰি ফুৰা জীৱ-জন্তুবোৰেও মানুহৰ স'তে সহাৱস্থান কৰিব। মানৱ আৰু বন্যপ্ৰাণীৰ মাজত থকা সংঘাতো বহু পৰিমাণে দূৰ হ'ব। মানুহৰ মনবোৰো ভাল লাগিব। মানুহৰ মন সুস্থ হৈ থকা মানে বহুতো ৰোগৰ আক্ৰমণৰপৰা মুক্ত হৈ পৰাটো সম্ভৱ। তদুপৰি সামাজিক পৰিৱেশো সুস্থ হৈ পৰিব।

# স্বাৱলম্বিতাৰ পথ দেখুৱাওক জনপ্ৰতিনিধিয়ে

জনপ্ৰতিনিধিসকল ৰাইজৰ প্ৰতি দায়বদ্ধ। যিটো অঞ্চলৰপৰা জনপ্ৰতিনিধিগৰাকীয়ে প্ৰতিনিধিত্ব কৰে, সেই অঞ্চলটোৰ ৰাইজৰ প্ৰতিটো ক্ষেত্ৰতে দায়বদ্ধ হোৱা বাবে যিকোনো সমস্যা সমাধানৰ বাবে তেওঁৰ ওপৰতে সকলোৱে নিৰ্ভৰ কৰে আৰু জনপ্ৰতিনিধিৰ মুখলৈ চাই থাকে। গণতান্ত্ৰিক শাসন ব্যৱস্থাত এইখন ছবি সকলোতে প্ৰত্যক্ষ কৰা হয়। যদিহে জনপ্ৰতিনিধিগৰাকীয়ে ৰাইজৰ স্বাৰ্থত, ৰাইজৰ হকে  আৰু নিঃস্বাৰ্থভাৱে সেৱা আগ বঢ়াই, তেনেহ'লে নিৰ্দিষ্ট সময়ৰ ব্যৱধানত অনুষ্ঠিত নিৰ্বাচনত তেওঁৰ পক্ষতে জনসাধাৰণে ভোটাধিকাৰ সাব্যস্ত কৰে। সমান্তৰালভাৱে বৃদ্ধি পায় জনপ্ৰিয়তা। পিছে এনে কিছু জনপ্ৰতিনিধি আছে— যিসকল কেৱল ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবেহে নিৰ্বাচিত হয়। তেওঁলোকৰপৰা জনগণে বহু  আশা কৰে যদিও সুফল নাপাই হতাশ হয়।

সেইগৰাকী জনপ্ৰতিনিধিয়ে উপলব্ধি নকৰে— তেওঁৰ ওপৰত জনগণে অৰ্পণ কৰা গধুৰ দায়িত্ব। প্ৰতিগৰাকী জনপ্ৰতিনিধিয়ে বিভিন্ন ধৰণে কাম কৰাৰ ক্ষেত্ৰ থাকে। তদুপৰি কিছুমানৰ বেলিকা ক্ষেত্ৰ নাথাকিলেও বিশেষ ক্ষেত্ৰ একোখন সৃষ্টি কৰে— যাৰদ্বাৰা জনগণ প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে উপকৃত হোৱা দেখা যায়।

অসমত ১২৬ টা বিধানসভা সমষ্টি আছে। এই সমষ্টিকেইটাৰ ভিতৰত মাত্ৰ কেইটামান সমষ্টিহে উন্নত বা ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাকৈ কাম হৈছে। এই সমষ্টিসমূহৰ প্ৰায়সংখ্যক ভোটাৰেই আশা কৰে তেওঁলোকৰ প্ৰতিনিধিগৰাকীয়ে তেওঁলোকক বৰগছৰ দৰে ছাঁ দি ৰাখক। লগতে সমষ্টিটোৰ সৰ্বদিশত উন্নয়ন হওক। অসমৰ ১২৬ টা বিধানসভা সমষ্টিৰ ভিতৰত চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাক প্ৰকৃতাৰ্থত ৰাইজৰ প্ৰতিনিধি বুলি ক'ব পাৰি। সমষ্টিটোৰ সুখৰ মুহূৰ্তবোৰত তেওঁ যেনেদৰে জনতাৰ কাষত থাকে, তেনেদৰে দুখৰ মুহূৰ্ততো থাকে। বিধায়ক পুঁজিৰ সদ্ব্যৱহাৰত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এইজন জনপ্ৰতিনিধিৰ কৰ্মপদ্ধতি এতিয়া সৰ্বত্ৰে চৰ্চাৰ বিষয় হৈ পৰিছে। কাৰণ বিগত সময়ছোৱাত এইজন বিধায়কে সমষ্টিটোত যিধৰণৰ জনকল্যাণমূলক আঁচনি গ্ৰহণ কৰিছে তাৰ সুফল ৰাইজে পাইছে।

'কন্যকা' নামৰ এটা অনুষ্ঠানৰদ্বাৰা চতিয়া সমষ্টিৰ শ শ নিবনুৱা যুৱক-যুৱতীক স্বাৱলম্বী হোৱাৰ সুযোগ প্ৰদান কৰিছে। বহুতো লোকে নিজ নিজ পৰিয়ালক ভৰণ-পোষণ দিবলৈ সক্ষম হৈছে। গো-পালনৰপৰা আৰম্ভ কৰি কাপোৰ বোৱালৈকে সকলো ক্ষেত্ৰতে শ শ নিবনুৱা যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিছে। তাতোকৈ ডাঙৰ কথা হ'ল— ৰাইজেও ইয়াৰদ্বাৰা থলুৱাভাৱে উৎপাদিত সমাগ্ৰী লাভ কৰাৰ সুযোগ পাইছে। সেইবাবে অনুষ্ঠানটো ৰাইজৰ মাজত বেছ জনপ্ৰিয়। সমষ্টিটোৰ অন্তৰ্গত ১৯খন পঞ্চায়তত ১০ টাকৈ কৃষিগোট খুলিছে। মাছ পোহাৰ বাবে খান্দিছে বৃহৎ বৃহৎ পুখুৰী। গাহৰি ফাৰ্ম, ছাগলী ফাৰ্মো খুলিছে। বিভিন্ন ধৰণৰ খেতিও কৰিছে। বিভিন্ন ঠাইত বিপণী স্থাপন কৰি 'কন্যকা'ত উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰি উপাৰ্জনৰ পথ মুকলি কৰিছে। শ শ যুৱক-যুৱতীৰ নিয়োগৰ পথো সুগম হৈছে। গামোচা উৎপাদনৰ বাবে উদ্যোগ স্থাপন কৰিছে। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো

হ'ল এয়ে যে সকলোবোৰ সম্পাদিত হৈ আছে থলুৱা লোকৰদ্বাৰা। কন্যকাৰ পাঁচ শতাধিকৰ লগতে সমষ্টিটোৰ আন চাৰি হাজাৰ যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ পথ মুকলি কৰিছে। সম্প্ৰতি ক'ৰোনাৰ গণসংক্ৰমণৰ বাবে কিছু সমস্যাৰ সৃষ্টি হ'লেও প্ৰায়ভাগ কামেই গতানুগতিকভাৱে চলি আছে। এয়া এজন জনপ্ৰতিনিধিৰ নিজৰ ক্ষেত্ৰখনৰ ভিতৰতে সৃষ্টি কৰিব পৰা কৰ্মক্ষেত্ৰ আৰু সংস্থাপনৰ এটা উদাহৰণহে মাথোঁ।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰতিজন বিধায়ক-বিধায়িকাৰ সমষ্টিৰ উন্নয়নৰ বাবে জনোৱা আহ্বানৰ প্ৰতি যদি প্ৰতিজন জনপ্ৰতিনিধিয়ে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰে তেনেহ'লে একো একোটা অঞ্চলৰ বহুতো সমস্যাৰ সমাধান হ'ব। অসমত নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। এনে জটিল অৱস্থাৰপৰা পৰিত্ৰাণ পাবলৈ হ'লে সকলোৱে হাতে-কামে লাগিব লাগিব। শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহি পৰিকল্পনা ৰচনা কৰি থাকিলে এনে পৰিকল্পনাই নিবনুৱাসকলৰ ওচৰ পোৱালৈকে বহু পলম হয়। সেইবাবে বহুতেই হতাশাত ভোগা এনে সমস্যাৰপৰা পৰিত্ৰাণ পাবলৈ এতিয়া প্ৰতিজন জনপ্ৰতিনিধিয়ে হাতে-কামে লাগিব লাগিব। জনপ্ৰতিনিধিয়ে সতৰ্ক হৈ আৰু কামে-কাজে ৰাইজক আদৰ্শ দেখুৱালে সকলোৱে সেই পথেদি খোজ দিবলৈ বাধ্য। প্ৰতিটো অঞ্চলত অৰ্থনৈতিক বুনিয়াদ গঢ়ি তোলা কৃষিকৰ্মৰ উন্নতি সাধনত সকলোৱে গুৰুত্ব প্ৰদান কৰক। মাছ, মাংস, গাখীৰ আদিৰ চাহিদা সদায় থাকিব। এইবোৰৰ বাবে যদি প্ৰতিটো অঞ্চলৰ যুৱক-যুৱতীক আগ্ৰহান্বিত কৰিব পৰা যায়, তেনেহ'লে অৰ্থনৈতিকভাৱে অসম সবল হ'ব। নিবনুৱাসকলে চৰকাৰী চাকৰিলৈ আশা নকৰি আত্মনিৰ্ভৰশীল হ'বলৈ শিকক। উৎপাদন বেছি হ'লে এইবোৰ বহিঃৰাজ্য বা বিদেশলৈ ৰপ্তানি কৰিব পাৰিব। ক'ৰোনা ভাইৰাছৰ পাছত যাতে কোনোৱে ঘৰতে বহি হা-হুমুনিয়াহ কাঢ়ি থাকিব নালাগে তাৰ বাবে সকলোৱে এতিয়াৰেপৰা সজাগ আৰু সতৰ্ক হ'ব লাগিব।

# ৰাজ্যফেৰৎসকলক জনপ্ৰতিনিধিসকলে সংস্থাপিত কৰক

অসমৰ প্ৰতিখন জিলালৈ কিমান লোক বহিঃৰাজ্যৰপৰা আহিল? কিমানগৰাকীয়ে স্থায়ীভাৱে অসমলৈ ঘূৰি আহিছে বা আহিব? আমি ইমান দিনে কৈ আহিছো যে অসমখনত বহিঃৰাজ্যৰ লোকৰ সংখ্যা কম নহয়। অথচ অসমৰপৰা বহিঃৰাজ্যলৈ গৈ কিমান লোক সংস্থাপিত হৈ আছে তাৰ হিচাপ কোনোবাই ৰাখিছো জানো? নিশ্চয় ৰখা নাই। কাৰণ আমি সদায় আনৰ দোষ খুঁচৰিহে ভাল পাওঁ। পিছে এবাৰো ভাবি নাচাওঁ যে ওপৰলৈ থুৱালে নিজৰ গাতেই পৰে। ক'ৰোনাৰ গণসংক্ৰমণৰ আতংকৰ বাবে ৰাজ্যৰ বাহিৰত কৰ্মৰত লোকসকলে নিজ গৃহলৈ উভতি আহিছে। এতিয়া পিছে বাহিৰৰপৰা অহা লোকৰপৰা এটা কথা স্পষ্ট হৈছে যে ভাৰতৰ বিভিন্ন ঠাইত অসমৰ লোকো কম নহ'ব। ক'ৰোনাই সকলোকে একত্ৰিত কৰিলে। গতিকে অসমৰ জনপ্ৰতিনিধিসকলৰ

বাবে এয়াই সোণালী সুযোগ। প্ৰতিগৰাকী জনপ্ৰতিনিধিয়ে নিজৰ নিজৰ সমষ্টিত সমষ্টিবাসী লোকসকলক (বহিঃৰাজ্যৰপৰা অহা) কেনেদৰে ৰাখিব পাৰে তাৰ বাবে চিন্তা কৰাৰ সময় আহি পৰিছে। কেৱল চৰকাৰেই কৰিব বুলি আশা পালি থকাতকৈ সকলো জনপ্ৰতিনিধিয়ে এনে কিছু কাম ৰূপায়ণ কৰক— যাৰদ্বাৰা প্ৰতিগৰাকী বহিঃৰাজ্যফেৰৎ লোকে ইয়াতেই সুৰক্ষিত অনুভৱ কৰিব পাৰে।

প্ৰতিখন জিলাত পৰ্যাপ্ত চৰকাৰী ভূমি আজিও অব্যৱহৃত হৈ আছে। সেইবোৰ উপযুক্ত কৰি ব্যৱহাৰ কৰাৰ ওপৰত সকলোৱে গুৰুত্ব প্ৰদান কৰিব লাগিব। এই লোকসকলক এতিয়া একেলগে কৰ্মসংস্থাপন দিয়াটোও কাৰো বাবে সম্ভৱ নহয়। কাৰণ ক’ৰোনাৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশজুৰি চলি থকা তলাবন্ধৰ পৰিপ্ৰেক্ষিতত কামৰ গতি মন্থৰ হৈছে। তদুপৰি ৰাজ্যৰ বাহিৰৰপৰা অহা লোকসকলৰ সংখ্যা আমি ভবাতকৈও বেছি। নিজ ৰাজ্যত প্ৰচুৰ সম্ভাৱনা থকাৰ পিছতো কিয় বহিঃৰাজ্যলৈ কৰ্মসংস্থাপনৰ বাবে ঢাপলি মেলিবলগীয়া হৈছে সেইবোৰ বিষয় এতিয়া বিশ্লেষণ কৰাৰ সময় আহি পৰিছে। পিছে এনেধৰণৰ বিশ্লেষণ চৰকাৰেই কৰি থাকিব বুলি ভাবি থকাতকৈ জনপ্ৰতিনিধিসকলে নিজ নিজ অঞ্চলৰ সমস্যাৰ বিষয়ে বিশ্লেষণ কৰি সেইবোৰ সমাধানৰ বাবে যদি নিজা উদ্যোগ গ্ৰহণ কৰে তেনেহ’লে নিশ্চয় সমাধানৰ উৎসও ওলাব।

প্ৰতিটো অঞ্চলতে প্ৰচুৰ পৰিমাণে সম্পদ আছে। কোনোবা অঞ্চল এটাত যদি বেছি আছে, আনটো অঞ্চলত হয় আন এবিধ প্ৰচুৰ পৰিমাণে পোৱা যায়। মূল কথা হ’ল— প্ৰতিটো অঞ্চলৰ জনসাধাৰণৰ জীৱন ধাৰণৰ পদ্ধতি, কোন সম্পদৰ চাহিদা বেছি আৰু মানুহৰ সামাজিক নীতি-নিয়মসমূহ জানি লৈ যদি কিছুমান সৰু সৰু আঁচনি ৰূপায়ণৰ বাবে প্ৰতিগৰাকী জনপ্ৰতিনিধিয়ে উদ্যোগ গ্ৰহণ কৰে তেনেহ’লে ইমান দিনে বাহিৰলৈ কৰ্মসংস্থাপনৰ বাবে যোৱা লোকসকল নিশ্চয় নিজ নিজ অঞ্চলতেই থাকিবলৈ ইচ্ছা প্ৰকাশ কৰিব। প্ৰতিগৰাকী যুৱক-যুৱতীৰ লগতে বহিঃৰাজ্যলৈ গৈ কাম কৰাৰ প্ৰতি যিসকল লোকৰ মনত এক মানসিকতাৰ সৃষ্টি হৈছে তেওঁলোকৰো মানসিকতাৰ সলনি হ’ব। সন্ধিৰ বাঁহ বুদ্ধিৰে কাটিব লাগে। গতিকে এতিয়া

বহিঃৰাজ্যৰপৰা অহা লোকসকলক উপযুক্তভাৱে কাম কৰাৰ এখন ক্ষেত্ৰ সৃষ্টি কৰি দিয়াটো প্ৰতিগৰাকী জনপ্ৰতিনিধিৰ দায়িত্ব হোৱা উচিত। চৰকাৰে এই সমস্যাৰ সমাধান কৰিব বিচাৰিলেও বাস্তৱত ৰূপায়ণ কৰাত কিছুমান সমস্যাৰ সৃষ্টি হ'বই। কাৰণ সকলোকে সমভাৱে কাম দিব নোৱাৰিব। এনে আঁচনি প্ৰস্তুত কৰোতেও সময়ৰ প্ৰয়োজন। যদি আঞ্চলিক সমস্যা সমাধানৰ জৰিয়তে প্ৰতিগৰাকী যুৱক-যুৱতীক সংস্থাপন দিয়া হয় তেনেহ'লে নিশ্চয় সুফল লাভ কৰাটো সম্ভৱ হ'ব।

অসমৰ ১২৬ টা বিধানসভা সমষ্টি আৰু ১৪ টা লোকসভা সমষ্টিৰ ভিতৰত কিমান নিবনুৱা যুৱক-যুৱতী আছে আৰু এইসকলৰ কিমানে বহিঃৰাজ্যত কাম কৰি আছে, সেইসকলৰ তালিকা প্ৰস্তুত কৰক জনপ্ৰতিনিধিসকলে। নিজৰ নিজৰ অঞ্চল বা সমষ্টিৰ এইসকল লোকৰ মনৰ কথা জনপ্ৰতিনিধিগৰাকীয়েহে ভালদৰে উপলব্ধি কৰিব পাৰে। সন্মুখত দীঘলীয়া সময় আছে। গতিকে এই সময়ৰ বাবে এতিয়া সকলোৱেই প্ৰস্তুত হ'ব লাগিব। আনৰ মুখলৈ চাই থকাৰ সময় এতিয়া নাই। সকলোৱে হাতে-কামে লাগিবৰ হ'ল। জনপ্ৰতিনিধিৰ কাম তেওঁ প্ৰতিনিধিত্ব কৰা অঞ্চলটোৰ লোকসকলৰ সমস্যা সমাধান কৰা। আদৰ্শ প্ৰতিষ্ঠা কৰা। কৰ্মৰদ্বাৰা আদৰ্শ প্ৰতিষ্ঠা কৰিব পাৰিলে সেইগৰাকী জনপ্ৰতিনিধিৰ কথা সকলোৱে পৰৱৰ্তী সময়তো স্মৰণ কৰিব।

# সময়ৰ স'তে খোজ মিলাই নিজক পৰিৱৰ্তন কৰিবই লাগিব

সময়ৰ লগে লগে সকলোবোৰ সলনি হয়। এসময়ত মানুহে বল্কল পিন্ধিছিল। গছৰ তলত বাস কৰিছিল। সময়ৰ পৰিৱৰ্তনৰ সমান্তৰালভাৱে জ্ঞানৰ পৰিসৰ বৃদ্ধি হোৱাত সমাজ পাতি বসবাস কৰিবলৈ লয়। প্ৰয়োজন হোৱাৰ বাবে শিলে শিলে ঘৰ্ষণ কৰি জুই জ্বলাবলৈ শিকিলে। যেতিয়াই প্ৰয়োজন অনুভৱ কৰে দৰাচলতে তেতিয়াই পৰিৱৰ্তন বিচাৰে। কাৰণ য'ত গতি নাই তাত উন্নতিও সম্ভৱ নহয়। বিভিন্ন সময়ত বেলেগ বেলেগ ৰোগৰ ভাইৰাছে মানুহৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰাৰ বাবে তেনে ৰোগৰপৰা উপশম ঘটাবলৈ আৱিষ্কাৰ হ'ল প্ৰতিষেধক তথা ঔষধ। আজি সমগ্ৰ বিশ্বতেই ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ ইমানেই ভয়াৱহ ৰূপত বৃদ্ধি পাইছে যে এতিয়া সকলো ক্ষেত্ৰতে গতি স্তব্ধ হৈ পৰিছে। কিন্তু এনেদৰে গতি স্তব্ধ হৈ থাকিলে আৰু কিমান দিন মানুহে নিজৰ

নিজৰ পৰিয়াল চলাব পাৰিব? গতিকে সকলোৱে সময়ৰ স'তে খোজ মিলাই চলিবলৈ শিকিব লাগিব। পৃথিৱীৰ যিকোনো প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰাৰ বাহিৰে গত্যন্তৰ নাই। কাৰণ যিমানেই শংকিত হৈ থাকিব— সিমানেই দৈনন্দিন জীৱন যাপনত ব্যাঘাত জন্মিব। এনে ব্যাঘাতে সকলোকে যি ঠাইলৈ লৈ যাব তাৰ পৰা উদ্ধাৰ পাব পৰাৰ শক্তি কাৰোৰে নাই।

পৃথিৱীত প্ৰতিগৰাকী ব্যক্তিৰ মূল সম্পদ হ'ল আত্মবিশ্বাস। যিসকল লোক আত্মবিশ্বাসী, তেওঁলোকৰ গতিপথ অৱৰুদ্ধ। আত্মবিশ্বাসৰ অভাৱ হ'লে চৌদিশে কেৱল নেতিবাচক দিশটোহে দেখিবলৈ পোৱা যায়। সেইবাবে মাৰ্ক টুৱেইনে কৈছে— To succeed in life, you need two things; ignorance and confidence. গতিকে আমি দৈনন্দিন জীৱনত ঘটি থকা কিছুমান কথা পাহৰিব লাগিব। ব্যৰ্থতা আৰু এৰি অহা দিনবোৰৰ বিশ্লেষণৰ মাজেদিয়ে সকলোৱে জীৱনটো আগুৱাই নিব লাগিব। ক'ৰোনা ভাইৰাছৰ আক্ৰমণ আৰু আৰু গণসংক্ৰমণৰ ক্ষেত্ৰতো আমি সকলোৱে একগোট হৈ যুঁজ দিব লাগিব। পিছে একগোটৰ অৰ্থ গাতে গা লগাই কাম কৰাটো নুসূচায়। তদুপৰি একেটা কামৰ মাজেদিয়ে যে আগুৱাই যাব লাগিব তেনেকুৱাও কোনো কথা নাই। যদি একেটা কামকে এটা পদ্ধতিৰে কৰিলে জীৱনলৈ ভাবুকি আহিব পাৰে তেনেহ'লে সেই কামটোকে অন্য ধৰণে কৰিলে হয়তো সুফল পোৱা যাব। একেটা কামকে সকলোৱে বিভিন্ন ধৰণে কৰিব পাৰে। অৰ্থাৎ কামটোৰ ধৰণ বা পদ্ধতি সলনি কৰিলেই ইয়াৰ একেই পৰিসৰৰ মাজতো লাভৰ মুখ দেখাটো সম্ভৱ হ'ব।

বহুতেই আজি জীৱন-জীৱিকা সলনি কৰিবলৈ বাধ্য হৈছে। এতিয়া কৰিবলৈ বাধ্যও। চিনেমা-থিয়েটাৰৰ শিল্পী আৰু কেব চালকসকলেও শাক-পাচলি, ফলমূল, মাছ-মাংস আদি বিক্ৰী কৰিব লগা হৈছে। চৰকাৰী চাকৰিয়াল আৰু জনপ্ৰতিনিধিসকলৰ বাহিৰে এতিয়া সকলোৰে অৱস্থা শোচনীয় হৈ পৰিছে। কাৰণ তেওঁলোকে নিয়মীয়াকৈ দৰমহা লাভ কৰি আছে। ক'ৰোনাৰ পূৰ্বে ব্যৱসায়ৰ যিখন ক্ষেত্ৰ আছিল সেয়া সম্পূৰ্ণৰূপে সলনি হৈছে। যেতিয়া পৃথিৱীখনেই সলনি হ'ব তেতিয়া কোনো কামেই পূৰ্বৰ দৰে হৈ নাথাকে।

অৱশ্যে এটা কথা ঠিক যে যদিও মানুহে প্ৰথম অৱস্থাত এইবোৰ মানি ল'বলৈ অসুবিধা পায় বা সমস্যাৰ সন্মুখীন হয়, তথাপি সময় যোৱাৰ লগে লগে পৰিস্থিতিৰ স'তে মিলি যায়। প্ৰতিটো নতুন বিষয়ৰ স'তে মিলি যাবলৈ সময়ৰ প্ৰয়োজন। এই সময়ছোৱা সকলোৱে ধৈৰ্য ধৰিবই লাগিব। ধৈৰ্যৰ ফল মিঠা। বিশেষকৈ বিপদৰ সময়ত ধৈৰ্য ধৰিবই লাগিব।

এতিয়া সকলোৰে সন্মুখত প্ৰত্যাহ্বান আহি পৰিছে। নিজৰ কৰ্মপদ্ধতি সলনি মানে সেই কামটোৰপৰা সম্পূৰ্ণৰূপে আঁতৰি যোৱাটো নুসূচায়। কাৰণ এটা কামৰপৰা আন এটা কামলৈ ঢাপলি মেলিলে তাত প্ৰতিষ্ঠা লাভ কৰিবলৈ সময়ৰ প্ৰয়োজন। এই সময় কিমান হ'ব তাক কোনোৱে পূৰ্বে অনুমান কৰিব নোৱাৰে।

বহুতো লোক অতিসম্প্ৰতি ভৱিষ্যতক লৈ সন্দিহান হৈছে। কি কৰিব, কি নকৰিব তাক লৈ দোধোৰ-মোধোৰ অৱস্থা এটাৰ সৃষ্টি হৈছে। এনে অৱস্থাৰপৰা কেনেদৰে নিজকে মুক্ত কৰিব পাৰি তাৰ বাবে সকলোৱে সুস্থভাৱে চিন্তা কৰা উচিত। আত্মবিশ্বাসেৰে কামত নিয়োজিত হ'লে পুনৰ পূৰ্বৰ অৱস্থালৈ ঘূৰি অহাৰ সম্ভাৱনা আছে। নিজৰ ব্যৱসায়িক, শৈক্ষিক তথা সাংস্কৃতিক ক্ষেত্ৰখনত কেনেদৰে পৰিৱৰ্তন কৰি আয়ৰ পথ উলিয়াব পাৰি সেই বিষয়ে সুস্থ চিন্তা-চৰ্চাৰ প্ৰয়োজন আছে। ৰাইজে নখ জোকাৰিলে নৈ বয়। গতিকে সকলোৱে মাৰ বান্ধি থিয় হোৱা উচিত।

# অসমৰ স্বাস্থ্য বিভাগৰ ইতিবাচক পদক্ষেপ আৰু কিছু প্ৰাসংগিক চিন্তা

উত্তৰ-পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, নাগালেণ্ড, মিজোৰাম আৰু চিকিমক বাদ দি দেশৰ আটাইকেইখন ৰাজ্যতে ক'ৰোনা মহামাৰীয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। পিছে এনে সংহাৰী ৰূপৰ মাজতে লাখ লাখ জনগণক অভয়দান দিবলৈ অহৰ্নিশে ব্যস্ত হৈ আছে একাংশ লোক। জনপ্ৰতিনিধিৰপৰা আৰম্ভ কৰি চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মী সকলোৱে নিজৰ জীৱন তুচ্ছজ্ঞান কৰিও এই মহাবিপদৰ সময়ত সেৱা আগ বঢ়াই আহিছে। অসমত এতিয়া ক'ভিড- ১৯ত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পালেও প্ৰায়সংখ্যক লোকেই কিন্তু ৰাজ্যখনৰ স্বাস্থ্য বিভাগৰ ওপৰত গভীৰ আস্থা ৰাখি আছে।

এই সকলোবোৰৰ কৃতিত্বৰ মূলতে হ'ল স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গ্ৰহণ কৰা পদক্ষেপ। বিশেষকৈ ২০২০ চনৰ এপ্ৰিলৰপৰা জুলাই মাহৰ ভিতৰত স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাই

অসমৰ ইমূৰৰপৰা সিমূৰলৈ গৈ চিকিৎসকসকলৰ লগতে চিকিৎসাকৰ্মী, নাৰ্চ আদিৰ যিদৰে মনোবল বৃদ্ধি কৰিছে সেয়া আমি সকলোৱে স্বীকাৰ কৰিবই লাগিব। স্বাস্থ্য বিভাগক তেওঁ সন্মুখৰপৰা নেতৃত্ব দিয়া বাবে আজি শংকাৰ মাজতো প্ৰতিগৰাকী ব্যক্তিয়ে আশাৰ মুখ দেখিছে। স্বাস্থ্যমন্ত্ৰীয়ে কি কয়, কি কৰিছে তাক লৈয়ে যেন এতিয়া সকলো ব্যস্ত। অসমৰ সীমিত পৰিসৰৰ সুযোগ-সুবিধাৰ মাজতো আজি দেশৰ বাবে আদৰ্শ স্বৰূপ হৈ পৰিছে স্বাস্থ্য বিভাগ। ইমান দিনে অসমৰ প্ৰায়সংখ্যক লোক ৰাজ্যৰ বাহিৰলৈ গৈ চিকিৎসা কৰাৰ যি প্ৰৱণতা আছিল সেয়া অন্ততঃ এতিয়া কিছু পৰিমাণে হ'লেও দুৰ্বল হৈছে। অসমৰ চিকিৎসক, নাৰ্চ, স্বাস্থ্যকৰ্মী এতিয়া দেশৰ আন ৰাজ্যৰ বাবে হৈ পৰিছে আদৰ্শ স্বৰূপ। এয়া ৰাজ্যখনৰ স্বাস্থ্য বিভাগৰ বাবে ইতিবাচক দিশ। অসমবাসীৰ বাবেও গৌৰৱৰ কথা।

আজি বিশ্বৰ প্ৰতিখন দেশৰ লোকে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে স্বাস্থ্য খণ্ডত। বহুকেইখন ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ উন্নতি হোৱাৰ জয়ঢোল বজাই থাকিলেও ক'ভিড-১৯ৰ সময়ত এই ৰাজ্যসমূহৰ প্ৰকৃত ছবিখন ওলাই পৰিছে। ইমান দিনে কেৱল প্ৰচাৰৰ চমকৰ জৰিয়তেহে তেনে কাৰ্য সম্পাদন কৰি আহিছিল। এতিয়া সকলোৱে বুজিছে, দেখিছে। এইখিনিতে এটা কথা স্পষ্ট কৰি দিব খুজিছো যে লেখাটোৰ জৰিয়তে কাৰোবাক ভাল আৰু আন কাৰোবাক বেয়া বুলি তৈলমৰ্দন অথবা সমালোচনা কৰিব খোজা নাই। মাথোঁ বিগত তিনিটা মাহৰ ভিতৰত যিবোৰ দেখিছো-শুনিছো তাৰ বিষয়েহে অলপ লিখিছো। অসমৰ তিনি কোটিৰো অধিক জনগণে আজি ক'ৰোনা মহামাৰীৰ মাজতো আত্মবিশ্বাসেৰে জীৱনৰ স'তে যুঁজিছে। ইমান দিনে ঢাল-তৰোৱাল নোহোৱা নিধিৰাম চৰ্দাৰ বুলি অট্টহাস্য কৰা লোকসকলেও একমুখে স্বীকাৰ কৰিছে স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, পীযুষ হাজৰিকা, চিকিৎসক, নাৰ্চ, চিকিৎসাকৰ্মীৰ দুৰ্দান্ত সাহস আৰু অদম্য শক্তিৰ কথা। এই মহাবিপদতো তেওঁলোকে মৃত্যুলৈ ভয় নকৰি এনে এটা শক্তিৰ বিৰুদ্ধে যুঁজ দিছে— যাৰ শক্তি কিমান সেয়া আজিলৈকে কোনোৱেই নিশ্চিত হ'ব পৰা নাই। মাথোঁ বিশ্বাস, অনুমান, সংকেত লাভৰ আশাৰেই চলিছে অভিযান। আজি আমি সকলোৱে স্বাস্থ্য বিভাগক লৈ গৌৰৱ

কৰো আহক। কাৰণ এনে গৌৰৱে নতুন আশাৰ সঞ্চাৰ ঘটাব আৰু স্বাস্থ্য খণ্ডক অধিক শক্তিশালী কৰিব।

কোৱাৰেণ্টাইন কেন্দ্ৰসমূহতো নিয়োজিত হৈ আছে বহুতো চিকিৎসক, নাৰ্ছ, চিকিৎসাকৰ্মীৰ লগতে নিৰাপত্তাৰক্ষী। তেওঁলোকেও দিন-ৰাতি একাকাৰ কৰি কামত ব্যস্ত হৈ আছে। আপোন ঘৰখন, ল'ৰা-ছোৱালীৰপৰা বহু দূৰৈত থাকিও তেওঁলোকে ৰাইজৰ সেৱাত ব্ৰতী হৈ আছে। ৰোগীৰ চিকিৎসাৰ বাবেই যেন তেওঁলোকে জীৱন উৎসৰ্গা কৰিছে। কিমান দিন আঁতৰি থাকিবলগীয়া হৈছে। বহুদিন আত্মীয়-স্বজনৰ লগত দেখা-দেখিয়েই হোৱা নাই। মনটো সেমেকি থাকিলেও সময়মতে কাৰ্য সম্পাদন কৰি আছে। কোনো অভিযোগ নাই। নাই কোনো অভিমান। কেতিয়াবা কৰ্তব্যৰ খাতিৰত লঘোনে থাকিও কাকো অভিযোগ কৰা নাই। এনেদৰে থকাৰ পাছতো কিছুমান কোৱাৰেণ্টাইন কেন্দ্ৰত একাংশ লোকে তেওঁলোকক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছে। এনেদৰে অভিযোগ উত্থাপিত হোৱাৰ পাছত এটা প্ৰশ্ন মনত উদয় হৈছে— সহায় কৰিলেও আক্ৰমণ কৰাৰ আঁৰত কি থাকিব পাৰে? কোৱাৰেণ্টাইন কেন্দ্ৰত থকা লোকসকলে এই লোকসকলৰ কথা এবাৰ ভাবকচোন। সেই দুষ্কৃতিকাৰীসকলৰ নিজৰ পৰিয়ালৰ কোনো সদস্য যদি এনেদৰে থাকিবলগীয়া হ'লহেঁতেন তেনেহ'লে মনত কেনে অৱস্থাৰ সৃষ্টি হ'লহেঁতেন। খাদ্য বেয়া হোৱা, পৰ্যাপ্ত সুবিধা নথকা আদি সমস্যা থাকিবই। আমি সকলোৱে ৰোগৰ বিৰুদ্ধেহে যুঁজিছো। এনে যুঁজত অভিযোগ, অভিমানৰ প্ৰশ্নই উত্থাপিত হ'ব নোৱাৰে। সকলোৱে চিকিৎসক, নাৰ্ছ, চিকিৎসাকৰ্মীসকলক সহযোগ কৰক। ক'ৰবাত কিবা সমস্যা হ'লে হৈ-চৈ নকৰি সুস্থ পৰিৱেশৰ মাজতেই সমাধানৰ পথ বিচাৰি উলিয়াওক। স্বাস্থ্য বিভাগৰ ক'ভিড- ১৯ বিৰোধী 'টীম'ক সহযোগ কৰক। যিমানেই সমালোচনা কৰিব— সিমানেই সকলোৱে ওপৰত পৰিব নেতিবাচক প্ৰভাৱ।

# নৱপ্ৰজন্মক স্বাৱলম্বী হ'বলৈ চৰকাৰে ব্যৱস্থা কৰক ছিংগল উইন্‌ড'

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোকে স্বাৱলম্বী হ'বলৈ আহ্বান জনাইছে। কাৰণ জনগণ স্বাৱলম্বী হ'লেহে দেশ এখন অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱা সম্ভৱ। এনে স্বাৱলম্বিতাৰ বাবে প্ৰধানমন্ত্ৰীয়ে ইতিমধ্যে বিভিন্ন ধৰণৰ আঁচনিৰ কথা ঘোষণা কৰিছে। সমাজৰ প্ৰতিটো স্তৰৰ লোকে যাতে স্বাৱলম্বী হ'বলৈ সুযোগ লাভ কৰিব পাৰে তাৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে ইতিমধ্যে কিছু হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পদক্ষেপ গ্ৰহণ কৰিছে। কুটীৰ উদ্যোগৰপৰা আৰম্ভ কৰি বৃহৎ উদ্যোগ স্থাপনেৰে দেশক শক্তিশালী ৰূপত বিশ্ববাসীৰ সন্মুখত উপস্থাপনৰ বাবে গ্ৰহণ কৰিছে এনে পদক্ষেপ। সমগ্ৰ দেশতেই এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰাত সকলোৱে আশাৰ ৰেঙনিও দেখিছে। অৱশ্যে ক'ৰোনাৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে বিগত তিনি মাহ ধৰি বলৱৎ হোৱা তলাবন্ধৰ ফলত এনেধৰণৰ পদক্ষেপত

কিছু ব্যাঘাত জন্মিলেও এতিয়া এইবোৰ পুনৰ স্বাভাৱিক হ'বলৈ লৈছে। এতিয়া সমস্যাটো হ'ল— স্বাৱলম্বী হ'ব কেনেকৈ?

সৰু-বৰ সকলো উদ্যোগ স্থাপন বা ব্যৱসায় আদি আৰম্ভ কৰিবলৈ অনুজ্ঞাপত্ৰৰ প্ৰয়োজন। বহুকেইখন অনুজ্ঞাপত্ৰ বা অনুমতি-পত্ৰ লাভৰ পাছত আৰম্ভ কৰিব পাৰে ব্যৱসায়। সমস্যা এইখিনিয়েই। যদিও অনুজ্ঞাপত্ৰৰ বাবে আবেদন কৰাৰ পাছত এক নিৰ্দিষ্ট সময়ৰ ভিতৰত ইয়াক প্ৰদান কৰিবলৈ সংশ্লিষ্ট বিভাগ বাধ্য, তথাপি সময়মতে বহুতেই লাভ নকৰে। এয়া দীৰ্ঘদিনীয়া অভিযোগ। আনকি বহুতো লোকে ব্যৱসায়-বাণিজ্য কৰিবলৈ আগ বাঢ়িও সময়ত অনুজ্ঞাপত্ৰ লাভ নকৰাৰ বাবে মানসিকভাৱে ভাগি পৰি ইয়াৰ পৰা আঁতৰি যায়। কিছুমানৰ আকৌ জমা ধন ব্যয় হোৱাৰ ফলত কৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হয়। দেশত এতিয়াও এনে কিছু দীঘলীয়া ব্যৱস্থা আছে— যাৰ বাবে বহুতে মনৰ আশা মনতেই পুহি ৰাখিবলগীয়া হৈছে। দীঘলীয়া পঞ্জীয়ন পদ্ধতিয়ে বহুতো লোকক স্বাৱলম্বী হোৱাত বিলম্ব কৰিছে অথবা আঁতৰাই ৰাখিছে। সেইবাবে পঞ্জীয়ন পদ্ধতিৰ সলনিৰ সময় আহি পৰিছে।

সমগ্ৰ দেশতে পঞ্জীয়নৰ বাবে ছিংগল উইন্ড'ৰ ব্যৱস্থা কৰা উচিত। এগৰাকী ব্যক্তিয়ে ব্যৱসায় কৰিবলৈ পঞ্জীয়নৰ বাবে আবেদন কৰাৰ সময়ত কে'বাটাও বিভাগৰপৰা অনুমতিৰ প্ৰয়োজন। এনেদৰে অনুমতিৰ বাবে কে'বাটাও বিভাগৰ দুৱাৰে দুৱাৰে ভাগৰি পৰে। তদুপৰি অৰ্থৰো ব্যয় হয় যথেষ্ট। যিটো কাম এমাহত হ'ব লাগে— সেই কামটো ছমাহৰপৰা এবছৰপৰ্যন্ত প্ৰয়োজন হয়। এনেদৰে দীঘলীয়া সময়ৰ অপেক্ষাত পঞ্জীয়ন লাভ কৰিলেও তেতিয়ালৈকে কিছুমানৰ ক্ষেত্ৰত পৰিৱেশো সলনি হয়। বিশেষকৈ আমদানি-ৰপ্তানিৰ ক্ষেত্ৰত এনে হোৱা দেখা যায়। গতিকে এনেধৰণৰ সমস্যাৰপৰা হাত সাৰিবলৈ সমগ্ৰ দেশতে ছিংগল উইন্ড'ৰ ব্যৱস্থা কৰা উচিত। কাৰণ এনে কৰিলে এটা কাৰ্যালয়ৰদ্বাৰাই সকলোবোৰ অনুমতি-পত্ৰ লাভ কৰাটো সম্ভৱ হয়। ছিংগল উইন্ড'ৰ ব্যৱস্থা হ'লে আবেদনকাৰীয়ে এটা বিভাগত আবেদন কৰাৰ পাছত সেই বিভাগীয় কাৰ্যালয়টোৱেই আবেদনকাৰীৰ হৈ যাৱতীয় সকলো কাম সম্পাদন কৰিব। ইয়াৰ বাবে প্ৰয়োজনীয় সকলো

নথি, মাচুল আদি আবেদনকাৰীৰপৰাই নিৰ্দিষ্ট সময়ত সেই বিভাগীয় কাৰ্যালয়টোৱে সংগ্ৰহ কৰিব। আবেদন কৰাৰ পোন্ধৰ দিনৰ পৰা এমাহৰ ভিতৰত পঞ্জীয়নপত্ৰ আবেদনকাৰীক দিয়াৰ সময়ো নিৰ্ধাৰণ কৰিব লাগে। যদি চৰকাৰে এনে এটা বিভাগৰ সৃষ্টি কৰি কামসমূহ সম্পাদনৰ ব্যৱস্থা কৰে তেনেহ'লে নিশ্চয় বহুতো লোকে কৰ্মক্ষেত্ৰত আগ বাঢ়ি যাব লাগিব। সৰুৰেপৰা আৰম্ভ কৰি বৃহৎ উদ্যোগ স্থাপন, ব্যৱসায়-বাণিজ্য আদি ক্ষেত্ৰত সকলোৱে আগ বাঢ়িব পাৰিব। তদুপৰি স্বাৱলম্বী হোৱাৰ বাবে নৱপ্ৰজন্মই উৎসাহিত হ'ব। আজিকালি বহুতো যুৱক-যুৱতীয়ে হতাশাৰ বাবে আগ বাঢ়ি নাহে। আনকি বহুতে সম্পূৰ্ণ নথি-পত্ৰ জমা দিয়াৰ পিছতো কে'বাটাও বিভাগৰ মেৰপেঁচত পৰি বিচৰা অনুজ্ঞাপত্ৰ লাভ নকৰে।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে সকলোৰে সলনি হৈছে। ক'ৰোনা গণসংক্ৰমণৰ বাবে দেশজুৰি চলা তলাবন্ধই ইতিমধ্যে বহুতো কৰ্মপদ্ধতি সলনি কৰিছে। কিছুমানে ঘৰৰপৰাই কাম কৰিছে। এনেহেন আতংকময় পৰিৱেশৰ মাজতে এতিয়া আৰু কে'বাটাও বিভাগৰ কাৰ্যালয়ে কাৰ্যালয়ে গৈ আবেদনপত্ৰ দাখিল কৰি অনুজ্ঞাপত্ৰ লাভ কৰাৰ বাবে আগ বাঢ়ি অহা লোকৰ সংখ্যাও হ্ৰাস পাব। এনে হ'লে স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰতো যুৱক-যুৱতীসকলে সমস্যাৰ সন্মুখীন হোৱাটো নিশ্চিত। গতিকে চৰকাৰে এতিয়া এনে এটি বিভাগৰ সৃষ্টি কৰক— যিটোৱে যিকোনো আবেদনকাৰীক উপযুক্ত আৰু প্ৰয়োজনীয় নথি-পত্ৰ যোগানৰ লগতে মাচুল আদি আদায় দিয়াৰ পাছত আবেদনকাৰীক পোন্ধৰ দিনৰপৰা এমাহৰ ভিতৰত অনুজ্ঞাপত্ৰ প্ৰদান কৰিব পাৰে। তেতিয়াহে সফল হ'ব প্ৰধানমন্ত্ৰীয়ে দেশবাসীক স্বাৱলম্বী কৰিবলৈ গ্ৰহণ কৰা আঁচনিৰ সফল ৰূপায়ণ।

# ক'ৰোনাৰ কালগ্ৰাসৰ ফলতো পৰিৱৰ্তন নহ'ল বহু অভ্যাসৰ

ক'ৰোনা ভাইৰাছে সমগ্ৰ বিশ্বকে শংকিত কৰিলেও ইয়াৰ বাবে হোৱা তলাবন্ধই পিছে বিশ্ববাসীক বহু নতুন কথা শিকালে। বহুতো ৰোগৰ সমস্যাৰপৰাও হাত সাৰিলে। তলাবন্ধৰ সময়ত বিশ্ব স্বাস্থ্য সংস্থাই কিছুমান নিয়ম মানি চলিবলৈ উপদেশ দিছে। এই উপদেশ বা পৰামৰ্শ আখৰে আখৰে পালন কৰাত বহুতো লোকৰ বদ্ অভ্যাস কিছুমানো সলনি হ'ল। কিছুমানে কৃষিকৰ্মৰ জৰিয়তে পূৰ্বৰ চিনাকি পৰিৱেশ এটিৰ সৃষ্টি কৰিলে। বাৰীৰ শাক-পাচলিৰ আদৰ বাঢ়িল। কেৱল সেয়াই নহয়— কিছুমানে শাক-পাচলি আদিৰ নামো ভালদৰে জানিব পাৰিলে। বিদ্যালয়ৰ শিক্ষা বন্ধ হ'লেও বহুতো ব্যৱহাৰিক শিক্ষা লাভ কৰিলে। জীৱনৰ গতিপথত আগ বাঢ়ি যাবলৈ হ'লে যে কিতাপৰ জ্ঞানৰ লগতে ব্যৱহাৰিক জ্ঞানৰো প্ৰয়োজন। সেই কথা ক'ৰোনাই বহুতকে শিকালে। সামাজিক ব্যৱধানৰ গুৰুত্ব কিমান আৰু

ইয়াৰ কিয় প্ৰয়োজন— সেই বিষয়েও শিক্ষা লাভ কৰিলে। পূৰ্বে বহুতো লোকে খোৱাৰ সময়ত সদায় ব্যৱধান ৰাখি বহাৰ অভ্যাসৰ আঁৰত যে বিজ্ঞানসন্মত কাৰণ আছে— সেই কথাও উপলব্ধি কৰিলে। ঘৰৰ খাদ্যখিনি যে বেছি উপকাৰী সেই বিষয়েও সকলোৱে উপলব্ধি কৰাৰ লগতে কিছুমানে নতুন নতুন ৰেচিপি প্ৰস্তুত কৰিবলৈ শিকিলে।

কেতিয়াবা কিছুমান ঘটনা বা পৰিস্থিতিয়ে বহুতো নতুন নতুন বিষয়ৰ জ্ঞান দিয়ে। পৰম্পৰাগতভাৱে চলি অহা ধাৰণা এটাক নতুন ৰূপত উপলব্ধি কৰায়। প্ৰতিখন দেশৰ নাগৰিকৰ ক'ৰোনাৰ আতংকই বহুতো নতুন নতুন বিষয়ত মনোযোগ দিবলৈ বাধ্য কৰালে। পূৰ্বে ঘৰৰ বাহিৰত খাদ্য গ্ৰহণ কৰাৰ যি প্ৰৱণতাৰ সৃষ্টি কৰিছিল— এতিয়া তেনে প্ৰৱণতাৰ কিছু পৰিমাণে হ'লেও সলনি হ'ল। সকলোবোৰেই সলনি হ'ল।

ক'ৰোনাৰ গণসংক্ৰমণৰপৰা ৰক্ষা পাবলৈ মাস্ক পৰিধান কৰিলে। এতিয়া সকলোৱে অভ্যাসত পৰিণত হ'ল। সাজ-পোছাক পৰিধান কৰাৰ সময়ত আপোনা-আপুনি মাস্কখন বিচৰাৰ অভ্যাস গঢ়ি উঠিল। যিসকলে প্ৰায়ে মাস্ক পৰিধান কৰিবলৈ ইতস্ততঃবোধ কৰিছিল— তেওঁলোকো এতিয়া সহজ হৈ পৰিল। লজ্জাবোধ এৰি জীৱন ৰক্ষাৰ যুঁজৰ বাবে মাস্ক পৰিধান কৰিব লাগে বুলি অনুভৱ কৰিলে। সকলোৱে প্ৰয়োজনত যিকোনো কাম কৰিব পাৰে আৰু কৰিবলৈও নতুন নতুন পথৰ সন্ধান কৰে। এতিয়া সামাজিক দূৰত্ব বৰ্তাই ৰাখি সমাজত চলা-ফুৰা কৰাটো অভ্যাসত পৰিণত হ'ল। সমান্তৰালভাৱে মাস্ক পৰিধানৰ অভ্যাস গঢ়ি উঠিল। পিছে ইমানৰ পাছতো আমাৰ ৰাজ্যখনত ইয়াৰ বিপৰীত ছবি এখন দেখিবলৈ পোৱা যায়। সকলোবোৰ অভ্যাস গঢ়ি উঠিছে যদিও আজিলৈকে বহুতো লোকে ৰাজহুৱা ঠাই পৰিষ্কাৰ কৰি ৰখাৰ অভ্যাস গঢ়িব নোৱাৰিলে। ৰাজহুৱা ঠাইখনো যে নিজৰ অধিকাৰৰ থকা ঠাই হ'ব পাৰে সেই কথা প্ৰায়সংখ্যক লোকেই নাভাবে। এতিয়াও ৰাজহুৱা স্থান, অনুষ্ঠান-প্ৰতিষ্ঠান আদিত থু-খেকাৰ, তামোল-গুট্খা খাই পিক আদি পেলায়। পৰিষ্কাৰ কৰি ৰখা পথৰ উপৰি ধৰ্মীয় অনুষ্ঠান, শিক্ষানুষ্ঠান, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদিৰ চৌহদ লেতেৰা কৰাটো কিছুমান লোকৰ অভ্যাস। যিসকলে ৰাজহুৱা স্থানত থু-খেকাৰ, পিক আদি পেলাই তেওঁলোকে এবাৰো ভাবি

নাচাই যে সেইবোৰত বিভিন্ন ৰোগৰ বীজাণু থাকিব পাৰে। এজনে পেলোৱা থু-খেকাৰ, পিক আদিৰপৰা হেজাৰ হেজাৰ লোকৰ অসুখ হ'ব পাৰে। তেতিয়া সমাজৰ কিমান অপকাৰ হ'ব পাৰে— এবাৰ ভাবি চাওকচোন। এজনৰ অসুখ মানে এটা পৰিয়ালৰ লোকসকলৰ উদ্বেগ বৃদ্ধি। তদুপৰি কৰ্মঠ লোকসকল যদি বেমাৰত পৰে— তেতিয়া সমাজৰ লগতে দেশৰো বহুত ক্ষতি সাধন হ'ব। আনকি দেশ এখনে প্ৰগতিৰ পথতো বাধাৰ সৃষ্টি হয়। নিজৰ লগতে সমাজৰ আন দহজন লোকৰ ক্ষতি সাধন হ'ব পৰা যিকোনো কাম কৰাৰপৰা সকলোৱে আঁতৰি থকা উচিত। আনৰ অপকাৰ হ'ব বুলি ভাবিয়ে যদি এনে কাম কৰে তেনেহ'লে তেনে লোকে শাস্তি পোৱাৰ যোগ্য।

আমি সকলোৱে সু-সভ্য সমাজৰ সদস্য বুলি গৌৰৱ অনুভৱ কৰো। মানৱ জাতিয়ে আজি উন্নতিৰ জখলাত বগোৱা বুলি কোৱা হয় যদিও এতিয়াও পিছে বহুতো লোকে আদিম মানৱৰ দৰেই কাম কৰি আছে। শিক্ষা-দীক্ষাৰে আগ বঢ়াৰ পাছতো পথৰ কাষত থুই পেলোৱা, তামোল, গুট্‌খা খাই পিক পেলোৱা আদি অভ্যাস ত্যাগ কৰিব নোৱাৰাটো চৰম লজ্জাজনক বিষয়। ক'ৰোনাৰ গণসংক্ৰমণৰ আতংকই সকলোৰে অভ্যাস তথা জীৱন যাপনৰ গতিপথ সলনি কৰিলেও বহুতো লোকৰ এনেধৰণৰ বদ্ অভ্যাস সলনি কৰিব নোৱাৰিলে। সকলোৱে এইক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰা উচিত।

# সীমান্তত উত্তেজনা সৃষ্টিৰে ভাৰতক উদ্বিগ্ন কৰিব খোজে চীনে

ক'ৰোনা ভাইৰাছ বিয়পোৱাৰ অপবাদৰপৰা মুক্ত পাবলৈ এইবাৰ চীনে বিশ্বাবাসীৰ দৃষ্টি আঁতৰাবলৈ গ্ৰহণ কৰিছে নতুন কৌশল। মহামাৰী ক'ৰোনা ভাইৰাছ চীনৰপৰাই সৃষ্টি হোৱা বুলি বিশ্বৰ কে'বাখনো দেশে অভিযোগ উত্থাপন কৰাৰ পাছত বিশ্বৰ মানচিত্ৰত চীন প্ৰায় এঘৰীয়া হৈ পৰে। মাত্ৰ পাকিস্তানৰ লগতে দুই-এখন দেশে চীনক প্ৰতিটো ক্ষেত্ৰত সহযোগ কৰি আহিছে। পাকিস্তানে ভাৰতৰ বিৰুদ্ধে যুঁজত সদায় পৰাস্ত হৈ চীনৰ পক্ষত থিয় দিছে। পাকিস্তানেও বিচাৰে চীনে ভাৰতক আক্ৰমণ কৰক। এইবাৰ যেন চীনেও ক'ৰোনাৰ অপবাদ আঁতৰ কৰিবলৈ বাছি লৈছে ভাৰত-চীনৰ প্ৰকৃত নিয়ন্ত্ৰণৰেখা। কাৰণ চীনে এতিয়া বিশ্ববাসীৰ সন্মুখত নিজৰ দুৰ্বলতাসমূহ এফালৰপৰা প্ৰকট কৰিব ধৰিছে। দুয়োখন দেশৰ মাজত সীমা বিবাদ চলি থকাৰ মাজতে

লাডাখত ৰক্তাক্ত সংঘৰ্ষ হ'ল। ভাৰতৰ বিশজনকৈ সেনা ছহিদ হ'ল। ইয়াৰ বিপৰীতে চীনৰ সৈন্য হতাহত হৈছে আৰু তথ্য প্ৰকাশ কৰা হোৱা নাই। অৱশ্যে কমিউনিষ্ট ৰাষ্ট্ৰৰ প্ৰধানসকলে কেতিয়াও প্ৰকৃত তথ্য নিদিয়ে। এইটো এইবোৰ দেশৰ প্ৰধানসকলৰ প্ৰকৃতি। ভাৰত-চীনৰ প্ৰকৃত নিয়ন্ত্ৰণৰেখাৰ গালৱানত দুয়োখন দেশৰ সেনাৰ মাজত হোৱা সংঘৰ্ষত হতাহতৰ প্ৰকৃত তথ্য প্ৰকাশ নহ'লেও এটা কথা স্পষ্ট হৈ পৰিছে যে সীমান্ত এতিয়া উত্তপ্ত। সুপ্ত জ্বালামুখী যেন লাহে লাহে উদ্‌গিৰণ হোৱাৰ উপক্ৰম ঘটিছে। উভয় পক্ষৰ ব্ৰিগেডিয়াৰ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হোৱাৰ সময়তে লাডাখৰ গালৱান উপত্যকাত এই কাণ্ড সংঘটিত হোৱাৰ আঁৰত চীনৰ পৰিকল্পতা প্ৰকট কৰিছে। চীনৰ পৰিকল্পনা কি সেয়া এতিয়া আৰু বিশ্ববাসীয়ে নজনাকৈ থকা নাই। কেৱল ব্যৱসায়িক স্বাৰ্থ সিদ্ধিৰ বাবে চীনে যিকোনো কাম কৰিব পাৰে। বিশ্ববাসীক মহাসংকটৰ মাজলৈ ঠেলি দিয়া চীনে এতিয়া শক্তি প্ৰদৰ্শনৰ বাবে উঠি-পৰি লাগিছে। দক্ষিণ ভাৰত মহাসাগৰত আমেৰিকাৰ স'তে শীতল যুঁজত অৱতীৰ্ণ হোৱা চীনে এইবাৰ ভাৰতৰ ভূমি দখলৰ বাবে বিভিন্ন প্ৰকাৰে চেষ্টা চলাইছে। ইপিনে, নেপালক উচটনি দি চীনে ভাৰতক অস্থিৰ কৰিবলৈ চেষ্টা চলাইছে। ভাৰত-নেপাল সীমান্তত কাঠমাণ্ডুৱে এশটা সেনা চকী নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে এই অঞ্চলত নেপালৰ এশ একৈশটা সেনা চকী আছেই। যিখন নেপালে কেইবছৰমান আগলৈকে ভাৰতৰ সৈতে সু-সম্পৰ্ক ৰক্ষা কৰি আহিছিল— সেইখন দেশে আজি ভাৰতক প্ৰত্যাহ্বান জনাবলৈ কঁকালত টঙালি বান্ধিছে। অথচ নেপালৰ ভাৰতৰ বিৰুদ্ধে এদিন যুঁজত অৱতীৰ্ণ হ'ব পৰাকৈয়ে অস্ত্ৰ-শস্ত্ৰ নাই। চীনে নেপালক সকলো প্ৰকাৰে সহায়-সহযোগিতা কৰিবলৈ হয়তো গোপনে পৰিকল্পনা ৰচনা কৰিছে। ভাৰত-নেপাল সীমান্তত যদি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈ থাকে— তেনেহ'লে ইয়াৰ সুযোগ গ্ৰহণ কৰিব চীনে। ইপিনে, পাকিস্তানেও বিচাৰিছে ভাৰতৰ বিৰুদ্ধে প্ৰত্যক্ষ যুঁজত অৱতীৰ্ণ হওক চীনে। সেইবাবেই হয়তো পাকিস্তানে পূৰ্বতেই চীনক পাকিস্তান অধিকৃত হেজাৰ বৰ্গমাইল ভূমি উপহাৰ দিছে। ১৯৬২ চনৰ চীন-ভাৰতৰ যুদ্ধৰ সময়ত জম্মু-কাশ্মীৰৰ ভূমি পাকিস্তানে চীনক উপহাৰ দিয়ে। চীনা-পাক চুক্তি অনুসৰি চীনে পাকিস্তানক ১৯৪২ বৰ্গ কিলোমিটাৰ

ভূমি ব্যৱহাৰৰ বাবে অনুমতি প্ৰদান কৰে। ইয়াৰ বিপৰীতে পাকিস্তানে কাশ্মীৰৰ হেজাৰ বৰ্গমাইল ভূমি চীনৰ হাতত অৰ্পণ কৰে। কিন্তু ভাৰতে এই চুক্তিখনক বৈধতা প্ৰদান কৰা নাই। কাৰণ ভাৰতৰ ভূমিহে পাকিস্তানে চীনৰ হাতত অৰ্পণ কৰিছে। চীনে ১৯৫০ চনতে 'অক্ষয় চীন'ৰদ্বাৰা লাডাখৰ উত্তৰ-পূৰ্বাঞ্চলত পথ নিৰ্মাণৰ কাম আৰম্ভ কৰে। এইটো পথেই এতিয়া ২১৯ ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে পৰিচিত। ১৯৬২ চনৰ ভাৰত-চীনৰ যুদ্ধৰ সময়ৰেপৰাই দেশখনে ভাৰতৰ ভৌগোলিক মানচিত্ৰখন সলনি কৰিবলৈ উঠি-পৰি লাগিছে। কিছুবছৰ পূৰ্বে বেইজিঙে ভাৰতৰ অৰুণাচল প্ৰদেশক চীনৰ মানচিত্ৰত অন্তৰ্ভুক্ত কৰিছিল। ভাৰতে ইয়াৰ প্ৰতিবাদ জনোৱাত পৰৱৰ্তী সময়ত যদিও বিষয়টোৰ ক্ষেত্ৰত চীনে মূৰ-পোলোকা মাৰিলে, তথাপি অৰুণাচল প্ৰদেশ দখলৰ বাবেও অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

চীনৰ ৰণনীতি বুজা কঠিন। মিত্ৰৰ ৰূপত আহি ছুৰীৰে শৰীৰ ৰক্তাক্ত কৰাৰ ৰণনীতি হ'ল চীনৰ। শেহতীয়া গালৱানৰ সংঘৰ্ষই ইয়াৰেই ইংগিত বহন কৰিছে। চীনে বিচাৰে ভাৰতৰ পক্ষৰপৰাই প্ৰথমে গুলী চলাওক। তেতিয়া বিশ্বৰ আন দেশৰপৰা সমৰ্থন লৈ চীনে ভাৰতৰ বিৰুদ্ধে সৰ্বশক্তি প্ৰয়োগ কৰি যুঁজত নামিব। ভাৰতে কিন্তু এই ভুল কৰিব খোজা নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবুলি উল্লেখ কৰিছে যে যদিও ভাৰতে চুবুৰীয়া ৰাষ্ট্ৰৰ স'তে শান্তিপূৰ্ণ সহাৱস্থান বিচাৰে, তথাপি কোনো দেশে যদি ভাৰতৰ সাৰ্বভৌমত্বত আঘাত হানে তেনেহ'লে ইয়াৰ প্ৰত্যুত্তৰ দিব। ভাৰতে এতিয়া আন্তৰ্জাতিক মঞ্চত চীনক এঘৰীয়া কৰি ইয়াৰ সুযোগ ল'বলৈহে পৰিকল্পনা কৰিছে। চীনৰপৰা বহুতো কোম্পানীয়ে ব্যৱসায় এৰি ভাৰতত ব্যৱসায় চলাবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত চীন জাঙুৰ খাই উঠিছে। চীনৰ অৰ্থনৈতিক ক্ষেত্ৰত ইয়াৰ ফলত সুদূৰ প্ৰসাৰী প্ৰভাৱ পৰাৰ আশংকা আছে। ভাৰতে এতিয়া চুবুৰীয়া ৰাষ্ট্ৰৰ প্ৰত্যক্ষ বিনিয়োগ বন্ধ কৰাত চীন বিপাঙত পৰিছে। ভাৰতৰ দৰে এখন বিশাল বজাৰ চীনে এৰিবও খোজা নাই। গতিকে চীনে ভাৰতৰ স'তে প্ৰত্যক্ষভাৱে যুঁজত অৱতীৰ্ণ হোৱাতকৈ সীমান্তত উত্তেজনা অব্যাহত ৰাখি ভাৰতক উদ্বিগ্ন কৰি ৰাখিব বিচাৰিছে। পিছে ভাৰত সম্পূৰ্ণৰূপে যুঁজৰ বাবে সাজু। প্ৰয়োজন হ'লে বেইজিঙলৈ নিক্ষেপ কৰিব ক্ষেপনাস্ত্ৰ।

# চীনে ভাৰতৰ বিৰুদ্ধে যুদ্ধ নকৰাৰ আঁৰত

চীন হ'ল বেপাৰী দেশ। য'ত বেপাৰ ভাল হয় অথবা সুচল পথৰ সন্ধান লাভ কৰে— তাতেই নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ চেষ্টা চলায়। অৱশ্যে ইয়াৰ বাবে চীনে সুযোগ পোৱাৰ মূলতে হ'ল বিশ্বৰ আটাইতকৈ কম মূল্যত সামগ্ৰী উৎপাদন কৰিব পৰাৰ ক্ষমতা। চীনৰ তুলনাত বিশ্বৰ আন দেশসমূহত যিকোনো সামগ্ৰীৰ উৎপাদত ব্যয় বেছি হয়। সেইবাবে বিশ্বৰ প্ৰায়সংখ্যক দেশেই চীনৰপৰা সামগ্ৰী আমদানি কৰিবলৈ আগ্ৰহী। বহুতো বহুজাতিক কোম্পানীয়ে চীনত সামগ্ৰী উৎপাদনৰ বাবে গঢ়ি তুলিছে বৃহৎ বৃহৎ উদ্যোগ। গুণগত মান আন দেশত উৎপাদিত সামগ্ৰীৰ তুলনাত যথেষ্ট নিম্নমানৰ হয় যদিও সস্তাতে বিক্ৰী কৰিব পৰা বাবে চীনা সামগ্ৰীৰ চাহিদা বেছি।

সাধাৰণতে ক্ৰেতাসকলে বজাৰৰপৰা আটাইতকৈ

কম দামৰ সামগ্ৰীটোহে ক্ৰয় কৰিবলৈ আগ্ৰহী। নিজৰ দেশত উৎপাদিত ভাল সামগ্ৰীক একাষৰীয়া কৰিয়েই চীনা সামগ্ৰী কিনিবলৈ হেতা-ওপৰা কৰা লোকৰ সংখ্যাও কম নহ'ব।

চীনৰপৰা ভাৰতলৈ অতি কমেও তিনি হাজাৰবিধ পণ্য সামগ্ৰী আমদানি কৰা হয়। বিভিন্ন ধৰণৰ পোছাক, হাউছৱেৰ, লাগেজ, হেণ্ড বেগ, জোতা-চেণ্ডেল, কছমেটিক, ইলেক্ট্ৰনিকছৰ উপৰি বিভিন্ন ধৰণৰ সামগ্ৰী আমদানি কৰা হয়। চীনে বছৰি ভাৰতৰপৰা অতি কমেও পাঁচ লাখ পঁচিছ হাজাৰ কোটি টকাৰ পণ্য সামগ্ৰী ক্ৰয় কৰে। 'দ্য কনফেডাৰেছন অৱ অল ইণ্ডিয়া ট্ৰেডাৰ্ছ'ৰদ্বাৰা প্ৰকাশিত এনে তথ্যই এটা কথা স্পষ্ট কৰি দিয়ে যে ভাৰত-চীনৰ মাজত সীমা বিবাদক লৈ যিমানেই উত্তেজনা নহওক কিয়— চীনে বছৰি ভাৰতৰপৰা এক বৃহৎ পৰিমাণৰ ধন ব্যৱসায়ৰদ্বাৰা লাভ কৰি আহিছে। সেইবাবে চীনে ভাৰতৰ বিৰুদ্ধে আগুৱাই আহিও ক'ৰবাত যেন উভতি চাবলৈ বাধ্য হয়। সাম্প্ৰতিক পৰিস্থিতিত সকলোৰে মনত এনে এটি ভাব হয় যেন যিকোনো মুহূৰ্ততেই যুদ্ধ হ'ব। পিছে চীনে সঁচাকৈয়ে যুদ্ধত অৱতীৰ্ণ হ'বনে? নে ভাৰতে চীনা সীমান্তত কৰা উন্নয়নমূলক কাৰ্যৰ বিৰুদ্ধে শীতল মস্তিষ্কৰে কৰা প্ৰতিবাদ। এফালে নেপালক ভাৰতৰ বিৰুদ্ধে উচটনি দি, আনফালে নিজেও সীমান্তত উত্তেজনা বৃদ্ধিত ইন্ধন যোগাইছে। ইয়াৰদ্বাৰা চীনে নিজৰ চৰিত্ৰ প্ৰকট কৰিছে।

চীনে পাকিস্তান আৰু নেপালক ব্যৱহাৰ কৰাৰ আঁৰতো আছে ভূমি দখল। পাকিস্তানৰপৰা চীনে আগতেই হেজাৰ বৰ্গ কিলোমিটাৰ ভূমি লাভ কৰিছে। ইপিনে, নাথুলাৰ ভূমি দখল কৰিবলৈ পৰোক্ষভাৱে সহায়ৰ হাত আগ বঢ়োৱাৰ আশাৰেই এতিয়া নেপালৰ স'তে বন্ধুত্ব কৰিছে। ১৯৬৩ চনত চীন আৰু পাকিস্তানৰ মাজত সম্পাদিত চীন-পাকিস্তান চুক্তি (চীনা-পাকিস্তান ফ্ৰণ্টিয়াৰ এগ্ৰিমেণ্ট আৰু চীন-পাকিস্তান বাউণ্ডেৰী এগ্ৰিমেণ্ট হিচাপেও জনাজাত) অনুসৰি চীনে ১৯৪২ বৰ্গ কিলোমিটাৰ ভূমি পাকিস্তানক এৰি দিয়াৰ বিপৰীতে পাকিস্তানে চীনৰ সাৰ্বভৌমত্বৰ অধিকাৰ প্ৰদান কৰি কাশ্মীৰৰ এহেজাৰ বৰ্গ কিলোমিটাৰ ভূমি এৰি দিয়ে। তেতিয়াৰেপৰাই দুয়োখন দেশৰ মাজত এটা ভাল সম্পৰ্ক চলি আহিছে।

আনহাতে, পাকিস্তানেও ভাৰতক আক্ৰমণৰ বাবে চেষ্টা চলাই অহা যুঁজখনত চীনক শিখণ্ডী হিচাপে ব্যৱহাৰ কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। পাকিস্তানক লাগে কাশ্মীৰ। সেইবাবে চীন-পাকিস্তানে বিগত সময়ছোৱাত ভাৰতৰ সীমান্তত বিভিন্ন ধৰণে অভিযান চলায়েই আছে যদিও বৰ্তমানলৈকে কোনো ক্ষতি সাধন কৰিব পৰা নাই।

ইপিনে, এনেধৰণৰ সুযোগ গ্ৰহণ কৰি পাকিস্তানত এখন ভাল বজাৰ সৃষ্টি কৰিলে। পাকিস্তানক আৰ্থিকভাৱে সাহায্য কৰাৰ উপৰি যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ, অসামৰিক ক্ষেত্ৰৰ বিভিন্ন সামগ্ৰী যোগান ধৰি বছৰি বৃহৎ পাকিস্তানৰ ধন আহৰণ কৰিবলৈ সক্ষম হৈছে। চীনে পাকিস্তানৰপৰা বছৰি কমেও ২০-৩০ নিযুত মাৰ্কিন ডলাৰৰ ব্যৱসায় কৰে। ইয়াৰ বিপৰীতে পাকিস্তানে মাত্ৰ ১.৮৩ বিলিয়ন মাৰ্কিন ডলাৰ লাভ কৰে। গতিকে দুয়োখন দেশৰ মাজত চলা বাণিজ্যিক ক্ষেত্ৰখনৰ তুলনাত চীনে এতিয়াও ভাৰতৰপৰা বৃহৎ পৰিমাণৰ ধনৰাশি লাভ কৰি আহিছে।

বাণিজ্যিক দিশৰপৰা চীন ক্ষতিগ্ৰস্ত হ'ব—যদিহে ভাৰতৰ বিৰুদ্ধে প্ৰত্যক্ষ সমৰত অৱতীৰ্ণ হয়। সামৰিক শক্তিৰ ক্ষেত্ৰত দুয়োখন দেশেই আগ বঢ়া। ভাৰতৰ তুলনাত চীনৰ যুদ্ধৰ সামগ্ৰী তথা অস্ত্ৰ-শস্ত্ৰ কিছু কিছু ক্ষেত্ৰত বেছি থাকিলেও ভাৰতৰ 'কালী' জাতীয় অস্ত্ৰ পিছে এতিয়াও চীনৰ বাবে শংকাৰ কাৰণ হৈ আছে।

আগতেই উল্লেখ কৰিছো যে চীন হ'ল বেপাৰী দেশ। য'ত বেপাৰ ভাল তাতেই বন্ধুত্বৰ হাত আগ বঢ়ায়। আনহাতে, গালৱান উপত্যকাত শেহতীয়াভাৱে হোৱা ৰক্তাক্ত সংঘৰ্ষৰ পাছত ভাৰতে চীনা সামগ্ৰী যিমান সম্ভৱ সিমান হ্ৰাস কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। ভাৰতে গালৱান-কাণ্ডৰ পাছত চীনৰ বিৰুদ্ধে অৰ্থনৈতিক আৰু কূটনৈতিক যুঁজ আৰম্ভ কৰিছে। সেইবাবে চীনে যিমানেই যুদ্ধৰ কথা নকওক কিয়— আৰ্থিকভাৱে লোকচান হোৱাৰ ভয়তে এতিয়া ভাৰতৰ বিৰুদ্ধে সমৰসজ্জাৰ বাবে এখোজ আগুৱাই দুখোজ পিছুৱাই যাবলৈ সক্ষম হৈছে।

আনহাতে, শেহতীয়াভাৱে আমেৰিকাৰ স'তেও চীনৰ সম্পৰ্কৰ অৱনতি ঘটিছে। বিশেষকৈ, ক'ৰোনাকেন্দ্ৰিক সংঘাতৰ বাবে দুয়োখন দেশৰ মাজত

থকা সম্পৰ্কত ঘুণে ধৰিছে। ইয়াৰ বিপৰীতে আমেৰিকাই ভাৰতৰ স’তে সম্পৰ্ক পূৰ্বৰ তুলনাত অধিক উন্নত কৰিছে। এই বিষয়টোত চীনেও নজৰ নিদিয়াকৈ থকা নাই। তদুপৰি চীনে এতিয়া ভালদৰে বুজি পাইছে যে ১৯৬২ চনৰ যুদ্ধত অৱতীৰ্ণ হোৱা ভাৰতৰ শক্তি পূৰ্বৰ তুলনাত হেজাৰগুণ বৃদ্ধি পাইছে। গতিকে চীনে ভাৰতৰ স’তে প্ৰত্যক্ষ যুদ্ধত অৱতীৰ্ণ হোৱাতকৈ সীমান্ততহে উত্তেজনা বৃদ্ধিত গুৰুত্ব দিছে। সীমান্তত ভাৰতে পথ নিৰ্মাণৰপৰা আৰম্ভ কৰি সামৰিক ঘাটি আদি স্থাপন কৰাৰ ক্ষেত্ৰত দ্ৰুতগতিত আগ বঢ়াৰ বাবে চীনে সীমান্তত আৰম্ভ কৰিছে সংঘৰ্ষ। বেপাৰী চীনৰ মহিমা বুজাই টান।

শেহতীয়াভাৱে ভাৰত চৰকাৰে চীনৰ প্ৰায় এশটা ম’বাইল এপ নিষিদ্ধ কৰিছে। দেশৰ নিৰাপত্তা নিশ্চিত কৰাৰ স্বাৰ্থত এই এপ্‌কেইটা নিষিদ্ধ কৰিছে। ইতিমধ্যে গুগলেও প্লে ষ্ট’ৰৰপৰা এপ্‌কেইটা নোহোৱা কৰিছে। আনহাতে চীনৰ কে’বাটাও বহুজাতিক প্ৰতিষ্ঠানৰ ভাৰতৰ বিভিন্ন ক্ষেত্ৰত থকা বিনিয়োগ বাতিল কৰিছে। সামৰিক যুদ্ধতকৈ অৰ্থনৈতিক সংকোচনৰ যুদ্ধৰে ভাৰতে গালৱানত চীনৰ সৈন্যৰ হাতত ছহিদ হোৱা বিশগৰাকী সেনা জোৱানক সন্মান প্ৰদৰ্শন কৰিছে। ভাৰতত চীনা কোম্পানীৰ ম’বাইলৰ বিক্ৰীও বন্ধ কৰা হৈছে। কে’বাটাও চীনা ম’বাইল বিক্ৰীত নিষেধাজ্ঞা জাৰি কৰা হৈছে। এতিয়া ভাৰতীয় কোম্পানীৰ ম’বাইল নিৰ্মাণ প্ৰতিষ্ঠানে বজাৰ দখলৰ বাবে চেষ্টা কৰিছে। এয়া ভাল লক্ষণ।

# থলুৱা সামগ্ৰীৰ প্ৰতি আগ্ৰহী হওক

আমি এতিয়া সকলোৱে স্থানীয়ভাৱে সকলোবোৰ খাদ্য সামগ্ৰী উৎপাদনৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। কাৰণ থলুৱা খাদ্য সামগ্ৰীৰ সমাদৰ সকলো ঠাইতে আছে। যদিহে খাদ্য সামগ্ৰীসমূহ বিজ্ঞানসন্মত হয় তেনেহ'লে ইয়াক সকলোৱে গ্ৰহণ কৰে। আজিকালি বিশ্বৰ প্ৰায়সংখ্যক দেশতেই প্ৰতিটো অঞ্চলৰ লোকে থলুৱা খাদ্য সামগ্ৰীৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। এনেধৰণৰ খাদ্য পৰিৱেশন আৰু উপস্থাপন সুন্দৰ আৰু আকৰ্ষণীয় হ'লে ইয়াক সকলোৱে গ্ৰহণ কৰে। কেৱল সেয়াই নহয়— আজিকালি ফেচবুক, ইণ্টাৰনেট আদিত এনেধৰণৰ খাদ্য উপস্থাপন কৰি ইয়াৰ চাহিদা বৃদ্ধি কৰিছে। এতিয়া ক'ৰোনাৰ গণসংক্ৰমণৰ বাবে বহুতো লোকে বাহিৰত খোৱা-বোৱাৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিছে। গতিকে নতুন কৌশলেৰে স্বাস্থ্যসন্মত খাদ্য যোগান ধৰাৰ কথা এতিয়া

সকলোৱে চিন্তা কৰিব লাগিব। আমাৰ ৰাজ্যতো যদি এনেধৰণৰ নতুন চিন্তা-চৰ্চা কৰা লোকৰ সংখ্যা বৃদ্ধি পায়, তেনেহ'লে নিশ্চয় সংস্থাপনৰ পথো মুকলি হ'ব। খাদ্য সামগ্ৰী বুলি ক'লে কেৱল প্ৰস্তুত কৰি থোৱা খাদ্যকে নুবুজায়। যদি থলুৱাভাৱে শাক-পাচলি, ফলমূল আদিৰ উৎপাদন বৃদ্ধি কৰি এইবোৰ বহিঃৰাজ্য বা বহিঃদেশলৈ ৰপ্তানি কৰাৰ ব্যৱস্থা কৰা হয়— তেনেহ'লে বহুতো লোকে পেটৰ ভাতমুঠি মোকলোৱাৰ সুযোগ লাভ কৰিব। আজিকালি স্বাস্থ্যসন্মত খাদ্য সম্ভাৰৰ বাবে বহুতেই বহিঃৰাজ্য অথবা বহিঃৰাষ্ট্ৰৰপৰা অৰ্ডাৰ দিয়ে। আমাৰ ৰাজ্যৰপৰাও এনেদৰে ৰপ্তানি কৰি থকা হৈছে। তেজপুৰৰ লিচুৱে আজি বিদেশত সমাদৰ লাভ কৰিছে। ৰাজ্যখনৰ বিভিন্ন ঠাইত উৎপাদিত ষ্ট্ৰবেৰী এতিয়া দেশৰ বিভিন্ন ৰাজ্যৰ লগতে বিদেশলৈ ৰপ্তানি কৰি আছে। এয়া বহুতৰেই জ্ঞাত নহয়। এতিয়া আনকি ৰঙালাউ আদিও পঠোৱা হয়। এইবোৰ কথা বহুতৰেই জ্ঞাত নহয়। এতিয়া ক'ৰোনা মহামাৰীৰ বাবে সকলোৱেই নিজ গৃহলৈ উভতিছে। গতিকে এয়াই সোণালী সুযোগ। ঘৰতে উৎপাদিত সামগ্ৰী বিশ্বদৰবাৰত প্ৰতিষ্ঠা লাভৰ বাবে চিন্তা কৰাৰ সময়। আমাৰ বাৰীৰ পিছফালে থকা কচু, শাক-পাচলি, কলফুল, মানিমুনি, টেঙা আদিও বহিঃৰাজ্য বা বহিঃৰাষ্ট্ৰলৈ ৰপ্তানি কৰিব পাৰি। এইক্ষেত্ৰত প্ৰয়োজন মাথোঁ পৰিকল্পনাৰ।

অসমত কুটীৰ শিল্পই এসময়ত সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। এতিয়াও সমাদৰ আছে। পিছে এইবোৰত লাগি থকাৰহে সময় নাই নৱ প্ৰজন্মৰ। ফুলাম জাপিৰপৰা আৰম্ভ কৰি বাঁহেৰে প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰীয়ে এতিয়াও কিছুসংখ্যক লোকৰ ঘৰ শুৱনি কৰিছে। এটা কথা ঠিক যে এনেবোৰ সামগ্ৰীৰ বজাৰ-মূল্য অলপ বেছি। বেছি হোৱাৰ মূলতে হ'ল ইয়াৰ কেঁচা সামগ্ৰী চাহিদা অনুসৰি পোৱা নাযায়। তদুপৰি এইবোৰ প্ৰস্তুত বা নিৰ্মাণ কৰোঁতে যথেষ্ট সময়ৰ প্ৰয়োজন। মহামানৱ মহাত্মা গান্ধীয়ে এসময়ত কৈছিল যে যদিহে ভাৰতীয়সকলে আত্মনিৰ্ভৰশীল হ'ব খোজে, তেনেহ'লে কুটীৰ শিল্পৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবই লাগিব। পৰাধীন ভাৰতত প্ৰায়বোৰ প্ৰদেশতেই কুটীৰ শিল্পৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। এতিয়াও কিছুমান ৰাজ্যত বহু লোকে কুটীৰ শিল্পৰ ওপৰতেই অধিক গুৰুত্ব প্ৰদান কৰি আহিছে।

গালৱান সংঘৰ্ষৰ পাছত এতিয়া সমগ্ৰ দেশতে চীনা সামগ্ৰী বৰ্জনৰ আন্দোলন আৰম্ভ হৈছে। সকলোৱে চীনা সামগ্ৰী বৰ্জনৰ বাবে সাজু। পিছে আজি আমি কিয় চীনা সামগ্ৰী বৰ্জনৰ বাবে আন্দোলন কৰিবলগীয়া হৈছে, সেয়া কোনোবাই ভাবি চাইছেনে? আমাৰ দেশত যিবোৰ কুটীৰ শিল্পৰপৰা সামগ্ৰী উৎপাদন হয়— সেইবোৰ যদি সকলোৱে ব্যৱহাৰ কৰে তেনেহ'লে চীনে আমাৰ বজাৰ দখল কৰিব পাৰিব কিয়? কম দামত পালে বুলিয়েই নিম্নমানৰ চীনা সামগ্ৰীসমূহ কিনাৰ যুক্তি থাকে বুলি মনে নধৰে। ভাৰতীয় সেনাৰ ওপৰত জঁপিয়াই পৰা চীনা সেনাক হাতে নামাৰি চীনা সামগ্ৰী বৰ্জনেৰে প্ৰত্যুত্তৰ দিয়াটোৱে আমাৰ বাবে শ্ৰেয়। পিছে আজি প্ৰায়সংখ্যক ভাৰতীয় লোক চীনা সামগ্ৰীৰ ওপৰত ইমানেই নিৰ্ভৰশীল হৈছে যে ইয়াক তৎক্ষণাৎ এৰি দিয়াটোও সম্ভৱ নহয়। সেইবাবে আমি সকলোৱে থলুৱাভাৱে উদ্যোগবোৰৰপৰা যিমান সম্ভৱ সিমান সামগ্ৰী উৎপাদনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবই লাগিব।

তলাবন্ধৰ বাবে সকলোৱে নিজ নিজ ৰাজ্যলৈ উভতিছে। গতিকে এতিয়া ঘৰতে অকামিলা হৈ বহি থকাৰ পৰিৱৰ্তে নতুন চিন্তা-চৰ্চাৰে আগ বাঢ়ি যাব লাগিব। এতিয়া এনে এখন বজাৰ সৃষ্টি কৰিবলৈ লাগিব উদ্যম আৰু দৃঢ় মানসিকতা। শিশুটিৰ হাতত চীনা পুতলা বা খেলনা সামগ্ৰী তুলি দিয়াৰ মানসিকতা আমি পৰিহাৰ কৰিব লাগিব। কাঠৰ পঢ়া টেবুলখন এৰি চীনৰপৰা আমদানি কৰা প্লাষ্টিকৰ নাইবা ফাইভাৰৰ সস্তীয়া টেবুলখনত শিশুটিক পঢ়িবলৈ দিয়াৰ আগতে এবাৰ ভাবি চাওক— ভৱিষ্যতে শিশুটিয়ে থলুৱা সামগ্ৰী ব্যৱহাৰ কৰিব নে চীনা সামগ্ৰীৰ প্ৰতি আগ্ৰহী হ'ব? সময় থাকোতেই সকলোৱে এইবোৰ বিষয়ত গুৰুত্ব প্ৰদান কৰা উচিত।

# ক'ৰোনা প্ৰতিৰোধী যুঁজৰ অক্লান্ত সৈনিকসকলৰ কথা কোনে ভাবিব

সমগ্ৰ বিশ্বতে এতিয়া চলিছে ক'ৰোনাৰ গণসংক্ৰমণ প্ৰতিৰোধৰ যুঁজ। বিশ্ববাসীয়ে বিগত কে'বামাহো ধৰি অচিন শক্তিশালী ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে। এই যুঁজখন আৰু কিমান দীঘলীয়া হ'ব তাৰ হিচাপ নাই। মাথোঁ ঢাল-তৰোৱাল নোহোৱা নিধিৰাম চৰ্দাৰৰ দৰে হৈছে। কাৰণ বিশ্ববাসীয়ে এইবিধ ভাইৰাছৰ গণসংক্ৰমণৰপৰা পৰিত্ৰাণ পাবলৈ বিচাৰি পোৱা নাই ঔষধ অথবা প্ৰতিষেধক। মাথোঁ পৰীক্ষা-নিৰীক্ষাৰ জৰিয়তেহে অপেক্ষা কৰি আছে। অৱশ্যে পৰীক্ষা-নিৰীক্ষাও দ্ৰুতগতিত চলিছে। আমেৰিকা, ইংলেণ্ড, ৰাছিয়া, ফ্ৰান্স আদি দেশৰ লগতে ভাৰতৰো কে'বাটাও প্ৰতিষ্ঠানে ক'ৰোনা ভাইৰাছৰ ঔষধ আৱিষ্কাৰৰ কামত দিবা-নৈশ ব্যস্ত আছে। আমাৰ দেশৰ লগতে বিদেশৰো বহুকেইটা প্ৰতিষ্ঠানে ঔষধ আৱিষ্কাৰৰ ক্ষেত্ৰত শেষ পৰ্যায়ত উপনীত হৈছে। ইয়াৰ মাজতো পিছে একাংশ লোক দিনে-নিশাই ৰোগীৰ পৰিচৰ্যাত ব্যস্ত হৈ পৰিছে। নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰিও লাখ লাখ চিকিৎসক, নাৰ্ছ, চিকিৎসাকৰ্মী ব্যস্ত আছে ক'ৰোনাবিৰোধী অভিযানত। এই অভিযানত আগ বাঢ়ি যাওঁতে বহুতে আকৌ ক'ভিড- ১৯ৰদ্বাৰা আক্ৰান্ত হ'বলগীয়াও হৈছে। ইতিমধ্যে বহুতো চিকিৎসক, নাৰ্ছ তথা চিকিৎসাকৰ্মীৰ মৃত্যুও হৈছে। একেই অসহায় অৱস্থা।

চিকিৎসক, নাৰ্ছ, চিকিৎসাকৰ্মী তথা জৰুৰীকালীন সেৱাত জড়িত লোকসকলো মানুহ। গতিকে আন দহগৰাকী লোকৰ দৰে তেওঁলোকে ক'ভিড- ১৯ৰদ্বাৰা সংক্ৰমিত হ'ব পাৰে। ৰোগীক সেৱা আগ বঢ়োৱা

মানসিকতাৰে এইসকল ব্যক্তিয়ে বিগত কে'বামাহো ধৰি এনেদৰে এক নির্দিষ্ট পৰিসৰৰ মাজত থাকি কর্তব্য সম্পাদন কৰি আছে। এনেদৰে কর্তব্য সম্পাদন কৰিবলৈ যাওঁতে একাংশ লোকে আনকি চিকিৎসক, নার্ছ, চিকিৎসাকর্মী তথা জৰুৰীকালীন সেৱাত জড়িত লোকক প্ৰহাৰ কৰাৰ ঘটনাও সংঘটিত হৈছে। ৰাইজক সহায় কৰিবলৈ গৈ এনেদৰে অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হোৱাৰ পাছতো নিজ কর্তব্য সুচাৰুৰূপে পালন কৰিছে। কর্তব্য পালনত অলপো ত্ৰুটি কৰা নাই। এনেদৰে নিজৰ জীৱনকো তুচ্ছ কৰি সেৱা আগ বঢ়োৱা লোকসকলৰ বিষয়ে পিছে আমি ভাবি নাচাওঁ।

চিকিৎসক, নার্ছ, চিকিৎসাকর্মী তথা জৰুৰীকালীন সেৱাত জড়িত লোকসকলৰ দুখ-দুর্গতিৰ কথা উপলব্ধি নকৰো। ইয়াৰ বিপৰীতে একাংশ শিক্ষিত লোকেই এতিয়া চিকিৎসক, নার্ছ, স্বাস্থ্যকর্মী আদিক ভাৰাঘৰ খালী কৰিবলৈ হেঁচা প্ৰয়োগ কৰিছে। কিছুমানে আকৌ তর্কযুদ্ধত লিপ্ত হৈছে। যিসময়ত তেওঁলোকক সকলোৱে প্ৰতিটো ক্ষেত্ৰতেই সহায়ৰ হাত আগ বঢ়োৱা উচিত— সেই সময়ত এই লোকসকলক ঘৰ ভাৰা দিবলৈ অমান্তি হোৱা আৰু ভাৰাঘৰ খালী কৰিবলৈ দিয়াটো মানৱতাবিৰোধী কথা। কেৱল ডাঙৰ ডাঙৰ কথা কৈ থাকিলে নহ'ব— সেইবোৰ বাস্তৱ ক্ষেত্ৰত ফলপ্ৰসূ হোৱাটোহে আচল কথা। আমি ক'ৰোনা মহামাৰীৰ বিৰুদ্ধে যুঁজ দিবলৈ চিকিৎসক, নার্ছ, স্বাস্থ্যকর্মীক উৎসাহ যোগাব লাগিব আৰু বহুতে যোগায়ো আছে। তেনে সময়ত যদি তেওঁলোকক থাকিবলৈ ভাৰাঘৰ এটি দিবলৈ অমান্তি হয়— তেনেহ'লে পৰৱর্তী সময়ত কোনো লোকে এনে সেৱাৰ বাবে আগ বাঢ়ি নাহিব।

বিপদৰ সময়ত সকলোৱে মাৰ বান্ধি থিয় হ'ব লাগিব। তাকে নকৰি যদি এজনে আনজনক কেৱল সমালোচনা কৰি থাকো বা ফালৰি কাটি থকাৰ মনোভাব গ্ৰহণ কৰো— তেনেহ'লে সমস্যা সকলোৰে বাবেই সৃষ্টি হ'ব। ক'ৰোনাৰ সংগ্ৰামখনত যিকোনো আগ বাঢ়ি আহিছে আৰু একেৰাহে সাত-আঠ ঘণ্টা একো নোখোৱা-নোশোৱাকৈ কাম কৰি আছে— তেওঁলোকক সকলোৱে উৎসাহিত কৰা উচিত। দুর্ব্যৱহাৰ নকৰি হাঁহিমুখে তেওঁলোকৰো খবৰ সোধক। ভাল পাব। মনত উৎসাহ যোগাব। বিপদত পৰিছে যদি সহায় কৰক। ভাৰাঘৰৰপৰা উলিয়াই দিয়া বা ঘৰ দিবলৈ অস্বীকাৰ নকৰি সম্ভাষণ জনাওক। তেতিয়াহে আপুনিও জীয়াই থাকিব।

# বাতৰি কাকত, আলোচনী আৰু তলাবন্ধ

ক'ৰোনা মহামাৰীৰ গণসংক্ৰমণ ৰোধৰ বাবে সমগ্ৰ বিশ্বৰ লগতে ভাৰততো দিয়া লক্‌ডাউন অৰ্থাৎ তলাবন্ধই আমাক বহু পৰিমাণে পিছুৱাই লৈ গ'ল। আন বহু মাধ্যমৰ লগতে ধ্বংসৰ মুখলৈ ঠেলি দিলে ছপা মাধ্যমকো। গুটেইনবাৰ্গে ছপাশাল উদ্ভাৱন কৰাৰ পাছত বিশ্বত ছপা মাধ্যমত হোৱা চৰম বিপৰ্যয় হয়তো ইয়াৰ পূৰ্বে কেতিয়াও হোৱা নাছিল। সমগ্ৰ বিশ্বতেই ক'ৰোনাৰ গণসংক্ৰমণ ৰোধৰ বাবে সৃষ্টি হোৱা তলাবন্ধৰ প্ৰভাৱ ছপামাধ্যমৰ ওপৰত যিদৰে পৰিল তাৰ বাবে বহুতো দৈনিক বাতৰি কাকত, সাপ্তাহিক কাকত, আলোচনীৰ প্ৰকাশ বন্ধ হ'ল। বহুতো কাকত-আলোচনীয়ে সংগ্ৰামৰ মাজেদি জীয়াই আছে। কিমান দিন জীয়াই ৰাখিব পাৰিব— সেয়া বৰ্তমান

পৰিস্থিতিত কোনোৱে ন-দি ক’ব নোৱাৰে। সকলোৰে সন্মুখত আহি পৰিছে প্রত্যাহ্বান। কেৱল প্রকাশক বা মালিক গোষ্ঠীৰ বাবেই নহয়— ইয়াৰ সৈতে জড়িত হাজাৰ হাজাৰ লোকৰ জীৱন-জীৱিকাৰ প্রতিও সৃষ্টি কৰিছে বৃহৎ প্রত্যাহ্বান।

বাতৰি কাকত, আলোচনী আদি স্থায়ী গ্রাহকে যিমান ক্রয় কৰে— অস্থায়ী গ্রাহকে তাতোকৈ বেছি সংগ্রহ কৰে। অর্থাৎ দৈনিক কাকত এখন প্রতিগৰাকী গ্রাহকৰ ঘৰত উপলব্ধ হোৱাৰ উপৰি বজাৰ-সমাৰ, ফুৰিবলৈ অহা, অফিচ-কাছাৰীলৈ অহা লোক আৰু আড্ডা মৰা লোকে নিতৌ ক্রয় কৰে। ফলত বিক্রী বৃদ্ধি পায়। আলোচনীৰ ক্ষেত্রতো দেখা যায় যে বহুতো লোকে কিতাপৰ দোকানলৈ গ’লে অথবা ফুৰিবলৈ গ’লে সময় অতিবাহিত কৰিবলৈ ক্রয় কৰে। তলাবন্ধৰ ফলত কোনো লোক ঘৰৰ বাহিৰলৈ ওলাব পৰা নাই। যিসকল ওলাই আহিছে কেৱল অত্যাৱশ্যকীয় সামগ্রীহে সংগ্রহ কৰিছে। কাৰণ ইয়াৰ বিকল্প নাই। ইয়াৰ মাজতে কোনোবাই ওলাই আহিলেও তেওঁ বাতৰি কাকত বা আলোচনী ক্রয় কৰাত গুৰুত্ব দিয়া নাই, প্রয়োজনীয় (অত্যাৱশ্যকীয়) সামগ্রীহে পাইছে নে নাই তাতহে গুৰুত্ব প্রদান কৰিছে।

তদুপৰি ক’ৰোনাৰ বাবে এতিয়া প্রায়সংখ্যক লোকেই মানসিকভাৱে ভাগি পৰিছে। সন্মুখত যেন অন্ধকাৰ ভৱিষ্যৎ। ভৱিষ্যতে কি খাব, কি পিন্ধিব ইত্যাদি ইত্যাদি। যিসকলে বাতৰি কাকত, আলোচনী আদি পঢ়াত মনোযোগ দিয়ে এতিয়া তেনে প্রায়সংখ্যক লোকৰে আৰ্থিক সমস্যা। এখন আলোচনী ক্রয় কৰাতকৈ দুই কিলোগ্রাম চাউলহে কিনিব। এনে মানসিকতাৰো সৃষ্টি হৈছে। উপায়ো নাই। কাৰণ ক’ৰোনাবিৰোধী যুঁজখনৰ কেতিয়া অন্ত পৰিব সেই কথা কোনেও ক’ব নোৱাৰে। ক’ৰোনা মহামাৰী নিৰ্মূলৰ বাবে ঔষধ বা প্রতিষেধক আৱিষ্কাৰ হ’লেহে আমি পৰিত্ৰাণ পাম। ২০২১ চনত ঔষধ আৱিষ্কাৰৰ নিশ্চিতি কোনো এখন দেশে দিব পৰা নাই। আনহাতে বিশ্ব স্বাস্থ্য সংস্থাই মেলেৰিয়া, ডায়েৰিয়া, জাপানীজ এনকেফেলাইটিছ আদিৰ দৰেই আমাৰ জীৱনৰ লগত থাকি যাব বুলি উল্লেখ কৰা কথাই বিশ্ববাসীক চিন্তান্বিত নকৰাকৈ থকা নাই। কাৰণ আন মহামাৰীতকৈ ক’ৰোনা মহামাৰীৰ লক্ষণ বেলেগ। আন মহামাৰী এজনৰপৰা আন এজনলৈ সংক্ৰমণ নহয়। এই

মহামাৰী এজন ব্যক্তিৰ হ'লে— তেওঁৰ সংস্পৰ্শলৈ অহা লোকসকলো আক্ৰান্ত হয়। ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে সামাজিক দূৰত্ব বৰ্তাই ৰাখিব লাগিব। এটা পৰিয়ালত বহুতো সদস্য থাকে। পৰিয়ালৰ প্ৰতিজনৰে সংস্পৰ্শ নোহোৱাকৈ নাথাকে। প্ৰতি মুহূৰ্ততে মাস্ক পিন্ধি থকাটোও কষ্টকৰ। শ্বাস-প্ৰশ্বাসত কষ্ট হয়।

আনহাতে বাতৰি কাকত, আলোচনী আদিৰ প্ৰচলন অব্যাহত ৰখাৰ ক্ষেত্ৰত বিজ্ঞাপনৰ ভূমিকা গুৰুত্বপূৰ্ণ। বিগত চাৰি-পাঁচ মাহ সমগ্ৰ বিশ্বত সৃষ্টি হোৱা মন্দাৱস্থাৰ বাবে কোম্পানীসমূহেও এতিয়া বিজ্ঞাপন দিবলৈ অপাৰগ। আনকি বহুতো কোম্পানীয়ে অতিসম্প্ৰতি বিজ্ঞাপনৰ কথাতো বাদেই— বহুতো কৰ্মচাৰীক বৰ্খাস্ত কৰিবলগীয়া পৰিস্থিতিৰহে সৃষ্টি হৈছে। আনহাতে, বিভিন্ন চৰকাৰী বিভাগৰ বিজ্ঞাপন আদিও হ্ৰাস কৰিছে সাম্প্ৰতিক পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ। ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়েও মাজে-সময়ে যিবোৰ বিজ্ঞাপন দিছিল সেইবোৰ বন্ধপ্ৰায় হ'ল। গতিকে এতিয়া বিজ্ঞাপন অবিহনে বাতৰি কাকত আৰু আলোচনী এখনে কিমান দিন বৰ্তি থাকিব সেয়াও সকলোৰে বাবে লাখটকীয়া প্ৰশ্ন হৈছে। কিছুমানে আকৌ মাজতে বাতৰি কাকত আদিৰ জৰিয়তে ভাইৰাছবিধ বিয়পে বুলি ভুৱা প্ৰচাৰ চলোৱাত একাংশ লোকে কাকত-আলোচনী আদি পঢ়িবলৈ বাদ দিলে। এইবোৰ প্ৰত্যাহ্বান নেওচি বাতৰি কাকত, আলোচনী আদি কিমান দিন প্ৰকাশ পাই থাকিব সেই প্ৰশ্নৰ উত্তৰ এতিয়া কাৰোৰে হাতত নাই।

# খাদ্য সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিৰ বাবে কেৱল ফাঁচীবজাৰেই দায়ীনে?

তলাবন্ধৰ সুযোগ লৈ একাংশ ব্যৱসায়ীয়ে যিদৰে মূল্যবৃদ্ধি কৰিলে সেয়া কল্পনাতীত। যিটো বস্তুৰ দাম তলাবন্ধ ঘোষণা কৰাৰ আগমুহূৰ্তলৈ ১০ টকা আছিল— সেই বস্তুটো দুই-তিনি ঘণ্টাৰ ভিতৰত ৫০-৬০ টকা হ'ল। চকুৰ পচাৰতেই যেন বানপানীৰ দৰে মূল্যবৃদ্ধি হ'ল। অত্যাৱশ্যকীয় খাদ্যসামগ্ৰীৰ মূল্যবৃদ্ধি হোৱাত বহুতো লোকে সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। চাউল, দাইল, কণী, আলু, পিঁয়াজৰ দাম সৰ্বাধিক হ'ল। এক কিলোগ্ৰামত ২৫-৩০ টকাৰ আলু মহানগৰীৰ ঠায়ে ঠায়ে ১০০ টকা পৰ্যন্ত হ'ল। ইয়াকে লৈ সামাজিক মাধ্যমৰপৰা আৰম্ভ কৰি সংবাদ মাধ্যমলৈকে সকলোৱে ইয়াৰ সমস্ত অপবাদ জাপি দিলে ফাঁচীবজাৰৰ ব্যৱসায়ীৰ ওপৰত। সংবাদ মাধ্যমত এনেদৰে প্ৰচাৰ কৰা হ'ল যে দুই-তিনি ঘণ্টাৰ ভিতৰত যেন খুচুৰা বিক্ৰেতাকো চৰা দামত বস্তু বিক্ৰী

কৰিবলৈ ফাঁচীবজাৰৰ ব্যৱসায়ীয়েই নিৰ্দেশ দিছে। সকলোৰে লক্ষ্য ফাঁচীবজাৰ। পিছে কোনোবাই এবাৰলৈ হ'লেও ভাবি চাইছেনে— খুচুৰা বজাৰত দুই-তিনি ঘণ্টাৰ ভিতৰত বস্তুৰ দাম হোৰা-হোৰে বৃদ্ধিৰ ক্ষেত্ৰত ফাঁচীবজাৰৰ ব্যৱসায়ীৰ হাত থাকিব পাৰে নে নোৱাৰে? খুচুৰা বিক্ৰেতাসকলে মাত্ৰ দুঘণ্টাৰ ভিতৰতে ফাঁচীবজাৰৰপৰা অধিক দামত ক্ৰয় কৰি সেয়া মহানগৰীৰ অন্য স্থানত বিক্ৰী কৰটো সম্ভৱনে? খুচুৰা বিক্ৰেতাই যিদৰে অধিক মূল্যত বস্তু বিক্ৰী কৰিছে, তেনেদৰে সঁচাকৈয়ে ফাঁচীবজাৰৰ ব্যৱসায়ীসকলে মূল্যবৃদ্ধি কৰিছেনে? ফাঁচীবজাৰৰ পাইকাৰী মূল্য আৰু খুচুৰা মূল্যৰ মাজত ইমান আকাশ-পাতাল পাৰ্থক্য হ'ব পাৰেনে?

ফাঁচীবজাৰৰ ব্যৱসায়ীসকলে যি সামগ্ৰী বিক্ৰী কৰিছে তাৰ বিপৰীতে নিশ্চয় ৰচিদ দিয়ে। তদুপৰি পাইকাৰী ব্যৱসায়ীসকলেও ক্ৰয় কৰোতে নিশ্চয় ৰচিদ লাভ কৰিছে। এনে ৰচিদৰ মাজত যদি মূল্যৰ ক্ষেত্ৰত আকাশ-পাতাল পাৰ্থক্য পৰিলক্ষিত হৈছে তেনেহ'লে এইবোৰ পৰীক্ষাৰ বাবে যোগান বিভাগৰ বিষয়া আছে। যোগান বিভাগে এইবোৰ তন্ন তন্নকৈ পৰীক্ষা কৰা উচিত। আনহাতে খুচুৰা বিক্ৰেতাসকলে যদি ইচ্ছাকৃতভাৱে মূল্য বৃদ্ধি কৰিছে তেনেহ'লে সেইক্ষেত্ৰতো যোগান বিভাগে চকু দিয়াটো দায়িত্ব। এই সকলোবোৰ পৰীক্ষা যোগান বিভাগে তাৎক্ষণিকভাৱে কৰিলে ফাঁচীবজাৰৰ পাইকাৰী বজাৰ আৰু খুচুৰা বিক্ৰেতাৰ বজাৰৰ মাজত থকা পাৰ্থক্য নিশ্চয়কৈ ওলাই পৰিব। কোনো ব্যৱসায়ীয়ে সেয়া পাইকাৰীয়েই হওক অথবা খুচুৰা বিক্ৰেতাই নহওক কিয়— যদিহে নিজ ইচ্ছামতে মূল্য বৃদ্ধি কৰিছে তেনেহ'লে যোগান বিভাগে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত। অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাত কাৰো আপত্তি নাই। গ্ৰাহকে সদায় উচিত মূল্যত ক্ৰয় কৰাৰ সুযোগ লাভ কৰিব লাগে। গ্ৰাহকে উপযুক্ত মূল্যত সামগ্ৰী পাইছে নে নাই সেয়া নিৰীক্ষণৰ বাবে যোগান বিভাগ আছে। ইয়াৰ পাছতো তলাবন্ধৰ দুদিন পূৰ্বে আলু-পিঁয়াজৰ দাম খুচুৰা বিক্ৰেতাসকলে বানপানীৰ দৰে প্ৰতিটো মুহূৰ্ততে বেছি কৰাৰ ক্ষেত্ৰত দোষ আৰু অপবাদ কেৱল ফাঁচীবজাৰৰ ব্যৱসায়ীসকলৰ ওপৰত জাপি দিবলৈ একাংশ লোকে কিয় চেষ্টা চলাই আছে? সেয়া কোনোবাই উপলব্ধি কৰিব পাৰিছেনে?

# চীন-পাকিস্তান-নেপাল আৰু ভাৰতৰ প্ৰত্যাহ্বান

অতি সম্প্ৰতি ভাৰতে মহামাৰী ক'ৰোনাৰ বিৰুদ্ধে অহৰ্নিশে যুঁজি আছে। চীনে ক'ৰোনা ভাইৰাছ বিয়পাই বিশ্ববাসীৰ ৰং চাই নিজৰ স্বাৰ্থ সিদ্ধি কৰিবলৈ পাং পাতিলেও এতিয়া নিজে পতা জালত আজি নিজেই বন্দী। কমিউনিষ্ট ৰাষ্ট্ৰ হিচাপে চীনৰ বৈশিষ্ট্য হ'ল— নিজৰ দেশৰ সকলো কথা গোপনে ৰাখি আনৰ ঘৰত জুই জ্বলোৱা। উত্তৰ কোৰিয়াৰো একেই চৰিত্ৰ। ইপিনে, ৰাছিয়াই শেহতীয়াকৈ ভাৰতক সম্পূৰ্ণৰূপে সমৰ্থন কৰিব নোৱাৰাৰ মূলতেই হ'ল— কমিউনিষ্ট ৰাষ্ট্ৰই আন এখন কমিউনিষ্ট ৰাষ্ট্ৰক কৰা সহায়ৰ মনোভাব। চীনে এতিয়া ভাৰতৰ বিৰুদ্ধে সীমা বিবাদৰ বাবে প্ৰতি মুহূৰ্ততে ভাৰতক অস্থিৰ কৰি ৰাখিবলৈ চাৰিওফালৰপৰা চেষ্টা অব্যাহত ৰাখিছে। সেইবাবে এইবাৰ পাকিস্তানক ঢাল হিচাপে ব্যৱহাৰ কৰিছে। পাকিস্তানে ভাৰতৰ সীমান্তত কমেও বিশ হাজাৰ সৈন্য

মোতায়েন কৰিছে। পাকিস্তানে চীনৰ নির্দেশ মানি চলিবই লাগিব। কাৰণ পাকিস্তানৰ অর্থনীতি এতিয়া চীনৰ ইচ্ছাৰ ওপৰতে নির্ভৰশীল। চীনৰপৰা লোৱা ঋণ আৰু কে'বা দশকলৈ পৰিশোধ কৰিব নোৱাৰে পাকিস্তানে। ৰঙা চীনেও সেয়াই বিচাৰে।

অবোধ শিশুৰ দৰে পাকিস্তানে চীনৰ জালত ভৰি দিয়াৰ পৰিণতি কিমান ভয়াৱহ হ'ব— সেয়া কেইবছৰমানৰ পাছত বুজিব পাৰিব। কাশ্মীৰ দখলৰ বাবে পাকিস্তানে কৰা যুঁজখনত চীনে ইন্ধন যোগোৱাত পাকিস্তান অত্যুৎসাহী হৈ পৰিছে। দুয়োখন ৰাষ্ট্ৰৰ লক্ষ্য— ভাৰতক যিকোনো প্ৰকাৰে অস্থিৰ কৰি ৰাখিব লাগে। সেয়েহে লাডাখ সীমান্ত দুয়োখন দেশে প্ৰধান লক্ষ্য কৰি লৈছে। বিগত কে'বামাহ ধৰি উক্ত অঞ্চলটোত উত্তেজনা অব্যাহত থকাৰ মাজতে ভাৰতীয় সেনাৰ মনোবল বৃদ্ধিৰ বাবে চৈধ্য হাজাৰ ফুট উচ্চতাত থকা লেহত উপস্থিত হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং।

দিল্লীত শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহি সীমান্তৰ অস্থিৰ পৰিস্থিতিৰ বিষয়ে তথ্য লাভ কৰাৰ পৰিৱৰ্তে প্ৰধানমন্ত্ৰী মোদী নিজেই উপস্থিত হয় সেনা জোৱান তথা দেশবাসীৰ মনোবল বৃদ্ধিৰ বাবে। দেশৰ বিপদৰ সময়ত সন্মুখৰপৰাই নেতৃত্ব বহন কৰিব পৰা নেতা হিচাপে মোদীয়ে সীমান্তৰ পৰিস্থিতি স্বচক্ষে প্ৰত্যক্ষ কৰিছে। ভাৰত-চীন, ভাৰত-পাক সীমান্তৰ দুৰ্গম অঞ্চলত অতন্দ্ৰ প্ৰহৰী হৈ থকা সেনা জোৱানসকলৰ মনোবল বৃদ্ধি তথা অনুপ্ৰেৰণা যোগাবলৈ দেশৰ প্ৰধানমন্ত্ৰীয়ে উক্ত স্থানত উপস্থিত হোৱাটোৱে এক নতুন গতি দিলে। এতিয়া সৈন্যসকলৰ মনোবল আৰু অধিক বৃদ্ধি পাব। সীমান্তলৈ প্ৰধানমন্ত্ৰী যোৱা ১৯৭১ চনৰ পাছত এয়া দ্বিতীয় ঘটনা। সাধাৰণতে উত্তেজনাপূৰ্ণ সময়ত প্ৰধানমন্ত্ৰীয়ে সীমান্তলৈ গ'লে দেশবাসীয়েও শক্তি লাভ কৰে আৰু মনোবল বৃদ্ধি পায়। তদুপৰি শত্ৰু ৰাষ্ট্ৰ বা চুবুৰীয়া ৰাষ্ট্ৰলৈও এইটো বাৰ্তা কঢ়িয়াই যে দেশৰ বিপদৰ সময়ত দেশবাসীক সন্মুখৰপৰাই নেতৃত্ব দিছে প্ৰধানমন্ত্ৰীয়ে। গতিকে ভাৰতক সহজে পৰাস্ত কৰাটো সম্ভৱ নহ'ব।

ইপিনে, বন্ধু ৰাষ্ট্ৰ নেপালেও ভাৰতৰ বিৰুদ্ধে সীমা বিবাদত লিপ্ত হৈছে।

বিগত সময়ত নেপালে ভাৰতৰ স'তে বন্ধুত্বসুলভ মনোভাবেৰে সম্পৰ্ক ৰক্ষা কৰি আহিছিল যদিও শেহতীয়াভাৱে চীনৰ প্ৰৰোচনাত ভাৰতৰ বিৰুদ্ধে যুদ্ধংদেহি মনোভাব লৈছে। ১৯৫০ চনত দুয়োখন দেশৰ মাজত শান্তি আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক ৰক্ষাৰ চুক্তি সম্পাদিত হৈছিল। কালাপানী অঞ্চলক কেন্দ্ৰ কৰি নেপালে এতিয়া ভাৰতৰ বিৰুদ্ধে যুদ্ধংদেহি মনোভাব লৈছে। অথচ ২০১৫ চনত নেপালত হোৱা ভয়াৱহ ভূমিকম্পৰ সময়ত প্ৰথমে ভাৰতেই মাত্ৰ ছঘণ্টাৰ ভিতৰতে খাদ্য সামগ্ৰী আৰু অন্যান্য জৰুৰীকালীন সামগ্ৰীৰ লগতে ঔষধ আদি প্ৰেৰণ কৰিছিল।

চুবুৰীয়া ৰাষ্ট্ৰ চীন, পাকিস্তান আৰু নেপালে ভাৰতৰ বিৰুদ্ধে যুদ্ধংদেহি মনোভাবেৰে ভাৰতক অস্থিৰ কৰি অৰ্থনৈতিক আৰু আন দিশত উন্নয়নৰ গতি স্থবিৰ কৰিবলৈ ঐক্যবদ্ধভাৱে ষড়যন্ত্ৰ ৰচনা কৰিছে। পিছে ভাৰতে চীনৰ ষড়যন্ত্ৰ প্ৰতিহত কৰি এফালৰপৰা ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ সক্ষম হৈছে একমাত্ৰ প্ৰধানমন্ত্ৰী মোদীৰ উপযুক্ত আৰু দৃঢ় পদক্ষেপৰ বাবে। এতিয়া ভাৰতে মহামাৰী ক'ৰোনা ভাইৰাছৰ সমান্তৰালভাৱে তিনি চুবুৰীয়া ৰাষ্ট্ৰৰ বিৰুদ্ধেও সমানেই যুঁজ দিছে। সমান্তৰালভাৱে দেশৰ অৰ্থনীতি যাতে কোনো কাৰণতে ভাঙি নপৰে তাৰ বাবেও উপযুক্ত সময়োচিত পদক্ষেপ গ্ৰহণ কৰিছে। দেশৰ জনগণে যাতে প্ৰতিটো ক্ষেত্ৰতে সুৰক্ষিত অনুভৱ কৰিব পাৰে তাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে। দেশৰ প্ৰধানমন্ত্ৰীৰপৰা আৰম্ভ কৰি সেনা জোৱান, চিকিৎসক, নাৰ্ছ, স্বাস্থ্যকৰ্মী, অভিযন্তা আদি সকলোৰে নতুন শক্তিশালী ভাৰত নিৰ্মাণৰ বাবে সংকল্পবদ্ধ। সকলোৰে এতিয়া বিচাৰিছে— 'মেড ইন ইণ্ডিয়া'।

# তৃতীয় বিশ্বযুদ্ধৰ সংকেত নেকি?

১৯৩৯ চনৰ পহিলা ছেপ্টেম্বৰৰপৰা ১৯৪৫ চনৰ ২ ছেপ্টেম্বৰলৈ চলা দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত সমগ্ৰ বিশ্বতেই যি বিভীষিকাৰ সৃষ্টি হৈছিল— সেয়া ভুলতো কোনেও মনত পেলাব নোখোজে। কাৰণ জাৰ্মান, ইটালি আৰু জাপানৰ বিৰুদ্ধে মিত্ৰশক্তি ফ্ৰান্স, আমেৰিকা, ছোভিয়েট ইউনিয়ন আৰু গ্ৰেট বৃটেইনৰ মাজত ছয় বছৰ ধৰি চলা যুদ্ধত লাখ লাখ লোকৰ মৃত্যু হোৱাৰ উপৰিও বহুতো দেশ ধ্বংসস্তূপত পৰিণত হৈছিল। জাতিসংঘৰ ব্যৰ্থতা, জাপান আৰু জাৰ্মানীত সামৰিক শক্তিৰ উত্থান, অৰ্থনৈতিক মন্দাৱস্থাৰ বাবে পাৰস্পৰিক সহযোগিতা নোহোৱাৰ লগতে আন বহুতো কাৰণত দ্বিতীয় বিশ্বযুদ্ধৰ সূত্ৰপাত ঘটিছিল।

জাপানৰ হিৰোশ্বিমা আৰু নাগাছাকিত আমেৰিকাই বৰ্ষণ কৰা এটম বোমাই যি ধ্বংসলীলা সৃষ্টি কৰিছিল সেই দৃশ্যই যুদ্ধত অৱতীৰ্ণ সকলো দেশকে কঁপাই তুলিছিল। শক্তি প্ৰদৰ্শন আৰু আধিপত্যৰ বাবে চলা যুদ্ধত প্ৰাণ হেৰুৱাইছিল লাখ লাখ নিৰীহ জনগণে। ১৯৪৫ চনৰ ৬ আগষ্টত আমেৰিকাই হিৰোশ্বিমাত নিক্ষেপ কৰা এটম বোমাৰ তেজস্ক্ৰিয় বিকিৰণৰ ফলত কমেও ৮০,০০০ লোকৰ তাৎক্ষণিকভাৱে মৃত্যু হৈছিল। পৰৱৰ্তী সময়ত আৰু ১০,০০০ লোকে বিকিৰণৰ ফলত প্ৰাণ হেৰুৱাইছিল। সেই সময়ত আমেৰিকাই টকিঅ'ত বোমা বৰ্ষণৰ পৰিৱৰ্তে হিৰোশ্বিমা

আৰু নাগাছাকিত বোমা বৰ্ষণ আছিল জাপানে ১৯৪১ চনৰ ৭ ডিচেম্বৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ পাৰ্ল হাউছত কৰা আক্ৰমণৰ প্ৰতিশোধ। ১৯৪১ চনৰ ৭ ডিচেম্বৰৰ দেওবাৰৰ পুৱা ৮ বজাত পাৰ্ল হাউছত আক্ৰমণ কৰাত আমেৰিকাৰ ১৮৮ খন যুঁজাৰু বিমান ধ্বংস হোৱাৰ উপৰি ২,৪০৩ জন সৈন্য নিহত হৈছিল। তদুপৰি ১১৭৮ জন সন্ধানহীন হৈছিল। দ্বিতীয় বিশ্বযুদ্ধত চীনে ছোভিয়েট ইউনিয়ন আৰু আমেৰিকাৰ সহায়ত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছিল। সেয়া এতিয়া ইতিহাস। দ্বিতীয় বিশ্বযুদ্ধত আধিপত্য বিস্তাৰ কৰিব নোৱাৰা চীন আজি বিশ্বৰ শক্তিধৰ ৰাষ্ট্ৰৰ অন্যতম।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত যিবোৰ কাৰকে শক্তিধৰ ৰাষ্ট্ৰসমূহক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে যুদ্ধত অৱতীৰ্ণ হ'বলৈ উৎসাহিত কৰিছিল অথবা বাধ্য কৰাইছিল— তেনে কাৰকে আজি বিশ্বত গা কৰি উঠিছে। অৰ্থনৈতিক মন্দাৱস্থাৰপৰা আৰম্ভ কৰি যুদ্ধাস্ত্ৰৰ শক্তি প্ৰদৰ্শন আৰু ক্ষমতাৰ যুঁজে আজি বিশ্বৰ প্ৰায়ভাগ দেশকে স্পৰ্শ কৰিছে। তেল ভাণ্ডাৰ দখলৰপৰা আৰম্ভ কৰি ক্ষেপনাস্ত্ৰৰ যুঁজ, পাৰমাণৱিক শক্তিৰে বলিয়ান হৈ চুবুৰীয়া ৰাষ্ট্ৰৰ ভূখণ্ড দখল তথা সীমা নিজৰ দখললৈ নিয়াৰ অপচেষ্টা, কোনো দেশৰ সাৰ্বভৌমত্বত আঘাত কৰা, ৰাজনৈতিক শত্ৰুতা আদিয়ে এতিয়া গা কৰি উঠিছে। দ্বিতীয় বিশ্বযুদ্ধৰ কাৰকসমূহৰ স'তে প্ৰায়বোৰৰে সাদৃশ্য আছে।

চীনে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাপানে কৰা আক্ৰমণৰ কথা নিশ্চয় পাহৰা নাই। সেইবাবে আজিও দুয়োখন দেশৰ মাজত অহি-নকুল সম্পৰ্ক। ১৯৩৭ চনৰ ৭ জুলাইৰপৰা ১৯৪৫ চনৰ ২ ছেপ্টেম্বৰলৈকে দুয়োখন দেশৰ মাজত চলা যুদ্ধত অৱশেষত জাপানে চীন (মিত্ৰজোঁটৰ সহযোগত)ৰ হাতত পৰাজয়বৰণ কৰিবলগীয়া হৈছিল। জাপানে অধিকাৰ কৰা চীনৰ ভূখণ্ড পুনৰ লাভ কৰাৰ পাছত দুয়োখন দেশৰ মাজত শত্ৰুতাৰ ভাব প্ৰকট হৈ থাকে। সুযোগ পালেই জাপানে চীনৰ বিৰুদ্ধে শক্তি প্ৰয়োগ কৰি আহিছে। শেহতীয়াভাৱে দক্ষিণ চীন সাগৰত জলসম্পদৰ ওপৰত থকা আধিপত্যক লৈ চীনৰ বিৰুদ্ধে সৰৱ হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰ। বিগত কে'বাদশক ধৰি দক্ষিণ চীন সাগৰৰ অধিকাৰক লৈ আমেৰিকা যুক্তৰাষ্ট্ৰই আগ্ৰাসী মনোভাৱ গ্ৰহণ কৰাত চীনেও শক্তি প্ৰদৰ্শনৰ বাবে অহৰ্নিশে

চেষ্টা চলাই আছে। এইক্ষেত্ৰত প্ৰয়োজন হ'লে জাপানে আমেৰিকাৰ স'তে আগ নাবাঢ়িলেও পৰোক্ষভাৱে সহযোগৰ হাত আগ বঢ়াব। এছিয়াৰ এই শক্তিধৰ দেশ দুখনে অৰ্থনৈতিকভাৱে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ প্ৰত্যক্ষভাৱে সমুখ-সমৰত আগ বাঢ়িবলৈ নিশ্চয় কুণ্ঠাবোধ নকৰে। যদিহে জাপানে চীনৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে— তেনেহ'লে ভাৰতৰ উপৰি আমেৰিকা যুক্তৰাষ্ট্ৰ, ইন্দোনেছিয়া, মালয়েছিয়া আদি দেশৰপৰা সহযোগ লাভ কৰিব। চীনে উত্তৰ কোৰিয়াৰ উপৰি ভিয়েটনাম, কিউবা, ৰাছিয়াৰপৰা সহযোগিতা পাব। পিছে ৰাছিয়াই এনে যুঁজত অংশগ্ৰহণৰপৰা বিৰতও থাকিব পাৰে। কাৰণ ভাৰত আৰু আমেৰিকাৰ বিৰুদ্ধে দেশখনে যুদ্ধ কৰিলে নিশ্চয় ভাৰতৰ স'তে থকা পুৰণা সম্পৰ্কত যতি পৰিব পাৰে। যিহেতু ভাৰতে বিগত কে'বাদশকৰপৰাই সামৰিক শক্তি শক্তিশালী কৰিবলৈ ৰাছিয়াৰপৰা হেজাৰ হেজাৰ কোটি টকাৰ যুঁজাৰু বিমান, বোমা, যুদ্ধাস্ত্ৰ আমদানি কৰি আছে— তেনেস্থলত নিজৰ ব্যৱসায়িক ক্ষেত্ৰখন সহজে এৰি নিদিয়ে। ইপিনে, ভাৰতে শেহতীয়াভাৱে ফ্ৰান্স আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰপৰা অত্যাধুনিক যুঁজাৰু বিমান ক্ৰয়ৰ বাবে চুক্তি স্বাক্ষৰিত কৰাত ৰাছিয়াই হয়তো ভাৰতক হাতত ৰখাৰ ওপৰতে গুৰুত্ব প্ৰদান কৰিব। শেহতীয়াভাৱে চীন-ভাৰতৰ মাজত চলা সীমান্তকেন্দ্ৰিক যুঁজখনত ৰাছিয়াই ব্যৱধান ৰাখি চলিছে। কমিউনিষ্ট ৰাষ্ট্ৰ হিচাপে চীনক সহায় কৰিলে আৰ্থিকভাৱে লোকচানৰ সন্মুখীন হ'ব।

দক্ষিণ কোৰিয়া আৰু উত্তৰ কোৰিয়াৰ মাজত চলা শীতল যুঁজখনো আকৰ্ষণীয় হৈছে। যদিহে দুয়োখন দেশৰ মাজত যুঁজ চলে, তেনেহ'লে দক্ষিণ কোৰিয়াক সহায় কৰিব আমেৰিকা যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, গ্ৰেট বৃটেইন আদিয়ে সহায়ৰ হাত আগ বঢ়োৱাৰ সম্ভাৱনা আছে। কাৰণ উত্তৰ কোৰিয়া পাৰমাণৱিক আৰু ক্ষেপনাস্ত্ৰৰ যুঁজত সদায় শংকাৰ কাৰণ হৈ আহিছে। তদুপৰি ফ্ৰান্স, ইটালি আদিয়েও সহায় কৰিব পাৰে। ইপিনে, উত্তৰ কোৰিয়াই চীন, ৰাছিয়া, কিউবা, ভিয়েটনাম আদি ৰাষ্ট্ৰৰ পৰা সহযোগিতা নিশ্চয় লাভ কৰিব। শেহতীয়াভাৱে চীনৰ স'তে উত্তৰ কোৰিয়াৰ সম্পৰ্ক আৰু অধিক শক্তিশালী হোৱাৰ বিপৰীতে দক্ষিণ কোৰিয়াৰ স'তে বন্ধুত্ব আৰু অধিক শক্তিশালী হৈছে আমেৰিকাৰ।

শেহতীয়াভাৱে চীন আৰু আমেৰিকাৰ মাজত সম্পৰ্ক তেল-পানীৰ দৰে হৈছে। বিশেষকৈ ক'ৰোনা ভাইৰাছৰ গণসংক্ৰমণক লৈ দুয়োখন দেশৰ মাজত আৰম্ভ হৈছে শীতল যুঁজ। চীনৰ বিৰুদ্ধে যুদ্ধ হোৱাৰ বাবে আনকি আমেৰিকাই বিশ্ব স্বাস্থ্য সংস্থালৈ আগ বঢ়োৱা অৰ্থ-সাহায্যও বাতিল কৰিছে। ইপিনে, চীনৰ সমান্তৰালকৈ দক্ষিণ চীন সাগৰত আমেৰিকায়ো সমৰকলা প্ৰদৰ্শনেৰে যুঁজৰ বাবে সাজু হৈছে। দুয়োখন দেশৰ মাজত যদি যুদ্ধ লাগে তেনেহ'লে আমেৰিকাৰ পক্ষত নিশ্চয় থিয় দিব ভাৰত, দক্ষিণ কোৰিয়া, জাপান, গ্ৰেট বৃটেইন, ফ্ৰান্স আদি ৰাষ্ট্ৰ। দক্ষিণ চীন সাগৰৰ জলসম্পদৰ ওপৰত থকা অধিকাৰ হেৰুৱাব লাগিলে আমেৰিকাও ক্ষতিৰ সন্মুখীন হ'ব। গতিকে যুদ্ধ সংঘটিত হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

তৃতীয় বিশ্বযুদ্ধ হ'লেও কিছুমান দেশে কাৰ পক্ষ লয় সেয়া কোনোৱে ক'ব নোৱাৰে। বিশেষকৈ জাৰ্মান, ইটালি, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, কেৰিবিয়ান ৰাষ্ট্ৰসমূহ, দক্ষিণ আফ্ৰিকা আদি দেশে শেহতীয়াভাৱে নিৰাপদ দূৰত্বত অৱস্থান কৰাৰ সম্ভাৱনাই অধিক। ইপিনে ইজৰাইল, ইৰান, ইৰাক, পোলেণ্ড আদিৰ ভূমিকা কেনে হ'ব— সেয়া অনুমান কৰাটো সহজ নহয়। আমেৰিকাৰ স'তে ইৰানৰ সম্পৰ্ক অহি-নকুল। এই দেশখনৰ তেল ভাণ্ডাৰৰ ওপৰত আমেৰিকাৰ চকু। ইতিমধ্যে ইৰানৰ সেনাপ্ৰধান কাছেম ছোলেইমানীক আমেৰিকাই ক্ষেপনাস্ত্ৰৰে নিহত কৰাৰ পাছত দুয়োখন দেশৰ সম্পৰ্কত আৰু অধিক অৱনতি ঘটে। ইৰান-ইৰাকৰ মাজত দীৰ্ঘদিন ধৰি যুঁজ চলি আহিছে। শেহতীয়াভাৱে ইৰানৰ পাৰমাণৱিক ঘাটিত এফ-৩৫ৰে আক্ৰমণ কৰাৰ পাছত পৰিস্থিতিয়ে অধিক জটিল ৰূপ ধাৰণ কৰিছে। এফালে বিশ্ব শান্তি আৰু আনফালে পাৰমাণৱিক অস্ত্ৰ নিৰ্মাণ কৰাৰ গোপন কৌশলৰ বাবে আজি কোনো এখন দেশে মনে মনে বহি থাকিব খোজা নাই। তদুপৰি কোনখন দেশে কাৰ স'তে মিত্ৰতা কৰিছে অথবা কাৰ হৈ যুদ্ধ কৰিব সেই ছবিখন ধূসৰ।

সকলো দেশে দেখাত শান্তি বিচাৰে। ৰাষ্ট্ৰসংঘয়ো বিশ্বৰ প্ৰতিখন দেশৰ মাজত শান্তি বৰ্তাই ৰখাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। তদুপৰি জাতিসংঘৰ তুলনাত ৰাষ্ট্ৰসংঘৰ স্থিতি শক্তিশালী। তথাপি ভৱিষ্যতে তৃতীয় বিশ্বযুদ্ধ ৰোধ কৰিব পাৰিবনে?

# আৰক্ষীৰ বিশাল হৃদয় ঃ পথত আইন ভংগকাৰীক প্ৰহাৰ

(১)

তলাবন্ধৰ সময়ত প্ৰায়সংখ্যক লোকেই ঘৰৰ মাজতে আবদ্ধ হৈ থাকিবলগীয়া হ'ল। তাৰ মাজতো জৰুৰীকালীন সেৱাত জড়িত লোকসকলে নিজৰ নিজৰ কৰ্তব্য পালন কৰিবলগীয়া হৈছে। কাৰণ বিপদ-বিঘিনি, উৎসৱ-পাৰ্বণ বুলি কোনো কথা নাই, জৰুৰীকালীন সেৱাত নিয়োজিত লোকসকলে কৰ্তব্য পালন কৰিবই লাগিব। যিসময়ত বিশ্ববাসীয়ে ক'ৰোনা ভাইৰাছৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে ঘৰতে থাকি কৰ্তব্য সম্পাদন কৰিছে তেনে সময়ত জৰুৰীকালীন সেৱাৰ লোকে নিজৰ জীৱন তুচ্ছ কৰি হ'লেও ৰোগবিধ প্ৰতিৰোধ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে।

আন অঞ্চলৰ লগতে গুৱাহাটী মহানগৰীতো এই সময়ত ব্যতিক্ৰমী ৰূপত দেখা গ'ল আৰক্ষীক। ইমান দিনে জনসাধাৰণৰ স'তে আৰক্ষীৰ সম্পৰ্কৰ মাজত ব্যাপক

ব্যৱধান থকা বুলি অভিযোগ উত্থাপিত হৈ অহাৰ সময়তে আৰক্ষীয়ে হাতত খাদ্যৰ টোপোলা লৈ অসহায় লোকৰ ঘৰত সহায় কৰা দেখা গ'ল। কেৱল সেয়াই নহয়— পদপথৰ কাষতে জীৱন নিৰ্বাহ কৰা লোকসকলক খাদ্য যোগান ধৰাৰ লগতে থকাৰ বাবেও সহায় কৰিলে। তাতোকৈ ডাঙৰ কথা হ'ল— অতি প্ৰয়োজনীয় ঔষধ কে'বা কিলোমিটাৰ পথ অতিক্ৰমি ফাৰ্মাচীৰপৰা সংগ্ৰহ কৰি আৰক্ষীয়ে কৰা সহায়ৰ দৃশ্য সঁচাকৈয়ে প্ৰশংসনীয়। কেৱল সেয়াই নহয়— দিব্যাংগ লোকসকলকো বিভিন্ন প্ৰকাৰে সহায় কৰিছে। বহুতো আৰক্ষীয়ে নিজৰ পকেটৰ ধন ব্যয় কৰি ঠায়ে ঠায়ে বন্দী হৈ থকা লোকসকলক সহায় কৰাৰ বাতৰি বিভিন্ন বৈদ্যুতিন মাধ্যমৰ লগতে বাতৰি কাকত আদিত প্ৰকাশ পোৱাত আমাৰ মনত থকা ভাবৰো সলনি হ'ল। ক'ৰোনাই আৰক্ষী আৰু সাধাৰণ ৰাইজৰ মাজত থকা ব্যৱধান হ্ৰাস কৰিলে।

**(২)**

বিভিন্ন বৈদ্যুতিন মাধ্যম আৰু বাতৰি কাকতত প্ৰকাশিত দৃশ্যই আৰক্ষীৰ কঠোৰ স্থিতিৰ কথা প্ৰকাশ কৰিছে। তলাবন্ধৰ নিয়ম উলংঘা কৰা লোকসকলৰ বিৰুদ্ধে আৰক্ষীয়ে কঠোৰ পদক্ষেপ লৈছে। নিয়ম উলংঘা কৰা কিছুমান লোকক খেদি খেদি প্ৰহাৰ কৰিছে। আন কিছুমানক কাণত ধৰি উঠা-বহা কৰোৱাৰ লগতে চাইকেল চলোৱা লোকসকলক কান্ধত চাইকেল তুলি দৌৰিবলৈ দিছে। আন একাংশক আকৌ ভেকুলী-জাঁপ মাৰিবলৈ দিছে। মাস্ক নিপিন্ধাক জৰিমনা বিহিছে। যিসকলে অপ্ৰয়োজনীয়ভাৱে নিজৰ নিজৰ বাহনত বাহিৰলৈ ওলাই আহিছে— তেওঁলোকৰ বাহন ৰাখি খোজ কাঢ়ি ঘৰলৈ যাবলৈ দিছে। হেলমেট নিপিন্ধি মটৰ চাইকেল চলোৱা আৰু অনুজ্ঞাপত্ৰবিহীনভাৱে চলোৱাসকলক জৰিমনা বিহিছে। আকৌ কিছুমান লোকে আৰক্ষীৰ এনে কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ কৰি লটি-ঘটি হোৱা দৃশ্যও আমি দেখিবলৈ পাইছো। জৰিমনা বিহাৰ বাবে বহুতে আৰক্ষীৰ বিৰুদ্ধে কটু মন্তব্য কৰাও শুনিবলৈ পোৱা যায়।

**(৩)**

নীতি-নিৰ্দেশনা সুচাৰুৰূপে পালন কৰাৰ সময়তো একাংশই আকৌ

আৰক্ষীৰ স'তে তৰ্কযুদ্ধত লিপ্ত হৈছে। আনকি তলাবন্ধৰ সময়ত গাড়ী চলোৱাৰ বাবে আৰক্ষীয়ে জৰিমনা বিহাত চালকজনে নিজকে অধিবক্তা বুলি পৰিচয় দি আৰক্ষীয়ে তেওঁক একো কৰিব নোৱাৰে বুলি ওলোটাই ভাবুকি দিয়া দৃশ্যও টিভি চেনেলবোৰত দেখিবলৈ পোৱা গ'ল। আন একাংশই আকৌ কেৰেপ নকৰি তীব্ৰগতিত বাহন চলাই পলায়নো নকৰা নহয়।

(৪)

কেতিয়াবা কেতিয়াবা কিছুমান বাহনৰ আইনাত লিখা 'প্ৰেছ', 'অন মেডিকেল ডিউটি' আদি সঁচা নে মিছা তাক লৈ আৰক্ষী দোধোৰ-মোধোৰত নপৰা নহয়। কিছুমানে গাড়ীৰ আইনাত 'প্ৰেছ' বুলি লিখিলেও সেয়া ভুৱা বুলি ওলাই পৰে— যেতিয়া কোনো প্ৰতিষ্ঠানৰ পৰিচয়পত্ৰ দেখুৱাব নোৱাৰে। 'মেডিকেল ডিউটি'ৰ ক্ষেত্ৰতো কি কৰ্তব্য আৰু কাৰ হৈ পালন কৰিছে— সেই সম্পৰ্কে স্পষ্টভাৱে দেখুৱাব নোৱাৰাত আটক হ'বলগীয়াও হৈছে। যিসকলে ভুৱা কাৰ্ড ব্যৱহাৰ কৰিছে— তেওঁলোকৰ আকৌ প্ৰথমতে দপ্‌দপনিও বেলেগধৰণৰ। পাছত যেনিবা আৰক্ষীৰ উপৰ্যুপৰি প্ৰশ্নবাণতহে আচল কথাটো ওলাই পৰে।

(৫)

কেতিয়াবা আৰক্ষীৰ গাড়ীত সাধাৰণ লোক উঠা দেখিছেনে? বেছিভাগেই এই সৌভাগ্যৰ গৰাকী হোৱা নাই। পিছে তলাবন্ধৰ সময়ত মানুহৰ দুৰ্গতি দেখি হৃদয় কান্দি উঠাত আৰক্ষীয়ে বহুতো লোকক নিজ গন্তব্যস্থানলৈকে নহ'লেও কিছুদূৰ আগ বঢ়াই থোৱা দৃশ্য দেখা পোৱা গ'ল। বিশেষকৈ ৰুগীয়া অথবা আদবয়সীয়া লোকৰ দুৰ্গতি দেখি আৰক্ষীৰ অন্তৰো কান্দি উঠিছে। তলাবন্ধৰ সময়ত মানুহৰ সমস্যাৰ অন্ত নাইকিয়া হৈছে। এই সমস্যা সমাধান কৰাটো কাৰোৰে বাবে সম্ভৱ নহয়— যদিহে পৰস্পৰৰ প্ৰতি সহযোগিতা নাথাকে। আৰক্ষীয়েও নিশ্চয় পূৰ্বৰ ধাৰণা সলনি কৰি মানুহৰ মাজত এনেদৰে সোমাই পৰিছে।

# মানুহ নাখাই
# মৰাতকৈ খাইহে মৰে

ক'ৰোনা মহামাৰীয়ে সমগ্ৰ বিশ্বকে বশ কৰিছে। ইয়াৰপৰা পৰিত্ৰাণ কেতিয়া পোৱা যাব তাৰো নিশ্চয়তা নাই। সামাজিক দূৰত্ব বৰ্তাই ৰখা, সজাগতা, সচেতনতা আদিৰ বাহিৰে এই মহামাৰীৰপৰা হাত সাৰি থকাৰ আন পন্থা নোহোৱা হৈছে। সমগ্ৰ বিশ্বতে পৰীক্ষা-নিৰীক্ষা চলি আছে যদিও আজিপৰ্যন্ত কোনো এখন দেশে ঔষধ অথবা প্ৰতিষেধক আৱিষ্কাৰ কৰিছে বুলি দাবী কৰিব নোৱাৰে। আন দেশসমূহৰ দৰে ভাৰততো গৱেষণা চলি আছে। বহুদূৰ ঔষধ আৱিষ্কাৰৰ ক্ষেত্ৰত অগ্ৰসৰ হৈছে যদিও এই বছৰৰ ভিতৰত বজাৰত ঔষধ উপলব্ধ নহয় বুলি নিশ্চিতি দিছে। বিশ্ব স্বাস্থ্য সংস্থাক চীনৰ বহতীয়া বুলি দাবী কৰি আমেৰিকাই সাহায্য বন্ধ কৰাৰ লগতে সকলো ধৰণৰ সম্পৰ্কও শেহতীয়াভাৱে ছেদ কৰিছে।

সামাজিক দূৰত্ব বৰ্তাই ৰাখিহে এই মহামাৰীৰপৰা নিজৰ লগতে আত্মীয়-স্বজনক সুৰক্ষিত কৰি ৰাখিব পৰা যায়। ইয়াৰ একমাত্ৰ উপায় হৈছে গৃহ বন্দিত্ব। ঘৰৰ ভিতৰত থাকিলে এই মহামাৰীৰপৰা হাত সাৰিব পৰা যায়। জনসমাগমৰ মাজত বিলীন হোৱা মানেই এই মহামাৰী নিজৰ লগতে আত্মীয়-স্বজনলৈকো সংক্ৰমণ হ'ব।

লকডাউন হ'ল, তাৰপিছত আনলক্ হ'ল। বিভিন্ন জনসজাগতাৰ শ্ল'গান দিয়া হ'ল, বাতৰি কাকত আৰু বৈদ্যুতিন মাধ্যমত চৰকাৰে বিজ্ঞাপন দিলে। কিন্তু কোনো ফল নধৰিলে। লাহে লাহে গণসংক্ৰমণে ভয়াৱহ ৰূপ ল'বলৈহে ধৰিছে। ২৯ জুনৰপৰা গুৱাহাটীত লক্‌ডাউন দিয়া হ'ল। জনসাধাৰণক দুদিন বজাৰ-সমাৰৰ কাৰণে সময় দিয়া হ'ল।

এই দুদিনত গুৱাহাটীত বজাৰ কৰাৰ নামত মহানগৰবাসী শিক্ষিত জনগণে যি ভিৰ কৰিলে— ইয়াৰ ফল ভালকৈয়ে ভুগিব লগা হৈছে প্ৰতিবেশীৰ লগতে অসমৰ আন জিলাসমূহৰ জনগণেও। দোকানী নাইবা গ্ৰাহক কোনেও সামাজিক দূৰত্ব মানি নচলিলে। বজাৰত যেন খাদ্য-সামগ্ৰী শেষ হৈ যাব। দামলৈ চোৱা নাই। বস্তা হিচাপে চাউল, আলু, দাইল আদি বজাৰ কৰিলে পুঁজিপতিসকলে। গাখীৰ কাৰ্টন হিচাপে ল'লে। এইক্ষেত্ৰত মধ্যবিত্তসকল জানো পিছপৰি থাকিল? কোনে কিমান বস্তু কিনিব যেন প্ৰতিযোগিতাহে চলিল। শিক্ষিত সমাজৰ ৰেহ-ৰূপ কি চাব— যেন খুচুৰা বেপাৰীয়ে দোকানৰ বাবে পাইকাৰী দোকানৰপৰা বস্তুহে কিনিছে। কোনোজনৰ ঘৰত যদি চাৰিজন বা পাঁচজন সদস্য আছে— কিন্তু একোটা ভকোৱা মাছ কিনিছে আঠ কিলোগ্ৰাম ওজনৰ। তাকো প্ৰতি কিলোগ্ৰামত আঠশ টকাকৈ। একোটা কণী তেৰ টকা দামত কিনিছে। খাবলৈ নাপাইহে যেন মৰিব।

কোনেও নাভাবিলে— পৃথিৱীত যিমান লোক অনাহাৰে মৃত্যুমুখত পৰিছে তাতকৈ অধিক লোকৰ মৃত্যু হৈছে বেছি পৰিমাণে খাদ্য গ্ৰহণ কৰাৰ ফলত। আমাৰ শৰীৰটোক এক নিৰ্দিষ্ট পৰিমাণৰহে খাদ্যৰ প্ৰয়োজন। ব্যক্তিভেদে খাদ্যৰ পৰিমাণ বেলেগ বেলেগ হয়। এটা পৰিয়ালৰ সদস্যৰ মাজতে এনে পাৰ্থক্য দেখা পোৱা যায়। তুলনামূলকভাৱে দৈনন্দিন জীৱন যাপনত যিসকল লোকে প্ৰয়োজনতকৈ অধিক খাদ্য গ্ৰহণ কৰে আৰু কম সময় জিৰণি লয়— তেনে লোকসকলৰ বেমাৰ হোৱাৰ প্ৰৱণতা অধিক। শৰীৰে দৈনন্দিন কাৰ্য পৰিচালনাৰ বাবে এক নিৰ্দিষ্ট খাদ্যৰ প্ৰয়োজন হয়। তদুপৰি অতিৰিক্তভাৱে শৰীৰত জমা হোৱা বিভিন্ন উপাদান— বিশেষকৈ চৰ্বি আদিয়ে উপকাৰতকৈ বেছি অপকাৰহে কৰে। বিভিন্ন ৰোগৰ বাহ হৈ পৰে শৰীৰটো। এসময়ত শৰীৰত বাহ লোৱা অসুখৰ বাবে আক্ৰান্ত লোকজনক চিকিৎসকে খোৱা-বোৱাৰপৰা আৰম্ভ কৰি ঘূৰি ফুৰাৰ ক্ষেত্ৰতো বাধা আৰোপ কৰে। কিছুমান খাদ্য একেবাৰে খাবলৈ নিদিয়ে। কিছুমানে সামান্য পৰিমাণে খাবলৈ পৰামৰ্শ দিয়ে। তদুপৰি ঘূৰা-ফুৰা আদিও সময়মতে কৰিবলৈ বাধ্য হয়। কিছুমান ৰোগত আনকি একেবাৰে বিছনাতে ছমাহ-এবছৰলৈকে পৰি থাকিবলৈ পৰামৰ্শ আগ বঢ়ায়। গতিকে দেখা যায় বেছি খোৱাৰ পৰিণতি সু-স্বাস্থ্য নহয়— ৰোগকহে আমন্ত্ৰণ কৰা।

অতীতত ঋষি-মুনিসকলে প্ৰকৃতিৰ বুকুৰপৰা লাভ কৰা খাদ্য গ্ৰহণ কৰিছিল। সেই সময়ত প্ৰকৃতিৰ বুকুত প্ৰচুৰ পৰিমাণে ফলমূল, শাক-পাচলিৰ লগতে আন বহুতো খাদ্যসম্ভাৰ নিজ ইচ্ছামতেই সংগ্ৰহ কৰিব পাৰিছিল। এইবোৰ সংগ্ৰহ কৰিলে কোনোৱে বাধা দিয়া নাছিল। তৎসত্বেও ঋষি-মুনিসকলে পৰিমিত আহাৰহে গ্ৰহণ

কৰিছিল। তেতিয়া বিজ্ঞানৰ প্ৰভাৱ নাছিল যদিও ঋষি-মুনিসকল দূৰদৃষ্টিসম্পন্ন হোৱা বাবে খাদ্য গ্ৰহণৰ ক্ষেত্ৰত সদা সতৰ্ক আছিল। সেই সময়ত আনকি স্বাস্থ্য ৰক্ষাৰ লগতে স্মৃতিশক্তি বৃদ্ধি কৰিবলৈও কিছুমান বিশেষ খাদ্য গ্ৰহণ কৰিছিল। কোনবিধ খাদ্য কেতিয়া খাব লাগে আৰু কোন সময়ত খাব নালাগে সেই সম্পৰ্কেও জ্ঞান লাভ কৰিছিল। ঋষি-মুনিসকল দীৰ্ঘদিন জীয়াই আছিল। সেইবাবে 'শতায়ু ভৱ' বুলি আশীৰ্বাদ দিছিল। গতিকে কম খালেও মানুহ শতায়ু হ'ব পাৰে।

এইবিধ ভয়াৱহ ভাইৰাছৰ আক্ৰমণৰপৰা নিজকে বচোৱাৰ এটাই উপায়— চৰকাৰ তথা বিশ্ব স্বাস্থ্য সংস্থাই নিৰ্ধাৰণ কৰি দিয়া নিয়ম আৰু উপদেশ আখৰে আখৰে পালন কৰাটো। সকলোৱে চৰকাৰে আহ্বান জনোৱা তলাবন্ধৰ সময়ত ঘৰত থাকিয়ে ঘৰুৱা কাম-কাজ সম্পাদন কৰিবলৈ সংকল্পবদ্ধ হোৱা উচিত। এয়া আন্দোলনৰ সময়ত কৰা সান্ধ্য আইন নহয়। জীৱন-মৰণৰ সমস্যা। সাৱধান হ'লে কোটি কোটি মানুহৰ জীৱন ৰক্ষা হ'ব আৰু সামান্য অসাৱধান হ'লেই মৃত্যুক হাত বাউলি নিজৰ ওচৰলৈ আমন্ত্ৰণ জনোৱা।

চৰকাৰে ৰাইজক আহ্বান জনাইছে— ঘৰৰ ভিতৰত থাকি ভাইৰাছৰ গণসংক্ৰমণৰ গতি ৰোধ কৰিবলৈ। মুকলিকৈ বজাৰত ৰাইজৰ সমাৱেশ হোৱাটো গৰ্হিত কাৰ্য। এতিয়া চৰকাৰৰ নিৰ্দেশৰ বিৰুদ্ধে বিদ্ৰোহ কৰাটো মূৰ্খামিৰ বাহিৰে আন একো নহয়। যিসকল চিকিৎসক, চিকিৎসাকৰ্মী, আৰক্ষী তথা নিৰাপত্তাৰক্ষী আৰু জৰুৰী সেৱাত নিয়োজিত লোকে নিজৰ জীৱন তুচ্ছ জ্ঞান কৰি কৰ্তব্য সম্পাদন কৰিছে— তেওঁলোকক সন্মান প্ৰদৰ্শন কৰা উচিত। তেওঁলোকক সহযোগিতা কৰা উচিত। স্বাৱ সংগ্ৰহ কৰিবলৈ যোৱা নাৰ্ছ, চিকিৎসাকৰ্মীক গুৱাহাটীৰে বহু ঠাইত সহযোগিতা কৰা নাই। বহুতে বুকু ফিন্দাই বজাৰ-সমাৰো কৰি আছে। এইবাৰ অধিক কঠোৰ হৈছে চৰকাৰ-প্ৰশাসন। তাৰ মাজতে সুৰুঙা উলিয়াই সুবিধা আদায় কৰিছে সুবিধাবাদীসকলে। শাক-পাচলিৰ দাম প্ৰতি কিলোগ্ৰামত আশী-এশ টকা হৈছে। তথাপি কিনিছে। ব্ৰইলাৰ মুৰ্গী (গোটা)ৰ প্ৰতি কিলোগ্ৰামত তিনিশ টকা, চালানী ৰৌ মাছৰ প্ৰতি কিলোগ্ৰামত পাঁচশ টকা, ৰূপচন্দা মাছৰ প্ৰতি কিলোগ্ৰামত চাৰিশ টকা। আৰু কিমান উদাহৰণ দিম? তথাপি কিনিছে। গুৱাহাটীবাসী এতিয়া অসমৰ আন জিলাবাসীৰ বাবে অস্পৃশ্য হৈ পৰিছে। গুৱাহাটীৰপৰা যোৱা মানুহৰ নগুৰ-নাকতি হৈছে নিজৰ জিলাত। লগতে ঘৰখনৰো মানুহ এঘৰীয়া হৈ পৰিছে। প্ৰতিদিনে ক'ৰোনা ৰোগীৰ সংখ্যা বাঢ়িছে। লাহে লাহে প্ৰতিখন ঘৰতে ক'ৰোনা ৰোগী ওলাব। জনসাধাৰণ সজাগ হওক। জনসাধাৰণে নাখাই নমৰে, মৰিব ভাইৰাছত— যদিহে ঘৰৰ ভিতৰতে আবদ্ধ হৈ নাথাকে।

# ক'ৰোনা প্ৰতিৰোধী যোদ্ধাৰ স্নেপশ্বট্

(১)

ক'ৰোনাবিৰোধী যুঁজত প্ৰথম শ্ৰেণীৰ যোদ্ধা হিচাপে চিহ্নিত হোৱা চিকিৎসকৰ কঠোৰ শ্ৰম, মানসিক দৃঢ়তা আৰু মানৱ সেৱাৰ প্ৰতি থকা তেওঁলোকৰ মনোভাবে আকৌ এবাৰ প্ৰমাণ কৰিলে চিকিৎসকসকল মৰ্ত্যৰ দেৱতা। আজি সকলোৱে ক'ৰোনাৰ চিকিৎসা নাই বুলি নিশ্চিত হোৱাৰ পিছতো চিকিৎসকৰ মুখলৈ চাই আছে। কাৰোবাক যদি ভিটামিন 'চি' খুৱাইছে, আন কাৰোবাক আকৌ সাধাৰণ ঔষধ এবিধেৰেই চিকিৎসা কৰাত ৰোগৰ উপশম হৈছে। পি পি ই কিট পৰিধান কৰি সুদীৰ্ঘ সময় অবিৰতভাৱে কৰ্তব্য পালন কৰিবলগীয়া হৈছে। এই পি পি ই কিট পৰিধান কৰাৰ পাছত পৰিধান কৰোতাগৰাকীৰ কেনে অৱস্থাৰ সৃষ্টি হয়— সেয়া সকলোৱে প্ৰত্যক্ষ কৰিছে। কেতিয়াবা ক্লান্তিবোধ কৰিলেও কৰ্তব্যৰ খাতিৰত যেন সেয়া দূৰতে বিদূৰ কৰিবলগীয়া হৈছে। কেইদিনমান পূৰ্বে খানাপাৰাৰ ক'ভিড হাস্পতালত এগৰাকী চিকিৎসকে

কৰ্তব্য সম্পাদন কৰি ক্লান্তিবোধ কৰাত চিকিৎসালয়ৰ বেৰতে আঁউজি ক্ষন্তেক জিৰণি লৈছে। ভাবকচোন— এনেদৰে কিমানগৰাকী চিকিৎসকে এনেদৰে দীৰ্ঘদিন ধৰি ঘৰৰ আপোনজনৰপৰা আঁতৰি থাকি কৰ্তব্য সম্পাদন কৰিবলগীয়া হৈছে। নিজৰ সন্তানৰ মুখ ম'বাইলত ভিডিঅ' কৰি চোৱাৰ বাহিৰে অন্য উপায় এওঁলোকৰ আছে জানো? ঘৰৰ মানুহে কি খাইছে, কেনেদৰে আছে সেয়াও যেন ভাবিবলৈ আহৰি নাই। এনেদৰে কৰ্তব্য সম্পাদন কৰাৰ মাজতে আকৌ কিছুমান চিকিৎসক আক্ৰান্ত হৈছে ক'ভিড- ১৯ত। বিশ্বৰ বিভিন্ন দেশত মৃত্যুৰ কোলাত ঢলি পৰিছে বহু চিকিৎসক। ইতিমধ্যে অসমতো কে'বাগৰাকী চিকিৎসকে ক'ৰোনাত আক্ৰান্ত হৈ প্ৰাণ হেৰুৱাবলগীয়া হৈছে। সামান্য অসাৱধান হ'লেই পদে পদে বিপদ বুলি জানিও ক'ৰোনাৰ বিৰুদ্ধে সন্মুখৰপৰাই নেতৃত্ব দিছে।

**(২)**

তলাবন্ধৰ প্ৰাৰম্ভিক পৰ্যায়তে টিভি চেনেলৰ পৰ্দাত দেখা এটি দৃশ্য আজিও মনত আছে। চিকিৎসকগৰাকীয়ে নিজৰ গাড়ীতে নিশা জিৰণি ল'ব পৰাকৈ ছীটতে বিছনা সাজি লৈছিল। কাৰণ চিকিৎসকগৰাকীয়ে পি পি ই কিট পৰিধান কৰি ৰোগীক সেৱা আগ বঢ়োৱাৰ বাবে তেওঁক ঘৰলৈ যাবলৈ অনুমতি প্ৰদান কৰা হোৱা নাছিল। চিকিৎসকগৰাকীয়ে নিজেও ঘৰলৈ যাব খোজা নাছিল। তেওঁৰ পত্নীৰ লগতে সন্তানলৈ ক'ভিড- ১৯ সংক্ৰমিত হোৱাৰ শংকা কৰিয়েই চিকিৎসকগৰাকীয়ে এনেদৰে গাড়ীৰ ভিতৰতে আছিল। তদুপৰি তেওঁ মাজে মাজে ঘৰৰ সন্মুখলৈ গৈ গাড়ীৰপৰাই ঘৰৰ সদস্যসকলৰ স'তে কথা পাতি পুনৰ কৰ্তব্যলৈ উভতিছিল। ইয়াৰ পাছতো তেওঁ পিছে নিজৰ কৰ্তব্য সুচাৰুৰূপেই সম্পাদন কৰিছিল। এনে দৃশ্য আৰু কোনোবাই কল্পনা কৰিছিলনে?

**(৩)**

আমেৰিকা, ইটালি আদি দেশত বহুতো চিকিৎসকে ক'ভিড- ১৯ত আক্ৰান্ত ৰোগীক চিকিৎসা কৰি পৰিয়ালৰ সদস্যৰ মুখ অন্তিমবাৰলৈ নেদেখাকৈয়ে ইহসংসাৰৰপৰাই বিদায় ল'লে। যিগৰাকী চিকিৎসকৰ আশে-পাশে বহুতো লোকে চিকিৎসা গ্ৰহণৰ বাবে অপেক্ষা কৰিছিল— সেইগৰাকী

চিকিৎসকৰ মৃত্যুৰ ক্ষণ গণি থকা মুহূৰ্তত চিকিৎসাৰ বাবে তৎক্ষণাতে কোনো আগ বাঢ়ি যোৱা নাই। কাৰণ তেওঁৰ চিকিৎসা কৰিবলৈ পিন্ধিব লাগে পি পি ই কিট। সন্মুখত মৃত্যুৰ কোলাত ছটফটাই থকা দেখিও চিকিৎসা কৰিব পৰা নাই সহকৰ্মীয়ে। কাৰণ এই ৰোগৰ চিকিৎসাৰ বাবে এতিয়ালৈকে ওলোৱা নাই প্ৰতিষেধক অথবা উপযুক্ত ঔষধ। লক্ষণৰ ওপৰত ভিত্তি কৰি কিছুমান নিৰ্দিষ্ট ঔষধেৰে চিকিৎসা সেৱা আগ বঢ়োৱা হৈছে। মৰমৰ পত্নী অথবা স্বামীৰ মৃত্যুৰ সংবাদ জানিও তেওঁৰ ওচৰলৈ যাব পৰা নাই। মাথোঁ পঢ়িছে অন্তিম ক্ষণত এৰি যোৱা এখন মিঠা মিঠা শব্দৰে লিখা এখন চিঠি। সন্তানৰ মুখ চাবলৈ অন্তিমবাৰলৈকো তেওঁৰ ওচৰলৈ যাবলৈ দিয়া হোৱা নাই সন্তানক। যাৰ বাবে দিনে-নিশাই কাম কৰে— মৃত্যুৰ সময়ত তেওঁলোকৰে মুখ চাব নোৱাৰে। ইয়াতকৈ আৰু বেদনাদায়ক কথা কিবা হ'ব পাৰে জানো? চিৰদিন লগৰী হোৱাৰ সপোন ৰচি বিবাহপাশত আবদ্ধ হোৱা আপোনজনকো মৃত্যুৰ সময়ত ওচৰত নোপোৱাৰ দুখ কিমান গধুৰ হ'ব পাৰে সেয়া শব্দৰে বৰ্ণনা কৰাটো সম্ভৱ নহয়। এনে এখন ছবি কোনোৱে হয়তো ভুলতো কল্পনা কৰিব নোখোজে। তেনে ছবিয়েই এতিয়া সকলোৰে চকুৰ সন্মুখত ফুটি উঠিছে।

(৪)

তলাবন্ধৰ সময়তো ক'ৰোনাবিৰোধী যুঁজখনত যিসকল লোক অহৰ্নিশে ব্যস্ত থাকিবলগীয়া হৈছে তেওঁলোকৰ ভিতৰত অন্যতম হ'ল স্বাস্থ্যকৰ্মী। ৰ'দ-বৰষুণ-বতাহ একাকাৰ কৰি এইসকল স্বাস্থ্যকৰ্মীয়ে ক'ভিড আক্ৰান্তক চিকিৎসালয়লৈ আনিছে। কেৱল সেয়াই নহয়— ৰাইজক সজাগ কৰিবলৈও গাঁৱে-ভূঞে যাবলগীয়া হৈছে। নিজৰ ঘৰখনৰ সকলো কাম কাটি কৰি থৈ প্ৰতিটো ক্ষণতে সতৰ্ক হৈ থাকিবলগীয়া হৈছে। ল'ৰা-ছোৱালীৰ অসুখ-বিসুখ হ'লেও সেয়া গৌণ হৈ পৰিছে ক'ৰোনাবিৰোধী যুঁজৰ বাবে। আন ৰোগীৰ খবৰ লোৱাত ব্যস্ত থকা স্বাস্থ্যকৰ্মীৰ সন্তানে কি খাইছে, পঢ়িছে নে নাই সকলোবোৰ একাষৰীয়াকৈ থ'বলগীয়া হৈছে। আনকি পৰিয়ালৰ অভাৱ-অনাটন, দোকানৰ ধাৰ পৰিশোধ কৰিবলৈ সন্তানৰ অনলাইন ক্লাছ চলি থকাৰ মাজতে ম'বাইল বিক্ৰী কৰিবলগীয়া পৰিস্থিতি এটিৰো সৃষ্টি হোৱাত এই স্বাস্থ্যকৰ্মীৰ জীৱনৰ প্ৰকৃত ছবিখন ফুটি উঠিছে।

# ভ্ৰাম্যমাণ থিয়েটাৰ-চিনেমা-অপেছাদাৰী নাট্যদলৰ ডুখৰীয়া ছবি

(১)

ক'ৰোনা ভাইৰাছ প্ৰতিৰোধৰ বাবে দীৰ্ঘদিন ধৰি বলৱৎ হৈ থকা তলাবন্ধৰ প্ৰভাৱ সকলো ক্ষেত্ৰতেই কম-বেছি পৰিমাণে পৰিছে। ব্যতিক্ৰম নহয় ভ্ৰাম্যমাণ থিয়েটাৰো। সোণালী জয়ন্তী গৰকা ভ্ৰাম্যমাণ থিয়েটাৰ অবিহনে অসমীয়া সংস্কৃতিৰ নক্সা প্ৰস্তুত কৰাটো অসম্ভৱ। অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰেই হ'ল একমাত্ৰ অঘোষিত উদ্যোগ— য'ত এশ শতাংশ থলুৱা লোক নিয়োজিত হৈ আছে। কে'বা হেজাৰ পৰিয়ালৰ পেটৰ ভোক গুচোৱা ভ্ৰাম্যমাণ থিয়েটাৰক কেন্দ্ৰ কৰি ৰচিত হৈছে বহুতো ইতিহাস। পৃথিৱীৰ আন কোনো দেশতে দেখিবলৈ নোপোৱা ভ্ৰাম্যমাণ থিয়েটাৰৰ কলা-কৌশলক লৈ বাতৰি বি বি চিৰ দৰে চেনেলত প্ৰচাৰিত হৈছিল। বহুতো অভিনেতা-অভিনেত্ৰী, কলা-কুশলীক প্ৰতিষ্ঠা কৰা

ভ্ৰাম্যমাণ থিয়েটাৰ আজি সংকটৰ গৰাহত। অৱশ্যে এই সংকট সৃষ্টি কৰিছে ক'ৰোনা ভাইৰাছেহে। কাৰণ থিয়েটাৰ এখনৰ প্ৰেক্ষাগৃহত সমৱেত হোৱা হাজাৰ হাজাৰ দৰ্শকৰ মাজত সামাজিক দূৰত্ব বৰ্তাই ৰখাটো সম্ভৱ নহয়। তদুপৰি কমসংখ্যক দৰ্শকেৰে নাট্যাভিনয়ো সম্ভৱ নহয়। থিয়েটাৰত যিমানেই দৰ্শকৰ ভিৰ হয়— সিমানেই আয়োজকসকলৰ আশাৰ বতৰা। পিছে এইবাৰ ক'ৰোনাৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে ভ্ৰাম্যমাণ থিয়েটাৰৰ আখৰাই আৰম্ভ নহ'ল। তদুপৰি থিয়েটাৰ আৰম্ভ নোহোৱাৰ বাবে আহুকালৰ সৃষ্টি হৈছে— ইয়াৰ স'তে জড়িত অভিনেতা-অভিনেত্ৰী, কলা-কুশলী আদি সকলোৰে। প্ৰায়সংখ্যকৰেই এতিয়া পানীত হাঁহ নচৰা অৱস্থা। মুষ্টিমেয় কেইগৰাকীমান অভিনেতা-অভিনেত্ৰী তথা প্ৰয়োজকৰ বাহিৰে আনসকলে এতিয়া জীৱন-যুঁজৰ সংজ্ঞা সলনি কৰিবলৈ বাধ্য হৈছে। ল'ৰা-ছোৱালীক এসাঁজ খুৱাব নোৱাৰাৰ বেদনা কেনে সেয়া ভুক্তভোগীৰ বাহিৰে আনে কি বুজিব? সন্মুখত সন্তানে খোৱা বস্তুৰ বাবে কান্দি থকাৰ পাছতো অসহায় পিতৃ-মাতৃয়ে একো এটা দিব নোৱাৰি মনৰ দুখতে বহি থকাৰ বাহিৰে আন একো কৰিব পৰা নাই। হয়তো সন্তানে নেদেখাকৈ কেতিয়াবা পতি-পত্নীয়ে উচুপিছে। সাধাৰণতে ভ্ৰাম্যমাণ থিয়েটাৰত থকা অভিনেতা-অভিনেত্ৰী, কলা-কুশলীৰ প্ৰায়সংখ্যকে বছৰৰ উপাৰ্জনখিনিৰে কোনোমতে চলিব পাৰে। যি অলপ-অচৰপ সঞ্চয় থাকে— তাৰে কেইদিননো চলিব পাৰে? কেইদিনমানৰ পূৰ্বে কাকতত এগৰাকী অভিনেতাই পথৰ কাষত দোকান দিয়াৰ বাতৰি পৰিৱেশন কৰিছিল। বিকল্পও নাই। পৰিয়াল চলিবলৈ কিবা নহয় কিবা কৰিবই লাগিব। বছৰৰ আধা মাহ শেষেই হ'ল। যি হাৰত চাৰিওফালে আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাইছে সোনকালে যে ভ্ৰাম্যমাণ থিয়েটাৰে নাট প্ৰদৰ্শন কৰিব পাৰিব তাৰো আশা ক্ষীণ। যদিহে দীৰ্ঘদিন ধৰি নাট প্ৰদৰ্শন কৰাটো সম্ভৱ নহয়— তেন্তে এইসকল শিল্পী, কলা-কুশলীৰ অৱস্থা কি হ'ব? চৰকাৰে এনে লোকৰ বাবেও বিকল্প পথৰ সন্ধান দিয়াৰ লগতে সাহায্য প্ৰদান কৰক। কাৰণ এওঁলোকে যদি অন্ন-বস্ত্ৰ-বাসস্থানৰ বাবে সদায় সংগ্ৰাম কৰি থাকিবলগীয়া হয়, তেনেহ'লে নৱ প্ৰজন্মই ভৱিষ্যতে ভ্ৰাম্যমাণ থিয়েটাৰৰ স'তে জড়িত হ'বলৈ আগ্ৰহী নহ'ব।

**(২)**

চলচ্চিত্ৰ জগতৰ স'তে জড়িত লোকসকলৰ অৱস্থাও তথৈবচ হৈছে। কাৰণ বিগত চাৰি-পাঁচ মাহত নিৰ্মাণ হোৱা নাই কোনো ধৰণৰ ছবি। যিসকল অভিনেতা-অভিনেত্ৰী, কলা-কুশলীৰ বাবে আমি সদায় মনোৰঞ্জন লাভ কৰি আহিছো— সেইসকলৰ প্ৰায়সংখ্যকৰেই আজি দুখে কুলাই-পাচিৰে নধৰা হৈছে। এসাঁজ খাই দুসাঁজ লঘোনে থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। প্ৰায়সংখ্যকৰেই অৱস্থা ইকূলো নহয়— সিকূলো নোহোৱাৰ দৰে। পেটৰ ভোক আৰু ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই কটাইছে বিনিদ্ৰ ৰজনী। কেতিয়া আৰম্ভ হ'ব সেই বিষয়েও নিশ্চিত নহয়। সাধাৰণতে চিনেমা, ছিৰিয়েল অথবা গান আদিৰ দৃশ্যাংশৰ শ্বুটিং অথবা ডাবিং আদিৰ সময়ত কাৰিকৰী ক্ষেত্ৰৰপৰা আৰম্ভ কৰি গাড়ী চলোৱা, পানী যোগান ধৰালৈকে বহুতো লোকৰ প্ৰয়োজন। সকলোৱে যে মোটা ধন লাভ কৰে তেনে নহয়। প্ৰায়সংখ্যকেই তেনেদৰে কাম কৰিয়েই কোনোমতে পৰিয়াল পোহপাল দি আহিছে। হঠাৎ এনে গতিত যতি পেলালে ক'ৰোনাৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে বলৱৎ হোৱা দীৰ্ঘদিনীয়া তলাবন্ধই। প্ৰায়সংখ্যকৰেই তলি উদং। সাহায্যৰ চোকো কমি আহিল। সকলোৰে অৱস্থা একেই। চৰকাৰী চাকৰিয়ালৰ বাহিৰে প্ৰাইভেট চাকৰি কৰা লোকসকলৰ অৱস্থা কেনে হৈছে সেয়া ব্যাখ্যা নিষ্প্ৰয়োজন। এইসকলৰ পৰিয়ালৰ প্ৰকৃত ছবিখন এবাৰ কল্পনা কৰকচোন— কিমান দুখ-বেদনাৰে ভৰা।

**(৩)**

অপেছাদাৰী নাট্যগোষ্ঠীৰ ছবিখনো একেই। তলাবন্ধই যেন এই ক্ষেত্ৰখনৰ গতিও হ্ৰাস কৰিলে। অপেছাদাৰী নাট্যগোষ্ঠীৰ স'তে জড়িত লোকসকলৰ কথা আমি কেতিয়াও ভাবি নাচাওঁ। তলাবন্ধৰ সময়ছোৱাৰ কথা বাদেই— আন সময়তো তেওঁলোকৰ ছবিখন মনলৈ নাহে। তেওঁলোক সদায় আঁৰ কাপোৰৰ ব্যক্তি হৈয়েই থাকে। সুখ-দুখ, বেদনা সকলোবোৰ থূপ খাই থাকে। কেতিয়াবা জ্বালামুখীৰ দৰে বিস্ফোৰণ ঘটিব খুজিলেও শীতল কৰি ৰাখে। কাৰণ তেওঁলোকৰ জীৱনৰ প্ৰকৃত ছবিখন আমি কেতিয়াও বুজিবলৈ চেষ্টা নকৰিলো।

# ক’ৰোনাতকৈ ভয়াৱহ ক্ষুধাৰ্ত লোকৰ আৰ্তনাদ

অন্ন-বস্ত্ৰ-বাসস্থান মানুহৰ মৌলিক প্ৰয়োজন। তিনিওটা বিষয় এডাল সৰলৰেখাৰে গতি কৰিলেহে মানুহে জীয়াই থকাৰ অৰ্থ বিচাৰি পায়। পিছে ক’ৰোনা মহামাৰীয়ে অতিসম্প্ৰতি তিনিওটা বিষয়ৰ মাজত ভাৰসাম্য ৰক্ষাত ব্যাঘাত জন্মাইছে। কাৰণ এতিয়া সকলোৰে সন্মুখত ভৱিষ্যতে এমুঠি খাই থকাটোৱে প্ৰত্যাহ্বান হৈ পৰিছে। কাম কৰিলেহে মানুহে উপাৰ্জন কৰিব পাৰে। উপাৰ্জন হ’লে প্ৰত্যেকেই পেটৰ ভোক নিবাৰণৰ সুবিধা পায়। কোনো মানুহৰ মুখলৈ আপোনা-আপুনি খাদ্য আহি নপৰে— যদিহে উপাৰ্জন নকৰে। লাখৰ ভিতৰত দুই-এজনৰ তেনে সৌভাগ্য হ’ব পাৰে বুলিয়েই আমি সকলোৰে ক্ষেত্ৰত বিষয়টো একাকাৰ কৰিলে নহ’ব। ভাৰতত দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বসবাস কৰা লোকৰ সংখ্যা বেছি। এনেয়ে পেটৰ ভাতমুঠিৰ বাবে হাহাকাৰ, তাতে আকৌ ভূতৰ ওপৰত দানহ পৰাদি ক’ৰোনা ভাইৰাছে ভয়াৱহ ৰূপ ধাৰণ কৰাত এতিয়া সকলোৰে মানসিকভাৱে ভাগি পৰিবলৈ ধৰিছে। বিশেষকৈ দুখীয়া লোকসকল— যিসকলে ‘দীন ভিক্ষা প্ৰাণ ৰক্ষা’ৰে চলি আছে। নিতৌ কাম কৰি যিখিনি উপাৰ্জন কৰে— তাৰে পৰিয়ালটোৰ বাবে চাউল, দাইল, নিমখ আদি ক্ৰয় কৰা লোকৰ সংখ্যা সমাজত বেছি থকা বুলি ক’লেও অত্যুক্তি কৰা নহ’ব।

প্ৰত্যেক মানুহৰে ধৈৰ্যৰ সীমা থাকে। এক নিৰ্দিষ্ট পৰিসীমালৈকে ধৈৰ্য ধৰি থাকিব পাৰে। ক’ৰোনাৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশজুৰি চলি থকা তলাবন্ধৰ ফলত দিন হাজিৰা কৰি খোৱা লোকসকলৰ মানসিক অৱস্থা এনেকুৱা হৈছেগৈ যে বেছিদিন ধৈৰ্য ধৰি থাকিব নোৱাৰিব। কাৰণ পেটৰ ক্ষুধাই ধৈৰ্যৰ বান্ধ ধৰি ৰাখিব নোৱাৰে। মানুহে কাম নাপালে খাদ্য সামগ্ৰী কেনেকৈ ক্ৰয় কৰিব? ক’ৰোনা ভাইৰাছৰ গণসংক্ৰমণ এক নিৰ্দিষ্ট সময়ৰ ভিতৰত অন্ত পৰাহেঁতেন কোনো কথা নাছিল, ইয়াৰো নিশ্চয়তা নাই। গতিকে ক’ৰোনাতকৈও ভৱিষ্যতে ভয়াৱহ হ’ব ক্ষুধাৰ্ত লোকৰ আৰ্তনাদ।

বেছিসংখ্যক পৰিয়ালৰ আৰ্থিক অৱস্থা শোচনীয়। সাম্প্ৰতিক পৰিস্থিতিত চৰকাৰী চাকৰিয়ালসকলৰ বাহিৰে আন কোনো ব্যক্তিয়েই আৰ্থিকভাৱে সুৰক্ষিত নহয়। চৰকাৰী চাকৰিয়ালক কাম নকৰিলেও দৰমহা দিব। পিছে দৈনিক হাজিৰা বা কোম্পানী আদিত কৰ্মৰত লোক, সাধাৰণভাৱে কাম-কাজ কৰি থকা লোকসকলে নিয়মীয়াকৈ কাম নকৰিলে কোনে পৰিয়াল চলাবলৈ পইচা দিব। চাকৰিয়ালসকলে কিমান দিন দুখীয়া লোকসকলক সহায় কৰিব। খাদ্য গ্ৰহণৰপৰা আৰম্ভ কৰি ল’ৰা-ছোৱালীক পোহপাল দিয়া, পঢ়া-শুনা কৰোৱা আদিৰ বাবে সদায় কাৰ পৰা সহায় পাব। চৰকাৰে বিভিন্ন ধৰণে সহায় কৰিছে যদিও সেয়া বাস্তৱক্ষেত্ৰত যথেষ্ট নহয়। কাগজে-কলমে সকলো ঠিকে-ঠাকে থাকিলেও বাস্তৱক্ষেত্ৰত ক্ষুধাৰ্ত লোকৰ ছবিখন অতি ভয়াৱহ। এই ছবিখন সপোনতো কোনোৱে কল্পনা কৰিব নোৱাৰে।

তলাবন্ধৰ ফলত দিনক দিনে কৰ্মহীন লোকৰ সংখ্যা বৃদ্ধি পাইছে। যিমানেই কৰ্মহীন লোকৰ সংখ্যা বৃদ্ধি পাই থাকিব— সিমানেই ভৱিষ্যতৰ ছবিখনো ভয়াৱহ হৈ পৰিব। ক’ৰোনাত আক্ৰান্ত হোৱা লোক এজন সুস্থ হোৱাৰ পাছত তেনে লোকৰদ্বাৰা কাম কৰোৱা ব্যক্তিৰ সংখ্যাও হ্ৰাস পাব। মানুহৰ মনত শংকা আৰু ঘৃণা দুয়োটাই সমানেই গতি কৰিছে। আনকি সৰু-সুৰা ব্যৱসায় কৰা লোকসকলেও বিক্ৰীৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে। ক’ৰোনাৰ চিকিৎসা আজি নাই যদিও ভৱিষ্যতে উপলব্ধ হ’ব। পিছে ক’ৰোনাই যি অৰ্থ-সংকটৰ সৃষ্টি কৰিলে তাৰ পৰা সহজেই সকলোৱে মুক্তি পোৱাটো জানো সম্ভৱ হ’ব!

# অনলাইন প্ৰতিযোগিতা-অনুষ্ঠানেও দিছে ইতিবাচক পথৰ সন্ধান

(১)

ক'ৰোনা ভাইৰাছৰ গণসংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশজুৰি দীৰ্ঘদিন ধৰি বলৱৎ হোৱা তলাবন্ধৰ ফলত আন আন ক্ষেত্ৰৰ লগতে শৈক্ষিক দিশতো প্ৰভাৱ পৰিছে। ২০২০ বৰ্ষৰ মাৰ্চৰ শেষৰপৰা বন্ধ হৈ আছে শিক্ষানুষ্ঠান। গতিকে ছাত্ৰ-ছাত্ৰীসকল বহু পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে। দেশ বা সমাজ এখনৰ উন্নয়ন তেতিয়াহে সম্ভৱ হয়— যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ লগতে সুস্থ মানৱ সম্পদ গঢ়াত সহায় কৰে। পিছে দীৰ্ঘদিন ধৰি শিক্ষানুষ্ঠান বন্ধ হৈ থাকিলে ছাত্ৰ-ছাত্ৰীসকল শৈক্ষিক দিশত আগ বাঢ়ি যোৱাটো সম্ভৱ নহয়। শিক্ষাৰ্থীৰ অধ্যয়নত যতি পৰিলেও পৰৱৰ্তী সময়ত সমস্যাই জটিল ৰূপ ধাৰণ কৰাটো নিশ্চিত। তলাবন্ধৰ বাবে শিক্ষানুষ্ঠান বন্ধ হৈ থকাৰ ফলত যাতে ইয়াৰ প্ৰভাৱ বেয়া ধৰণে পৰিব নোৱাৰে

তাৰ বাবে শেহতীয়াভাৱে আৰম্ভ হৈছে ম’বাইলযোগে পাঠদান। স্মাৰ্ট ম’বাইল ফোনযোগে অনলাইন পাঠদান আৰম্ভ হৈছে। সম্প্ৰতি ইয়াৰ বিকল্পও নাই। ম’বাইল ফোনযোগে হ’লেও শিক্ষাদান কৰিবলগীয়া হৈছে। অৱশ্যে যিসকল ছাত্ৰ-ছাত্ৰীৰ ঘৰত স্মাৰ্টফোন নাই— তেওঁলোকৰ বাবেও বহুতো শিক্ষানুষ্ঠানে বিকল্প পদ্ধতি অৱলম্বন কৰিছে। এসময়ত ছাত্ৰ-ছাত্ৰীসকলে ম’বাইল ফোন ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বহুতো বিদ্যালয়ে নিষেধাজ্ঞা জাৰি কৰিছিল। কঠোৰ শাস্তিৰ সন্মুখীন হ’বলগীয়া হৈছিল। এতিয়া পিছে সেই ম’বাইলৰ উপযুক্ত ব্যৱহাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী বুলি এই কাৰ্যই প্ৰমাণ কৰিছে। শিক্ষাৰ্থীসকলো এতিয়া যথেষ্ট উপকৃত হৈছে। কেতিয়া শিক্ষানুষ্ঠানৰ দুৱাৰ খোল খাব সেই বিষয়ে কোনোৱে এতিয়ালৈকে নিশ্চিতভাৱে ক’ব পৰা নাই। কাৰণ ক’ৰোনা ভাইৰাছৰ গণসংক্ৰমণ যি হাৰত বৃদ্ধি পাবলৈ ধৰিছে সেই ছবিখনৰপৰা এটা কথা স্পষ্ট হৈ পৰিছে যে অতি সোনকালে শিক্ষানুষ্ঠানত পাঠদান প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ সম্ভাৱনা ক্ষীণ। চাওঁতে চাওঁতে এটা বৰ্ষ পাৰ হ’বৰেই হ’ল। অৱশ্যে ছাত্ৰ-ছাত্ৰীসকলে ম’বাইল ফোনেৰে কিছু পৰিমাণে হ’লেও শিক্ষা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। এতিয়া শিক্ষানুষ্ঠানত লাভ কৰা জ্ঞান বিকল্প পদ্ধতি ম’বাইল ফোনেৰেই লাভ কৰিব লাগিব। যেতিয়ালৈকে পৰিৱেশ স্বাভাৱিক নহয়— তেতিয়ালৈকে এনেদৰেই শিক্ষা গ্ৰহণ কৰিবই লাগিব। উন্নত প্ৰযুক্তিৰ এয়া এক সুবিধা নহয়নে?

**(২)**

তলাবন্ধত সাহিত্য সৃষ্টিৰ গতি ৰুদ্ধ নহ’বৰ বাবে বহুতেই বিভিন্ন ধৰণৰ ৰচনাত মনোনিৱেশ কৰিছে। আনহাতে, সকলোৱে একেলগে মিলি সভা-সমিতি আদি অনুষ্ঠিত কৰাও সম্ভৱ নহয়। সেইবাবে বহুতে অনলাইন প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰিছে। কবিতা, গল্প, ৰচনা আদি প্ৰতিযোগিতাৰ জৰিয়তে নৱ প্ৰজন্মক আকৰ্ষিত কৰিবলৈ যিসকলে এনে পদক্ষেপ গ্ৰহণ কৰিছে তেওঁলোকৰ চিন্তা-ভাবনাক প্ৰশংসা কৰিবই লাগিব। ইতিমধ্যে এনেধৰণৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বহুতো প্ৰতিভাধৰে নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰিছে। বিশেষকৈ বিদ্যালয় আদি বন্ধ থকাত ছাত্ৰ-ছাত্ৰীসকলে অনলাইন প্ৰতিযোগিতাৰ জৰিয়তে নিজৰ সৃষ্টিশীল মনৰ পৰিচয় দাঙি ধৰিবলৈ

সক্ষম হৈছে। ছবি অঁকা প্ৰতিযোগিতা, কবিতা আবৃত্তি প্ৰতিযোগিতা আদিও অনলাইনযোগে অনুষ্ঠিত হৈছে। ই এক শুভ সংবাদ।

**(৩)**

সংগীত অবিহনে মানুহৰ মানসিক অৱস্থাটো কেনে হ'ব পাৰে সেয়া সহজেই অনুমেয়। তলাবন্ধৰ সময়ত দীঘলীয়া সময় ঘৰৰ ভিতৰতে আবদ্ধ হৈ থাকিবলগীয়া হোৱাত মনবোৰ ভাগি পৰিছে। সংগীতানুষ্ঠান আদি মঞ্চত উপভোগ কৰাৰ আনন্দৰপৰা সকলো বঞ্চিত। ব'হাগ বিহুৰ উখল-মাখল পৰিৱেশো উপভোগ কৰিব নোৱাৰিলে। প্ৰিয় শিল্পীগৰাকীৰ অনুষ্ঠান উপভোগৰপৰা বঞ্চিত হ'লেও এইবাৰ ইউটিউবৰ জৰিয়তে বহু শিল্পীয়ে মনৰ কথা প্ৰকাশ কৰিলে। কেৱল সেয়াই নহয়— ঘৰৰ ভিতৰত হ'লেও বহু শিল্পীয়ে পোনপটীয়াকৈ অনলাইনৰ জৰিয়তে সংগীতানুষ্ঠান প্ৰদৰ্শন কৰিলে। এতিয়াও বিভিন্ন ধৰণৰ অনুষ্ঠান প্ৰচাৰিত হৈ আছে। এনেধৰণৰ বিকল্প পদক্ষেপেও ৰাইজক কিছু পৰিমাণে হ'লেও মনোৰঞ্জন দিবলৈ সক্ষম হৈছে। বিভিন্ন অনুষ্ঠানে অনলাইনযোগে গীত, নৃত্য আদি প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

আটাইতকৈ ডাঙৰ কথাটো হ'ল— এনেধৰণৰ প্ৰতিযোগিতাত বহুতো প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। ঘৰত থাকিলেও সৃষ্টিশীল কামত যে ব্যস্ত থাকিব পাৰি তাৰেই নিদৰ্শন দাঙি ধৰিছে এই প্ৰতিভাধৰসকলে। তদুপৰি ঘৰত থকা সময়ছোৱা সুন্দৰভাৱে ব্যৱহাৰ কৰাৰো সুযোগ লাভ কৰিছে। কেৱল অধ্যয়নৰ মাজত থাকিলেই সকলো প্ৰতিভাৰ বিকাশ নহয়। সকলোৱে অধ্যয়নৰ সমান্তৰালভাৱে গীত, নৃত্য, গল্প, কবিতা আদিও ৰচনা কৰিব লাগিব। তেতিয়াহে মানসিক বিকাশ সম্ভৱ। তদুপৰি ঘৰৰ চৌহদতো সৰু-সুৰা খেল-ধেমালিত অংশগ্ৰহণ কৰিব পাৰে সামাজিক দূৰত্ব বৰ্তাই। তেতিয়াহে ভৱিষ্যতে সমাজ তথা দেশৰ উন্নতি সম্ভৱ হ'ব।

# নিৰাশাত ডুবন্ত জীৱন ডিঙা

মানৱ জাতিয়ে চিকিৎসা বিজ্ঞানৰ চৰম উন্নতিৰ দিশে অগ্ৰসৰ হোৱা বুলি দাবী কৰাৰ সময়তে যেন মানৱ সমাজলৈ প্ৰত্যাহ্বান হিচাপে আহি পৰিল ক'ৰোনা ভাইৰাছ (ক'ভিড- ১৯)। চিকিৎসা বিজ্ঞানৰ প্ৰভূত উন্নতি হোৱা বাবে আজি হৃদযন্ত্ৰ শৰীৰৰ বাহিৰলৈ উলিয়াই আনি চিকিৎসা কৰাটোও সম্ভৱ হৈছে। মস্তিষ্কৰ জটিল অস্ত্ৰোপচাৰৰ বাবে 'মস্তিষ্ক' লাওখোলাৰ বাহিৰলৈ উলিয়াই অনাত সফল হৈছে চিকিৎসা বিজ্ঞান। সেইবাবে মানুহৰ আয়ুস বৃদ্ধি পাইছে। বিজ্ঞানৰ চৰম অগ্ৰগতিক লৈ মানৱ সমাজে গৰ্ব কৰাৰ সময়তে এনে গৰ্ব খৰ্ব কৰিলে ক'ভিড-১৯ নামৰ মাৰাত্মক ৰোগবিধে। হেজাৰ হেজাৰ ভাইৰাছ প্ৰতিটো মুহূৰ্ততে আমাৰ চাৰিওফালে সক্ৰিয় হৈ আছে। প্ৰায়সংখ্যক ভাইৰাছৰ বিৰুদ্ধে যুঁজ দিবলৈ উপলব্ধ হৈছে ঔষধ তথা প্ৰতিষেধক। কিছুমান ভাইৰাছৰ ঔষধ

নোহোৱাকৈয়ে মানুহে প্ৰতিৰোধ ক্ষমতাৰে যুঁজ দিছে। এতিয়াও বহুতো ভাইৰাছ চিনাক্ত হোৱা নাই। পিছে ক'ৰোনা নামৰ ভাইৰাছবিধে আজি সমগ্ৰ মানৱ জাতিকে শংকিত কৰিছে। ভাইৰাছবিধৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে বিশ্বৰ আন আন দেশৰ লগতে ভাৰততো বলৱৎ কৰা হয় দীঘলীয়া তলাবন্ধ। ২৪ মাৰ্চৰপৰা দেশজুৰি বলৱৎ হোৱা তলাবন্ধৰ ফলত বহুতো লোকে হেৰুৱালে কৰ্মসংস্থাপন। সৰু-সুৰা ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰা লোকৰ অৱস্থা কেনে হৈছে— সেয়া সহজেই অনুমেয়। দিন হাজিৰা কৰা পৰিয়ালৰ হয়তো কে'বাদিনো চৌকাই জ্বলা নাই। ইতিমধ্যে কিছুমানে জীৱনৰ চৰম সিদ্ধান্ত গ্ৰহণ কৰি আত্মহত্যাৰ পথ বাছি লৈছে। দীৰ্ঘদিন ধৰি বিদ্যালয়-মহাবিদ্যালয় আদি বন্ধ থকাৰ ফলত লাহে লাহে ছাত্ৰ-ছাত্ৰীসকলো হতাশাগ্ৰস্ত হ'বলৈ ধৰিছে। পঢ়া-শুনাত মন নবহা হৈছে। অধ্যয়নৰত সন্তান ঘৰৰ ভিতৰতে আবদ্ধ থকাৰ ফলত প্ৰায়সংখ্যক অভিভাৱককেই সন্তানৰ ভৱিষ্যৎ জীৱনক লৈ হতাশাত ভুগিছে। সকলোৰে মনত মাথোঁ এটাই প্ৰশ্ন— ভৱিষ্যতে কি হ'ব?

কিছুমান প্ৰশ্নৰ উত্তৰ বিচাৰি পোৱাটো উজু নহয়। নিজকে হেজাৰবাৰ প্ৰশ্ন কৰি থকাৰ পাছত যেতিয়া সন্মুখত কোনো সমাধানৰ পথ বিচাৰি নাপাই তেতিয়া হতাশাত ভোগে। যিমানেই চিন্তা কৰি থাকে— সিমানেই হতাশাৰ ছবিখন জটিল হ'বলৈ ধৰে। সাধাৰণতে প্ৰত্যেক ব্যক্তিৰেই হতাশাৰ কাৰণ ভিন্ন। পিছে অতি সম্প্ৰতি বিশ্ববাসীৰ প্ৰায়সংখ্যক লোকৰেই হতাশাৰ কাৰণ এটাই হৈ পৰিছে— ভৱিষ্যৎ জীৱন? সন্মুখৰ ছবিখন সকলোৰে বাবেই ধূসৰ। কি কৰিব অথবা কি নকৰিব তাক লৈ চিন্তা।

ক'ৰোনা ভাইৰাছ প্ৰতিৰোধী প্ৰতিষেধক কেতিয়া ওলাব? প্ৰতি মুহূৰ্ততে সকলোৱে এই প্ৰশ্নটোৰ উত্তৰ বিচাৰি ব্যস্ত হৈছে ইণ্টাৰনেটত। আনকি বহুতৰ বাবে দিনে-ৰাতিয়ে এনে প্ৰশ্নৰ সমিধান বিচাৰি সংগী হৈ পৰিছে ইণ্টাৰনেট, গুগল, ফেচবুক ইত্যাদি ইত্যাদিৰ। এই প্ৰশ্নৰ উত্তৰ বিজ্ঞানী তথা গৱেষকসকলেও দিব পৰা নাই। একেটা প্ৰশ্নই সকলোৰে মনত বাৰে বাৰে উদয় হোৱাৰ পাছতো আশাৰ ৰেঙনি দেখা নাপাই ক্ৰমাৎ হতাশাৰ বেষ্টনীত সোমাই পৰিছে। এই প্ৰশ্নৰ উত্তৰ নোপোৱাত নিদ্ৰাহীনতাত ভোগা লোকৰ

সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। ভাৰতত প্ৰতিবছৰে কমেও দহ নিযুত লোক নিদ্ৰাহীনতাত ভুগি আহিছে। এতিয়া পিছে এই পৰিসংখ্যা কিমান হ'বগৈ তাৰ হিচাপ ওলোৱা নাই যদিও এনে লোকৰ সংখ্যা যে অভাৱনীয়ভাৱে বৃদ্ধি পাইছে সেয়া বিভিন্ন মাধ্যমত প্ৰকাশিত তথ্যই প্ৰমাণ কৰিছে। আটাইতকৈ ডাঙৰ কথা হ'ল— অতি সম্প্ৰতি হতাশাত ভোগা প্ৰায়সংখ্যকেই হ'ল কিশোৰ-কিশোৰী, যুৱক-যুৱতী।

তলাবন্ধৰ বাবে সকলোৱে ঘৰতে আবদ্ধ হ'বলগীয়া হোৱা বাবে বহুতৰেই সংগী হৈ পৰিছে ম'বাইল, টিভি, কম্পিউটাৰ ইত্যাদি। যেতিয়া কোনো এগৰাকী ব্যক্তিয়ে দীৰ্ঘসময় ধৰি ম'বাইল, টিভি, কম্পিউটাৰ আদিত ব্যস্ত হৈ থাকে তেতিয়া মনটো এক নিৰ্দিষ্ট সীমাৰ মাজত আবদ্ধ হৈ পৰে। মানুহৰ মনটোৱে মুকলিভাৱে গতি কৰিব খোজে। প্ৰাকৃতিক পৰিৱেশত থাকি দৈনন্দিন কাৰ্য সম্পাদন কৰিব খোজে। বাহিৰলৈ নোলোৱাকৈ যেতিয়া ঘৰৰ চাৰি বেৰৰ মাজত আবদ্ধ থাকি কোনো কামত ব্যস্ত হয় তেতিয়া এসময়ত আমনিদায়ক হৈ পৰে। নিৰ্দিষ্ট পৰিসৰৰ মাজত থাকি দীৰ্ঘদিন ধৰি কাম কৰিবলগীয়া হোৱা বাবে বিৰক্তিৰ ভাবে গা কৰি উঠে। মনটো যিমানেই বিৰক্ত হৈ থাকে— সিমানেই হতাশাই গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। এতিয়া সকলোৰে ক্ষেত্ৰত এনে এখন ছবিয়েই ফুটি উঠিছে।

শাৰীৰিক-মানসিক বিকাশৰ বাবে খেলা-ধূলা, শৰীৰ চৰ্চা, গীত-নৃত্য আদিৰো প্ৰয়োজন। বিশেষকৈ নৱ প্ৰজন্মৰ বাবে এইবোৰৰ খুবেই প্ৰয়োজন যদিও এতিয়া ঘৰৰ ভিতৰতে সকলোৱে আবদ্ধ হৈ থকাৰ বাবে এনেধৰণৰ চৰ্চা নোহোৱা হৈছে। এইবোৰৰ অনুশীলন কৰিব নোৱাৰিও বহুতে ঘৰত বহিয়েই সময় অতিবাহিত কৰিবলগীয়া হোৱাত স্বাভাৱিকতেই মানসিক সমস্যাই গা কৰি উঠিছে। খেলা-ধূলা, সংগীত আদিৰ জৰিয়তে যিসকলে নিজকে প্ৰতিষ্ঠা কৰিবলৈ আশা পুহি ৰাখিছে— তেওঁলোকৰ সপোন বাস্তৱত ৰূপায়িত নহ'ব বুলিয়েই শংকিত হৈছে। এইকেইদিনতেই যেন ভৱিষ্যতৰ আশাবোৰ মৰহি যাবলৈ ধৰিছে— তেনে ভাবহে অনুভৱ হ'বলৈ ধৰাত ক্ৰমাৎ হতাশাই গা কৰি উঠিছে। আনকি প্ৰতিষ্ঠিত খেলুৱৈ, শিল্পীৰ ক্ষেত্ৰতো

একেই ছবি ফুটি উঠিবলৈ ধৰিছে— যেন তেওঁলোকৰ বাবেও ভৱিষ্যৎ অন্ধকাৰময়।

কোনো ব্যক্তি যদি হতাশাত ভুগিছে— তেওঁক পৰিয়ালৰ আন সদস্যৰ লগতে বন্ধুবৰ্গই পৰামৰ্শ আগ বঢ়োৱাৰ লগতে বিভিন্ন ধৰণে এনে পৰিসৰৰপৰা উলিয়াই আনিব পাৰে। প্ৰয়োজনত 'কাউঞ্চেলিং' কৰিও সুফল পোৱা যায়। যিসকলে নিঃসংগ জীৱন যাপন কৰে তেওঁলোকৰ হতাশাই সোনকালে জটিল ৰূপ লয়। এতিয়া সকলোৰে বাবে প্ৰধান সমস্যা হ'ল— কাৰ ওচৰলৈ যাব আৰু কাক মনৰ কথা বা সমস্যাৰ বিষয়ে ব্যাখ্যা কৰিব। কাৰণ সকলোৰে একেই সমস্যা। সমাধান সূত্ৰ নথকা সমস্যাটো আনৰ আগত প্ৰকাশ কৰাৰ লগে লগে শুনোতাজনৰো আকৌ মনটো ভাৰাক্ৰান্ত হয়। এতিয়া পৰিস্থিতিয়ে এনে ৰূপ লৈছে যে কোনে কাৰ আগত ক'ব আৰু তেওঁৰ কথা কোনে শুনিব!

জীৱন মানেই সমস্যা। সেইবাবে সকলোৱে সমস্যাৰ স'তে মোকাবিলা কৰিবলৈ প্ৰস্তুত হ'বই লাগিব। যিসকলৰ সমাধান সূত্ৰ সম্ভৱ নহয়— সেই বিষয়টোক লৈ অনবৰতে চিন্তা কৰাৰপৰা আঁতৰি থাকিবই লাগিব। যদি বিকল্প পথৰ সন্ধান নাপাই তেনেহ'লে তেনে বিষয়ক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰিবই লাগিব। তেনে সমস্যাৰ স'তে সহাৱস্থান কৰাৰ বাহিৰে অন্য উপায় নাই। প্ৰয়োজন হ'লে জীৱন যাপনৰ পদ্ধতি, কৰ্মপদ্ধতি আৰু সময়ৰ সলনি বা কিছু পৰিমাণে পৰিৱৰ্তন কৰাৰ বাহিৰে আন বিকল্প নাই। ক'ৰোনাৰ বিৰুদ্ধে যুঁজ দিবলৈ সামাজিক ব্যৱধান মানি চলাৰ লগতে সঘনাই চাবোনেৰে হাত ধোৱা, মাস্ক পৰিধান কৰিবই লাগিব। য'ত বিকল্প নাই তাত সহাৱস্থানেই সৰ্বোত্তম উপায়। যুদ্ধক্ষেত্ৰৰপৰা পলায়ন কৰাতকৈ সহাৱস্থানেৰে যুদ্ধজয়ৰ সন্ধান কৰাটোৱে শ্ৰেয়। তেতিয়া আঁতৰিব মনত সৃষ্টি হোৱা হতাশা।

# আতংক মানৱ জাতিৰ অভিশাপ

যেতিয়া কোনো লোক আতংকৰ বলি হয় তেতিয়া তেওঁৰ শাৰীৰিক আৰু মানসিক সমস্যাই গা কৰি উঠে। চৌদিশে ভাহি উঠে একমাত্ৰ আতংকময় পৰিৱেশ। ফলত একো একোটা সৰু কথাক লৈ লোকজন ইমানেই শংকিত হৈ পৰে যে সন্মুখত যদি ৰছী এডালো পৰি থকা দেখে— সেইডালক বিষাক্ত সাপ বুলি গণ্য কৰে। সাধাৰণ জীৱনটোক জটিল কৰি তোলে। প্ৰতি পদে পদে দেখা পায় কেৱল নেতিবাচক প্ৰভাৱ। যেতিয়া সন্মুখত অনিশ্চয়তাই গা কৰি উঠে, তেতিয়া প্ৰত্যেকেই লাহে লাহে নিজৰ অজ্ঞাতেই আতংকিত হয়। অতি সম্প্ৰতি বিশ্বৰ প্ৰায়সংখ্যক লোকেই ক'ভিড- ১৯ৰ সংহাৰী ৰূপৰ বাবে আতংকিত। ধনী-দুখীয়া, সৰু-বৰ সকলো দেশৰ জনগণেই আতংকৰ চক্ৰবেহুত সোমাই পৰিছে। ক'ভিডত আক্ৰান্ত হ'লে মৃত্যু হোৱাৰ শংকাত এতিয়া বহুতেই নিদ্ৰাহীনতাত ভুগিছে। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই বিভিন্ন ৰোগত মানুহৰ মৃত্যু হৈ আহিছে। মহাব্যাধিত আক্ৰান্ত হ'লে মৃত্যু

নিশ্চিত বুলি জানিও এতিয়া সেইবোৰ ৰোগৰ স’তে সহাৱস্থান কৰিছে। কৰ্কট ৰোগত আক্ৰান্ত হৈ বিশ্বত নিতৌ কিমান ৰোগৰ মৃত্যু হৈ আছে তাৰ হিচাপ কোনোবাই ৰাখিছেনে? উচ্চ ৰক্তচাপ, ডায়েবেটিছ, হৃদৰোগ আদিত আক্ৰান্ত হৈ নিতৌ বিশ্বত লাখ লাখ লোকে প্ৰাণ হেৰুৱাই আছে। এইবোৰৰ ঔষধ বা চিকিৎসা সম্ভৱ হোৱা সত্ত্বেও ইমানসংখ্যক লোকে প্ৰাণ হেৰুৱাই আষছ। ভাৰতীয় চিকিৎসা গৱেষণা কাউঞ্চিল (আই চি এম আৰ)ৰ তথ্য মতে ভাৰতত নিতৌ ১৩০০ গৰাকী লোকৰ মৃত্যু হয় কৰ্কট ৰোগত। ইণ্ডিয়ান হাৰ্ট এছ’চিয়েচনৰ তথ্য অনুসৰি ভাৰতত প্ৰতিবছৰে এক নিযুত লোকৰ মৃত্যু হয় ডায়েবেটিছত আক্ৰান্ত হৈ। গতিকে এই দুবিধ ৰোগৰ ভয়াৱহ ৰূপটো ইয়াৰপৰাই অনুমান কৰিব পাৰি। এইবোৰ কথাত কোনোবাই গুৰুত্ব দিয়ে জানো? ৰোগ দুবিধ সংক্ৰামক নহয় যদিও ইয়াৰ মৃত্যুৰ হাৰ কম নহয়। তাৰ পাছতো মানুহ আতংকিত নহয়। তেন্তে ক’ৰোনাক লৈ মানুহ কিয় আতংকিত?

ক’ভিড- ১৯ৰ চিকিৎসা বৰ্তমানলৈকে সম্ভৱ হোৱা নাই। ক’ৰোনা ভাইৰাছৰ সংক্ৰমণো ভয়াৱহ। ভাইৰাছবিধ নতুন বাবে ইয়াৰ প্ৰকৃতিও জনাটো সম্ভৱ হোৱা নাই। নিতৌ নতুন নতুন তথ্য প্ৰকাশ পাই আছে। যিমানেই দিন বাগৰিব— সিমানেই আৰু অধিক তথ্য লাভ কৰাটো সম্ভৱ হ’ব। ইয়াৰ প্ৰকৃতি জানিব পৰা হোৱা নাই বাবেই সকলোৱে শংকিত হৈছে। মাস্ক পৰিধান, সামাজিক ব্যৱধান বৰ্তাই ৰখা, ঘৰৰ ভিতৰতে আবদ্ধ হৈ থকাৰদ্বাৰা ইয়াৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে যদিও চেষ্টা অব্যাহত ৰখা হৈছে, তথাপি আক্ৰান্তৰ সংখ্যা হ্ৰাস পোৱা নাই। সমান্তৰালভাৱে বৃদ্ধি পাইছে মৃত্যুৰ হাৰ। ভাৰতৰ জনসংখ্যা হ’ল ১৩৫ কোটি ২৬ লাখ। এই সংখ্যাৰ ওপৰত ভিত্তি কৰিলে ক’ৰোনাত মৃত্যু হোৱা লোকৰ সংখ্যা বৃহৎ বুলি ক’ব নোৱাৰি। ২৭ হাজাৰৰো অধিক লোকৰ মৃত্যু হৈছে যোৱা তিনি মাহত। তদুপৰি নিজে সতৰ্ক হৈ থাকিলে ভাইৰাছবিধে নিজেই খেদি আহি প্ৰৱেশ কৰিব নোৱাৰে। গতিকে ভাইৰাছবিধে নিজেই খেদি আহি প্ৰৱেশ কৰিব নোৱাৰে। গতিকে ভাইৰাছবিধক লৈ ইমান শংকিত হোৱাৰ প্ৰয়োজন নাই। শংকিত হৈ থাকিলে দৈনন্দিন কাম-কাজ কোনো কাৰণতে আগ বাঢ়িব নোৱাৰিব। প্ৰতিগৰাকী ব্যক্তিয়ে যদি নিজৰ নিজৰ কামসমূহ সম্পাদন নকৰি কেৱল শংকিত মনেৰেই ঘৰত

বহি থাকে, তেতিয়া নিজৰ লগতে দেশৰ আৰ্থিক উন্নয়নত ব্যাঘাত জন্মিব। যিহেতু বিকল্প নাই— সেয়েহে ইয়াক লৈ আতংকিত হোৱাৰ পৰিৱৰ্তে কেনেদৰে দৈনন্দিন কাম-কাজসমূহ আগুৱাই নিব পাৰি— সেই সম্পৰ্কে চিন্তা-চৰ্চা কৰাৰহে সময় আহি পৰিছে।

আতংকৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। সেইবাবে আতংকৰ ধৰণো বেলেগ বেলেগ। তদুপৰি কি বিষয়ক লৈ কেতিয়া আতংকৰ সৃষ্টি হ'ব সেই বিষয়েও কোনো পূৰ্বানুমান কৰিব নোৱাৰে। সময়ে সময়ে এনে ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হয়। আতংকিত হোৱাৰ বিষয়ে জানিব পাৰি মুখমণ্ডলত ফুটি উঠা ছবিখনৰদ্বাৰা। কথোপকথনৰ ভংগী বা ভাবৰ দ্বাৰাও আতংকৰ ছবি এখন ফুটি উঠে। ভয়, শংকা, সন্মুখত নেতিবাচক ছবি এখন ফুটি উঠা আদিৰ সমষ্টিয়েই হ'ল আতংক। পৃথিৱীত যেতিয়া প্ৰলয়ৰ সৃষ্টি হয়— তেতিয়া সকলোৱে হৈ পৰে আতংকিত। ভূমিকম্প, বানপানী, ভূমিস্ফলন, বনজুই, যুদ্ধ, হত্যাকাণ্ড, অশনি সংকেতৰ আগজাননী পোৱাৰ লগে লগে সকলোৱে শংকিত হয়। কিছুমান লোক মানসিকভাৱে শক্তিশালী হয় যদিও চৌদিশে সৃষ্টি হোৱা পৰিৱেশৰ হেতু আতংকিত হৈ পৰে। পৰিৱেশে আতংকিত হ'বলৈ বাধ্য কৰায়।

আজি সকলোৱে জানি-বুজিও শংকিত। ক'ৰোনাৰ ভয়াৱহ সংক্ৰমণৰ বাবেই সৃষ্টি হৈছে আতংক। ইয়াৰ প্ৰভাৱ সকলোৱে ওপৰত পৰিছে। সবাতোকৈ ডাঙৰ কথা হ'ল— এই আতংকই প্ৰায়সংখ্যক লোককেই মানসিকভাৱে দুৰ্বল কৰি তুলিছে। সকলোৱে উঠি-পৰি লাগিবলৈ ধৰিছে ক'ভিডৰ চিকিৎসাত। এতিয়া প্ৰায়সংখ্যক লোকৰেই মনত এনে ভাব হৈছে যে ক'ৰোনাৰ বাহিৰে পৃথিৱীত আন কোনো ৰোগ নাই। অথচ ক'ৰোনাক লৈ সকলোৱে ব্যস্ত হৈ থাকোতেই নিতৌ আন ৰোগত হাজাৰ হাজাৰ লোকৰ মৃত্যু হৈ আছে। মৃত্যু মানেই মৃত্যু। ক'ভিডত মৰিলেও মৰা আৰু আন ৰোগ অথবা দুৰ্ঘটনাত পতিত হৈ মৃত্যু হ'লেও একেই মৃত্যু। সকলোৱে এই কথাটো উপলব্ধি কৰা উচিত। এই কথাটো উপলব্ধি কৰিলে অন্ততঃ সকলোৱে মনৰ পৰা কিছু পৰিমাণে হ'লেও আতংক হ্ৰাস পাব। অন্ততঃ ক'ৰোনাৰ স'তে সহাৱস্থান কৰিবলৈ শিকিব।

# বিশ্ববাসীক সন্ত্ৰস্ত কৰি ৰখা কেইবিধমান মহামাৰী

মানৱ সভ্যতাৰ আৰম্ভণিৰে পৰা মহামাৰীৰ উপস্থিতি দেখা গৈছে। কেতিয়াবা কলেৰা নাইবা কেতিয়াবা প্লেগ নামেৰে মহামাৰীক চিহ্নিত কৰা হৈছে। যি নামেৰেই নামকৰণ নকৰক কিয়— প্ৰতিবাৰেই মহামাৰীয়ে কোটি কোটি লোকৰ প্ৰাণ লৈছে। অৰ্থনৈতিকভাৱে একোখন দেশক জুৰুলা কৰি যায়। যিকোনো একোটা মহামাৰীয়ে ইতিহাসত বহুবাৰ ক'লা দাগ লগাইছে। দুখন বিশ্বযুদ্ধই যি ধন-জনৰ হানি কৰিলে— তাতোকৈ বেছি হানি হৈছে মহামাৰীত। বিশ্বৰ কে'বাখনো আগশাৰীৰ দেশে নিজকে অপ্ৰতিদ্বন্দ্বী কৰিবলৈ উঠি-পৰি লগা সময়ত তৃতীয় বিশ্বযুদ্ধ হ'ব যেনহে ভাব হয়। কোনো সচেতন ব্যক্তিয়ে যুদ্ধ নিবিচাৰে। যুদ্ধই একোখন দেশক কোঙা কৰি যায়। সেয়েহে তৃতীয় এখন বিশ্বযুদ্ধ কাম্য নহয়। কিন্তু ক'ৰোনা মহামাৰীয়ে সমগ্ৰ বিশ্বতে তৃতীয় বিশ্বযুদ্ধৰ কাম কৰিলে। বিশ্বৰ ১৯৫ খন দেশৰ কোনোখনেই ক'ৰোনা

মহামাৰীৰ কৰালগ্ৰাসৰপৰা মুক্তি পোৱা নাই। প্ৰতিখন দেশৰ জনগণে মহামাৰীৰ লগত সহাৱস্থান কৰিবলৈ নিজকে অভ্যস্ত কৰিছে। এয়া যেন তৃতীয় বিশ্বযুদ্ধ। জীৱন আৰু জীৱিকাৰ বাবে একোখন দেশৰ গৰিষ্ঠসংখ্যক লোকে সংগ্ৰাম কৰিব লগা হৈছে। বিশ্বত বৰ্তমানলৈকে প্ৰায় ৭ লাখ লোকৰ ক'ৰোনা মহামাৰীত মৃত্যু হৈছে। ভাৰতত প্ৰায় ৩২০০০ লোকে প্ৰাণ নিলে এই মহামাৰীয়ে।

প্ৰতিটো শতিকাতে একোটা মহামাৰীয়ে বিশ্ববাসীক শিক্ষা দি গৈছে। ঔষধ তথা প্ৰতিষেধক আৱিষ্কাৰ নোহোৱালৈকে বিশ্ববাসীয়ে সহাৱস্থান কৰিব লগা হয়। মহামাৰীবোৰৰ কিছুমানৰ কথা আমি জানিলেও বহু মহামাৰীৰ কথা কালৰ বুকুত হেৰাই গৈছে। মহামাৰীৰ কাৰণে বহু নগৰ-চহৰৰ সভ্যতা-সংস্কৃতি লোপ পাইছে। বহু লোকৰ প্ৰাণনাশ হৈছে। মাতৃয়ে হেৰুৱাইছে সন্তানক, ভগ্নীয়ে হেৰুৱাইছে ভাতৃক, বহু নাৰীয়ে বৈধব্যৰ জীৱনক আঁকোৱালি লৈছে। মহামাৰীৰ গণসংক্ৰমণ হ্ৰাস কৰাৰ স্বাৰ্থত এখন ঠাইৰ জনতাৰ আন এখন ঠাইলৈ ভ্ৰমণ নিষিদ্ধ হৈছিল অতীজৰেপৰা।

কে'বা হাজাৰ বছৰৰ আগেয়ে পৃথিৱী শাসন কৰা মিছৰৰ ফাৰাওয়ৰ মমিৰ গাত বসন্তৰ দাগ ধৰা পৰে। সমগ্ৰ পৃথিৱী শাসন কৰা এই শাসকসকলেও হাৰ মানিব লগা হৈছিল মহামাৰীৰ হাতোৰাত। মহামাৰীক লৈ বহু গল্প, উপন্যাস ৰচনা হোৱাৰ লগতে বহু চিনেমাও নিৰ্মাণ হৈছে। মহামাৰীক লৈ ৰচিত কেইখনমান বিশ্বৰ শ্ৰেষ্ঠ গ্ৰন্থ হৈছে— Laurie Garrettৰ The Coming Plague, William McNeillৰ Plagues and Peoples, John Iliffeৰ The African Aids Epidemic : A History, Peter Piotৰ No Time to Lose : A Life In Pursuit Of Deadly Viruses, Richard Dawkins & Yan Wongৰ The Ancestor's Tale : A Pilgrimage to the Dawn of Evolution. মহামাৰী বিষয়ক কেইখনমান বিশ্বৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ হ'ল— The Seventh Seal (1957), The Last Man on Earth (1964), The Omega Man (1971), I Am Legend (2007), The Andromeda Strain (1971), Dawn of the Dead (1978/2004), Outbreak (1995), 12 Monkeys (1995), Cabin Fever (2002), 'Resident Evil' Series (2002-2017), 28 Days Later (2003), 28 Weeks Later (2007), Carriers (2009), Blind-

ness (2008), Black Death (2010), Rise of the Planet of the Apes (2011), Contagion (2011), World War Z (2013). এনে বহু উদাহৰণ ওলাব। আমি ইয়াত মহামাৰী সম্পৰ্কীয় কিতাপ আৰু চলচ্চিত্ৰৰ বিষয়ে আলোচনা কৰিবলৈ বিচৰা নাই। আমি প্ৰতিটো শতিকাতে বিশ্বত ত্ৰাসৰ সৃষ্টি কৰা মহামাৰীৰ বিষয়ে চমুকৈ আলোচনা কৰিব বিচাৰিছো।

Virus শব্দটো লেটিন ভাষাৰপৰা অহা। ভাইৰাছ শব্দৰ অৰ্থ বিষ। ভাইৰাছৰ প্ৰকৃতি সম্বন্ধে তিনিটা মতবাদ পোৱা যায়। প্ৰথম মতবাদ মতে— ভাইৰাছ এবিধ জীৱ। ভাইৰাছে বংশ বৃদ্ধি কৰে। দ্বিতীয় মতবাদ মতে— ভাইৰাছ এবিধ জড় বস্তু। ভাইৰাছৰ দেহ কোষেৰে গঠিত নহয়। তৃতীয় মতবাদ মতে— ভাইৰাছৰ দেহত জীৱ আৰু জড় দুয়োবিধৰে লক্ষণ দেখা যায়। ভাইৰাছে কেৱল মানুহকে আক্ৰমণ নকৰে। ই জীৱ-জন্তু, গছ-গছনিকো আক্ৰমণ কৰে। ভাইৰাছৰদ্বাৰা মানুহৰ দেহলৈ বিয়পা ৰোগ হৈছে— জলাতংক, বসন্ত, কলেৰা, ডেংগি, এনকেফেলাইটিছ, জাপানীজ এনকেফেলাইটিছ, হেপেটাইটিছ, এইড্‌ছ, পলিঅ' আদি।

খ্ৰীষ্টপূৰ্ব ৪৩০ অব্দত এথেন্সত মহামাৰী হোৱাৰ তথ্য পোৱা যায়। এথেন্স তেতিয়া 'গ্ৰিচৰ শ্বাসযন্ত্ৰ' আছিল। পেলোপনেচিয়ান যুদ্ধৰ সময়ত এবিধ ৰোগে এথেন্সত মহামাৰীৰ ৰূপ লৈছিল। সেই ঠাইৰ তিনিভাগৰ দুভাগ মানুহৰ মৃত্যু হৈছিল এই মহামাৰীত। এজন লোকৰ মৃত্যু হ'লে তেওঁৰ ঘৰৰ কাষৰ দুই-তিনি ঘৰৰ মানুহৰ মৃত্যু নিশ্চিত আছিল। মৃত্যুৰ ভয়ত বহু লোকে হাবি-জংঘল আৰু মৰুভূমিলৈ ঢাপলি মেলিছিল— নিজৰ জীৱনৰ নিৰাপত্তাৰ বাবে। জীৱনৰ মায়াত সেই ঠাইৰ জনতাই নদীৰ বুকুত নাৱতে জীৱন নিৰ্বাহ কৰিছিল। প্ৰথম অৱস্থাত এথেন্সত এই মহামাৰীয়ে আক্ৰমণ কৰা ৰোগীৰ দেহত তীব্ৰ জ্বৰ হয়, খুব পানীৰ পিয়াহ লাগে, ডিঙিত অসহ্য বিষ হয় আদি বিভিন্ন লক্ষণে দেখা দিছিল। পিছলৈ জিভা ৰক্তাক্ত আৰু ছাল ঈষৎ ৰঙা হৈ পৰাৰ লগতে দেহৰ বিভিন্ন স্থানত ঘা সৃষ্টি কৰিছিল। এই ৰোগীৰ সৰ্বশেষ পৰিণতি আছিল মৃত্যু।

১৬৫ খ্ৰীষ্টাব্দত জাৰ্মানত মুৰ্গীৰপৰা বিয়পে 'এণ্টানি প্লেগ' ৰোগ। ১৮০ খ্ৰীষ্টাব্দপৰ্যন্ত এই মহামাৰী বিয়পি পৰিছিল জাৰ্মান সেনাবাহিনীলৈও। তেতিয়া জাৰ্মানীৰ মানুহে জীৱ-জন্তুৰ মাংস খাবলৈ এৰি দিছিল। গণসংক্ৰমণৰ

ফলত সমগ্ৰ দেশতে এই ৰোগ বিয়পি পৰিছিল। আৰম্ভণিতে সেনাবাহিনীৰ লোকসকলৰ জ্বৰ, ডিঙিৰ বিষ আৰু ডায়েৰিয়া হৈছিল। পিছলৈ দেহত পুঁজযুক্ত ঘা হয়। লাহে লাহে মৃত্যুৰ কোলাত এই লোকসকল ঢলি পৰে। প্ৰাণৰ মায়াত এই লোকসকল ত্ৰস্তমান হৈ পৰিছিল।

ছাইপ্ৰিয়ান প্লেগ পৃথিৱীত আছিল প্ৰায় তিনিশ বছৰ। বিশ্বত দীৰ্ঘদিনলৈ এই মহামাৰীৰ সংক্ৰমণ চলি আছিল। কাৰ্থেজ অঞ্চলৰ এটি গিৰ্জাৰ যাজকৰ নামেৰে এই মহামাৰীৰ নামকৰণ কৰিছিল। যাজকগৰাকী এই মহামাৰীত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰিছিল। এই মহামাৰীয়ে ৰোমান সাম্ৰাজ্যক একেবাৰে দুৰ্বল কৰি দিছিল। এই মহামাৰী উত্তৰ আফ্ৰিকা, মিছৰ আদিৰপৰা ক্ৰমশঃ উত্তৰলৈ বিয়পি পৰিছিল। ছাইপ্ৰিয়ান প্লেগ ২৫০ খ্ৰীষ্টাব্দৰপৰা ৪৪৪ খ্ৰীষ্টাব্দলৈ বৰ্তি আছিল। সজাগতাই এই মহামাৰীৰ সংক্ৰমণৰপৰা ৰেহাই পোৱাৰ একমাত্ৰ পথ আছিল।

মিছৰত জাষ্টিনিয়ান প্লেগ মহামাৰী ৰূপত ৫৪১ খ্ৰীষ্টাব্দত বিয়পিছিল। সম্ৰাট জাষ্টিনিয়ানে সেই সময়ত ৰোমান সাম্ৰাজ্যৰ লগত বাইজেণ্টাইনক একীভূত কৰিবলৈ পৰিকল্পনা কৰিছিল। মহামাৰীৰ কাৰণে তেওঁৰ পৰিকল্পনা বিফল হ'ল। অৰ্থনৈতিক সংকট আৰু চিকিৎসাৰ অভাৱত পাঁচ কোটি লোকৰ মৃত্যু হৈছিল। সেই সময়ৰ পৃথিৱীৰ মুঠ জনসংখ্যাৰ ২৬ শতাংশৰ মৃত্যু হৈছিল। এই প্লেগৰ মূল বাহক এন্দুৰ আছিল। সেই সময়ত কোনো লোক এই মহামাৰীত আক্ৰান্ত হ'লে তেওঁৰ আত্মীয়-স্বজনে পলায়ন কৰিছিল নিৰাপদ দূৰত্বলৈ।

মধ্যযুগত ইউৰোপত মহামাৰীৰ ৰূপত কুষ্ঠৰোগ বিয়পিছিল। একাদশ শতিকাত এই মহামাৰীয়ে লাখ লাখ লোকৰ মৃত্যু হৈছিল। এণ্টিবায়'টিক আৱিষ্কাৰৰ আগলৈকে কুষ্ঠৰোগ প্ৰাণঘাতী আছিল। সেই সময়ত এই ৰোগ ঈশ্বৰপ্ৰদত্ত পাপৰ শাস্তি বুলি মানুহে ভাবিবলৈ লৈছিল। অৱশ্যে এতিয়াও প্ৰতি বছৰে লাখ লাখ লোক কুষ্ঠৰোগত আক্ৰান্ত হৈ থাকে যদিও মৃত্যুৰ সংখ্যা অতি নগণ্য।

১৩৪৬ চনৰপৰা ১৩৫৩ চনলৈ বুবোনিক প্লেগে মানৱ সভ্যতাৰ ইতিহাসত এক বীভৎস, অমানৱিক আৰু ভয়াবহ ইতিহাস বহন কৰিছে। বুবোনিক প্লেগ ব্লেক ডেথ নামেও পৰিচিত এই মহামাৰীয়ে মধ্য এছিয়াৰ সমভূমিত জন্ম হৈছিল। ইয়াৰ পিছত এটি ছিল্ক ৰোড হৈ ক্ৰিমিয়াত বিয়পি

পৰে। মধ্য ইউৰোপ আৰু এছিয়া মহাদেশত এই মহামাৰীয়ে ভয়াৱহ ৰূপ লয়। এই ভাইৰাছে সাত বছৰত আঠ কোটি মানুহৰ মৃত্যু হৈছিল। তিনি দিনৰ পৰা সাত দিনৰ ভিতৰত এই ৰোগীয়ে মৃত্যুৰ কোলাত ঢলি পৰে। বণিকসকলৰ জাহাজত বসবাস কৰা এন্দুৰ আৰু পতংগৰদ্বাৰা ভূমধ্যসাগৰ আৰু ইউৰোপত এই ৰোগ বিয়পে। এই ৰোগত আক্ৰান্ত পুৰুষ বা মহিলাৰ মণিবন্ধত টিউমাৰৰ দৰে দেখা যায়। লাহে লাহে সেই টিউমাৰ ডাঙৰ হৈ আহে। আপেল বা কণীৰ দৰে আকাৰ লয়। এসময়ত এই টিউমাৰবোৰ পকি পুঁজ বাহিৰ হয়। সমগ্ৰ শৰীৰ ই বিয়পি পৰে। ছালৰ ৰং ক'লা হয়। যৌনাংগত গভীৰ ঘা সৃষ্টি কৰে। এনেদৰে লাহে লাহে মৃত্যুৰ মুখলৈ গতি কৰে ৰোগীজন। এই ৰোগত সমগ্ৰ এছিয়া, আফ্ৰিকা আৰু ইউৰোপত ৭৫-২০০ মিলিয়ন লোকৰ মৃত্যু হৈছিল। ইউৰোপৰ মুঠ জনসংখ্যাৰ ৩০-৬০ ভাগ লোক এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। ১৪ শ শতিকাত এই মহামাৰীৰ ফলত বিশ্বৰ জনসংখ্যা ৪৫০ মিলিয়নৰপৰা ৩৫০-৩৭৫ মিলিয়নলৈ নামি আহে। মহামাৰীৰ মাত্ৰ কেইমাহমানৰ ভিতৰতে নিশ্চিহ্ন হৈ গৈছিল জনপদ, চহৰ আৰু বসতিস্থান।

কেৰিবিয়ানসকলৰ মাজলৈ স্পেনিছসকলৰ আগমনৰ পিছত ১৪৯২ চনত বসন্তই মহামাৰীৰ ৰূপ লয়। আক্ৰান্ত ৯০ শতাংশ লোকৰ মৃত্যু হয়। হিছপানিওলা দ্বীপপুঞ্জত ৯৯.৯ শতাংশ লোকৰ মৃত্যু হৈছিল। ১৫৪৮ চনত সেই ঠাইত মাত্ৰ ৫০০ লোকহে জীয়াই আছিল। ১৪৯১ চনত সেই ঠাইত প্ৰায় ৬০ হাজাৰ লোকে বসতি কৰিছিল। তদুপৰি ১৬ শ আৰু ১৭ শ শতাব্দীত আমেৰিকাত এই ৰোগত ৫৬ বিলিয়ন লোকে প্ৰাণ হেৰুৱাইছিল।

১৬১৬ চনত লণ্ডনত মহামাৰীয়ে আচল ৰূপ লয়। স্মল পক্স, ইনফ্লুয়েঞ্জা, টাইফাছসহ বহু মহামাৰীত জ্বৰত আক্ৰান্ত হৈ লণ্ডনত বহু লোকে মৃত্যুবৰণ কৰে। ঘৰে ঘৰে মানুহৰ মৃত্যু হয়। এনে মৃত্যু লণ্ডনত কেতিয়াও হোৱা নাছিল। দেশৰ ৯০ শতাংশ লোক অচিনাকি ৰোগত আক্ৰান্ত হৈছিল। সেই সময়ত মৃত্যু উপত্যকাত পৰিণত হৈছিল চহৰ-নগৰ আদি জনবসতি থকা অঞ্চলবোৰ। মুঠ জনসংখ্যাৰ ২০ শতাংশৰ মৃত্যু হৈছিল এই মহামাৰীত। ৰোগৰ গণসংক্ৰমণৰ ভয়ত পোহনীয়া জীৱ-জন্তুৰ ভিতৰত বহু কুকুৰ-মেকুৰী মাৰি পেলোৱা হয়। ১৭৩৮ চনত বলকান অঞ্চলত ৫০ হাজাৰ লোক প্লেগ

মহামাৰীত আক্ৰান্ত হৈ মৃত্যুৰ মুখত পৰে।  এইটো শতিকাতেই ৰাছিয়া আৰু পাৰ্ছিয়াত ভয়ংকৰ ৰূপ লয় মহামাৰীয়ে। পাৰ্ছিয়াত দুই লাখ লোকে মৃত্যুবৰণ কৰে।

১৮১৭ চনৰপৰা কলেৰাৰ প্ৰাদুৰ্ভাৱ আৰম্ভ হয়। দহ বছৰৰ ব্যৱধানত ইউৰোপ আৰু এছিয়াত এক লাখ লোকৰ মৃত্যু হয়। উনৈশ শতিকাৰ মাজভাগত কলেৰা সমগ্ৰ বিশ্বতে বিয়পি পৰিছিল। এইছোৱা সময়ত ইউৰোপ, এছিয়া আৰু উত্তৰ আমেৰিকাত এক লাখ লোকে মৃত্যুবৰণ কৰে। তৃতীয় কলেৰা মহামাৰি (১৮৫২-১৮৬০)য়ে বহু মানুহৰ প্ৰাণ কাঢ়ি নিছিল। এই মহামাৰী দূষিত পানীৰপৰা বিয়পে বুলি জানিবলৈ প্ৰায় কে'বাটাও যুগ লাগিছিল। তৃতীয় মহামাৰীৰ উৎপত্তি হৈছিল ভাৰতত। গংগা নদীৰে বিয়পি এছিয়া, ইউৰোপ, উত্তৰ আমেৰিকা আৰু আফ্ৰিকালৈ এই মহামাৰী বিয়পি পৰিছিল। ১৮৫৫ চনত ভাৰত আৰু হংকঙত বিয়পি পৰিছিল প্লেগ মহামাৰী। চীনৰপৰা গণসংক্ৰমণ হোৱা এই মহামাৰীত প্ৰায় ডেৰ কোটি লোকে প্ৰাণ হেৰুৱাইছিল। ভাৰতত এই ৰোগে প্ৰাণঘাতী ৰূপ লৈছিল।

বৰ্তমান সময়ত এখন অন্যতম সৰ্বশক্তিমান দেশ ৰাছিয়াত 'ৰাছিয়ান ফ্লু' আছিল 'ফ্লু'ৰ মাধ্যমেৰে হোৱা প্ৰথম মহামাৰী। ছাইবেৰিয়া আৰু কাজাখস্তানত সূত্ৰপাত হৈ ফিনলেণ্ড আৰু পোলেণ্ডলৈ 'ৰাছিয়ান ফ্লু' বিয়পি পৰিছিল। ইউৰোপলৈও সংক্ৰমিত হৈছিল এই ফ্লু। ব্যৱসায়-বাণিজ্য তথা পৰ্যটনৰ জৰিয়তে জনতাৰ যাতায়াতৰ ফলত সমুদ্ৰ পাৰ হৈ উত্তৰ আমেৰিকা আৰু আফ্ৰিকালৈও বিয়পি পৰিছিল। ১৮৯০ চনত এই ৰোগত প্ৰায় ৩ লাখ ৬০ হাজাৰ লোকৰ মৃত্যু হৈছিল।

১৯১৮ চনৰপৰা ১৯২০ চনলৈ দ্য ফ্লু বা ইনফ্লুয়েঞ্জা নামৰ এবিধ মহামাৰীৰ প্ৰাদুৰ্ভাৱ হয়। ইনফ্লুয়েঞ্জাই মানৱ দেহত অকলেই এশটা ৰোগ সৃষ্টি কৰিব পাৰে। এই ৰোগৰ উৎপত্তি চীনত হৈছিল। চীনৰ শ্ৰমিকসকলৰ জৰিয়তে কানাডা হৈ ইউৰোপলৈ এই মহামাৰী সংক্ৰমিত হৈছিল। ১৯১৮ চনত উত্তৰ আমেৰিকাত এই ৰোগৰ লক্ষণ ধৰা পৰে। স্পেইনৰ মাদ্ৰিদত মহামাৰীৰ ৰূপ লোৱাত ইয়াৰ নাম 'স্পেনিছ ফ্লু' ৰখা হয়। ১৯১৯ চনত তাপমান বৃদ্ধি পোৱাত এই ৰোগৰ ভয়াৱহতা ক্ৰমশঃ কমি যায়। স্পেইনত ৮০ লাখ লোক এই ৰোগত আক্ৰান্ত হৈছিল। প্ৰায় পাঁচশ মিলিয়ন (মুঠ

জনসংখ্যাৰ এক তৃতীয়াংশ) লোক সংক্ৰমিত হৈছিল। বিশ্বজুৰি প্ৰায় ২০-৫০ মিলিয়ন লোকৰ মৃত্যু হৈছিল। আশ্চৰ্যজনকভাৱে স্বাস্থ্যৱান যুৱক-যুৱতীয়ে এই ৰোগত বেছিকৈ আক্ৰান্ত হৈছিল। আনহাতে দুৰ্বল লোকসকল সুস্থ হৈ আছিল। এই মহামাৰীৰ এইটো আচৰিত লক্ষণ আছিল।

১৯৫৭ চনৰপৰা ১৯৫৮ চনলৈ 'এছিয়ান ফ্লু' নামৰ আন এবিধ ভাইৰাছে জনতাৰ নিদ্ৰা হৰিছিল। এছিয়ান ফ্লু ভাইৰাছ এইচ২ এন২ৰ ছাব টাইপৰ মাজৰ ইনফ্লুয়েঞ্জা নামে পৰিচিত। এই ভাইৰাছ প্ৰথম চীনৰ গুইঝুইত ১৯৫৭ চনৰ ফেব্ৰুৱাৰী মাহত উৎপত্তি হয় আৰু পাৰ্শ্বৱৰ্তী প্ৰদেশ ইউনানলৈ বিস্তাৰিত হয়। তাৰ পাছত ছিংগাপুৰ, হংকং, আমেৰিকা যুক্তৰাষ্ট্ৰ আদিলৈ দ্ৰুতগতিত গণসংক্ৰমণ হয়। ইয়াৰ ফলত বিশ্বত প্ৰায় এঘাৰ লাখ লোকে প্ৰাণ হেৰুৱাইছিল। 'এছিয়ান ফ্লু'ত কেৱল আমেৰিকাতে ১৯৫৭ চনৰ জুন মাহত ১ লাখ ১৬ হাজাৰ লোকৰ মৃত্যু হয়। ভাৰতত প্ৰায় এক লাখ লোক আক্ৰান্ত হয়। আমেৰিকাত ভেকচিন আৱিষ্কাৰ হোৱাৰ পিছত দ্ৰুতগতিত ভেকচিন দান আৰু এণ্টিবায়'টিকৰ সহজলভ্য হোৱাৰ ফলত মহামাৰীৰ বিস্তাৰ ৰোধ কৰাত সহায়ক হৈছিল।

১৯৮০ চনত বিশ্ববাসীয়ে এইচ আই ভি অৰ্থাৎ এইড্‌ছ (মানৱ প্ৰতিৰক্ষা অভাৱ সৃষ্টিকাৰী ভাইৰাছ)ৰ লগত চিনাকি হয়। এই ভাইৰাছ পশ্চিম-মধ্য আফ্ৰিকাত প্ৰথমে উৎপত্তি হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰোগ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ কেন্দ্ৰ চি ডি চিয়ে প্ৰথমে এই ৰোগ চিনাক্ত কৰে। মানুহৰ দেহত এবাৰ ইয়াৰ বীজাণু সোমালে বংশবৃদ্ধি দ্ৰুতগতিত হৈ সৰ্বশৰীৰত বিস্তাৰ লাভ কৰে। ২০১৬ চনৰ সমীক্ষা অনুযায়ী বিশ্বৰ প্ৰায় ৩ কোটি ৬৭ হাজাৰ লোক এইড্‌ছত আক্ৰান্ত হয়। ২০১৬ চনত ২০১৫ চনৰ তুলনাত এই ৰোগী তিনি লাখ কম আছিল। ১৯৮০ চনৰ আৰম্ভণিৰে পৰা ২০১৭ চন পৰ্যন্ত সমগ্ৰ বিশ্বতে আনুমানিক ৩ কোটি ৫০ লাখ লোকৰ এইড্‌ছ আক্ৰান্ত হৈ মৃত্যু হয়। এইড্‌ছক বৰ্তমান বৈশ্বিক মহামাৰী ৰূপে গণ্য কৰা হয়। ২০১৭ চনৰ সমীক্ষা অনুযায়ী আমেৰিকা যুক্তৰাষ্ট্ৰৰ এইচ আই ভি আক্ৰান্ত লোকৰ ৭০ শতাংশই সমকামী পুৰুষ।

পলিঅ'ত আক্ৰান্ত হৈ বিশ্বত বহু শিশুৰপৰা বৃদ্ধলৈকে মৃত্যু হৈছে। ১৯৮০ চনত এশৰো বেছি দেশত পলিঅ' ৰোগৰ উপস্থিতি ধৰা পৰে। প্ৰতি

বছৰে তেতিয়া পলিঅ'ত আক্ৰান্ত হৈ প্ৰায় ৩.৫০ লাখ লোক পংগু হয়। ১৯৮৮ চনত পলিঅ' নিৰ্মূলৰ অভিযান বিশ্ব স্বাস্থ্য সংস্থাই আৰম্ভ কৰে। বিগত দুই দশকত প্ৰায় ৯৯ শতাংশ কমি আহে। ২০১২ চনৰ মে' মাহত বিশ্ব স্বাস্থ্য সংস্থাই ৫৫ টা পলিঅ' সংক্ৰমণৰ ঘটনা নথিভুক্ত কৰিছে। ২০১২ চনৰ ফেব্ৰুৱাৰী মাহত বিশ্ব স্বাস্থ্য সংস্থাই ভাৰতক পলিঅ'মুক্ত ঘোষণা কৰে। ১৯৮০ চনৰপৰা ২০১৭ চনলৈ পোৱা সমীক্ষা অনুযায়ী পলিঅ'ত আক্ৰান্ত লোকৰ সংখ্যা এনেধৰণৰ— ১৯৮০ চনত ৭০ হাজাৰ, ১৯৮৫ চনত ৬০ হাজাৰ, ১৯৯০ চনত ৫০ হাজাৰ, ১৯৯৫ চনত ৪০ হাজাৰ, ২০০০ চনত ৩০ হাজাৰ, ২০০৫ চনত ২০ হাজাৰ, ২০১০ চনত ১০ হাজাৰ আৰু ২০১৫ চনলৈ কমি আহে। টিকাকৰণৰদ্বাৰা সমগ্ৰ বিশ্ব আজি পলিঅ' মহামাৰীৰপৰা মুক্ত বুলিবই পাৰি।

মালয়েছিয়া আৰু ছিংগাপুৰত ১৯৯৯ চনত চিনাক্ত হোৱা নিপাহ ভাইৰাছ বৰ্তমান এছিয়া আৰু আফ্ৰিকাৰ বিভিন্ন দেশলৈ বিয়পি পৰিছে। মালয়েছিয়াৰ সুংগাই নিপাহ নামৰ এখন গাঁৱৰ নামেৰে এই ভাইৰাছৰ নামকৰণ কৰা হয়। এখন গাহৰি ফাৰ্মত ধৰা পৰা এই ভাইৰাছ বাদুলিৰ পৰা মানুহৰ দেহলৈ সংক্ৰমিত হয়। আক্ৰান্ত লোকগৰাকীৰ শ্বাসতন্ত্ৰ আৰু স্নায়ুতন্ত্ৰ বিকল হৈ পৰে। নিপাহ আক্ৰান্ত লোকৰ জ্বৰ, কাহ, মূৰৰ বিষ, শ্বাস-প্ৰশ্বাসত কষ্ট, ভুল বকা আদি লক্ষণ অন্যতম। এদিন-দুদিনৰ ভিতৰতে ৰোগীগৰাকী অচেতন হৈ পৰি যায়। মানুহৰ লগতে ঘৰচীয়া জীৱ-জন্তুও সহজে আক্ৰান্ত হয়। ২০১৩ চনপৰ্যন্ত নিপাহ ভাইৰাছৰ সংক্ৰমণৰ ফলত ৫৮২ গৰাকী লোক আক্ৰান্ত হয়। তেওঁলোকৰ ভিতৰত ৫৪ শতাংশৰ মৃত্যু হয়। ২০১৮ চনত আমাৰ দেশৰ কেৰালাত নিপাহ ভাইৰাছত আক্ৰান্ত হৈ ১৭ গৰাকী লোকে প্ৰাণ হেৰুৱাইছিল। বাংলাদেশত এই ভাইৰাছ বাদুলিৰপৰা বিয়পে। সাধাৰণতে সংক্ৰমণৰ চাৰিৰপৰা চৈধ্য দিনৰ ভিতৰত এই ৰোগৰ লক্ষণ ফুটি উঠে। কোনো কোনো ক্ষেত্ৰত ৪৫ দিন পৰ্যন্ত লাগে ৰোগীৰ দেহত লক্ষণ ফুটি উঠিবলৈ। এই ভাইৰাছৰ কোনো ধৰণৰ ঔষধ বা প্ৰতিষেধক এতিয়াও আৱিষ্কাৰ হোৱা নাই। নতুনকৈ গছৰ পৰা উলিওৱা খেজুৰৰ ৰস আৰু বাদুলিয়ে খোৱা ফল-মূল খোৱাৰ পৰা আঁতৰি থকাটোৱে পৰিত্ৰাণৰ একমাত্ৰ উপায়।

ছিভিয়াৰ একিউট ৰেছপিৰেটৰি চিণ্ড্ৰ'ম বা ছাৰ্ছ নামৰ ভাইৰাছবিধ ২০০৩

চনৰ নৱেম্বৰ মাহত চীনৰ গুৱাংডং চহৰত উৎপত্তি হৈছিল। অত্যন্ত দ্ৰুতগতিত আজিৰ ক'ৰোনা ভাইৰাছৰ দৰে ২০০৩ বৰ্ষৰ ভিতৰত প্ৰায় ২৬ খন দেশলৈ বিয়পি পৰিছিল। ফলত ছমহাৰ ভিতৰতে প্ৰায় ৮০০০ গৰাকী লোক আক্ৰান্ত হৈছিল আৰু ৭৭৪ গৰাকী লোকে প্ৰাণ হেৰুৱাইছিল। আন্তৰ্জাতিক স্তৰত চিকিৎসা ব্যৱস্থাৰ উন্নতিৰ ফলত এই মহামৰী নিমূৰ্ল কৰিবলৈ সক্ষম হৈছিল। এই ভাইৰাছ ২০০২ চনৰ শেষৰ ফালে এখন বিয়াৰ মাংগলিক অনুষ্ঠানৰ জৰিয়তে চীনৰ বাহিৰলৈ সংক্ৰমিত হয়।

ইব'লা ভাইৰাছ ২০১৪ চনত পশ্চিম আফ্ৰিকাৰ গিনিত ইব'লা মহামাৰীৰ উৎপত্তি হৈছিল। গিনিৰ পৰা লাহে লাহে এই মহামাৰী লাইবেৰিয়া আৰু ছিয়েৰা লিয়নলৈ বিয়পি পৰে। মূলতঃ পশ্চিম আফ্ৰিকাত সীমাবদ্ধ থাকিলেও ভয়াৱহ এই ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ হাৰ আছিল ৬০ শতাংশ। ইয়াৰ পিছত ২০১৬ চনতো এই মহামাৰীত ২৮,৬৪৬ গৰাকী লোক আক্ৰান্ত হৈছিল আৰু মৃত্যু হৈছিল ১১,৩২৩ গৰাকী লোক। বৰ্তমান ইব'লাই কংগো আৰু উগাণ্ডাৰ দৰে দেশত ভয়াৱহ ৰূপ লৈ ২২০০ গৰাকী লোকৰ মৃত্যু হৈছে। ইব'লা ভাইৰাছত আক্ৰান্ত ৯০ শতাংশৰ লোকৰেই মৃত্যু হয়। মধ্য আৰু পশ্চিম আফ্ৰিকাৰ প্ৰত্যন্ত অঞ্চলৰ বিশেষকৈ কংগো, ছুদান, গাবন আৰু আইভৰিকোষ্টত এই ভাইৰাছৰ প্ৰকোপ বেছি। এই ভাইৰাছ কোনো সংক্ৰমিত পশুৰ তেজৰ পৰা বিয়পে। প্ৰাকৃতিক পৰিৱেশত বতাহৰপৰা সংক্ৰমণৰ কোনো ধৰণৰ তথ্য নাই। বাদুলিয়ে নিজে আক্ৰান্ত নোহোৱাকৈ মানুহৰ দেহলৈ এই ৰোগৰ বীজাণু বিয়পাব পাৰে বুলিও জনা যায়।

জিকা ভাইৰাছ ২০১৫ চনৰ আৰম্ভণিতে চিনাক্ত হয়। ব্ৰাজিলত সৃষ্টি হোৱা জিকা ভাইৰাছ সমগ্ৰ উত্তৰ আমেৰিকা আৰু দক্ষিণ আমেৰিকাত বিয়পি পৰিছিল। জিকা জ্বৰ— যিটো জিকা ভাইৰাছ হিচাপে চিনাক্ত হয়। ডেংগি জ্বৰৰ লগত ইয়াৰ সাদৃশ্য আছে। অধিকাংশ ৰোগীৰ ক্ষেত্ৰত (৬০-৮০ শতাংশ) কোনো উপসৰ্গই দেখা নিদিয়ে। যেতিয়া উপসৰ্গই দেখা দিয়ে তেতিয়া ৰোগীৰ দেহত জ্বৰ, চকু ৰঙা পৰা, হাড়ৰ জোৰাত বিষ, মূৰৰ বিষ আদি হয়। এক কোটি শিশুৰ শৰীৰত মাইক্ৰ'ছেফিলি সৃষ্টি কৰিছিল— যিটো অত্যন্ত ভয়ংকৰ আৰু বিপজ্জনক। কাৰণ ইয়াৰ ফলত মানসিক সমস্যাৰ সৃষ্টি হৈছিল। ২০১৫ চনত ব্ৰাজিলত ২৪০০ টি শিশু মাইক্ৰ'ছেফিলিত আক্ৰান্ত হৈছিল।

২৯ টি শিশুৰ মৃত্যু হৈছিল। জিকা ভাইৰাছৰ বাবে ২০১৬ চনৰ ফেব্ৰুৱাৰী মাহত বিশ্ব স্বাস্থ্য সংস্থাই বৈশ্বয়িক জনস্বাস্থ্য জৰুৰী অৱস্থা ঘোষণা কৰে।

শেহতীয়াভাৱে ২০১৯ চনৰ ৩১ ডিচেম্বৰত চীনৰ য়ুহান চহৰত ক'ৰোনা ভাইৰাছৰ এটি প্ৰজাতিৰ সংক্ৰমণ দেখা যায়। বিশ্ব স্বাস্থ্য সংস্থাই ইয়াক প্ৰতিষ্ঠানিকভাৱে '২০১৯- এন চি অ' ভি নামেৰে নামকৰণ কৰিছে। ২০২০ চনৰ ১১ মাৰ্চত বিশ্ব স্বাস্থ্য সংস্থাই ছাৰ্চ-ক'ভ-২ ভাইৰাছৰদ্বাৰা সংক্ৰমিত ক'ৰোনা ভাইৰাছক বৈশ্বিক মহামাৰীৰূপে ঘোষণা কৰে। ২০২০ চনৰ জুলাই মাহৰ শেষলৈকে ২১৫ খনৰো অধিক দেশ আৰু অধীনস্থ অঞ্চলত প্ৰায় দুই কোটি লোক ক'ৰোনা ভাইৰাছত আক্ৰান্ত হৈছে। ইয়াৰে ইতিমধ্যে প্ৰায় এক কোটি লোকে আৰোগ্য লাভ কৰিছে। অতি মাৰাত্মক খবৰ এয়ে যে এতিয়ালৈকে প্ৰায় সাত লাখ লোকে মৃত্যুবৰণ কৰিছে। ক'ৰোনা ভাইৰাছক কেবাটাও নামেৰে জনা যায়— ক'ৰোনা, ক'ভিড, ২০১৯-nCoV একিউট ৰেছ্‌পিৰেটৰী ডিজিজ, ন'ভেন ক'ৰোনা ভাইৰাছ নিউম'নিয়া, নতুন বীজাণুৰে কৰা তীব্ৰ নিউম'নিয়া (Severe pneumonia with novel pathogens) আদি। ক'ৰোনা ভাইৰাছ হোৱা ৰোগীৰ লক্ষণসমূহ হ'ল— জ্বৰ, শুকান কাহ, ডিঙিৰ বিষ, ভাগৰ লগা, উশাহ চুটি, গোন্ধ নোপোৱা নাইবা কেতিয়াবা কোনো লক্ষণ নাথাকে। প্ৰতিৰোধৰ বাবে সঠিক হাত ধোৱা প্ৰণালীৰ প্ৰয়োগ, মাস্ক বা মুখবন্ধ, শাৰীৰিক দূৰত্ব।

এতিয়া সমগ্ৰ বিশ্ব ক'ৰোনা মহামাৰীৰ ত্ৰাসত ত্ৰস্তমান। কেতিয়া ইয়াৰ পৰা পৰিত্ৰাণ পোৱা যাব কোনেও ক'ব নোৱাৰে। কাৰণ আজি সৰ্বশক্তিমান দেশৰেই অৱস্থা অতি শোচনীয়। ৰজা-প্ৰজা কোনো বাচ-বিচাৰ নাই। এফালৰপৰা মহটিয়াই নিছে। ধন-জনৰ কিমান হানি-বিঘিনি হৈছে সেই হিচাপো নাই। স্বাভাৱিক অৱস্থা ঘূৰি অহালৈ আমি প্ৰতীক্ষা কৰাৰ বাহিৰে আন উপায় নাই। কাৰণ বিশ্বৰ আগশাৰীৰ দেশসমূহত ক'ৰোনা মহামাৰী নিৰ্মূলৰ বাবে ঔষধ আৱিষ্কাৰত নিৰৱচ্ছিন্নভাৱে চিকিৎসাবিজ্ঞানীসকলে লাগি আছে। দিবা-নৈশ ব্যস্ত থকা চিকিৎসাবিজ্ঞানীসকল সফল হওক তেওঁলোকৰ প্ৰচেষ্টাত। মানৱ জাতিৰ জীৱনো উদ্ধাৰ পাওক।